

সম্পাদক :

শ্রীপ্রণব ভট্টাচার্য্য

# মঙ্গলদৈয়ান

## মঙ্গলদৈ মহাবিদ্যালয় আলোচনী

৩৪ তম্ সংখ্যা
১৯৯৫-৯৬ বৰ্ষ

তত্বাৱধায়ক
ইদ্ৰিছ আলি
প্ৰবক্তা; অসমীয়া বিভাগ

সম্পাদক
প্ৰণৱ ভট্টাচাৰ্য্য

## সম্পাদনা সমিতি

পৃষ্ঠপোষক— ড° লোকেশ্বৰ নাথ ; অধ্যক্ষ

উপদেষ্টা— ড° আমানুল হক
জামালুদ্দিন আহমেদ
মণিমুগ্ধ বৰঠাকুৰ

সভাপতি — গিৰীশ চন্দ্ৰ গোস্বামী

তত্বাৱধায়ক — ইদ্ৰিছ আলি

সম্পাদক — প্ৰণৱ ভট্টাচাৰ্য্য

সদস্য/সদস্যা বৃন্দ—

মহাদেৱন বৰুৱা, ধীৰেণ শৰ্মা, দোলন নাথ
অনিমা ডেকা, দিব্যজ্যোতি ভট্ট।

বেটুপাটৰ শিল্পী—

শৰৎ চন্দ্ৰ শৰ্মা ; বি, এচ, চি,

ৰেখাচিত্ৰ—

জিতেন ৰাজবংশী

অংগসজ্জা—

ববিতা ভট্ট
অঞ্জুলা চহৰীয়া

মুদ্ৰন—

জ্যোতি প্ৰিণ্টাৰ্চ
বামুণীমৈদান
গুৱাহাটী-২১

# শলাগেৰে ঃ

সকলো সময়তে পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° লোকেশ্বৰ নাথ দেৱলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ।

★ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় ইদ্ৰিছ আলি, মণ্ডলদৈয়ান সম্পাদনা সমিতিৰ সভাপতি মাননীয় শ্ৰীগিৰীশ চন্দ্ৰ গোস্বামী আৰু একতা সভাৰ বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক বৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

★ আলোচনী পাণ্ডুলিপি সমূহ পৰীক্ষা কৰি দিয়া মাননীয় অধ্যাপক শ্ৰীডিম্বেশ্বৰ বৰুৱা, শ্ৰীপ্ৰণৱ শৰ্ম্মা আৰু আচিফ আলি দেৱলৈ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

★ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু আলোচনী সম্পাদনা সমিতিৰ সদস্য/সদস্যালৈ কৃতজ্ঞতা জনালোঁ।

★ মহাবিদ্যালয় আলোচনী সম্পাদনাৰ মহান সুযোগ দিয়াৰ বাবে সকলো ছাত্ৰ/ছাত্ৰীৰ ওচৰত মই সদায় কৃতজ্ঞ।

★ বেটুপাত অংকন কৰি দিয়া শিল্পী শ্ৰীশৰৎ চন্দ্ৰ শৰ্ম্মা দেৱৰ লগতে ৰেখা চিত্ৰৰ শিল্পী জিতেন ৰাজবংশী দেৱৰ ওচৰত চিৰকৃতজ্ঞ।

★ আলোচনী মুদ্ৰনৰ ভাৰ লোৱা জ্যোতি প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী তথা কৰ্ম-কৰ্তা বৃন্দলৈ কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ।

'সম্পাদক'

# সম্পাদকীয়

ছাত্ৰ সমাজ নতুনৰ প্ৰতি আগ্ৰহী। ছাত্ৰ শক্তি অসীম সাহসী। জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে গৃহমঞ্চৰ পৰা বিশ্বমঞ্চলৈ ঐক্য সাধনে ইয়াৰ প্ৰধান লক্ষ্য। একতাই পৰম বল বুলি প্ৰমাণিত কৰি আহিছে এই শক্তিকামী যুৱ সমাজে। নিস্বাৰ্থভাবে সংগ্ৰাম কৰি প্ৰাণ আহুতি দিয়াৰ উদাহৰণো এই ছাত্ৰশক্তিৰ মাজত সংখ্যাতীত।

হঠাৎ কেতিয়াবা এনে ছাত্ৰশক্তিও বিপথে পৰিচালিত হৈ যায় আৰু কেতিয়াবা হৈ যায় স্থবিৰ। সমাজৰ উন্মত্ত, অট্টহাস্য, বৰ্বৰতা, প্ৰাণহন্তা, লোভ, অন্ধ কামনাৰ প্ৰতিমূৰ্ত্তি দেখা যায়। ইয়াৰ কাৰণো নোহোৱা নহয়। ক্ষন্তেকীয়া লাভৰ আশাত এক শ্ৰেণীৰ মানৱীয় শক্তিয়ে ছাত্ৰ সমাজক ভয়াল অন্ধকাৰ গৰাহলৈ ঠেলি দিয়া দেখা যায়। এই শ্ৰেণী মুখাপিন্ধা তেজপিয়া। মানুহৰ গাত পৰি ই তেজ পিবলৈ নাহে। সমাজক হাতৰ মুঠিত ৰাখিবলৈ বিচাৰে এই কুশক্তিটোৱে। কোনো এক দুৰ্বল মুহূৰ্তত ছাত্ৰ সমাজক নিজৰ হাতলৈ লৈ যায়। এয়াই ভ্ৰষ্টাচাৰ; যাৰ ফলত ছাত্ৰ সমাজত দেখা যায় শৃংখলাহীনতা। এচামে নিজকে অকাল মৃত্যু বিভীষিকাৰ পৰা ৰক্ষা কৰাৰ সুবিধাকণো হেৰুৱাই পেলায়। আনচামে হতাশাগ্ৰস্থ হ'বলৈ বাধ্য হয়।

বৰ্ত্তমান সমাজৰ মাজমজিয়াত নৈৰাশ্য ঘটনাৰ পুনৰাবৃত্তি হৈ থকা দেখা যায়। এইবোৰত ছাত্ৰ সমাজৰ চকু নপৰাকৈ নাথাকে। ইয়াৰ প্ৰতিবাদত চিঞৰি চেঁচুকালি প্ৰতিবাদ কৰি কোনো সুফল পোৱা নাযায়। তথাপি ছাত্ৰ সমাজে ইয়াক প্ৰতিবাদ বা সমালোচনা নকৰাকৈ থকা নাই। গণতান্ত্ৰিক ভাবে ইয়াৰ প্ৰতিবাদ কৰি আহিছে। সকলো ধৰণৰ হিংসা বা সন্ত্ৰাসমূলক কাৰ্য্যকে ছাত্ৰ সমাজে গৰিহণা দি আহিছে।

মোৰ ভাব হয় ....। মৰ্য্যাদা সহকাৰে আমাৰ মানবীয় অধিকাৰ লৈ জীয়াই থকাৰ প্ৰশ্ন মনলৈ আহিলে। বিষ বাষ্পই জনসাধাৰণক স্তব্ধ আৰু বিপন্ন কৰি তুলিছে। আমি বাৰু ক্ষোভ, ভয়, নৈৰাশ্যৰ মাজতে থাকিব লাগিব নেকি? আসন্ন ভৱিষ্যতৰ কথা ভাবি মন উদ্বিগ্ন হৈ পৰে।

ভাৰতৰ বিপুল সংখ্যক জনসাধাৰণ ধৰ্মত বিশ্বাসী। ধাৰ্মিক সাম্প্ৰদায়িক হ'ব নোৱাৰে। ধৰ্মৰ দৃষ্টিত সাম্প্ৰদায়িকতা চৰম অধৰ্ম, চৰম অনৈতিকতা। তথাপি বংচঙীয়া প্ৰচাৰেৰে উগ্ৰ সাম্প্ৰদায়িকতাবাদী বিষ বাষ্প বিয়পাই থকা পৰিলক্ষিত হয়। সাম্প্ৰদায়িকতাই ঘৃণা কৰিবলৈ শিকায়; হত্যা, লুণ্ঠন কৰিবলৈ উৎসাহ যোগায়। লগে লগে ধ্বংস হয় মানবীয় শৃংখলাবোধৰ। আৰম্ভ হয় ভ্ৰাতৃঘাতী সংঘৰ্ষ।

শৃংখলাবদ্ধতা আচলতে সকলো দিশতে প্ৰয়োজনীয়। বিশৃংখলতাৰ মাজত ধাবিত হোৱা অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক দিশৰ পৰা সমাজখনক মুক্ত কৰাটো অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে। ক্ষুদ্ৰৰ পৰা আৰম্ভ কৰি বৃহৎ চিন্তাধাৰাৰ সকলো স্তৰতে সুস্থিৰ শৃংখলাবদ্ধতা

খুবেই প্ৰয়োজনীয়। যাৰ পৰা আমাৰ চিন্তাবোৰত উচিত আসনৰ আশা কৰিব পাৰি।

জীৱনৰ লক্ষ্যই য'ত আঁত হেৰুৱাইছে। সমস্যাৰ বহুমুখী পৰিকল্পনাই সমাজক বিকৃত কৰিছে। ইয়াৰ মূলতে শৃংখলাৰ অভাৱ। আমি তেনে অৱস্থাত সহায় কৰিব লাগিব। সমাজৰ ভাঙিব ধৰা নিৰাশাবাদী অস্পষ্ট মানৱতাবোধক দিব লাগিব আশাৰ ৰেঙণি।

সম্পাদনাও এবিধ কলা। সেয়ে ইয়াৰ মূলতে আমাৰ নিতান্তই প্ৰয়োজন শৃংখলাবদ্ধতাৰ। তেতিয়াহে আমি সকলো হিছাপ-নিকাছ কৰিব পাৰিম। সম্পাদনাৰ এই গুৰু দায়িত্ব পালনৰ বাবে সম্পাদকে যিমান সময় খৰছ কৰিব পাৰে; তাতকৈ বহুগুণে বেছি সময় ব্যয় কৰিব লগা হয় তথ্য সংগ্ৰহ আৰু লিখনি বিছাৰি। লিখনি বিছাৰি লিখা বিভিন্ন জাননী সমূহেও সময়ত বিশেষ সহাৰি নাপায়। তথাপি তাৰ মাজতে এচাম লেখকৰ উৎসাহী লেখনি প্ৰশংসনীয়।

আপোনালোকৰ সহায় সহযোগিতাৰে প্ৰস্তুত এই সংখ্যা 'মঙলদৈয়ান' সম্পূৰ্ণ হৈ উঠিল। লগতে মোৰ আশা আকাংখ্যাও সফল হোৱা বুলি ভাবি সুস্থিৰ চিন্তাধাৰাৰ সময়োপযোগী লিখনিৰ সহায়ত 'মঙলদৈয়ান' প্ৰকাশত অৰিহণা যোগোৱা সকলোলৈকে কৃতজ্ঞতা জনাই সামৰিছোঁ।

"জয় আই অসম"

"জয়তু মঙলদৈ মহাবিদ্যালয়"

ধন্যবাদেৰে

শ্ৰীপ্ৰণৱ ভট্টাচাৰ্য্য

সম্পাদক,

'মঙলদৈয়ান'

## তত্বাৱধায়কৰ কলমত ঃ What is in name?

১৯৫৮ ইং চনৰে পৰা (১৯৫৯-৬০, ১৯৮০-৮১ আৰু ১৯৮৪-৮৫ বৰ্ষত বাদে) মঙলদৈ কলেজৰ মুখপত্ৰখনিয়ে 'মঙলদৈ মহাবিদ্যালয় আলোচনী' নামেৰেই আত্মপ্ৰকাশ কৰি আহিছিল। ১৯৯৩-৯৪ইং চনত ইয়াৰ নতুন নামাকৰণ কৰা হ'ল ' 'মঙলদৈয়ান'। বহুতে নামটোত ইংৰাজীয়ানাৰ গোন্ধ পাইছে। মৃদু গুঞ্জনো তুলিছে। পিছে 'কটনিয়ান', 'এৰিয়ান' (আৰ্যবিদ্যাপীঠ কলেজৰ), 'এডিপিয়ান' (নগাঁৱৰ এ ডি পি কলেজৰ) আদিৰ উপৰিও অসম চিকিৎসা মহাবিদ্যালয়, অসম অভিযান্ত্ৰিক মহাবিদ্যালয় বা অসম কৃষি মহাবিদ্যালয়ৰ মুখপত্ৰ সমূহৰ নামোচোন ইংৰাজী সাঁচত ঢলা। মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ নতুন নামাকৰণ দম্পৰ্কে গুণাগঁথা কৰোঁতে 'মঙ্গলধ্বনি' 'মঙ্গলদীপ' আদি নামবোৰো প্ৰস্তাৱিত হৈছিল। বিতং আলোচনাৰ অন্তত 'মঙলদৈয়ান' নামটোৱেই সৰ্বসন্মতভাৱে গৃহীত হয়। 'মঙলদৈয়ান' নামকৰণত অনুকৰণগন্ধিতা আৰু ইংৰাজীয়ানা দুয়োটাই আছে। কিন্তু সি কোনো মহাভাৰত অশুদ্ধ হোৱা কাম হোৱা নাই নিশ্চয়।

বিশ্ববিশ্ৰুত কবি-নাটাকাৰ চেক্সপীয়েৰেই কৈছে: what is there in name? নামে কি কৰে? গুণেহে সংসাৰ ভৰে। এবা, গোলাপক যি নামেৰেই মতা নহওক কিয় তাৰ সুবাসৰ তাৰতম্য নঘটে। সৌন্দৰ্য থাকিলে, সুবাস থাকিলে 'যি নামেৰেই মাতা সিয়েই মিঠা'। সঁচা নামে কি কৰে গুণেহে পৰিচয় দাঙি ধৰে।' মঙলদৈ কলেজৰ আলোচনীখনো যদি বিশেষ মানদণ্ড বিশিষ্ট হয় অৰ্থাৎ যদি তাত প্ৰকাশ পোৱা পাঠ্য সামগ্ৰীসমূহ সুখপাঠ্য হয়, ছপা বন্ধা যদি চকুত লগা হয়, বৰ্ণাশুদ্ধি যদি নাথাকে— তাৰ সাৰ্থকতা প্ৰকাশ পায় বুলি ক'ব পৰা যায়। কিন্তু সম্পাদকৰ ঐকান্তিক প্ৰচেষ্টা বা তত্বাৱধায়ক অধ্যাপক গণাকীৰ আপ্ৰাণ ইচ্ছা সত্বেও মহাবিদ্যালয়ৰ আলোচনীখন প্ৰতি বছৰে আশানুৰূপ হৈ নুঠে। আলোচনীখন হাতত পৰাৰ পিচতে ছাত্ৰ-ছাত্ৰী (আনকি অধ্যাপক-অধ্যাপিকায়ো) সকলৰ অনেকে মন্তব্য পাঠ কৰা শুনা যায়: 'আলোচনীখনত পঢ়িবলগীয়া একোৱেই নাই; মুদ্ৰন নিম্ন মানৰ; অজস্ৰ বানান ভুল। ইত্যাদি, ইত্যাদি। উক্ত অভিযোগবোৰৰ যুক্তিযুক্ততাও অৱশ্যে উলাই কৰিবলগীয়া নহয়।

পিছে এনেটো হোৱাৰ কিছু কাৰণো নথকা নহয়। আলোচনী এখনৰ সাফল্য নিৰ্ভৰশীল কেবাটাও বিষয়ৰ ওপৰত। সম্পাদনাৰ স'তে অনাজড়িত বহুতো লোকে সেয়ে সমস্যাবোৰ অনুধাৱন কৰাত ব্যৰ্থ হয় আৰু অনভিজ্ঞ মন্তব্য দিয়ে। কলেজ আলোচনী এখন সুখপাঠ্য হৈ নুঠাৰ প্ৰথম অথবা মুখ্য অথবা প্ৰধান কাৰণ হ'ল: ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পোৱা লেখনীসমূহৰ নিম্নমান। প্ৰায় তিনিকুৰি মান কবিতাৰ মাজৰ পৰা নূনতম দহোটা কবিতাও কবিতাৰ শাৰীত পেলাব পৰা নাযায়। অথচ পোন্ধৰ বা বিশটা কবিতা তাৰ পৰাই নিৰ্বাচিত কৰি আলোচনীৰ পাত বোজাই কৰাৰ বাহিৰে গত্যন্তৰ নেথাকে। কেতিয়াবা একেবাৰে নিম্নমানৰ কবিতা কিছুমান সম্পাদনা কৰি প্ৰকাশ কৰা হয়। তেতিয়া আকৌ

সংশ্লিষ্ট কৰি ছাত্ৰ-ছাত্ৰী সকল ক্ষুন্ন হয়। কোনোৱে প্ৰশ্ন তোলে পূৰ্বে অমুক ঠাইত পুৰস্কৃত কবিতাটো কিয় সম্পাদনা কৰা হ'ল। ইত্যাদি। গল্প প্ৰবন্ধ বা অন্যান্য লেখনী সমূহৰ ক্ষেত্ৰতো কথা একটাই। কিন্তু এই দৈন্য আঁতৰোৱাৰ কিবা উপায় আছে নে? আছে। আমি ভাবোঁ গল্প-কবিতাৰ কৰ্মশালা পতা, প্ৰবন্ধ ৰচনাৰ বাবে বৌদ্ধিক চিন্তা চৰ্চাৰ অনুকুল পৰিবেশ সৃষ্টি কৰা, সৃজনীশীল লেখনীৰ বাবে মানসিক প্ৰস্তুতি আহৰণৰ বাবে সাহিত্য প্ৰতিযোগিতাৰ আয়োজন কৰা আদি পদক্ষেপৰ মাজেৰে এই দিশত যথেষ্ট সুফল পাব পৰা যায়। মহাবিদ্যালয়ৰ আলোচনী বিভাগ আৰু সাহিত্য বিভাগ দুটাই ইচ্ছা কৰিলে এনে ফলপ্ৰসূ পদক্ষেপ ল'ব পাৰে।

আমাৰ মহাবিদ্যালয় আলোচনীখন আটক ধুনীয়াকৈ সজাই-পৰাই উলিয়াব নোৱাৰাৰ মুখ্য সমস্যাটো হ'ল আৰ্থিক। মাত্ৰ চল্লিশ হাজাৰ টকাৰে আজিৰ চৰা মুদ্ৰন ব্যয়ৰ জোৰামৰাটো প্ৰায় অসম্ভৱ। আনহাতে গুৱাহাটীত আলোচনী ছপাই বিলাসিতা কৰাৰ মানসিকতাও আমি ত্যাগ কৰিব পৰা নাই। ফলত ক্ষুদ্ৰকায় আলোচনী (১৪।১৫ ফৰ্মাৰ) এখন ছপাই উলিওৱা হয় — যিখনৰ বাহ্যিক ৰূপটোতে তাৰ দুখলগা দৈন্য ওলাই পৰে। ভিতৰৰ পাতে পাতে সৃষ্টি ক্ষমতাৰ দৈন্য আলোচনীখনৰ অন্য এক দুৰ্বলতা। খৰখেদাকৈ ছপাই উলিয়াবলগীয়া হোৱাৰ বাবে বৰ্ণাশুদ্ধিও ৰৈ যায় অনেক। সাতে-সোতৰই এখন সৰ্বাঙ্গ সুন্দৰ কলেজ আলোচনী প্ৰকাশৰ সপোন সম্পাদকৰ চকুৰ মনিতে সপোন হৈয়েই থাকি যায়।

আশাকৰোঁ পৰৱৰ্তী কালত 'মঙলদৈয়ান'ৰ ভৰিত সংশ্লিষ্ট সকলোৱে এনেবোৰ সমস্যা সমাধানৰ বাবে সচেষ্ট হ'ব। এই বৰ্ষৰ আলোচনীখনি প্ৰকাশৰ ক্ষেত্ৰত কলেজৰ অধ্যক্ষ ড° লোকেশ্বৰ নাথ দেৱে যথেষ্ট ব্যক্তিগত উদ্যোগ লৈছে। লগতে আলোচনী-সম্পাদনা সমিতিৰ সভাপতি অধ্যাপক গিৰীশ চন্দ্ৰ গোস্বামীকে ধৰি সমূহ সদস্যই আন্তৰিকতাপূৰ্ণ সহায়-সহযোগ আগবঢ়াইছে। কাৰ্যালয় সহায়ক শ্ৰীঘন বৰুৱায়ে যথেষ্ট আগভাগ লৈ আলোচনীখনে পোহৰৰ মুখ দেখাত অৰিহণা আগবঢ়াইছে। আলোচনী সম্পাদক প্ৰণৱ ভট্টাচাৰ্যই দেহে-কেহে শ্ৰম কৰি আলোচনীখন ছাত্ৰ-ছাত্ৰী তথা পাঠকসকলৰ হাতত তুলি দিয়াৰ কৃতিত্ব অৰ্জন কৰিছে। কেবাগৰাকীও অধ্যাপক-অধ্যাপিকাই নিজ নিজ মূল্যবান লেখনীৰে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। সংশ্লিষ্ট এই সকলোটিলৈকে আমাৰ অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২৭-২-৯৭

ইদ্ৰিছ্ আলি
তত্বাৱধায়ক অধ্যাপক
আলোচনী বিভাগ
মঙ্গলদৈ মহাবিদ্যালয়

# মণ্ডলদৈয়ানৰ পাতে পাতে

প্ৰবন্ধ :


| | | |
|---|---|---|
| উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু সমস্যা | ॥ ১ ॥ | ডঃ লোকেশ্বৰ নাথ, অধ্যক্ষ |
| বেদান্ত দৰ্শন তথা অদ্বৈতবাদ আৰু মহাকবি কালিদাস | ॥ ৪ ॥ | ড° ৰমেন ৰায় |
| ভাৰতৰ বাজেটাৰী পদ্ধতিৰ এটি থুলমূল আভাষ | ॥ ৬ ॥ | পৰেশ কুমাৰ শৰ্মা |
| অসমৰ চিত্ৰ কলা | ॥ ৮ ॥ | কুশল হাজৰিকা |
| প্ৰাচ্যতত্ত্ববিদ ড° মহেশ্বৰ নেওগ | ॥ ১১ ॥ | অৰ্চনা দেৱী |
| অসমৰ অৰ্থনৈতিক উন্নয়নৰ সমস্যা আৰু ইয়াৰ সম্ভাৱনীয়তা | ॥ ১৩ ॥ | গনেশ শৰ্মা |
| সমাজ আৰু শৈক্ষিক পৰিৱেশ গঠনত যুৱ-শক্তিৰ দায়িত্ব | ॥ ১৬ ॥ | দীপক কুমাৰ ডেকা |
| সাক্ষাৎকাৰ : | ॥ ১৮ ॥ | জীৱন শৰ্মা, অধ্যাপক |
| হৰ্মন আৰু মানৱ শৰীৰ | ॥ ২০ ॥ | প্ৰনৱ কুমাৰ শৰ্মা |


গল্প :


| | | |
|---|---|---|
| জুৰুলা নদীৰ বান | ॥ ২৪ ॥ | হিৰেণ বৰুৱা |
| সমাজ | ॥ ২৭ ॥ | ৰঞ্জন ডেকা |
| এটি নতুন পোহৰৰ ৰেঙনি | ॥ ২৯ ॥ | জিতেন ৰাজবংশী |
| স্বাধীনতা | ॥ ৩১ ॥ | গৌৰৱ বৰা |
| লুইতৰ পাৰে পাৰে | ॥ ৩২ ॥ | জয়া কলিতা |
| জীৱন সংগ্ৰামৰ শ্ৰেষ্ঠা নায়িকা | ॥ ৩৫ ॥ | দীপ্তি দেৱী |
| প্ৰেম | ॥ ৩৭ ॥ | জয়ন্ত ভট্ট |
| হৰকান্তৰ বেদনা | ॥ ৩৯ ॥ | যদুমণি চহৰীয়া |
| প্ৰতীক্ষাৰ অন্তত | ॥ ৪১ ॥ | ৰমেন নাথ |
| লালকিল্লাত এদিন (ব্যঙ্গাত্মক ৰচনা) | ॥ ৪৩ ॥ | জয়ন্ত শৰ্মা |
| নতুন সূৰুযৰ সন্ধানত (একাংকিকা) | ॥ ৪৫ ॥ | প্ৰণতি দেৱী |

কবিতা


এটি কবিতা — ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা
শঙ্খবেলা — ইদ্ৰিছ আলি
শান্তি-সূক্ত — বনানি চক্ৰৱৰ্তী
জৈৱ স্মাত্ৰিকা — কুমুদ চন্দ্ৰ শৰ্মা
শেষ লগ্ন — গোবিন্দ শৰ্মা
হে সময় — অঞ্জলি চহৰীয়া
ৰোমন্থন — গিৰীশ চন্দ্ৰ শইকীয়া
যাত্ৰাৰ মাজবাটত — হেমচন্দ্ৰ চহৰীয়া
শূন্যতা — কৃষ্ণকান্ত নাথ
উত্তৰণ — ডেইজী বৰুৱা
অপমৃত্যু — মণ্টু ডেকা
কম্পিত হাতেৰে — ৰূপালীম শৰ্মা
প্ৰত্যাহ্বান — মৃন্ময় শৰ্মা
আইতাৰ সাধু — কুমুদ চন্দ্ৰ নাথ
নৰম বিচাৰি — পুনেন্দ্ৰ শইকীয়া
অস্তাচলত একাঁজলি সময় — মহাদেৱন বৰুৱা
মই অপেক্ষাৰত — কৰবী শৰ্মা
অক্টোপাছ — অৰুণ শৰ্মা
স্বাধীনতাৰ সন্ধানত — জিতেন কুমাৰ কলিতা
আৰব্ধ — জিন্টুমনি কলিতা
চিৰন্তন — অনিল কুমাৰ চহৰীয়া


**English Section**


My visionary bird of Paradise ॥ 1 ॥ Madhu Nath
Youthful ॥ 2 ॥ Dhrubajyoti Saharia
Blooming Flower ॥ 2 ॥ Prasanna Kr. Nath
My thoughts ॥ 3 ॥ Balindra Saikia
My love is only for you ॥ 3 ॥ Kumar Badan Viplav Nath
Darrang District : the people and its Ethnic culture ॥ 4 ॥ G. C. Goswami
New Monetary Policy of the Reserve Bank of India ॥ 11 ॥ Sarat Ch. Sarma
Changing Themes, old Tradition In Indian Cinema ॥ 14 ॥ Asif A. Ibrahim
Discover Dx-ing ॥ 17 ॥ Mukutmani Bhagawati
Newtonian conception about Gravitation ॥ 20 ॥ H. M. Jahangir Alam
Swami Vivekananda— His call to the youth ॥ 23 ॥ Hemanta Kumar Sarmah
বিভাগীয় সম্পাদকৰ প্ৰতিবেদন



কৰ্মৰত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ
ড° লোকেশ্বৰ নাথ



মহাবিদ্যালয়ৰ শ্বহীদ বেদী




মহাবিদ্যালয়ৰ মূল প্রবেশদ্বাৰ



অধ্যাপক—
শ্রী জীৱন চন্দ্র শৰ্মা



৺গোপাল কলিতা C/o - ফনী কলিতা
২৮/৮/৯৬ মৃত্যু ১০/৪/৮০ জন্ম
131 Roll No H.S. 1st year

নিয়তিৰ নিষ্ঠুৰ পৰিহাসত ফুলকুমলীয়া **৺গোপাল কলিতাই** অকালতে মৃত্যুক সাৱতি লৈ আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল সৰগৰ নন্দন বনলৈ। তেওঁৰ আত্মাৰ চিৰশান্তিৰ বাবে আমি অশ্রু অঞ্জলি নিবেদিছোঁ।

স্মৃতিৰ পটত—

১৯৯৫-৯৬ বৰ্ষৰ আমাৰ মহাবিদ্যালয়ৰ কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা অধ্যক্ষ মাননীয় শ্রী শিৱকান্ত শৰ্মা, উপাধ্যক্ষ ড০ দীপ্তি প্রসাদ বৰুৱা, অধ্যাপক শ্রী জীৱন চন্দ্র শৰ্মা, শ্রী দেবেশ নন্দী, শ্রী কুমুদ চন্দ্র সন্দিকৈ চাবক আমি শ্রদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

( বিঃ দ্রঃ— অধ্যক্ষ শ্রী শিৱকান্ত শৰ্মা, উপাধ্যক্ষ দীপ্তি প্রসাদ বৰুৱা, অধ্যাপক শ্রী দেবেশ নন্দী, শ্রী কুমুদ চন্দ্র সন্দিকৈ চাৰৰ পৰা ফটো নোপোৱাৰ বাবে প্রকাশ কৰিব পৰা নগ'ল। )

**প্ৰবন্ধ**

# উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু সমস্যা

ডঃ লোকেশ্বৰ নাথ,
অধ্যক্ষ

শিক্ষাৰ প্ৰকৃত অৰ্থ হ'ল জ্ঞান আহৰণ কৰা। শিক্ষাই মানুহৰ অন্তৰত শিশু কালৰে পৰা সুপ্ত অৱস্থাত থকা প্ৰবৃত্তিবোৰ জাগ্ৰত কৰি প্ৰকৃত মানব হিচাপে গঢ়ি তোলে। মানব জীৱনৰ প্ৰস্তুতিৰ বাবে শিক্ষা অপৰিহাৰ্য্য আৰু ইয়ে মানুহক আত্মনিৰ্ভৰশীল হবলৈও শিকায়। শিক্ষানুষ্ঠানসমূহ চৰিত্ৰগঠনৰ ভেঁটি স্বৰূপ। সুষ্ঠ আৰু সবল শিক্ষানীতিয়ে জাতিগঠনত সহায় কৰে। শিক্ষাৰ লগত ৰাজনৈতিক পৰিবেশ, জাতিৰ সামাজিক ইতিহাস আৰু জাতীয় আদৰ্শৰ সম্পৰ্ক থাকে। সমাজৰ প্ৰত্যেক ব্যক্তিয়ে সুখ, শান্তি আৰু সুস্বাস্থ্য অটুত ৰাখি সমাজত পৰস্পৰ মিলাপ্ৰীতিৰে চলিবলৈ বিচাৰে আৰু শিক্ষাৰ প্ৰকৃত জ্ঞানেৰে নিজৰ পশুত্ব স্বভাৱ ত্যাগ কৰি সভ্য আৰু সংস্কৃতিবান হৈ উচ্চৰ পৰা উচ্চতম স্তৰলৈ আগবাঢ়ে।

ভাৰতীয় সভ্যতা অতি পুৰণি আৰু ই শিক্ষাৰ ওপৰত প্ৰতিষ্ঠিত। বৌদ্ধ শিক্ষাৰ কেন্দ্ৰ হিচাপে ৫ম শতিকাৰ মাজ ভাগতে গঢ়ি উঠা নালন্দা বিশ্ববিদ্যালয় ইয়াৰ জ্বলন্ত প্ৰমাণ।

পাশ্চাত্য ভাবধাৰাৰে আধুনিক উচ্চ শিক্ষাৰ প্ৰথম পাতনি মেলা হয় বৃটিছ শাসন কালত। বৃটিছৰ শাসন কালত আৰু পৰবৰ্ত্তী কালতো ভাৰতত শিক্ষাৰ প্ৰসাৰ, উন্নতি আৰু সংস্কাৰৰ অৰ্থে কেবাখনো শিক্ষা আয়োগ গঠন কৰা হয়। ১৮৮২ চনত নিয়োজিত হাণ্টাৰ আয়োগৰ মুখ্য উদ্দেশ্য আছিল কেৱল প্ৰাথমিক শিক্ষাৰ উন্নতি আৰু সম্প্ৰসাৰণ ঘটোৱা। ১৯০২ চনত গঠিত আয়োগে ভাৰতীয় বিশ্ববিদ্যালয় সমূহৰ অৱস্থা অনুসন্ধান কৰি সেইবোৰ কাৰ্য্যক্ষম কৰোৱাৰ পৰামৰ্শ দিয়ে।

১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয় সম্বন্ধে গঠন কৰা চেদলাৰ আয়োগে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষাৰ পৰ্য্যালোচনা কৰে। ১৯৪৯ চনত সৰ্বপল্লী ৰাধাকৃষ্ণনৰ সভাপতিত্বত বিশ্ববিদ্যালয় আয়োগ গঠন কৰে। ১৯৫৩ চনত এ. এন. মুদালিয়াৰৰ অধীনত মাধ্যমিক শিক্ষা আয়োগ গঠন হয়। এই আয়োগে ১১ বছৰীয়া বিদ্যালয় শিক্ষা আৰু ৩ বছৰীয়া স্নাতক শিক্ষা অনুমোদন কৰে। ১৯৬৪ চনত ডি. এচ, কোঠাৰিৰ সভাপতিত্বত ভাৰত-চৰকাৰে আন এটি শিক্ষা আয়োগ গঠন কৰে। এই আয়োগে শিক্ষা সংস্কাৰৰ উদ্দেশ্যে আগবঢ়োৱা পৰামৰ্শাৱলী হ'ল –

(১) ১—৩ বছৰলৈকে প্ৰাক্-বিদ্যালয় শিক্ষা,
(২) ১০ বছৰীয়া প্ৰাথমিক শিক্ষা,
(৩) সাধাৰণ শিক্ষাৰ ২ বছৰীয়া উচ্চতৰ মাধ্যমিক স্তৰ নাইবা ১ৰ পৰা ৩ বছৰলৈকে বৃত্তিমূলক শিক্ষা,
(৪) প্ৰথম স্নাতকৰ বাবে ৩ বছৰ আৰু স্নাতকোত্তৰৰ বাবে ২ বছৰ স্তৰ,
ইয়াৰ পাছত বিভিন্ন উপাধি বা গৱেষণাৰ বাবে বিভিন্ন সময়ৰ পাঠ্যক্ৰম।

শিক্ষা আয়োগে ১৯৭৫-৭৬ চনৰ ভিতৰতে সকলো প্ৰাক্-বিশ্ববিদ্যালয় পাঠ্যক্ৰম মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ স্থানান্তৰিত হব লাগে বুলি পৰামৰ্শ দিয়ে। কিন্তু অসমকে ধৰি কিছু ৰাজ্যই এই পৰিবৰ্ত্তন এতিয়াও সাধন কৰা নাই। এই আয়োগৰ মতে স্নাতক পৰ্য্যন্ত শিক্ষাৰ কাল ১৫ বছৰ (১০+২+৩)।

ভাৰতৰ বিশ্ববিদ্যালয় সমূহৰ শিক্ষাৰ মানদণ্ডৰ মাজত সমন্বয় ৰক্ষা কৰাৰ উদ্দেশ্যে ১৯৫৬ চনত ভাৰত চৰকাৰে বিশ্ববিদ্যালয় অনুদান আয়োগ নামেৰে এটা স্বকীয়া সংস্থা গঠন কৰে। এই আয়োগে কেন্দ্ৰীয় বিশ্ববিদ্যালয়ক আৰু অন্যান্য বিশ্ববিদ্যালয় আৰু

ইয়াৰ অধীনস্থ বিশেষ নিয়মত পৰা মহাবিদ্যালয়বোৰক উচ্চ শিক্ষাৰ উন্নতিৰ হকে কেটামান দিশত অনুদান আগবঢ়ায়।

ভাৰতবৰ্ষৰ বিশালতাৰ প্ৰতি লক্ষ্য কৰি আয়োগৰ কাম খৰতকীয়া কৰি তোলাৰ উদ্দেশ্যে আয়োগে কিছুদিন আগেয়ে ৬টা আঞ্চলিক অফিচ গঠন কৰিছে। ১৯৯৫ চনত উত্তৰ-পূব ভাৰতৰ ৭খন ৰাজ্যৰ বাবে গুৱাহাটীৰ বেলতলাত উত্তৰ-পূব আঞ্চলিক অফিচ স্থাপন কৰি ৮ম পৰিকল্পনাৰ অনুদান সমূহ বিতৰণ কৰাৰ ব্যৱস্থা লৈছে।

১৯০১ চনত কটন কলেজ প্ৰতিষ্ঠা হোৱাৰ লগে লগে অসমত উচ্চ শিক্ষাৰ আৰম্ভণি হয়। অৱশ্যে ইয়াৰ আগেয়ে ১৮৬৬ চনত "গুৱাহাটী চেমিনাৰ" নামৰ অনুষ্ঠানৰ জৰিয়তে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত ইণ্টাৰমেডিয়েট শ্ৰেণী খোলা হৈছিল। ১০ বছৰ চলাৰ পাছত পৰীক্ষাৰ ফলাফল সন্তোষজনক নোহোৱাৰ বাবে এই ব্যৱস্থা বন্ধ হৈ যায়।

স্বাধীনতাৰ পূৰ্ব্ববৰ্ত্তী কালত উচ্চ শিক্ষাৰ প্ৰসাৰৰ গতি সমগ্ৰ উত্তৰ-পূব ভাৰততে অতি মন্থৰ আছিল। ১৯৪৮ চনলৈ মাত্ৰ ১৭ খনহে স্বীকৃতি-প্ৰাপ্ত মহাবিদ্যালয় আছিল।

বৰ্ত্তমানে অকল অসমতে ২খন কেন্দ্ৰীয় বিশ্ববিদ্যালয়কে ধৰি ৫ খন বিশ্ববিদ্যালয়, ১৭৮ খন ঘাটি মঞ্জুৰী প্ৰাপ্ত আৰু ৫৭ খন তদৰ্থ আৰু ভেনচাৰ মহাবিদ্যালয়ত সাধাৰণ শিক্ষা প্ৰদান কৰা হৈছে। মহাবিদ্যালয় সমূহত কলা শাখাৰ শিক্ষা দিয়াৰ উপৰিও অনেকত বিজ্ঞান আৰু বাণিজ্য শাখাৰ শিক্ষা দিয়াৰো ব্যৱস্থা আছে।

সমস্যা—অসমত উচ্চ শিক্ষানুষ্ঠান দ্ৰুত গতিত বৃদ্ধি পাইছে যদিও বৰ্ত্তমানে আৰ্থিক, প্ৰশাসনিক, শৈক্ষিক আৰু পৰীক্ষা সংক্ৰান্তীয় সমস্যাই উচ্চশিক্ষাৰ গুণগত সম্প্ৰসাৰণত যথেষ্ট প্ৰভাৱ পেলাইছে।

আৰ্থিক—চৰকাৰী মহাবিদ্যালয় কেখনৰ আৱশ্যকীয় সকলোখিনি খৰচ চৰকাৰে বহন কৰে। ঘাটিমঞ্জুৰী কলেজ সমূহক চৰকাৰে ৭০ : ৩০ সূত্ৰত অনুদান দিয়ে। মাছুলৰ সমুদায় ধনৰ শতকৰা ৩০ ভাগ কলেজসমূহে কলেজৰ যাবতীয় খৰচ-পাতিৰ বাবে পায়। বাকী শতকৰা ৭০ ভাগ শিক্ষক-কৰ্ম্মচাৰীসকলৰ দৰমহাৰ লগত মিটাই দিয়ে। কলেজ সমূহত স্নাতক পৰ্যায়ৰ মাছুল মাহে ৯০-১২ টকা যোৱা বহু-বছৰ ধৰি চলি আহিছে। কিন্তু সামগ্ৰীসমূহৰ মূল্য অতিপাত ধৰণে বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত মাছুলৰ শতকৰা ৩০ অংশ ধনেৰে মহাবিদ্যালয় এখন চলোৱা টান হৈ পৰে। তাৰোপৰি যোৱা কিছুবছৰ ধৰি মেচিছিং গ্ৰেণ্ট, বিজ্ঞানাগাৰ, পুথিভঁড়াল, কিতাপ, আলোচনী আৰু অন্যান্য উন্নয়ন মূলক কামৰ বাবে চৰকাৰে মঞ্জুৰী দিবলৈ বন্ধ কৰি দিছে ; ফলত উচ্চ শিক্ষাৰ উন্নয়ন তথা প্ৰসাৰত মহাবিদ্যালয় সমূহ যথেষ্ট জটিলতাৰ সন্মুখীন হৈছে।

প্ৰশাসনিক ১৯৭৬ চনৰ ঘাটি মঞ্জুৰী কলেজৰ পৰিচালন নিয়ম অনুসৰি গৰ্ভৰ্নিং বডিয়ে কলেজৰ প্ৰশাসনিক দায়িত্ব লয়। কিন্তু চৰকাৰ, বিশ্ববিদ্যালয় আৰু গৰ্ভৰ্নিং বডি-এই তিনিটা বিভাগৰ মাজত পৰস্পৰ সম্পৰ্ক ৰাখি চলিব লগা হোৱাত উন্নয়নৰ দিশত যথেষ্ট প্ৰতিবন্ধকতাই দেখা দিয়ে।

যিবোৰ কলেজত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫০০ জনৰ অধিক তাত উপাধ্যক্ষ থাকে। মহাবিদ্যালয়ৰ জ্যেষ্ঠতম জনকেই আন কোনো অৰ্হতা বিবেচনা নকৰাকৈয়ে উপাধ্যক্ষ নিয়োগ কৰে। তেওঁ কি কাম কৰিব লাগিব সেয়া শিক্ষা পৰিচালন নিয়মত উল্লেখ নাই। তেনেদৰে বিভাগীয় মুৰব্বী অধ্যাপক জনকো কোনো বিশেষ অৰ্হতা বা গুণৰ প্ৰতি লক্ষ্য নকৰাকৈয়ে অকল জ্যেষ্ঠতাৰ ভিত্তিতে বিভাগীয় মুৰব্বী হিচাপে নিয়োগ কৰে। শিক্ষা পৰিচালন নিয়মত মুৰব্বী অধ্যাপকৰ দায়িত্ব সম্পৰ্কেও কোনো উল্লেখ নাই।

শৈক্ষিক— কোঠাৰী আয়োগে (১৯৬৪-৬৮) মহাবিদ্যালয় সমূহৰ পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণী ১৯৭৫-৭৬ চনৰ ভিতৰতে সম্পূৰ্ণ উঠাই নিবৰ বাবে দিয়া পৰামৰ্শ যোৱা তিনি দশক ধৰি কাৰ্য্যকৰী নোহোৱাত আৰু মহাবিদ্যালয় সমূহত ৩ বছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰৱৰ্ত্তন হোৱাত শিক্ষক আৰু পাঠদান কোঠালিৰ অভাৱ প্ৰকট হৈ

পৰিছে। চৰকাৰে অতিৰিক্ত শিক্ষক দিয়া দূৰৰ কথা কোঠালি এটি বনাবৰ বাবেও কোনো অনুদান আগ নবঢ়ায়। বিশ্ববিদ্যালয়ে ওপৰঞ্চি শ্ৰেণী-সমূহৰ বাবে শিক্ষক নিযুক্তি নিদিলে অনুমতি বা স্বীকৃতি নিদিয়ে। এনে অৱস্থাত মহাবিদ্যালয়ে সম্পূৰ্ণ নিজা সামৰ্থ্যৰে শিক্ষক নিযুক্তি দিব লগা হয়। এনেঅৱস্থাত একোখন মহাবিদ্যালয়ত তদৰ্থ ভিত্তিত নিযুক্তি দিয়া শিক্ষকৰ সংখ্যা বাঢ়ি গৈ থাকে। কোনো এটা পদত নিযুক্তি দিবলৈ হলে বিভাগীয় আগতীয়া অনুমোদন লাগে; কিন্তু মাহৰ পিছত মাহ ধৰি অনুমোদন হৈ নুঠাত এটা বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষালাভৰ পৰা বহুদিন বঞ্চিত হৈ থাকে।

মহাবিদ্যালয় সমূহত বিশেষকৈ স্নাতক পৰ্য্যায়ত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তি এটা প্ৰধান সমস্যা। উচ্চ শিক্ষালাভৰ ক্ষেত্ৰত নাম ভৰ্ত্তিৰ বাবে এটা নিম্নতম মানদণ্ড থাকিব লাগে। নাম ভৰ্ত্তিৰ পাছত শ্ৰেণীৰ পাঠদানত উপস্থিত নথকাকৈয়ে বছৰৰ পাছত নানা অজুহাত দেখুৱাই বিশ্ববিদ্যালয়ৰ পৰীক্ষা দিবলৈ বিচৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনক দিনে বাঢ়ি থকা পৰিলক্ষিত হৈছে। অন্যান্য কাৰণৰ লগতে পৰীক্ষাৰ ফলাফল ৰেয়া হোৱাৰ ইয়ো এটা কাৰণ।

উচ্চ শিক্ষাৰ অন্যান্য সমস্যাৰ ভিতৰত মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা আৰু বিজ্ঞানাগাৰৰ নাটনি, উপযুক্ত পৰিবেশ আৰু সা-সুবিধাৰে পুথিভঁড়ালৰ অভাৱ, আজৰি সময় কটোৱাৰ সুষম ব্যৱস্থা আৰু শিক্ষকৰ অভাৱ। কিন্তু উচ্চ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সকলোতকৈ ডাঙৰ সমস্যা হৈছে—বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল ঘোষণাৰ ক্ষেত্ৰত হোৱা অবাঞ্চনীয় পলম আৰু খেলিমেলি। পৰীক্ষা আৰম্ভ হোৱাৰ পৰা ঘোষণা হোৱালৈকে ৬ মাহ অপেক্ষা কৰি পুনৰ পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ পূৰণ কৰিবলৈ সময় আহি পৰে। ফলত ছাত্ৰ ছাত্ৰীসকলে এটাৰ পাছত আন এটাকৈ কেৱল পৰীক্ষাত বহাৰ বাহিৰে শ্ৰেণীত বহি পাঠ গ্ৰহণ কৰিবলৈ সময় নাপায়।

ওপৰোক্ত সমস্যাৰ উপৰিও বন্ধ, হৰতাল, ৰেগিং, পাঠ্যপুথিৰ অভাৱ, কাঠফুলাৰ দৰে গঢ়ি উঠা মহাবিদ্যালয় আৰু অন্যান্য সামাজিক তথা ৰাজনৈতিক কাৰক সমূহে উচ্চশিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত অন্তৰায় হিচাপে দেখা দিছে। মহাবিদ্যালয়ৰ শিক্ষক-কৰ্ম্মচৰীসকলে চৰকাৰৰ পৰা অন্যান্য চাকৰিয়ালসকলে পাই থকাৰ দৰে পেঞ্চন আৰু অন্যান্য সা-সুবিধা নোপোৱাৰ পৰিপ্ৰেক্ষিততো মাজে সময়ে শিক্ষাদানত ব্যাঘাত হোৱা অৱস্থা ঘটিছে।

প্ৰচলিত ব্যৱস্থাত গৰমৰ বন্ধ আৰু পূজাৰ বন্ধত প্ৰায় ৩ মাহ, ৰবিবাৰত ৫২ দিন, বাছনি পৰীক্ষাৰ পাছৰ অঘোষিত বন্ধ প্ৰায় ২ মাহ, বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰাত পলম হোৱাৰ বাবে ৩ মাহ আৰু অন্যান্য বিবিধ বন্ধ-হৰতাল ধৰি বছৰত ৯-১২ মাহেই বন্ধত গুছি যায়। বন্ধৰ এনে তালিকাৰ মাজত মহাবিদ্যালয়ৰ অধ্যাপকসকলে বছৰেকীয়া সমুদায় পাঠ্যক্ৰম ১।২ মাহত শেষ কৰিব পৰাৰ কোনো উপায় নাই। এই জলন্ত অৱস্থাটোও আমাৰ সমাজ, অভিভাৱক, ছাত্ৰ, শিক্ষক, পৰীক্ষা নিয়ন্ত্ৰক আৰু ৰাজনীতিকে অনুধাৱন কৰা নাই। বন্ধৰ এই অবৈজ্ঞানিক ব্যৱস্থাৰ বাবে পৰীক্ষাৰ ফলাফলেই যে অকল শোচনীয় হৈছে এনে নহয় ইয়ে আমাৰ গোটেই উচ্চ শিক্ষাক নিম্নমুখী কৰিছে আৰু সমাজ উশৃঙ্খলতাত অৰিহণা যোগাইছে। বৃটিছ শাসন কালত প্ৰৱৰ্ত্তিত গৰমৰ বন্ধ, শিক্ষানুষ্ঠানত দূৰ-দূৰণিৰ পৰা আহি শিক্ষকতা কৰাসকলৰ সুবিধাৰ্থে প্ৰৱৰ্ত্তন কৰা দীঘলীয়া পূজাৰ বন্ধ, সোনকালেই নাইকীয়া কৰিব লাগে। বছৰত দুটা সময়ত, শ্ৰেণীকোঠাৰ বাহিৰত, সমাজৰ বিভিন্ন দিশত, শিক্ষকৰ তত্বাৱধানত, অধ্যয়ন / প্ৰশিক্ষণ দিয়াৰ সুযোগেৰে ৭-১২ দিনৰ বন্ধ আৰু ৰবিবাৰৰ বাহিৰে অতি বেছি বছৰত ৩৫ দিন বন্ধৰ ব্যৱস্থা থাকিব লাগে। ফাইনেল পৰীক্ষাৰ ফলাফল ১½ মাহৰ ভিতৰত ঘোষণা কৰাৰ ব্যৱস্থা কৰিব লাগে। ছাত্ৰ-ছাত্ৰীয়ে যদি শিক্ষা লাভেই কৰিব লাগে, চাকৰিয়ালে যদি সকলো সা-সুবিধা উপভোগ কৰি চাকৰিয়েই কৰিব বিচাৰে তেনেহলে বন্ধ আৰু অৰ্ধ বন্ধৰ সংস্কৃতি ততালিকে উঠাই দিব লাগে। অন্যান্য চাকৰিয়ালৰ বেলিকা থকা ২য় আৰু ৪ৰ্থ শনিবাৰৰ বন্ধও অতি শীঘ্ৰে বিলোপ কৰাৰ আৱশ্যক।

অধ্যাপকসকলে কঠিনৰ কামৰ উপৰিও মহাবিদ্যালয়ত ওপৰঞ্চি ২।৩ ঘণ্টা উপস্থিত থাকি নিজ নিজ বিষয়ৰ লগত সামঞ্জস্য ৰাখি ফলপ্ৰসূ আলোচনাৰে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিবলৈ যত্ন কৰিব লাগে। ছাত্ৰ-ছাত্ৰীয়েও অধ্যাপকৰ লগত সু-সমন্বয় ৰক্ষা কৰিবলৈ সংকোচ কৰিব নালাগে।

মুঠৰ ওপৰত উচ্চশিক্ষানুষ্ঠান কিছুমান অ'ত ত'ত গঢ়ি উঠিলেই আমাৰ ৰাজ্য তথা দেশখনে উন্নতি কৰিব বুলি নাভাবি উচ্চ শিক্ষাৰ ক্ষেত্ৰত জাপান, গ্ৰেটবৃটেন, যুক্তৰাষ্ট্ৰ, জাৰ্মেনি আদি উন্নত দেশৰ দৰে গুণগত আৰু বিজ্ঞান ভিত্তিক উচ্চশিক্ষাৰে শিক্ষিত হোৱাৰ মানসিকতা গঢ়াৰ বাবে বহুতো ত্যাগ স্বীকাৰ কৰি লোৱাৰ প্ৰয়োজন হৈছে।

# বেদান্ত দৰ্শন তথা অদ্বৈতবাদ আৰু মহাকবি কালিদাস

● ড° ৰমেন ৰায়
প্ৰবক্তা, মঙলদৈ বিদ্যালয়

উপনিষদৰ মুখ্য অৰ্থ হ'ল ব্ৰহ্ম-বিদ্যা। আকৌ ব্ৰহ্মবিদ্যা প্ৰতি-পাদক গ্ৰন্থকো উপনিষদ বুলি কোৱা হয়। যি বিদ্যাই মানৱৰ অবিদ্যাদি দোষ বিনাশ কৰে, পৰব্ৰহ্ম প্ৰাপ্তি ঘটায়, সংসাৰক অনিত্য বুলি বুজায়-সেই বিদ্যাই ব্ৰহ্মবিদ্যা। এই ব্ৰহ্ম-বিদ্যাৰ আন নাম আত্ম বিদ্যা। অৰ্থাৎ নিজক সম্যকৰূপে জনাৰ বিদ্যা। 'কঠোপনিষদ'ত উপনিষদক গুপ্ত বা ৰহস্যবিদ্যা বুলি অভিহিত কৰা হৈছে। উপনিষদত বিদ্যা দুবিধ— পৰা আৰু অপৰা। যি বিদ্যাৰ দ্বাৰা অক্ষৰ পৰম ব্ৰহ্মক জনা যায়— সেই বিদ্যাই পৰা বিদ্যা। এই পৰা বিদ্যাই ব্ৰহ্ম বিদ্যা বা আত্ম বিদ্যা।

ব্ৰহ্মবিদ্যা বা ব্ৰহ্মজ্ঞান হ'লে কি হয়? সংসাৰৰ মোহ শিথিল হয়, সমস্ত ক্লেশৰ অৱসান হয়, পুনৰ্জন্মৰ পৰা মুক্তি লাভ হয়। আৰু এই মুক্তিয়েই মানৱ জীৱনৰ চৰম উদ্দেশ্য। ব্ৰহ্মবিদ্যাৰ আদৰ্শ হ'ল—

অসতো মা সদ্‌গময়
তমসো মা জ্যোতিৰ্গময়
মৃত্যোৰ্মা অমৃতং গময়

—অসতৰ পৰা সত্য লৈ, অন্ধকাৰৰ পৰা পোহৰলৈ, মৃত্যুৰ পৰা অমৃতলৈ লৈ যোৱা।

ব্ৰহ্মবিদ্যাৰ দ্বাৰা মৃত্যুক অতিক্ৰম কৰা যায়। ব্ৰহ্মবিদ্যাৰ দ্বাৰা পৰমা-আক জনা যায়। আৰু এই পৰমা-আক জানিলেই মৃত্যুক অতিক্ৰম কৰা যায়। মৃত্যুক জয় কৰাৰ ইয়েই এক-মাত্ৰ পথ, ইয়াৰ বাহিৰে আন কোনো পথ নাই :—

"ত্বমেব বিদিত্বাতি মৃত্যুমেতি
নান্যঃ পন্থাঃ বিদ্যতেহয়নায়।"
(শ্বেতাশ্বতৰোপনিষদ ৬/১৫) ২৯

উপনিষদৰ ঋষিসকলে যুগ যুগ ধৰি আত্মজ্ঞানৰ সাধনা কৰি পৰমা-আৰ সন্ধান লাভ কৰিছিল আৰু ঘোষণা কৰিছিল— 'তৎ-ত্বম্-অসি'- সেই ব্ৰহ্ম তুমিয়েই। ব্যাপকাৰ্থত এই বিশ্বৰ সকলো ব্ৰহ্মময়। 'সৰ্বং খল্বিদং ব্ৰহ্ম'। এই ব্ৰহ্মজ্ঞান হলে সীমাৰ মাজত অসীমক, ৰূপৰ মাজত অৰূপক, জীৱাত্মাৰ মাজত পৰমাত্মাক, বিশেষৰ মাজত নিৰ্বিশেষক অনুভৱ কৰা যায়। এই অনুভূতিয়েই উপ-নিষদৰ চৰম সিদ্ধান্ত।

মন্ত্ৰ আৰু ব্ৰাহ্মণ— বেদ এই দু'ভাগত বিভক্ত। কোনো কোনো উপনিষদ মন্ত্ৰভাগৰ আৰু কোনো কোনো উপনিষদ ব্ৰাহ্মণ ভাগৰ অন্তৰ্গত। উপনিষদৰ সংখ্যা দহৰ পৰা দুশলৈ হব। প্ৰসিদ্ধ উপনিষদ ১০৮ খন। ইয়াৰ ভিতৰত দহখন উপনিষদ বিশেষভাৱে সমাদৃত। এই-বোৰ হ'ল— ঈশ, কেন, কঠ, প্ৰশ্ন, মুণ্ডক, মাণ্ডুক্য, ঐতৰেয়, তৈত্তিৰীয়, ছান্দোগ্য আৰু বৃহদাৰণ্যক। এই-বোৰ বেদান্ত দৰ্শনৰ মূল কথা অৱ-লম্বন কৰি ৰচিত। বেদৰ অন্ত অৰ্থাৎ শেষ ভাগ উপনিষদ। এই-কাৰণে উপনিষদ বেদান্ত বুলিও অভিহিত। গীতা উপনিষদৰ সাৰ সংগ্ৰহ বা অৰ্থ সংগ্ৰাহক। গীতাতো ব্ৰহ্মতত্ত্ব বা আত্মতত্ত্বৰ কথা আছে। মহৰ্ষি বাদৰায়ণৰ 'ব্ৰহ্মসূত্ৰ' উপনিষ-দৰ অৰ্থবোধক। গীতা হ'ল উপ-নিষদৰ শ্ৰেষ্ঠ ব্যাখ্যা। সেয়ে গীতাপাঠ উপনিষদ পাঠৰেই নামান্তৰ।

মহাকবি কালিদাসৰ কাব্যত এই গীতা আৰু উপনিষদৰ প্ৰভাৱ বাৰু-কৈয়ে অনুভূত হয়। কালিদাসৰ মহাকাব্য 'ৰঘুবংশ'ৰ বিষ্ণুস্তুতি আৰু 'কুমাৰ সম্ভৱ'ৰ ব্ৰহ্মস্তুতি এই প্ৰসঙ্গত, স্মৰণীয়। এই স্তুতিদ্বয়ত মহা-কবিয়ে বেদান্তৰ পৰব্ৰহ্ম ৰূপেই ব্ৰহ্ম আৰু বিষ্ণুৰ স্তুতি নিবেদন কৰিছে। কালিদাসৰ নিজৰ নামৰ পৰা কিছু-মানে তেওঁক শৈৱ বুলি কব বিচাৰে। শৈৱ হলেও তেওঁ বেদান্ত দৰ্শন তথা অদ্বৈতবাদ ভাল পাইছিল। প্ৰকৃততে তেওঁ শিৱক অদ্বৈতব্ৰহ্ম ৰূপেই অনু-ভৱ কৰিছিল। ব্ৰহ্মা বিষ্ণু আৰু মহেশ্বৰ এই ত্ৰিমূৰ্তি প্ৰসঙ্গ, তেওঁ স্বীকাৰ কৰিছিল—এই ত্ৰিমূৰ্তি একেই ঈশ্বৰৰ তিনিটা বেলেগ বেলেগ ৰূপ। (কুমাৰসম্ভৱ—৭/৪৪)। কবিয়েও ব্ৰহ্মক অমেয়, অনৰ্থী, অজিত আৰু অব্যক্ত বুলি অভিহিত কৰিছে। (ৰঘু-বংশ ১০/১৮)।

ব্ৰহ্মৰ আন নাম ভূমা। যি সক-

লোতকৈ মহৎ বা বৃহৎ তাকে ভূমা বুলি কোৱা হয়। 'ছান্দোগ্যোপনিষদ'ত আছে— 'যো বৈ ভূমা তদ্ অমৃতম্ অথ যদ্ অল্পং তৎ মৰ্ত্যম্।' —যি ভূমা সেয়ে অমৃত, আৰু যি অল্প সেয়ে মৰ্ত্য বা বিনাশী। বৃহ্-ধাতুৰ পৰা ব্ৰহ্ম হৈছে। বৃহ্-ৰ অৰ্থ বৃহৎ।

মহাকবিয়ে কৈছে ব্ৰহ্ম অনৰ্থী অৰ্থাৎ ব্ৰহ্ম নিঃস্পৃহ। ব্ৰহ্মৰ কোনো স্পৃহা নাই। গীতাতো আছে—

ন মাং কৰ্মানি লিম্পন্তি
ন মে কৰ্মফলে স্পৃহা।

—কৰ্মসমূহে মোক আবদ্ধ কৰিব নোৱাৰে, কাৰণ কৰ্মফলত মোৰ কোনো স্পৃহা নাই। কবিয়ে 'ৰঘুবংশ'ত ব্ৰহ্মক উদ্দেশ্য কৰি কৈছে— 'যোগী সকলে তোমাক নিজৰ হৃদয়ত থকা বুলি জানে, তথাপি তোমাক দুৰন্ত বা দুৰ্বোধ্য বুলি ভাৱে। তোমাৰ কোনো কামনা নাই, তথাপি তুমি তপস্বী তুমি দয়ালু, কিন্তু দুখে তোমাক স্পৰ্শ কৰিব নোৱাৰে।' (১০/১৯)।

প্ৰসঙ্গত স্মৰণীয়, কালিদাসে কেৱল বিষ্ণু আৰু ব্ৰহ্মাকেই স্তুতি কৰা নাছিল, মহেশ্বৰকো তেওঁ ব্ৰহ্ম-ৰূপে বৰ্ণনা কৰিছে। (কুমাৰ সম্ভৱ ৬/২২)।

মহাকবিৰ মতে ব্ৰহ্ম অযোনি, কিন্তু ব্ৰহ্ম নিজে সৰ্বযোনি। সৰ্ব সৃষ্টিৰ মূল। কবিৰ মতে ব্ৰহ্ম সৰ্বৰূপভাৱ—সকলো পদাৰ্থৰ মাজত আত্মা ৰূপে বিৰাজিত। (ৰঘুবংশ ১০/২০)। এই ব্ৰহ্মৰ ভৰি নাই অথচ বেগাই খোজ কাঢ়ে, হাত নাই কিন্তু সকলো বস্তুক গ্ৰহণ কৰে, চকু নাই অথচ দেখে। কাণ নাই অথচ শুনে। (শ্বেতাশ্বতৰোপনিষদ ৩/১৯)। ব্ৰহ্মৰ এই বিৰুদ্ধ গুণৰ সমাবেশৰ সম্বন্ধে মহাকবিয়েও অৱহিত আছিল। (কুমাৰ সম্ভৱ ২/১১)।

সাংখ্যবাদীৰ পুৰুষ আৰু প্ৰকৃতিক কবিয়ে অদ্বৈতবাদীৰ দৰে একে বুলি অনুভৱ কৰিছিল। অৰ্থাৎ পুৰুষ তুমি, প্ৰকৃতিও তুমি। (কুমাৰ সম্ভৱ ২/১৩)। কবিয়েও ব্ৰহ্মক 'জ্যোতিৰ্ময়' বুলি অভিহিত কৰিছিল। যোগীসকলে এই ব্ৰহ্মৰ উপলব্ধিৰ কাৰণে ধ্যান কৰে। চঞ্চল চিত্তত ব্ৰহ্মৰ স্বৰূপ প্ৰতিফলিত নহয়। মন স্থিৰ হ'লেহে হৃদয়ত থকা 'জ্যোতিৰ্ময়'ৰ সন্ধান পোৱা যায়। আৰু এই জ্যোতিৰ্ময়ৰ দৰ্শন হলেই মুক্তি—কবিয়ে ইয়াকো উপলব্ধি কৰিছিল। (ৰঘু-বংশ ১০/২৭)। মুক্তি লাভ কৰা মানে ব্ৰহ্মত লীন হোৱা— পৰমাত্মা তথা পৰমেশ্বৰক লাভ কৰা। এই পৰমেশ্বৰক বেদ অধ্যয়ন কৰি লাভ কৰা নাযায়। মনন বা চিন্তা শক্তিৰ দ্বাৰাও তাক জনা সম্ভৱ নহয়। তেনেহ'লে কি ভাৱে সম্ভৱ? 'কঠোপনিষদ'ত আছে— যমেবৈষ বৃনুতে তেন লভ্যস্ত সৈৎষ আত্মা বিৰূণুতে তনূং স্বাম্। —পৰমেশ্বৰে যাক অনুগ্ৰহ কৰে, যোগ্য বুলি ভাৱে, তেৱেঁই তেওঁক লাভ কৰে, তেওঁৰ ওচৰতেই আত্মাই নিজৰ স্বৰূপ প্ৰকাশ কৰে।

মহাকবিৰ মতে, মানৱৰ মুক্তি লাভৰ উপায় নো কি? তেওঁৰ মতে, মানৱৰ মুক্তি লাভৰ উপায় হ'ল—

ত্বয্যাৱেশিত চিত্তানাং
ত্বৎ সমৰ্পিত কৰ্মণাম্।
গতি স্ত্বং বীত ৰাগাণাম—
ভূয়ঃ সংনিবৃত্তয়ে॥

ভাৱাৰ্থ—

ঈশ্বৰ চিন্তাত চিত্ত নিমগ্ন কৰা।
নিষ্কাম ভাৱে কৰ্ম কৰা।
বিষয় বাসনা ত্যাগ কৰা।

★✯


সহায়ক গ্ৰন্থ :

(১) কালিদাসৰ কাব্য সমূহ।
(২) কালিদাসৰ প্ৰতিভা— যোগেশ্বৰ শৰ্মা।
(৩) আৰু অন্যান্য গ্ৰন্থ।

# ভাৰতৰ বাজেটাৰী পদ্ধতিৰ এটি থুলমূল আভাষ

● পৰেশ কুমাৰ শৰ্মা
প্ৰবক্তা, অৰ্থনীতি বিভাগ

বাজেট শব্দটো ফৰাছী শব্দ 'Bougettle' ৰ পৰা লোৱা হৈছে, যাৰ অৰ্থ হৈছে লিডাৰ বেগ। ইংলেণ্ডৰ চেঞ্চেলৰ অৱ এক্সিকিউটৰে হাউচ অৱ কমনলৈ কাগজ পত্ৰ সমূহ কঢ়িয়াই নিয়াৰ বাবে এই বেগ ব্যৱহাৰ কৰে আৰু পিছলৈ ইয়েই বাজেট শব্দৰ উৎপত্তি কৰিছিল। অধ্যাপক 'ডিযোকৰ' ভাষাত বাজেট হৈছে নিৰ্দ্ধাৰিত সময়ৰ জমা আৰু খৰচৰ খতিয়ান।

যি কোনো দেশৰেই বাজেটাৰী পদ্ধতি নিমুলিখিত স্তৰ সমূহৰ দ্বাৰা গঠিত।

(১) বাজেটৰ প্ৰস্তুতি : পিছৰ বিত্তীয় বছৰৰ বাজহ আৰু খৰচৰ খতিয়ান।

(২) ৰেভিনিউ আৰু এক্সপেণ্ডিচাৰ বিল লেজিচলেচাৰত অনুমোদন জনোৱা।

(৩) বাজহৰো এক্সিকিউচন।

(৪) বাজেট বিত্তৰ লেজিচলেটিভ নিয়ন্ত্ৰণ।

ভাৰতৰ বিত্তীয় ব্যৱস্থাত ইউনিয়ন এক্সিকিউটিভক বাজেট প্ৰস্তুতিৰ দায়িত্ব অৰ্পণ কৰিছে। ভাৰতীয় সংবিধানৰ ১১৫ নং অনুচ্ছেদ অনুসৰি বছৰেকীয়া বিত্তীয় খচৰাত নিমুলিখিত ব্যৱস্থা সমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

**(১) বাজেট প্ৰস্তুতি :** বাজেট প্ৰস্তুতিৰ কাম সাধাৰণতে জুলাই আগষ্ট মাহত কৰা হয় যিটো নেকি পিছৰ বিত্তীয় বছৰৰ ৬।৮ মাহ আগত হয়। বিত্তীয় মন্ত্ৰালয়ে বিভিন্ন বিভাগলৈ নিৰ্দ্ধাৰিত প্ৰ-পত্ৰ সমূহ পঠিয়ায়। বিভাগীয় মুৰব্বীয়ে এই প্ৰ-পত্ৰ সমূহ ডিচবাৰ্চিং বিষয়ালৈ প্ৰেৰণ কৰে।

**(২) কণ্ট্ৰোলিং বিষয়াৰ দ্বাৰা আঁচনি (এচটিমেট) স্ক্ৰুটিনি :** স্থানীয় বিষয়াই এই আঁচনি সমূহ নিৰ্দ্ধাৰিত নিয়ন্ত্ৰিত বিষয়াৰ ওচৰলৈ প্ৰেৰণ কৰে। কণ্ট্ৰোলিং বিষয়াই বিভিন্ন শাখাৰ আঁচনি সমূহৰ গুৰুত্ব উপলব্ধি কৰি সাম্ভাব্য অনুমোদন সহ গোটেই বিভাগৰ বাবে ঠিক কৰে।

**(৩) একাউণ্টেণ্ট জেনেৰেল আৰু প্ৰশাসনীয় বিভাগৰ দ্বাৰা স্ক্ৰুটিনি আৰু ৰিভিউ :**

অক্টোবৰ মাহৰ আৰম্ভনিত কণ্ট্ৰোলিং বিষয়াই স্কুটিনি কৰাৰ পিছত আঁচনি সমূহ একাউণ্টেণ্ট জেনেৰেল আৰু সাধাৰণ প্ৰশাসনীয় বিভাগলৈ ৰিভিউ আৰু চেকিংৰ বাবে দাখিল কৰে। নবেম্বৰ মাহৰ মাজভাগত আঁচনি সমূহ বিত্তীয় মন্ত্ৰালয়ৰ বাজেট বিভাগলৈ প্ৰেৰণ কৰে।

**(৪) বিত্তীয় মন্ত্ৰালয়ৰ দ্বাৰা স্কুটিনি :—** বিত্ত মন্ত্ৰালয়ে বিভিন্ন বিভাগৰ পৰা আঁচনি সমূহ পোৱাৰ পিছত সেইবোৰ স্ক্ৰুটিনি কৰে। প্ৰয়োজনীয় সংশোধনৰ পিছত ই চৰকাৰৰ বাজেট হিচাপে পৰিগণিত হয়। বাজেটখন দুটা খণ্ডত বিভক্ত— এটা হ'ল আয়দিশ আনটো হ'ল ব্যয়দিশ। মোটা মোটি ভাবে ডিচেম্বৰ মাহত বাজেটৰ কাম সম্পূৰ্ণ হয়।

**(৫) কেবিনেটৰ দ্বাৰা অনুমোদনঃ-** জানুৱাৰী মাহত বিত্তমন্ত্ৰালয়ে বাজেট পৰীক্ষা কৰি প্ৰধানমন্ত্ৰীৰ লগত বিত্তীয় নীতি আৰু কৰ আদিৰ বিষয়ে আলোচনা কৰে। পিছৰ পৰ্য্যায়ত বাজেট গঠন মূলক বিবেচনাৰ বাবে কেবিনেটত দাখিল কৰে। কেবিনেটে অনুমোদন জনোৱাৰ পিছত ইয়াক সংসদলৈ অনা হয়।

ভাৰতীয় সংবিধানৰ ২৬৫ নং অনুচ্ছেদ অনুযায়ী কোনো কৰকেই বিধিৰ বাহিৰে কোনেও সংগ্ৰহ কৰিব নোৱাৰিব আৰু ২৬৬ নং অনুচ্ছেদ মতে "কনচলিদেটেদ ফাণ্ড"ৰ বাহিৰে কোনো টকাকেই আইনৰ বাহিৰে বা লেজিচলেচাৰৰ অনুমোদনৰ বাহিৰে সংগ্ৰহ কৰিব নোৱাৰিব। বাজেট সাধাৰণতে নিমুলিখিত ধৰণে আগবাঢ়ে।

**(১) বাজেট উপস্থাপন :—** বিত্তীয় বছৰৰ আৰম্ভণীতে এপ্ৰিলৰ প্ৰথম ভাগত সংসদত বাজেট উপস্থাপন কৰা হয়। বিত্ত মন্ত্ৰীয়ে সাধাৰণতে ফেব্ৰুৱাৰী মাহৰ শেষ সপ্তাহত ভাৰতৰ ৰাষ্ট্ৰ-

পতিৰ নামত ইয়াক উপস্থাপন কৰে। বাজেট সংসদৰ দুয়ো সদনতে উপস্থাপন কৰা হয়।

বাজেটৰ প্ৰতিলিপি বিত্তীয় ষ্টেটমেণ্টৰ প্ৰতিলিপি সদনৰ সকলো সদস্যৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হয়। সাধাৰণতে বাজেট উপস্থাপন কৰা দিনটোক বাজেট দিন বুলি কোৱা হয়। বাজেটৰ ওপৰত বিত্ত মন্ত্ৰীৰ বক্তব্যৰ এটি বিশেষ গুৰুত্ব আছে, কাৰণ ইয়াত দেশৰ অৰ্থনৈতিক পৰিস্থিতি, নতুন কৰৰ অন্তৰ্ভুক্তি, কৰৰ হাৰ হ্ৰাস বৃদ্ধি আদি অন্তৰ্নিহিত হৈ থাকে।

**(২) সাধাৰণ আলোচনা :—** সংসদৰ ব্যৱসায়ীক নিয়ম ১৩০ নং অনুযায়ী বাজেট উপস্থাপন কৰাৰ দিনাখন কোনো ধৰণৰ আলোচনা হ'ব নোৱাৰে সেয়েহে অধ্যক্ষই বাজেটৰ সাধাৰণ আলোচনাৰ বাবে এটি দিন ঠিক কৰি দিয়ে। সাধাৰণতে বাজেট উপস্থাপনৰ এসপ্তাহৰ পিছত দিন ঠিক কৰে আৰু এই আলোচনা ৪ দিন ধৰি চলে। বাজেটৰ সকলো আলোচনা দেশৰ বিত্তীয় নীতিৰ ভিতৰতহে চলিব পাৰে।

**(৩) ভোটিং অব ডিমাণ্ড :—** এই পদ্ধতিত অধ্যক্ষই দিন নিৰ্দ্ধাৰণ কৰি ভোটিং অৱ ডিমাণ্ড ব্যৱস্থা পৰিচালনা কৰে। বাজেটত নিৰ্দ্ধাৰিত খৰচৰ ওপৰিও অৰ্থৰ প্ৰয়োজন হ'লে তাক চাপলিমেণ্টাৰী অনুদান অথবা কণ্টিজেনচি ফাণ্ডৰ পৰা ব্যৱহাৰ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰে।

**(৪) এপ্ৰপিয়েচন বিল :—** সংবিধানৰ ১১৪নং অনুচ্ছেদ অনুযায়ী সদনত বিল অনুমোদন হোৱাৰ পিছত ইয়াক এপ্ৰপিয়েচন বিল হিচাপে দাখিল কৰে। এই বিলত গোটেই বছৰৰ বাবে নিৰ্দ্ধাৰিত সকলোবোৰ অনুদান অন্তৰ্ভুক্ত কৰা হয়। 'হাউচ অৱ পিপলৰ' পৰা অনুমোদিত হ'লে অধ্যক্ষই ইয়াক 'মানি বিল' হিচাবে চাৰ্টিফাই কৰে আৰু সদনৰ আন সদস্যলৈ প্ৰেৰণ কৰে।

**(৫) কাউন্সিল অব ষ্টেটচ :—** এই স্তৰত কাউন্সিল অৱ ষ্টেটচৰ' বাজেট সংশোধন বা বাতিল কৰণৰ কোনো ক্ষমতা নাথাকে। ইয়াত মাত্ৰ আলোচনাহে হ'ব পাৰে আৰু ১৪ দিনৰ ভিতৰত ইয়াৰ ৰিকমেণ্ডেচন সহ পঠিয়াবলৈ বাধ্য যিটো নেকি সদনত গৃহীত হবও পাৰে নহবও পাৰে। এই ১৪ দিনৰ ভিতৰত ই সম্পাদিত নহলে ইয়াক দুয়ো সদনৰ জৰিয়তে গৃহীত বুলি ধৰি লোৱা হ'ব।

**(৬) ৰাষ্ট্ৰপতিৰ দৃষ্টিগোচৰ :—** উভয় সদনে বাজেটত অনুমোদন দিয়াৰ পিছত ইয়াক ৰাষ্ট্ৰপতিৰ ওচৰলৈ পঠিওৱা হয়। ৰাষ্ট্ৰপতিয়ে এই ক্ষেত্ৰত সীমিত ক্ষমতাৰ বিলখন উভতাই পঠাব নোৱাৰে।

**(৭) 'ফাইনেন্স এক্ট' :—** প্ৰয়োজনীয় ৰাজহ সংগ্ৰহৰ ব্যৱস্থা হিচাবে কৰ বা ৰাজহ সংগ্ৰহৰ প্ৰস্তাৱ মৰ্মে বিত্তীয় বিল এখন সদনত দাখিল কৰা হয়। আৰু আন বিলৰ দৰে উভয় সদনত গৃহীত হলে চৰকাৰক কৰ সংগ্ৰহৰ কৰ্তৃত্ব প্ৰদান কৰা হয়।

**কনচলিডেটেদ ফাণ্ড :** -ভাৰতীয় সংবিধানে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বাবে দুটা পুঁজিৰ ব্যৱস্থা কৰিছে। এটা হ'ল কনচলিডেটেদ ফাণ্ড আৰু আনটো হ'ল কন্‌টিজেন্সি ফাণ্ড।

সংবিধানৰ ২৬৬ নং অনুচ্ছেদমতে চৰকাৰৰ সকলোবিলাক সংগৃহীত ৰাজহ, ঋণ, ধন পৰিশোধ আদি সকলোবোৰ বিষয় কনচলিডেটেদ ফাণ্ডত থাকিব। এই ফাণ্ডত ৰাষ্ট্ৰপতিৰ এলাউয়েনচেচ আৰু তেওঁৰ কাৰ্য্যালয়ৰ অন্যান্য খৰচ সমূহ ৰাজ্য সভাৰ চেয়াৰমেন আৰু ডেপুটি চেয়াৰমেনৰ দৰমহা, লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ দৰমহা, উচ্চতম ন্যায়ালয়ৰ বিচাৰক সকলৰ দৰমহা, লোকসেৱা আয়োগৰ চেয়াৰমেন আৰু সদস্যৰ ভাট্টা, ইত্যাদি বিষয়সমূহ অন্তৰ্নিহিত হৈ থাকে।

**কনটিজেনচি ফাণ্ড :—** সংবিধানৰ ২৬৭ নং অনুচ্ছেদ মতে অদৃশ্য খৰচৰ বাবে এই ফাণ্ডৰ ব্যৱস্থা কৰা হৈছে। ঋতুগত লোকচান, অন্যান্য প্ৰাকৃতিক বিপৰ্য্যয়ৰ ৰিলিফ এই ফাণ্ডৰ পৰা শোধন কৰা হয়।

**পাবলিক একাউণ্ট :—** এই একাউণ্টত ৰাজ্যিক প্ৰভিডেণ্ড ফাণ্ড, চৰকাৰৰ বিভিন্ন বিভাগৰ ডেপ্ৰিচিয়েচন ফাণ্ড, পোষ্টেল চেভিংচ, লাইফ ইন্সুৰেন্স ফাণ্ড, এডহ'ক ফাণ্ড, অন্যান্য শিতানৰ জমা আদিৰ অন্তৰ্ভুক্তি থাকে।

**চাপলিমেণ্টাৰী গ্ৰেণ্টচ :—** এপ্ৰপিয়েচন বিলৰ জৰিয়তে নিৰ্দ্ধাৰিত পুঁজিৰে যথোপযুক্ত নহলে সংবিধানৰ ১১৫ নং অনুচ্ছেদ মতে ৰাষ্ট্ৰপতিয়ে সদনত এক চাপলিমেণ্টাৰী বিত্তীয় খচৰা দাখিল কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছে। ই এপ্ৰপিয়েচন বিলৰ দৰে আগবাঢ়ে।

**এক্সিকিউচন অব বাজেট :—** এই ব্যৱস্থাত বাজেটৰ সম্পূৰ্ণ কাম পৰিচালনা কৰাৰ দায়িত্ব চৰকাৰৰ। এই ব্যৱস্থাত দুটা প্ৰধান নীতি গ্ৰহণ কৰাৰ দৰকাৰ। এটা হ'ল এপ্ৰপিয়েচন আৰু বিত্তীয় সকলো এক্ট মানি

চলিব লাগিব আৰু আনটো হ'ল নম্ৰতা-ঐক্যতা আৰু যোগ্যতা বিবেচনা কৰাটো।

বাজেট এক্সিকিউচনত নিমুলিখিত ব্যৱস্থাসমূহ থাকিব।

**(১) এচেচমেন আৰু কালেকচন—** এই ব্যৱস্থাত কিমান পৰিমাণৰ ধন বিভিন্ন ব্যক্তিৰ পৰা লোৱা হব, নিৰ্দ্ধাৰিত হাৰ অনুযায়ী কিমান পৰিমাণৰ কৰ প্ৰদান কৰা হ'ব আদি থাকিব।

**(২) কাচটডি অৱ ফাণ্ড—** এই ব্যৱস্থাত বিভিন্ন উৎসৰ পৰা সংগৃহীত অৰ্থ নিৰাপদ হিচাপে ৰখা হব। আগৰ দিনত অধিক পৰিমাণৰ ৰাজহুৱা ধন কোষাগাৰত ৰাখিছিল। আজি কালি কিন্তু ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু ষ্টেট বেংক অৱ ইণ্ডিয়াত ৰখা হয়।

**(৩) ডিচবাৰচমেণ্ট অৱ ফাণ্ডচ—** ডিচবাৰচমেণ্ট হ'ল বিভিন্ন বিভাগত দিবলগীয়া ধন ট্ৰেজাৰীৰ পৰা উইদ্ৰ কৰা ব্যৱস্থা।

**(৪) একাউণ্টিং আৰু অডিটিং—** ১৯৩৬ চনৰ একাউণ্ট অৰ্ডাৰৰ দফা ১১, ১২ আৰু ১৫, ১৬. ১৭ অনুযায়ী ভাৰতৰ কণ্ট্ৰোলাৰ আৰু অডিটৰ জেনেৰেলৰ ব্যৱস্থা কৰা আছে।

থূলমূল ভাৱে এইদৰেই আমাৰ দেশৰ বিত্তীয় প্ৰশাসনত বাজেট আগবাঢ়ে।

★★

# অসমৰ চিত্ৰ কলা


কুশল হাজৰিকা

স্নাতক তৃতীয় বৰ্ষ (কলা)


চিত্ৰকলাৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে স্থাপত্য ভাস্কৰ্য্যকলৈহে আলোচনা কৰিব লাগিব, কাৰণ প্ৰাচীন কালত আজি কালিৰ দৰে কাগজ কলমৰ ব্যৱহাৰ নাছিল। আৰ্য্য সকলৰেই প্ৰচেষ্টাত যি তুলাপাত আৰু সাঁচিপাতৰ ব্যৱহাৰ হৈছিল সেয়াও বহু পিছৰ অৱদান। গতিকে প্ৰাচীন কালত মানুহে তেওঁলোকৰ কাল্পনিক চিত্ৰবোৰ শিলৰ গাত মঠ মন্দিৰৰ গাত খোদিত কৰিছিল। গতিকে তেতিয়াৰ দিনত চিত্ৰৰ ঠাই মঠ মন্দিৰবোৰেই আছিল। অসমৰ প্ৰাচীন মন্দিৰ বিচাৰ কৰিলে দেখা যায় যে ৰক্ষস নৰকাসুৰৰ দিনতেই তেওঁ নিজেই ৰাতিৰ ভিতৰতে কামাখ্যা দেৱীৰ মন্দিৰ নিৰ্মাণ কৰিছিল।

বৰ্ত্তমানৰ অসম ৰাজ্য প্ৰাচীন কালত কামৰূপ বুলিহে জনাজাত আছিল। সেই কালৰ স্থাপত্য ভাস্কৰ্য্যৰ বহুতো নিদৰ্শন অসমৰ বহুতো ঠাইত পোৱা গৈছে। বৰ্ত্তমান কামৰূপৰ চাংচাৰি চাৰিআলিৰ পৰা কিছু নিলগত অৱস্থিত "মদন কামদেৱৰ দেৱালত" কামদেৱৰ আৰু অসংখ্য শিলত খোদিত দেৱ দেৱীৰ মূৰ্ত্তি পুৰণি অসমৰ স্থাপত্য ভাস্কৰ্য্যৰ নিদৰ্শন হিচাপে এতিয়াও আছে আৰু সেই বোৰেই প্ৰমাণ কৰে স্থাপত্য ভাস্কৰ্য্য আৰু চিত্ৰকলা বিদ্যাত অসম ভাৰতৰ আন আন ৰাজ্যতকৈ আগবঢ়া আছিল। তেজপুৰৰ দহ পৰ্বতীয়া আৰু বামুনী পাহাৰৰ দুৱাৰৰ চৌকাঠত বিষ্ণু, ভৈৰব হৰগৌৰী আদি বহুতো দেৱ দেৱীৰ মূৰ্ত্তি আছে। বামুনী পাহাৰৰ তিনিপতীয়া বাচকবনীয়া শিল প্ৰাচীন কামৰূপৰ স্থাপত্য ভাস্কৰ্য্যৰ প্ৰাচীনতম আৰু শ্ৰেষ্ঠ নিদৰ্শন। তেজপুৰৰ এই সকলোবোৰ বান ৰজাৰ দিনৰ কীৰ্তি বুলি কব পাৰি। কিয়নো তেঁৱেই উষানগৰৰ, হৰগৌৰী মন্দিৰ, মহাভৈৰৱী মন্দিৰ শিৱ মন্দিৰ আদি প্ৰতিষ্ঠা কৰি পৰম দৈৱভক্তৰূপে পৰিচয় দিছিল। তেজপুৰৰ পশ্চিম ফালে বানৰ দিনত এটা পুখুৰী আৰু তেওঁৰ মন্ত্ৰী কুম্ভাণ্ডৰ নামেৰে এটা পুখুৰী এতিয়াও আছে। এই সকলোবোৰ নিদৰ্শনৰ পৰা অনুমান কৰিব পাৰি যে বানৰ ৰাজত্ব কালত অসমৰ স্থাপত্য ভাস্কৰ্য্যৰ লগতে চিত্ৰ কলাই এক বিশেষ উন্নতি লাভ কৰিছিল।

পণ্ডিত সকলে অনুমান কৰে যে

ভাৰতত বৌদ্ধ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰতাৰ বাবে বৌদ্ধ ভিক্ষু সকলে ঠায়ে ঠায়ে বিশেষকৈ পৰ্ব্বতৰ গুহা আদিত স্থাপত্য ভাস্কৰ্য্য আৰু চিত্ৰ শিল্পৰ সমন্বয় ঘটাই বৌদ্ধ বাণীবোৰ প্ৰচাৰ কৰিছিল। এনে চিত্ৰকলাৰ প্ৰমাণ পোৱা গৈছে ১৮১৯ খ্ৰীষ্টাব্দত আৱিস্কৃত হোৱা অজন্তাৰ গুহাবোৰত। বৰ্ত্তমান হায়দৰাবাদৰ ওচৰত অজন্তা নামৰ সৰু গাওঁ অৱস্থিত। এই গাৱলৈ গৈ ইংৰাজৰ সামৰিক অভিযন্তা মেজৰ গিলে কেইটামান চিত্ৰিত গুহা আৱিস্কৃত কৰে। তাত সৰ্ব্বমুঠ ৩০টা বিহাৰ গুহা আৱিস্কাৰ কৰে। অজন্তাত ৫টা চৈত্ৰ্য গৃহ আৰু ২৫টা গুহা বিহাৰ আছে। চৈত্ৰ্য গৃহবোৰত উপাসনা আৰু বিহাৰ গৃহবোৰত বসবাস কৰিছিল। প্ৰতিটো গুহাতে স্থাপত্য ভাস্কৰ্য্য আৰু চিত্ৰ এই তিনিবিধ শিল্পই বিৰাজ কৰিছে। গুহাবোৰত চিত্ৰিত কৰাৰ পূৰ্বে কিছুমান কাৰু-কাৰ্য্য আৰু কৌশল খটুৱাই তুহগুৰি আৰু ঘাহবন আদিৰ দ্বাৰা তুতৰপীয়া মিহিকৈ লেপ দি লৈছিল আৰু তাৰ দ্বাৰাই শিলৰ খহটা ভাগটো নোহোৱা কৰা হৈছিল। আৰু তাৰ পাছতহে তাৰ ওপৰত চিত্ৰ অঁকা হৈছিল।

অজন্তাৰ প্ৰথম গুহাত থকা চিত্ৰটো বোধিসত্ব পদ্মপাণি আৰু এই চিত্ৰখন পৃথিৱীৰ ভিতৰতে এখন অতুলনীয় বুলি মত পোষণ কৰিছে। ইয়াৰ পৰা সহজে প্ৰমান কৰিব পাৰি যে বৌদ্ধ ভিক্ষু সকলে প্ৰকৃতিৰ ৰমনীয় পৰিবেশৰ মাজত নিজকে বিলাই দি সুন্দৰৰ আৰাধনা কৰিছিল। অজন্তাৰ চিত্ৰবোৰত বুদ্ধদেৱৰ পূৰ্ব জন্মৰ জাতক আৰু অৱদান বাণীবোৰক সেইচিত্ৰ-বোৰত আকৰ্ষনীয়কৈ প্ৰচাৰ আৰু প্ৰকাশ কৰাত ধৰ্মশাস্ত্ৰ অধ্যা-য়নতকৈ বেছি কাৰ্য্যকৰী হৈছিল বুলি ভিক্ষু সকলে বিশ্বাস কৰিছিল। অসমত তেনেদৰে বৌদ্ধ ধৰ্মই গা কৰি উঠিব পৰা নাছিল। গতিকে বৌদ্ধ ধৰ্ম চিত্ৰ কলাৰ নিদৰ্শন অসমত বৰ কম।

ভাস্কৰ বৰ্মনে ৫৯৪ খ্ৰীষ্টাব্দৰ পৰা ৬৫০ খ্ৰীষ্টাব্দলৈ ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজত্ব কাল অতি গৌৰৱ ময় আছিল।

ভাস্কৰ বৰ্মণৰ নিধনপূৰৱ তামৰ ফলিত তেওঁৰ ৰাজপ্ৰাসাদৰ সুন্দৰ ছবি আঁকি থোৱা আছে বুলি উল্লেখ আছে। ইয়াৰ উপৰিও তাম্ৰলিপিতো পোৱা যায়যে তেওঁৰ ৰাজপ্ৰাসাদৰ বেৰবোৰত সুন্দৰ সুন্দৰ চিত্ৰ অংকিত হৈছিল। সাহিত্যবোৰত বা তেওঁৰ ৰাজত্বৰ কালত ৰচিত হোৱা গ্ৰন্থবোৰত আৰু কাপোৰ বোৰতো মনোৰম চিত্ৰ অংকিত হোৱাৰ প্ৰমাণ পোৱা গৈছে। ভাস্কৰ বৰ্মনৰ চিত্ৰবোৰ মাজত যুদ্ধৰ চিত্ৰ আৰু কৰ্মৰত নাগৰিকৰ চিত্ৰ অংকিত কৰা আছে। এনেবোৰ চিত্ৰ-কলাৰ উন্নতিলৈ চাই কব পাৰি যে সেই সময়ত অসমীয়াই চিত্ৰকলাৰ চৰ্চা নকৰাকৈ থকা নাছিল।

খনন কাৰ্য্যৰ ফলত অসমত বহুতো প্ৰাচীন কালৰ স্থাপত্য ভাস্কৰ্য্য আৱি-স্কাৰ হৈছে। ১৯৬৯ চনত গুৱাহাটীৰ আমবাৰীত ৰিজাৰ্ভ বেংকৰ ঘৰটো নিৰ্মাণ কৰিবলৈ মাটি খান্দোতে বহুতো প্ৰাচীন কলীয়া স্থাপত্য ভাস্কৰ্য্য চিত্ৰসহ আৱিস্কাৰ হয়। তাত ইটাৰ দেৱালৰে সৈতে বিষ্ণু, সূৰ্য্য, অগ্নি, দুৰ্গা, শিৱ লিংগ, ষাড় গৰুৰ মূৰ্ত্তি আদি আৱিস্কৃত হয়। ইয়াৰ উপৰিও ফুলকটা নানা ধৰণৰ মাটিৰ বাচনৰ টুকুৰাও আৱিস্কাৰ হয়। এই মূৰ্ত্তিবোৰ আৰু তাত থকা চিত্ৰবোৰ বৰ্মন বংশীয় বা পাল বংশীয় ৰজাসকলৰ ৰাজত্ব কালৰ বুলি অনুমান কৰা হৈছে। ইয়াৰ পৰা অতি প্ৰাচীন কালৰে পৰা যে অসমত চিত্ৰকলাৰ উন্নতি সাধন হৈছিল আৰু তেতিয়াৰ দিনতেই চিত্ৰশিল্পী সকলে যথেষ্ট পাৰ-দৰ্শিতা লাভ কৰিছিল তাক নুই কৰিব নোৱাৰি।

প্ৰাচীন অসমৰ চিত্ৰকলাৰ নিদৰ্শন পোৱা যায় অসমীয়া শিপিনীৰ কাপোৰ বোৰত। অসমত অনাদি কালৰে পৰা শিপিনীসকলে কাপোৰ বোৱা অভ্যাস কৰিছিল। পণ্ডিত সকলে অনুমান কৰে যে অসমত বয়ন শিল্পৰ পোন প্ৰথমে প্ৰৱৰ্ত্তন কৰে বড়ো কছাৰী লোক সকলে আৰু তাৰ পাছত সকলো জাতিৰ মাজত বয়ন শিক্ষা প্ৰচলন হয়। পণ্ডিত সকলে ইয়াকো দৃঢ়তাৰে কয় যে অসমত বয়ন শিল্পৰ উন্নতি হৈছিল দ্ৰাৱিড় যুগতেই। বৰ্ত্তমানত ভৈয়ামৰ জনজাতি আৰু অজনজাতি সকলো শ্ৰেণীৰ লোকৰ মাজতে এনে ফুল বচা কাপোৰৰ

ব্যৱহাৰ আছে। আহোম ৰাজত্ব কালত মোমাই তামুলী বৰবৰুৱাই সুটা কটা আৰু কাপোৰ বোৱা বাধ্যতামূলক কৰি দিয়াত কাপোৰত ফুল বছা চিত্ৰ-কলাৰো যথেষ্ট উন্নতি হৈছিল।

আহোম যুগৰ ৰঞ্জন শিল্পৰ উন্নতি সাধন বাৰুকৈয়ে হৈছিল। তেতিয়া অসমীয়া মানুহে গছৰ শিপা, পাত বাকলি আদি বস্তু মিলাই এক প্ৰকাৰ ৰং তৈয়াৰ কৰিছিল। এই ৰঙেৰে মাটিৰ বাচন, কাঠৰ আচবাব ঘৰ দুৱাৰ বিশেষকৈ গোঁসাইঘৰ নামঘৰ আদিৰ নানা চিত্ৰ অংকিত কৰিছিল। অসমৰ জনজাতি লোকসকলৰ মাজত এনে ৰঙৰ প্ৰচলন এতিয়াও আছে।

আহোম যুগৰ স্থাপত্য ভাস্কৰ্য্যৰ লগতে চিত্ৰ কলাই এক বিশেষ উন্নতি সাধন কৰিছিল। আহোম যুগৰ স্থাপত্য ভাস্কৰ্য্যক মূখ্যত: তিনিটা ভাগত ভগাব পাৰি। যেনে মঠ মন্দিৰ, ৰাজ অট্টালিকা আৰু শিলৰ সাঁকো।

মহাপুৰুষ শংকৰদেৱে 'চিহ্ন যাত্ৰা' নাটৰ ভাওনা কৰোঁতে সাত বৈকুণ্ঠৰ ছবি আঁকি তাক যথা স্থানত দৃশ্য-সংযোজন কৰিছিল। তেতিয়া সেই নাটৰ ভাওঁনা চাবলৈ অহা এগৰাকী তিৰো-তাই মহাপুৰুষৰ চিত্ৰ পতত সামান্য ভাৱে খুট ধৰিছিল। এইবোৰৰ পৰা এইটোৱে প্ৰমাণ কৰে যে মহাপুৰুষ শংকৰদেৱ নিজেই চিত্ৰ শিল্পী আছিল তাৰোপৰি তেতিয়াৰ সামা-জিক চিত্ৰকলাত নাৰীৰো যথেষ্ট জ্ঞান আছিল। গতিকে এইবোৰ উদাহৰণৰ পৰা আমি সহজে নিশ্চিত হব পাৰোঁ যে, শংকৰ মাধৱৰ যুগ-লৈকে অসমীয়া চিত্ৰ কলাই চৰম উন্নতি সাধন কৰিছিল আৰু আহোম যুগৰ শেষলৈকে সি পৌৰাণিক আৰু ধৰ্মীয় বান্ধোনৰ মাজতেই সীমাবদ্ধ আছিল।

আধুনিক যুগত চিত্ৰকলাৰ প্ৰভাৱ আৰু আচৰ্য্য জনক। পাশ্চাত্য অৰ্থাৎ ইংৰাজী শাসনৰ আৰম্ভনিৰে পৰা বৰ্ত্তমানলৈকে আধুনিক যুগ। কিন্তু পাশ্চাত্য জগতত আধুনিক যুগৰ আৰম্ভনি বহু কালৰ আগৰে পৰাই হৈছিল আৰু চিত্ৰকলাতো তেওঁলোক তেতিয়া আগবঢ়া আছিল। এইক্ষেত্ৰত আমি লিউ-নাৰ্ড-দা-ভিন্সিৰ কথা উল্লেখ কৰিব পাৰো। ৪৫২ খ্ৰীষ্টাব্দত ইটালিৰ ফ্লোৰেঞ্চ চহৰত জন্ম গ্ৰহণ কৰা লিউ-নাৰ্ড-দা ভিন্সি পৃথিৱীৰ ভিতৰতে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰকৰ বুলি কোৱা হয়। তেওঁৰ অংকিত বিশ্ববিখ্যাত চিত্ৰ "মনালিছা" এতিয়াও নিত্য নতুন হৈয়েই আছে। তাৰ পাছত তেওঁক অনুসৰণ কৰি বহুতো চিত্ৰকৰৰ জন্ম হৈছিল আৰু তেওঁলোকে বাস্তৱ জগতৰ চিত্ৰ আঁকি মানুহৰ মন আকৰ্ষণ কৰিছিল।

অসমত ইংৰাজ শাসনৰ আৰম্ভ হোৱাত বহুতো শিল্পিয়ে পাশ্চাত্যৰ আদৰ্শত বাস্তৱ জগতৰ চিত্ৰ আঁকিবলৈ শিকিলে। ঠায়ে ঠায়ে আৰ্ট স্কুল, আৰ্ট গেলেৰি আৰম্ভ হ'ল। তথাপি চিত্ৰ বিদ্যাই আশানুৰূপ উন্নতি লাভ কৰিব পৰা নাই। ইয়াৰ মূল্য এতিয়াও আমাৰ মানুহে বুজিব পৰা নাই। বিষ্ণু ৰাভা, জ্যোতি প্ৰসাদ আগৰৱালা প্ৰমূখ্যে কেবাগৰাকী চিত্ৰ শিল্পীৰ অসমত আৰ্বিভাৱ হৈছিল। কিন্তু সময় আৰু সুযোগে তেওঁলোকক আগুৱাই নিনিলে। তথাপি চিত্ৰ, তৈলচিত্ৰ অংকনত শিল্পীয়ে অসমত আগভাগ নোলোৱাকৈ থকা নাই। বৰ্ত্তমান চিত্ৰবিদ্যা একপ্ৰকাৰৰ জীৱি-কাৰ পথ। সেয়েহে আজি কালি এই বিদ্যাই কাৰিকৰী বৃত্তি মুখী শিক্ষা হিচাপে পৰিগণিত হৈছে। আজিৰ অসমীয়াই ইয়াক গুৰুত্ব সহকাৰে লোৱা উচিত।

—:::—

# প্ৰাচ্য তত্ত্ববিদ ড° মহেশ্বৰ নেওগ

অৰ্চনা দেৱী
(স্নাতক ১ম বাৰ্ষিক)

মানৱ সভ্যতাৰ অগ্ৰগতি আৰু উত্তৰণ যদিও শীৰ্ষবিন্দুৰ ফালেই ধাৱমান সময়ে সময়ে কিন্তু অসূয়া অপ্ৰীতি আদিয়ে ইয়াৰ গতি স্থবিৰ কৰিব বিচাৰে। তেনে মুহূৰ্ত্তে জন্ম হয় মহাপুৰুষ তথা মহামনিষীৰ যাৰ অস্তিত্বত বিনাশ হয় অসুৰৰূপী তেনে উপসৰ্গ বোৰৰ। যুগ যুগ ধৰি তেনে মহাপুৰুষ আৰু মহামনিষীৰ জন্ম হৈ আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ, কলাগুৰু বিষ্ণু ৰাভা নটসূৰ্য্য ফণী শৰ্মা, অজ্ঞান পীৰ আদি মহান ব্যক্তিসমূহৰ কীৰ্ত্তিৰে ভৰা এই অসম ভূমিত অন্য এক ব্যক্তিৰ জন্ম হ'ল সুযোগ্য সন্তান, বিদগ্ধ পণ্ডিত আৰু লগতে এজন প্ৰাচ্যতত্ত্ববিদ ড° মহেশ্বৰ নেওগ ডাঙৰীয়াৰ। তেওঁ অসমৰ সকলোৰে অৱগত। নেওগ ডাঙৰীয়া অসমৰ উজ্জ্বল ৰত্ন স্বৰূপ।

১৯১৫ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে শিৱসাগৰ জিলাৰ কমাৰফদীয়া নামৰ গাওঁত তেখেতৰ জন্ম হয়। তেওঁ মাণিক চন্দ্ৰ নেওগ আৰু চন্দ্ৰ প্ৰভা দেৱীৰ সন্তান আছিল। জন্মতেই যাৰ অলংকাৰ হৈ আহিছে অসামান্য মেধা প্ৰতিভা আৰু কালজয়ী গৌৰৱ। সেই গৰাকী বিৰল প্ৰতিভাৰ অধিকাৰী নেওগদেৱৰ পাৰ্থিৱ ৰূপ আজি আমাৰ মাজত নাই সঁচা কিন্তু সময় বালিত স্বাক্ষৰিত অন্তহীন প্ৰতিভাৰ ৰাঙলী আভাই চিৰদিন উজ্বলাই ৰাখিব অসম মাতৃৰ চিৰচেনেহী শ্যামলী কোলা।

তেখেতৰ প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা গ্ৰহণৰ কালচোৱাৰ পৰাই প্ৰতিভাত হৈছিল তীক্ষ্ণ মেধাৰ পৰিচয়। অসমীয়া সমাজত প্ৰচলিত 'যি মুলা বাঢ়ে তাৰ দুপাততে চিন' এই প্ৰবাদটিৰ দৰে নেওগদেৱ যে ভৱিষ্যতে এজন বিদগ্ধ পণ্ডিত হৈ উঠিব তাৰ আভাস সকলোতেই প্ৰস্ফুটিত হৈ উঠিছিল। শতাৰ আৰু চাৰিটা ডিষ্টিংছনেৰে মেট্ৰিকুলেচন (১৯৩৪), ইংৰাজীত অনাৰ্চ সহ প্ৰসিদ্ধ কটন কলেজৰ পৰা বি, এ, (১৯৩৯), প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান সহ কলিকতাৰ পৰা মৰ্ডান ইণ্ডিয়ান লেংগুৱেজত (অসমীয়া মেজৰ) এম, এ, (১৯৪১), 'Sankardeva and his Times' নামৰ গৱেষণা পুথিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা ডি ফিল (১৯৫৫)। এইদৰেই কৃতিত্বৰে শিক্ষা গ্ৰহণ কৰিছিল ডঃ নেওগদেৱে।

নেওগদেৱে অসমীয়া সাহিত্যলৈ আগবঢ়াই থৈ যোৱা কীৰ্ত্তিস্তম্ভৰ তালিকাখন অতি দীঘলীয়া। তেখেতৰ স্বৰচিত গ্ৰন্থৰ ভিতৰত অসমীয়া সাহিত্যৰ ৰূপৰেখা, পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, সত্ৰীয় নৃত্য, আধুনিক অসমীয়া সাহিত্য আৰু ইংৰাজীত লিখা 'Sankardeva and his times' বিশেষভাৱে উল্লেখযোগ্য। সম্পাদিত গ্ৰন্থৰ ভিতৰত প্ৰাচ্য শাসনাৱলী, ভক্তিৰত্নাকৰ, গীতগোবিন্দ, নামঘোষা, গুৰু চৰিত কথা ইত্যাদি। 'সঞ্চাৰিণী দ্বীপশিখা' আৰু 'মুছাফিৰখানা' কবিতা পুথি দুখন তেওঁৰ কবি প্ৰতিভাৰ উজ্জ্বল স্বাক্ষৰ 'জীৱনৰ দীঘ আৰু বাণি' নামৰ আত্মজীৱনী এখন ৰচনা কৰি থৈ গৈছে।

নেওগদেৱে কৰ্মময় জীৱনৰ পাতনি মেলিছিল শিক্ষকতাৰে। বহু কেইখন হাইস্কুলত শিক্ষকতা কৰি পিছত ১৯৫৫ চনত তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সচিব হয়। গুৱাহাটী বিশ্ব বিদ্যালয়ত অসমীয়া বিভাগ স্থাপন হোৱা দিন ধৰি ১৯৪৮ চনত অসমীয়া বিভাগৰ অধ্যাপক ৰূপে কাম কৰি পিছলৈ উক্ত বিভাগৰে ১৯৬৬ৰ পৰা ১৯৭৮ লৈ জৱাহৰলাল নেহেৰু অধ্যাপকৰ পদ অলঙ্কিত কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ লৈ ডঃ নেওগদেৱে পঞ্জাবৰ পাতিয়ালত প্ৰতিষ্ঠাপিত পাঞ্জাবী বিশ্ব বিদ্যালয়ত পাঁচ বছৰৰ কাৰণে (১৯৭৮-১৯৮৩)ত

তেওঁ শঙ্কৰদেৱ আসনৰ প্ৰথম অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল।

তেখেতে নিজৰ প্ৰতিভা আৰু অধ্যৱসায়ৰ বলত কেৱল অসমতেই নহয় সমগ্ৰ ভাৰতবৰ্ষতেই এগৰাকী সঁচা পণ্ডিত বুলি স্বীকৃত। ইউৰোপৰ তিনিখন দেশত (হাংগেৰি, ৰুমানিয়া পূৱ-জাৰ্মানি) ভাৰত চৰকাৰৰ হৈ নেওগদেৱে বন্ধুত্বমূলক বক্তৃতা প্ৰদান কৰে।

সন্মানীয় সভাপতিৰ পদ অলংকিত কৰে অখিল ভাৰতীয় প্ৰাচ্যবিদ্যা সন্মিলনৰ আলিগড় বিশ্ববিদ্যালয়ৰ ললিত কলা বিভাগত, ২৩শ অধিবেশনত অসম সাহিত্য সভাৰ মংগলদৈ অধিবেশনৰ মুকলি সভাত (১৯৭৪ চনত)। প্ৰাচ্যতত্ত্ববিদ হিচাপে তেখেতে ভালেমান গৱেষণামূলক প্ৰবন্ধ, গ্ৰন্থ প্ৰকাশ কৰে। তাৰোপৰি অসম সাহিত্য সভাৰ নিয়মাৱলীৰ অন্তৰ্ভুক্ত প্ৰাচ্যতত্ত্বৰ চৰ্চা আৰু গৱেষণাত মৌলিক আৰু একক বৰঙণি আগবঢ়োৱা শীৰ্ষ স্থানীয় প্ৰতিভা সম্পন্ন ব্যক্তিৰে অসম সাহিত্য সভাই আগবঢ়োৱা সন্মানীয় সদস্য-মহীয়ান লাভ কৰে ১৯৮৮ চনত। তেখেতে শ্ৰীমন্ত শংকৰদেৱ বঁটা ১৯৮৯ চনত আৰু সংগীত নাটক অকাডেমী বঁটা ১৯৬৩ চনত লাভ কৰে। ১৯৯৫ চনত ৰাষ্ট্ৰীয় সংগীত নাটক অকাডেমী ফেলোশ্বিপৰ বাবে নিৰ্বাচিত হয়। সেই বছৰৰ অক্টোবৰ মাহত বিশ্ববিশ্ৰুত বেহেলাবাদক ইহুদী মেনুহিন আৰু চেহনাই পাৰংগত বিচমিল্লাহ খানৰ লগত নেওগদেৱকো এই বঁটা প্ৰদান কৰাৰ কথা আছিল। কিন্তু তেওঁৰ লগতে আমাৰ সকলোৰে দুৰ্ভাগ্য যে সেই বঁটা লবলৈ তেওঁ আৰু এই সংসাৰত নেথাকিল।

বিভিন্ন গৱেষণামূলক গ্ৰন্থৰ উপৰিও বিভিন্ন বিষয়ৰ ওপৰত অসংখ্য গ্ৰন্থ ৰচনা কৰে যিবোৰ প্ৰত্যেকজন জ্ঞান পিপাসু ব্যক্তিৰ বাবে এক সম্পত্তি স্বৰূপ। বিশেষকৈ প্ৰাচ্যতত্ত্বৰ ওপৰত তেখেতে ভালেমান অমূল্য তথ্য সন্নিলিত গ্ৰন্থ ৰচনা কৰে।

অসমীয়া ভাষা সংস্কৃতিৰ পূজাৰী হিচাপে নেওগদেৱে নিজকে যেন সম্পূৰ্ণ বিলীন কৰি দিছিল। অসমীয়া ভাষাৰ আলৈ আহুকালত ডঃ নেওগদেৱ এজন কাণ্ডাৰী আছিল। আলৈ-আথানি হব নোৱাৰাকৈ তেখেতে অসমীয়া ভাষাটোকে যেন ৰক্ষণাবেক্ষণ দিছিল। বিকৃত হব নোৱাৰাকৈ বৰ কঠোৰ আৰু সতৰ্কতাৰে এই ক্ষেত্ৰত আহি পৰা বেমেজালিসমূহ দূৰ কৰিব পাৰিছিল।

১৯৯৫ চনৰ ১৩ ছেপ্তেম্বৰৰ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাব তিথিৰ এই বিশেষ দিনটোত ডঃ মহেশ্বৰ নেওগদেৱে পত্নী শ্ৰীমতী নিৰ্মলা নেওগ, একমাত্ৰ পুত্ৰ প্ৰণৱ আৰু তিনিজনী কন্যা মধুমালতী, স্নিগ্ধ মালতী আৰু নৱ মালতীৰ লগতে বহু সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, গৱেষক গৱেষিকাৰ লগতে গুনমুগ্ধ ৰাইজক এৰি মহাপৰিনিধান প্ৰাপ্তি হয়। তেখেত ইহসংসাৰৰ পৰা পৰলোক প্ৰাপ্ত হ'ল সঁচা; কিন্তু তেওঁৰ অৱদানে অসমবাসীৰ মাজত তেওঁক চিৰস্মৰণীয় কৰি ৰাখিব। তেওঁৰ যি কৃতিত্ব সেই কৃতিত্ব আমাৰ সকলোৰে বাবে আদৰ্শ আৰু প্ৰেৰণাস্বৰূপ হৈ ৰব সঁচা কিন্তু তেখেতৰ মৃত্যুত অসমে হেৰুৱালে এক উজ্জ্বল ৰত্ন।

বিঃ দ্ৰঃ সহায় লৈ লিখা।

যি বস্তু মানুহৰ সকলোতকৈ কম পৰিমাণে আছে আৰু সকলোতকৈ বেছি পৰিমাণে অপব্যয় কৰে সেয়ে সময়। বৰ দুখৰ বিষয় যে আমি আন সকলো বিষয়তে নিয়মীয়া, কটকিনা আৰু কৰাইচ হ'ব পাৰো, নোৱাৰো কেৱল সময়ৰ পালত।

এদামচ

# অসমৰ অৰ্থনৈতিক উন্নয়নৰ সমস্যা আৰু ইয়াৰ সম্ভাৱনীয়তা

গনেশ শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

অসমৰ অৰ্থনৈতিক আৰু ঔদ্যোগিক উন্নয়ন আজিও ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত বহু পিচ পৰি আছে। অসমৰ অৰ্থনৈতিক উন্নয়নৰ হকে ১৯54 চনৰপৰা যি পৰিকল্পনাৰ প্ৰস্তুতি আৰম্ভ হৈছিল আজি অষ্টম পৰিকল্পনাৰ অন্ততো অৰ্থনৈতিক উন্নয়ন পৰিলক্ষিত হোৱা নাই। সেয়েহে আজি সকলোৰে এটাই প্ৰশ্ন অসমৰ এই স্থৱিৰ হৈ পৰা অৰ্থনৈতিক উন্নয়ন সঁচাই সম্ভৱ নে?

এখন দেশ বা ৰাজ্য অৰ্থনৈতিক ভাৱে উন্নত হয় সেই ঠাইখনত হোৱা অৰ্থনৈতিক কাৰ্য্যসমূহৰ দ্বাৰা। এই অৰ্থনৈতিক কাৰ্য্যসমূহ আৰম্ভ কৰিবলৈ প্ৰয়োজন সেই ঠাইত বসবাস কৰা জনসাধাৰণৰ অদম্য কৰ্মনিষ্ঠাৰ।

অসমৰ অৰ্থনৈতিক উন্নয়নত যিবোৰ সমস্যা অতীতত আছিল সেইবোৰৰ নিৰাময় এতিয়াও শেষ হোৱা নাই। উদাহৰণস্বৰূপে, কৃষিৰ কথাকে উল্লেখ কৰিব পাৰি। অসমত জীৱিকাৰ পথ, অৰ্থনীতিৰ উন্নয়নৰ পথ হব কৃষি আৰু কৃষি ভিত্তিক উদ্যোগৰ বিকাশৰ যোগেদি। অৰ্থনৈতিক উন্নয়নৰ প্ৰাথমিক স্তৰ হব কৃষি ভিত্তিক, মাধ্যমিক স্তৰ হব ঔদ্যোগিক উৎপাদন ভিত্তিক আৰু তৃতীয় স্তৰ হব সেৱা ভিত্তিক। ইতিমধ্যে সেৱা ভিত্তিক জীৱিকাৰ বিকাশ অসমত আশা ব্যঞ্জক হৈছে। কিন্তু মাধ্যমিক স্তৰত নিযুক্তিৰ পৰিমাণ আশানুৰূপ ভাৱে হোৱা নাই।

যিহেতু অসমৰ অৰ্থনৈতিক অৱস্থাৰ প্ৰভূত উন্নতি হব লাগিব কৃষি ব্যৱস্থাৰ উন্নতি সাধনৰ যোগেদিহে, গতিকে অসমৰ সাৰুৱা মাটিত দুবাৰ বা তিনিবাৰ খেতিৰ ব্যৱস্থা কৰিব লাগিব। চৰকাৰে যদি এইক্ষেত্ৰত আগভাগ লৈ জলসিঞ্চন, বীজযোগান, জলসিঞ্চনৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব পাৰে আৰু বান-নিয়ন্ত্ৰণৰ সুব্যৱস্থা হাতত লয় তেনেহলে মাত্ৰ দুবছৰৰ ভিতৰতে অসমৰ অৰ্থনীতিত সুফল পোৱা যাব। এইক্ষেত্ৰত জনসাধাৰণৰ সহযোগিতাৰো একান্ত প্ৰয়োজনীয়।

কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে জলসিঞ্চনৰ সু-ব্যৱস্থা কৰিবৰ কাৰণে পাম্প আদিৰ প্ৰয়োজন হয়। সেইবোৰ নিৰ্মাণ কৰিবৰ বাবে মাধ্যমিক স্তৰত উৎপাদন বৃদ্ধি কৰিব লাগিব।

বৰ্তমান অৱস্থাত অসম চৰকাৰখন গুৰুতৰ আৰ্থিক সংকটৰ সন্মুখীন হৈছে। সেয়ে অসমৰ অৰ্থনীতি টনকিয়াল কৰিবলৈ হ'লে অসম চৰকাৰে নিজৰ আৰ্থিক স্থিতি সবল কৰিব লাগিব। চৰকাৰৰ আৰ্থিক অৱস্থা দুৰ্বল হলে অৰ্থনৈতিক উন্নয়নৰ বাবে মানসিক প্ৰস্তুতিও সম্ভৱ নহয়। সেয়েহে অসম চৰকাৰে আৰ্থিক দিশটোক টনকিয়াল কৰিবলৈ কিছুমান ব্যৱস্থা গ্ৰহণ কৰাটো আৱশ্যকীয়। এখন চৰকাৰ ধনী বা দুখীয়া হয় সেই চৰকাৰে অৰ্জন কৰা বিত্তীয় সম্পদৰ পৰা। চৰকাৰে বিত্তীয় সম্পদ আহৰণ কৰে কৰ-কাটলৰ পৰা, কেন্দ্ৰীয় অনুদানৰপৰা, কেন্দ্ৰীয় কৰ-কাটলৰ অংশৰপৰা আৰু ৰাজ্যিক উদ্যোগৰ লাভাংশৰ পৰা। এই ধৰণে পাব পৰা ধন চৰকাৰে আয় অনুসৰিহে ব্যয় কৰাৰ ব্যৱস্থা কৰিব লাগিব। চৰকাৰে আয় কৰা সকলো ধন যদি চৰকাৰখন চলাওঁতে খৰচ হয় তেন্তে উন্নয়নৰ বাবে টকা খটুৱাব পৰা নাযাব। অসম চৰকাৰে সদায়হতে উৎপাদকতা বিহীন ব্যয় সংকুচিত কৰিব লাগিব। এখন ৰাহী বাজেটৰ চৰকাৰ অসমত হলেহে বিভিন্ন বিত্তীয় সংস্থাসমূহো আগবাঢ়ি আহিব অসমৰ বিভিন্ন উন্নয়নৰ ক্ষেত্ৰত ধন খটুৱাবৰ বাবে। 'এছিয়ান উন্নয়ন বেঙ্ক' গুজৰাট ৰাজ্যত বহুতো উন্নয়ন আঁচনি গ্ৰহণ কৰিবলৈ বিত্তীয় সাহায্য আগবঢ়াইছে।

অসমকো দিবলৈ তেখেতসকলে বাজি হব যদিহে আমাৰ চৰকাৰে ফলপ্ৰসূ আঁচনি প্ৰস্তুত কৰি যথাযোগ্য স্থানত উপস্থাপন কৰিব পাৰে।

অসমৰ অৰ্থনৈতিক উন্নয়নৰ আন এক হেঙাৰ হৈছে সুস্থ অন্তৰ গাঁথনি বা পৰিকাঠামোৰ অভাৱ। অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰয়োজন বিদ্যুৎ উৎ-পাদন, ৰাস্তা-ঘাটৰ নিৰ্মাণ, সংযোগ ব্যৱস্থা, মূলধনৰ ব্যৱস্থা আৰু প্ৰয়োজন প্ৰশাসনিক দক্ষতা আৰু নিষ্ঠাৰ। অসমৰ বাট-পথ গধুৰ যান-বাহন চলোৱাৰ কাৰণে উপযুক্ত নহয়। ৰাজ্যৰ বাহিৰৰপৰা অহাবোৰ সামগ্ৰী পথ-পৰিবহনৰ যোগেদি অনা হয়, সেইবোৰৰ কঢ়িওৱা খৰচ অধিক লয়। ইয়াৰ বাবে অসমত প্ৰায় সকলো বিধ সামগ্ৰীৰ মূল্য আন ঠাইৰ তুলনাত দুই-তিনিগুণ অধিক হয়।

আনহাতে এখন ৰাজ্যৰ অৰ্থনৈতিক উন্নতিৰ বাবে প্ৰয়োজন শান্তি আৰু ভয়বিহীন পৰিবেশ। যেতিয়ালৈকে অশান্তিৰ পৰিবেশ নিৰ্মূল নহয়; তেতিয়ালৈকে কোনো ধৰণৰ অৰ্থ-নৈতিক বিকাশ সম্ভৱ নহয়। সম্পদেৰে ভৰপূৰ হৈ থাকিলেও নাইবা সুন্দৰ অন্তৰগাঁথনি বা পৰিকাঠামো (Infra-structure) থাকিলেও অৰ্থনৈতিক উন্নতি নহব পাৰে। পৃথিৱীৰ কোনো দেশতে অশান্তিৰ পৰিবেশত উন্নয়নৰ কাম আগবঢ়া নাই গতিকে অসমতো সম্ভৱ হব কেনেকৈ?

এখন ৰাজ্য অৰ্থনৈতিক দিশত সবল হবলৈ তাত বাস কৰা সকলো সক্ষম লোকৰ সহযোগ লাগিব। কোনো এদল বা এচাম মানুহৰ কৰ্ম ক্ষমতাৰে এখন ৰাজ্য উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। সকলো সক্ষম মানুহক জগাই তুলিবলৈ বাতৰিকাকত, বুদ্ধিজীৱী আৰু বেচৰকাৰী উন্নয়ন সংস্থা (N. G. O.) সমূহে প্ৰচাৰ চলাব লাগিব।

অসমৰ অৰ্থনীতিত আন এটা উল্লেখযোগ্য অৱিহণা যোগাব পৰা খণ্ড হ'ল টুৰিজীম। অৰ্থাৎ পৰ্যটন বিভাগ। আজিৰ পৰা বিশ বছৰৰ ভিতৰত অসমত আটাইতকৈ লাভজনক ব্যৱসায় হব পাৰে পৰ্যটনৰ ক্ষেত্ৰ। ইয়াৰ বাবে বিদেশী সংস্থাৰ লগত এতিয়াৰ পৰাই সংযোগ কৰিব লাগিব।

বৰ্তমান অৱস্থাত কেৱল চৰকাৰী চাকৰিৰে এখন ৰাজ্যৰ উন্নতি সাধন কৰিব নোৱাৰি। ৰাজ্যত কৰ্মসংস্থান বঢ়াব লাগিব। নিবনুৱা সমস্যা সমা-ধান কৰিব লাগিব। কিন্তু একমাত্ৰ চৰকাৰেই চাকৰি সৃষ্টিকাৰী হব নোৱাৰে। বিভিন্ন চৰকাৰী পদপীৰ সৃষ্টি কৰিলেই অৰ্থনৈতিক উন্নয়ন সম্ভৱ নহয়। এষাৰ অপ্ৰিয় সত্য কথা কোৱা উচিত হব যে অসমৰ সকলো খনিজ সম্পদ ব্যৱহাৰ কৰিও যদি কেইটামান চৰকাৰী বা বেচৰ-কাৰী নিগম, কাৰখানা আৰু সংস্থা নতুনকৈ খোলা হয় তেতিয়াও অসমত মাত্ৰ নব্বৈ হাজাৰৰ পৰা এক লাখ চাকৰিহে সৃষ্টি হব। কিন্তু অসমত নিবনুৱাৰ সংখ্যা দহ লাখতকৈও বহুত বেছি। তেনেহলে মানুহৰ জীৱিকাৰ কেনেকৈ ব্যৱস্থা কৰিব।

সেয়ে অসমত জীৱিকাৰ পথ, অৰ্থনীতিৰ উন্নয়নৰ পথ হব আগতেই কৈ অহাৰদৰে কৃষিভিত্তিক উদ্যোগৰ যোগেদি। অসমত বৃহৎ উদ্যোগৰ সলনি মজলীয়া পৰ্য্যায়ৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ মাজেদি অৰ্থনীতিক সবল কৰিব পৰা যায়। মনত ৰাখিব লাগিব যে দহটা ৰিফাই-নেৰীয়ে মাত্ৰ তিনি হাজাৰ মানুহকহে চাকৰি দিব পাৰিব কিন্তু কৃষিভিত্তিক উদ্যোগৰ যোগেদি লাখ লাখ মানুহক জীৱিকাৰ সংস্থান দিব। অসমত অনায়াসে হব পৰা নতুবা দুটা কৃষি ভিত্তিক উদ্যোগ হল—ফাৰ্মাচিউটিকেল উদ্যোগ আৰু পাৰফিউমেৰী উদ্যোগ। অসমত বিভিন্ন ধৰণৰ বনৌষধিৰ খেতি কৰিব পাৰি আৰু 'বনজগোন্ধৰ ৰস উৎপাদন কৰা শাকৰ' খেতি কৰিব পাৰি। ফৰাচী দেশৰ 'প্ৰাচে' বুলি এটা সংস্থাই অসমত 'ফাইট' কেমিকেল' (বনৌ-ষধি গোন্ধৰ লতাৰ) খেতি কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল।

এই সকলোবোৰ সম্ভৱ হব যদিহে (১) অসমত শান্তি স্থাপন হয়। (২) অসমৰ ডেকাসকলে তথা আমি চাকৰি নিৰ্ভৰশীল মন সলনি কৰি জীৱিকা নিৰ্ভৰ স্বনিয়োজিত কৰ্ম কৰিবলৈ আগবাঢ়ি আহো। (২) যদিহে পৰি-কাঠামো বলিষ্ঠ হয় আৰু (৪) উদা-হৰণ স্বৰূপে কেইটামান আদৰ্শ উদ্যোগ স্থাপন কৰা হয়।

কিন্তু বৰ্তমান আমাৰ ৰাজ্যখনে দুৰ্যোৰ আৰ্থিক সংকটৰ সন্মুখীন হৈছে। উন্নয়নৰ নামত এক বিৰাট শূন্যতাৰ সৃষ্টি হৈছে। ইয়াৰ ফল আমি সকলোৱে ভুগিছো আৰু ভুগিব লাগিব। সাম্প্ৰতিক অসমৰ এনে আৰ্থিক সংকটৰ সময়ত আমি বিবে-চনা কৰা দুই চাৰিটা বাস্তৱ আৰ্থিক সংস্কাৰৰ ব্যৱস্থা প্ৰয়োগ কৰিব পাৰিলে ৰাইজে নিশ্চয় যথেষ্ট সুফল লাভ কৰিব।

**পেট্ৰোলিয়াম খণ্ডৰ পৰা নন্-টেক্স আৰু ৰাজহ আদায়:**

আমি বৰ্তমান আমাৰ ৰাজ্যখনৰ

খাৰুৱা তেলৰ পৰা সামান্য ৰয়েল্টি পাই আছো। যিহেতু কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ফালৰ পৰা হেঁচা নিদিলে ৰয়েল্টি বৃদ্ধি কৰাৰ ব্যৱস্থা নলয়, গতিকে ৰাজ্য চৰকাৰে এইক্ষেত্ৰত কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

(ক) অসমত বৰ্তমান থকা তিনিটা শোধানাগাৰত পৰিশোধন কৰা পেট্ৰো-লিয়ামজাত সামগ্ৰীখিনি অসমৰ উপৰি সামান্য পৰিমাণৰ সামগ্ৰী চুবুৰীয়া ৰাজ্য ছয়খনতো ব্যৱহাৰ কৰা হয়। বাকীখিনি হোৱাইট অইল পাইপ লাইনেৰে ৰাজ্যৰ বাহিৰলৈ যায়। বাহিৰলৈ যোৱা এই শোধিত সাম-গ্ৰীৰ ওপৰত ৰাজ্য চৰকাৰখনে শতকৰা ১০-১৫ ভাগ কৰ আৰোপ কৰক।

(খ) আমি আমাৰ ৰাজ্যত ব্যৱহাৰ হোৱা পেট্ৰোল, ডিজেল, কেৰাচিন আৰু ৰন্ধন গেছ শতকৰা ৫০ ভাগ ৰেহাই মূল্যত পোৱাৰ ব্যৱস্থা কৰক, এই ৰেহাই মূল্যৰ ওপৰত ১০-১২ শতাংশ ৰাজ্যিক ইন্ধন কৰ আৰোপ কৰক।

(গ) ৰাজ্যৰ বিদ্যুৎ প্ৰস্তুত কৰা গোট কেইটাক কেৱল উৎপাদিত খৰচৰ ভিত্তিত প্ৰাকৃতিক গেছৰ যোগান ধৰক।

(ঘ) তেল আৰু প্ৰাকৃতিক গেছ নিগম (O:N.G.C.), অইল ইণ্ডিয়া লিমিটেড, ভাৰতীয় কাগজ নিগম, ক'ল ইণ্ডিয়া আৰু অন্যান্য কেন্দ্ৰীয় প্ৰতিষ্ঠানৰ বছৰেকীয়া লাভৰ পৰা (অসমত কৰা ব্যৱসায়ৰ লাভৰ কথা কোৱা হৈছে) ২০%—৩০%, অসমক অসমৰ আঁচনিত জমা দিয়াৰ ব্যৱস্থা কৰক। যেনে—বাট-পথ, স্বাস্থ্য, শিক্ষা, সামাজিক বনানীকৰণ, দলং, নলা-নৰ্দমা বান্ধ ইত্যাদি।

এনেবোৰ ব্যৱস্থা গ্ৰহণ কৰিলে দেখা যাব যে ৰাজ্যখনৰ বাবে প্ৰয়ো-জনীয় বছৰেকীয়া ধনৰ ২০% আদায় হব।

### অন্যান্য বাণিজ্যিক ক্ষেত্ৰৰ পৰা আহৰণ :

(ক) ৰাজ্যৰ ষ্টক একচেঞ্জৰ দৈনিক/বা মাহেকীয়া সমুদায় ব্যৱ-সায়ৰ ওপৰত ০.৫% কৰ আৰোপ কৰক।

(খ) জীৱন বীমা আৰু অন্যান্য ৪টা বীমা কোম্পানীৰ অঞ্চলটোৰ ব্যৱসায়ৰ লাভৰ পৰা ৰাজ্য চৰকাৰৰ পুঁজিলৈ ৫%—১০% বৰঙণি স্থায়ী আৰু নিশ্চিত কৰক।

উপৰোক্ত ব্যৱস্থাসমূহ ৰূপায়িত কৰিব পাৰিলে তথা চৰকাৰে বিবেচনা সহকাৰে গ্ৰহণ কৰিলে ৰাজ্যখনৰ অৰ্থনৈতিক তথা ঔদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত এক নতুন পথৰ সন্ধান পাম বুলি আমাৰ দৃঢ় বিশ্বাস।

বিঃ দ্ৰঃ—সহায় লৈ লিখা।

যি নিচেই কম দেখিছে, শুনিছে তেৱেঁই সকলোতকৈ বেছি অভিজ্ঞতাৰ টোপোলা মেলে আৰু অসাৰ কোৱাভাতুৰীয়া কথাৰে সংসাৰৰ অজ্ঞ মানুহবিলাকক নথৈ বিৰক্তি দিয়ে।

চেষ্টাৰফিল্ড।

যি মানুহে কেৱল শুনে তেওঁ সুখী, কিন্তু যি কথা কৈ ফুৰে তেওঁ অসুখী।

ইমাৰচন।

# সমাজ আৰু শৈক্ষিক পৰিৱেশ গঠনত যুৱ-শক্তিৰ দায়িত্ব

● দীপক কুমাৰ ডেকা
স্নাতক ২য় বাৰ্ষিক, (কলা)

সমাজ হ'ল মানুহৰ মিলন-স্থলী। বিভিন্ন জাতি, উপজাতি, গোষ্ঠী লগ লাগি সমাজ গঠিত হয়। চমুকৈ ক'বলৈ গ'লে মানুহৰ সমষ্টিটোকে সমাজ বোলে। কাৰণ আদিম নগ্ন গুহাবাসী দিনৰে পৰা মানুহে সমাজ পাতি বাস কৰি আহিছে। সমাজ বা এটা জাতি বৰ্তী থাকিবলৈ হ'লে প্ৰত্যেক জন ব্যক্তিৰে সুস্থ চিন্তা আৰু আন্তৰিকতা থাকিব লাগিব। কিয়নো কৰ্মইহে মানুহক শ্ৰেষ্ঠত্ব বা মহত্ব দান কৰে। আনহাতে পশু পক্ষী প্ৰাণীবোৰে জাক পাতি বাস কৰিলেও ইয়াক সমাজ বুলি কব নোৱাৰি। কাৰণ সমাজ পৰিবৰ্তনশীল। পৰিবৰ্তনশীল সমাজৰ বিকাশ ঘটে। এনে বিকাশ আৰু পৰিবৰ্তন মানুহৰ ক্ষেত্ৰতহে পৰিলক্ষিত হয়। সেয়েহে মানুহৰ সমাজকহে প্ৰকৃততে সমাজ বোলা হয়। কাৰণ মানুহৰ জ্ঞান আৰু জ্ঞান বিকাশৰ ক্ষমতা আছে।

অতীত কালৰ পৰা সমাজ আৰু সভ্যতাৰ ক্ৰমবিকাশত যুৱশক্তিয়ে ভূমিকা লৈ আহিছে। গ্ৰামাঞ্চলৰ সমাজ এখনক সকলো ফালৰ পৰা আগবঢ়াই নিয়া প্ৰত্যেকজন যুৱক তথা ব্যক্তিৰ ভূমিকা অপৰিহাৰ্য্য। ইয়াৰ অবিহনে এখন সুস্থ সমাজ গঠন হ'ব বা পৰিচালিত হ'ব নোৱাৰে। সেয়ে এখন সুস্থ সমাজ গঠনত প্ৰত্যেক জন যুৱকে আগভাগ লব লাগিব।

মানৱ জাতিৰ আটাইতকৈ ক্ষুদ্ৰাতি ক্ষুদ্ৰ অংশ হৈছে পৰিয়াল। প্ৰত্যেকটো পৰিয়ালৰে ক্ষুদ্ৰ অথচ গুৰুত্ব পূৰ্ণ অংশ হৈছে যুৱ শক্তি। সমাজৰ সুস্থ বাতাৱৰণ ৰক্ষা কৰিবলৈ হ'লে বা এখন সুস্থ সমাজ গঠন কৰিবলৈ বৰ্তমান যুৱশক্তিয়ে আগ ভাগ লব লাগিব। সুস্থ সমাজৰ লগত জড়িত হৈ আছে পৰিৱেশ। ঘৰ এখন পৰিচালিত হ'বলৈ যিদৰে পৰিৱেশৰ প্ৰয়োজন, সমাজ এখন বৰ্তী থাকিবলৈ হ'লেও সুস্থ পৰিৱেশৰ প্ৰয়োজন। সমাজৰ পৰিৱেশ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত যুৱ-শক্তি বা ছাত্ৰ শক্তিয়ে আগভাগ লৈ সমাজখন পৰিচালিত কৰিব লাগিব। বৰ্তমান যুৱ শক্তিয়ে হৈছে দেশৰ কৰ্ণধাৰ। এই শক্তি মহান শক্তি। যুৱ শক্তি বা ছাত্ৰ শক্তিয়ে বিশ্ব ইতিহাসত এক উল্লেখনীয় বৰঙণি যোগাই আহিছে।

মানৱ জীৱন অসম্পূৰ্ণ, কিন্তু পূৰ্ণতা পথৰ সীমাহীন যাত্ৰাৰ অবিৰাম যাত্ৰী। এই যাত্ৰাৰ আদি আছে, শেষ নাই। নিশ্চিত গতি আছে কিন্তু স্থিৰতা নাই। নৱজাত শিশু ৰূপে যিদিনাই মানৱে স্নেহশীল ধৰিত্ৰীৰ কোলাত এই সংসাৰৰ পোহৰ দেখিবলৈ পালে, সেইদিনাই আৰম্ভ হ'ল সংঘাতময় এই জীৱন যাত্ৰাৰ নৈৰ সোঁত, একাবেকা, গতিশীল, খৌকি বাখৌ চৌৰে ভৰা দুয়োপাৰে ওখ গড়া। মাজত বালিচৰ চাকনৈয়াই গতিশীল পাক ঘূৰাই আনি পথ বিভ্ৰান্তিৰ সূচনা কৰে। সমাজক বিভ্ৰান্ত পথেৰে আগবঢ়াই নিনি সুস্থ পৰিৱেশ গঠন কৰিব লাগিব। সুষ্ঠ পৰিৱেশত থকা সহজাত প্ৰবৃত্তি- প্ৰেম, ইচ্ছা, অৱধাৰন, যুক্তি, কল্পনা, স্মৃতি, স্বাৰ্থ, উদাৰতা, উৎসুকতা, অনুভূতি আদিৰে পৰিপুষ্ট হৈ যুৱশক্তিয়ে সমাজ গঠনত আগভাগ লব লাগিব। পৰিৱেশ বুলিলে সাধাৰণতে যুৱকৰ অন্তৰ্নিহিত সামগ্ৰী আৰু বিষয় সমূহকে বুজায়।

সমাজৰ শৈক্ষিক পৰিৱেশ গঠনৰ ক্ষেত্ৰতো এই মহান শক্তিটোৱে নেতৃত্ব দিব লাগিব। শৈক্ষিক পৰিৱেশ হৈছে মানৱ শিশুৰ শাৰীৰিক, মানসিক শক্তিৰ ওপৰত প্ৰভাৱ পেলোৱা, শিশুৰ আচৰণৰ ৰূপান্তৰ ঘটোৱা, ক্ৰমবিকাশ কৰা আদি বিষয় সমূহ। মনোবৈজ্ঞানিক, শিক্ষাবিদ, দাৰ্শনিকসকলৰ মতে পৰিৱেশক দুই ভাগত বিভক্ত কৰিছে। প্ৰাকৃতিক বা ভৌগলিক পৰিৱেশ আৰু সামাজিক পৰিৱেশ। প্ৰাকৃতিক পৰিৱেশৰ ভিতৰত অতি প্ৰয়োজনীয় বস্তুকে বুজায়। আনহাতে মানৱ-শিশুই জন্ম লাভ কৰাৰ পিছৰে পৰা যিবিলাক বস্তু বা ব্যক্তিৰ সান্নিধ্যলৈ আহে, তাকে সামাজিক পৰিৱেশ বোলে। প্ৰাকৃতিক আৰু সামাজিক পাৰিপাৰ্শ্বিকতাই হৈছে মানসিক বিকাশৰ মূলশক্তি। সাধাৰণতে যাৰ যেনে পৰিৱেশ, স্বাভাৱিক কিম্বা সমাজে গঢ়ি তোলা, সেই অনুসাৰে মানৱ শক্তিৰ সুকুমাৰ ভাৱ বৃত্তিবোৰৰ বিকাশ সাধন হয়। পৰিৱেশ নিয়ন্ত্ৰণ কৰি সমাজখন আগবঢ়াই

নিয়াৰ দায়িত্ব যুৱ শক্তিৰ।

শৈক্ষিক বাতাবৰণ ৰক্ষা কৰা ক্ষেত্ৰত যুৱশক্তিৰ দায়িত্ব অসীম। আদিম অৱস্থাত বৰ্তমানৰ দৰে শিক্ষা ব্যৱস্থা নাছিল। সেই সময়ত গুৰু কুল মাধ্যমেৰে শিক্ষা পদ্ধতি পৰিলক্ষিত হৈছিল। শিক্ষাৰ কাৰণে কোনো গৃহ নাছিল। গছৰ তলত, মন্দিৰ, মছজিদ আদিয়েই আছিল শিক্ষা অনুষ্ঠানৰ গৃহ। বৰ্তমান আনুষ্ঠানিক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন হোৱাত শিক্ষাৰ মানদণ্ড উন্নত হৈছে। শৈক্ষিক বাতাবৰণৰ ক্ষেত্ৰত সমাজৰ লগতে ঘৰখনেৰো দায়িত্ব নুই কৰিব নোৱাৰি। ঘৰখনত উপযুক্ত শিক্ষা দি গঢ়ি তুলিবলৈ হ'লে মাকে পোন প্ৰথমে ভূমিকা লব লাগিব। কাৰণ ঘৰখনৰ পৰা উপযুক্ত হৈ গ'লেহে যুৱশক্তিয়ে সমাজৰ নেতৃ দিব পাৰিব। এই সন্দৰ্ভত শিক্ষাবিদ ৰেজেন ক্ৰেজে কৈছে যে "গৃহস্থই হ'ল শিক্ষাৰ আৰম্ভনি বিন্দু"। (Family is the original starting point of Education) এই শিক্ষা সাধনৰ ব্যৱস্থা হৈছে চাৰিটা—অধ্যয়ন, দৰ্শন, শ্ৰৱন আৰু ক্ৰিয়া। এই ব্যৱস্থা সমূহৰ পাৰস্পৰিক সম্বন্ধ দীগ্ বানীৰ দৰে ওত:প্ৰোত। এই চাৰিওবিধ ব্যৱস্থাৰ পাৰস্পৰিক সহযোগতহে প্ৰকৃত সাধন সহজ হব পাৰে। শিক্ষা সাধনা কৰিবলৈ হলে মনোযোগৰ প্ৰয়োজন। মনোযোগ অবিহনে কোনো কামেই সিদ্ধ নহয়। শিক্ষাৰ্থীয়ে কোনো শিক্ষা গ্ৰহন কৰিব নোৱাৰে। শিক্ষকে কোনো কথাকে সুশৃংখলভাৱে বুজাব নোৱাৰে। কোনো এটা এটা কথা শিকাৰ যদি মনোযোগ নাথাকে, তেনেহ'লে স্মৃতি, কল্পনা, বিচাৰ আদি সুতীক্ষ্ণ তাৰ বৃত্তিবোৰো তেনেই অক্ষম আৰু অকামিলা হৈ পৰে। সাধাৰণতে বিভিন্ন বিষয়ৰ পৰা মনটোক আঁতৰাই আনি কোনো এটা নিৰ্দিষ্ট বিষয়ত কেন্দ্ৰীভূত কৰা বা সংযোগ কৰি দিয়াই হৈছে মনোযোগ। এইবোৰ পৰিচালিত কৰাত একমাত্ৰ দায়িত্ব লব লাগিব যুৱ-শক্তিয়ে।

সমাজৰ বিভিন্ন বাতাবৰণ ৰক্ষা কৰি সমাজ বা জাতি এটা আগবঢ়াই নিয়াৰ দায়িত্ব যুৱশক্তিৰ। শিক্ষাবিদ, দাৰ্শনিকসকলৰ মতে শিক্ষাক সভ্যতাৰ মূল আহিলা হিচাবে অভিহিত কৰিছে। সু-শিক্ষাই এখন সুস্থ বা শুদ্ধ সমাজ গঢ়ি তোলাত সহায় কৰে। নৈতিক আৰু আধ্যাত্মিক শিক্ষা অবিহনে মানুহে কেতিয়াও মনুষ্যত্ব জ্ঞান লাভ কৰিব নোৱাৰে। সুস্থ সমাজ এখন গঠন কৰিবলৈ যুৱ-শক্তিয়ে আগভাগ লৈ ঘূণে ধৰিবলৈ খোজা সমাজখনক নিকা কৰিব লাগিব।

বৰ্তমানে সমাজত যুৱ শক্তিয়ে কিছুমান বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। সমাজত দেখা দিয়া মাদক দ্ৰব্য সেৱন, ড্ৰাগচ্ সেৱন, যুৱশক্তিৰ বিশৃংখলতাৰ আদি অন্যতম। এইবোৰ কাৰ্য্যৰ পৰা যুৱ-শক্তি বাহিৰ হৈ আহি শুদ্ধ পথত ভৰি দিব লাগিব। কু-কাৰ্য্যৰ পৰা মানুহক আঁতৰাই অনা দায়িত্ব যুৱ শক্তিৰ।

স্থানীয় নিকায় সমূহৰ লগতে যুৱশক্তিয়ে আগভাগ লৈ গ্ৰামাঞ্চলৰ খোৱা পানী যোগাযোগ ব্যৱস্থা, শিক্ষা, চিকিৎসালয় আদিৰ উন্নতিৰ কাৰণে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। গ্ৰামাঞ্চলত দেখা দিয়া অনগ্ৰসৰ আৰু বাধা গ্ৰস্ত লোকসকলক একত্ৰিত কৰা দায়িত্ব এই মহান শক্তিটোৰ। সমাজৰ অপৰাধ প্ৰৱন ছাত্ৰক ঘূৰাই অনাৰ দায়িত্ব যুৱ-শক্তিৰ। অপৰাধ প্ৰৱন বুলিলে সাধাৰণতে সমাজৰ নীতি নিয়ম আইন শৃংখলা ভংগ কৰা ছাত্ৰ-ছাত্ৰীকে বুজায়। যৌৱন কাল বা বয়সন্ধি কাল ছোৱাক মনোবৈজ্ঞানিক সকলে "থলা বমা ডকা চাকনৈয়াৰে ভৰা এচোৱা জটিল আৰু কণ্টকৰ সময়" (Adolescence is the strom and stress of life) বুলি অভিহিত কৰিছে। গতিকে সকলো বিলাক সমাজৰ কুসংস্কাৰ আঁতৰ কৰিব লাগিব যুৱ শক্তিয়ে।

বৰ্তমান সুস্থ সমাজ এখন গঠন কৰিবলৈ হ'লে যুৱ শক্তিৰ দায়িত্ব বহুত। সমাজৰ বাতাবৰণ ভাল কৰিবলৈ হ'লে অন্যান্য সংগঠন সমূহৰ লগতে যুৱশক্তিয়ে বা ছাত্ৰ-শক্তিয়ে প্ৰথমে সাজু হ'ব লাগিব। গাওঁবাসী লোক সকলৰ মাজত এটি প্ৰচলিত অন্ধবিশ্বাস আছে ভেদাভেদ ভাৱ, জাতিভেদ প্ৰথা, পৰশ্ৰীকাতৰতা আদি। ইয়াৰ মূলত হৈছে গ্ৰামাঞ্চলৰ অধিকাংশ লোকেই অশিক্ষিত। আনহাতে কৃষিজীৱী। সেয়ে যুৱ-শক্তি বা ছাত্ৰ শক্তিয়ে আগবাঢ়ি আহি অন্ধবিশ্বাসত ডুব গৈ থকা ব্যক্তি সকলক সচেতন কৰিব লাগিব। উপযুক্ত সময়ত শিক্ষা গ্ৰহণ কৰিব নোৱাৰি বিদ্যালয় এৰি অহা ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন আঁচনিৰ জৰিয়তে পুনৰ শিক্ষিত কৰি তোলাৰ দায়িত্ব এই মহান শক্তিটোৰ। অনানুষ্ঠানিক শিক্ষাৰ জৰিয়তে প্ৰাপ্ত বয়স্ক লোক সকলক শিক্ষিত কৰি তুলিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন কাৰ্য্য সূচীও গ্ৰহণ কৰিছে। তাৰে ভিতৰত "Condensed course of Education for Adult women". আঁচনিখনকে উল্লেখ কৰিব পাৰি। গ্ৰামাঞ্চলৰ নিৰক্ষৰ লোকসকলক শিক্ষিত কৰি তুলিব পাৰিলে সমাজত দেখা দিয়া কু-সংস্কাৰ সমূহ আঁতৰ হ'ব।

যুৱশক্তিয়ে সকলোবিলাক কামত আগভাগ লৈ একত্ৰিত হৈ সমাজৰ হকে কাম কৰিব লাগিব। সমাজৰ উন্নতি কল্পে প্ৰতি মূহূৰ্ততে ঐক্যতান্ত্ৰিক প্ৰচেষ্টাৰে কাম কৰি যাবলৈ যুৱশক্তি সদায় সাজু থাকিব লাগিব। অধ্যায়নৰ জৰিয়তে সমাজক বাস্তৱ মুখী কৰি তোলাৰ দায়িত্ব যুৱশক্তিৰ।

# সাক্ষাৎকাৰ ঃ

★ অধ্যাপক জীৱন শৰ্মা

## প্ৰশ্ন সমূহ

০০ (১) আপোনাৰ মহাবিদ্যালয়ৰ কৰ্মজীৱন আৰু স্মৰণীয় দিনৰ বিষয়ে দুআষাৰ কওঁকচোন ?

০০ (২) আপোনাৰ কৰ্মজীৱনত লগ পোৱা অতীত আৰু বিদায়ী বেলাৰ ছাত্ৰৰ পাৰ্থক্য আপুনি কেনেকুৱা বুলি ভাবে ?

০০ (৩) বৰ্তমান যুৱ-মানসিকতাৰ বিশৃংখলতাৰ কাৰণ আপুনি কি বুলি ভাবে ?

০০ (৪) বৰ্তমান শিক্ষা ব্যৱস্থাই ( পাঠ্যক্ৰম ) ছাত্ৰ জীৱনত প্ৰভাৱ পেলাইছে। এই বিষয়ত আপোনাৰ মতামত কেনে ?

০০ (৫) নিবনুৱা সমস্যা সমাধানৰ বাবে কেনেধৰণৰ শিক্ষা ব্যৱস্থা আপুনিৰ প্ৰয়োজন অনুভৱ কৰে ?

## প্ৰশ্নোত্তৰ :

(১) মঙ্গলদৈ মহাবিদ্যালয় লগত মই ১৯৫৬ চনৰ পৰাই জড়িত। ইয়াৰে প্ৰথম অৱস্থাত মই ছাত্ৰ হিচাবে অধ্যয়ন কৰিছিলোঁ ; তাৰ পিছত ১৯৬৪ চনৰ নৱেম্বৰৰ পৰা ১৯৯৬ চনৰ মে' মাহলৈকে মই এই কলেজৰ অসমীয়া বিভাগত অধ্যাপনাৰ দায়িত্ব লওঁ। মোৰ এই প্ৰায় একুৰি বাৰ বছৰীয়া শিক্ষকতাৰ কালছোৱা ঘটনা বহুল বুলি কব নোৱাৰোঁ যদিও স্মৰণীয় দিন কেইটামান নথকা নহয়।

আমি অধ্যাপকৰূপে নিযুক্তি পোৱাৰ সময়ত ৺পুৰন্দৰ শৰ্মাদেৱ অধ্যক্ষ আছিল। তেতিয়া দিবা নৈশ দুয়োটা শাখাই চলিছিল। নৈশ শাখাৰ শ্ৰেণীসমূহ শেষ হৈছিল নিশা ন বজাত। অধ্যক্ষ শৰ্মাদেৱে মোক নিশা অকলে ঘৰলৈ আহিব নিদিছিল। ৰাতি ন বজাৰ পিচত তেওঁ মোক লগত লৈ আহিছিল আৰু আমাৰ আগে আগে আহিছিল পেট্ৰোমাক্স হাতত লৈ পিয়ন ৺নৰেণ ডেকা। উল্লেখযোগ্য যে সেই সময়ত কলেজত আনকি ৰাস্তাতো বিজুলীবাতি নাছিল। নৰেণৰ পিচত আমি চাইকেল ঠেলি ঠেলি কথা পাতি আহোঁ। কথাবোৰৰ ভিতৰত বেছিভাগেই আছিল ৰাজনৈতিক আৰু সামাজিক। তেওঁৰ ব্যক্তিগত জীৱনৰ কথা কোনোদিনে নকৈছিল। কিন্তু এদিন ক'লে।

সেইদিনাখন আছিল ফৰকাল জোনাক নিশা। নৰেণ সিদিনাখন লগত নাই। তেখেতে কথাৰ মাজতে ক'লে— 'হেৰা আমাৰ বাবেনৰ মাক বৰ ধুনীয়া আছিলহে (বাবেন তেওঁৰ একমাত্ৰ ল'ৰা)। তেনেকুৱা ধুনীয়া তিৰোতা মই এতিয়া দেখাই নাই। আমি কলিকতা আৰু চিলঙৰ ৰাস্তাত এনে জোনাক ৰাতি ফুৰিলে মানুহে ৰৈ ৰৈ চাইছিল।' কথাখিনি কৈ তেওঁ নীৰৱ হৈ পৰিছিল। জোনাকৰ পোহৰত তেওঁৰ চকুৰ দুটোপাল পানী জিলিকি উঠিছিল। তেওঁৰ পত্নী আছিল আছিল দেশভক্ত তৰুণৰাম ফুকনৰ দদায়েক নবীন ৰাম ফুকনৰ কন্যা আৰু তেওঁৰ বিয়োগ হয় শৰ্মাদেৱৰ ভৰ যৌৱন কালতে। যিজন পুৰুষৰ মুখত কোনোদিনে

∴ অধ্যাপক শৰ্মাই ১৯৯৬ চনত মঙ্গলদৈ মহাবিদ্যায়ৰ পৰা অৱসৰ গ্ৰহণ গ্ৰহণ কৰে।

মিছিকিয়া হাঁহি নগুচিছিল কেইজনৰ সিদিনা চকুপানী দেখি মই হতভম্ব হৈছিলোঁ। সেই মুহূৰ্ত্তটোৰ কথা এতিয়াও মই মনৰ পৰা আঁতৰ কৰিব পৰা নাই। ৺পুৰন্দৰ শৰ্মাদেৱে অৱসৰ গ্ৰহণ কৰে ১৯৫৬ চনত আৰু তেওঁৰ ঠাই পূৰণ কৰে বিশিষ্ট শিক্ষাবিদ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীদেৱে। এইগৰাকী শিক্ষাবিদে তেখেতৰ দহবছৰীয়া অধ্যক্ষতাৰ কালছোৱাত কলেজৰ সৰ্বাংগীন উন্নতিৰ হকে অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ চেষ্টাতেই কলেজখন অসমৰ ভিতৰতেই এখন আগশাৰীৰ কলেজ হৈ পৰিছিল। তেখেতৰ ব্যক্তিত্ব আছিল অসাধাৰণ। চৰকাৰী মহলতে হওক, নাইবা সৰ্বসাধাৰণৰ মাজতেই হওক তেখেতৰ অনুৰোধ কোনেও প্ৰত্যাখ্যান নকৰিছিল। মোৰ এটা দিনৰ কথা এতিয়াও মনত আছে।

১৯৭৬ চনৰ চেপ্তেম্বৰ মাহ। কলেজত ৰূপালী জয়ন্তীৰ যো-জা পূৰাদমে চলিছে। ইবিলাক সমস্যাই দেখা দিয়া নাছিল যদিও, পুঁজিৰ সমস্যাই আমাৰ সকলোকে চিন্তিত কৰি তুলিছিল। তেখেতে নিজে টকা বিচাৰি নগৈছিল যদিও, বিভিন্নজনলৈ সাহায্য বিচাৰি চিঠিপত্ৰ লিখিছিল। প্ৰায় সকলো লোকৰ পৰাই সহাৰি আহিছিল। তাৰ ভিতৰত এজনৰ ব্যৱহাৰে আমাৰ সকলোকে বিমুগ্ধ কৰিলে। সেই ব্যক্তিজন আছিল তেৰগাঁৱৰ ৺ভোগীৰাম ডেকা। তেওঁ গোস্বামীদেৱৰ চিঠি পাই এদিন টকাৰ টোপোলা এটি লৈ তেখেতৰ অফিচৰুমত উপস্থিত হয় আৰু কোনো বাক্য ব্যয় নকৰাকৈ টকাৰ টোপোলাটো অধ্যক্ষৰ ফালে আগবঢ়ায়। সেই সময়ত ময়ো তাত উপস্থিত আছিলোঁ। টকাৰ মোনাটো খুলি চাই দেখিলোঁ তাত পাঁচ হেজাৰ টকা। মই ঘটনাটো দেখি বাক্‌ৰুদ্ধ হৈছিলোঁ আৰু মানুহজনৰ উদাৰতা, গোস্বামীৰ ব্যক্তিত্বৰ ওচৰত মাত্ৰ মূৰ দোৱাইছিলোঁ।

মোৰ শিক্ষকতাৰ জীৱনৰ আটাইতকৈ সাফল্য আৰু আনন্দৰ দিনটো হ'ল আমাৰ ছাত্ৰ শ্ৰীমান কনক চন্দ্ৰ চহৰীয়াই অসমীয়া গুৰু পাঠ্যক্ৰমৰ শেষ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পোৱা খবৰৰ দিনটো। এই খবৰটোই মোক যি আনন্দ দিছিল, মোৰ পুত্ৰৰ কৃতকাৰ্য্যতাতো সেই আনন্দ পোৱা নাছিলোঁ। সেই দিনটো মোৰ সদায় স্মৰণীয় হৈ ৰ'ব।

মই প্ৰথম অৱস্থাত লগ পোৱা ছাত্ৰ-ছাত্ৰী আৰু আজি বিদায়ী বেলাত লগ পোৱা ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰ্থক্য নথকা বুলিলে সত্যৰ কিছু অপলাপ কৰা হব। প্ৰথম অৱস্থাত লগ পোৱা ছাত্ৰ-ছাত্ৰীৰ মাজত উচ্ছৃংখল ছাত্ৰ-ছাত্ৰী আছিল যদিও, তেওঁলোকৰ সংখ্যা আছিল অতি নগণ্য। তেওঁলোকে বাহিৰত কিবা অত্যপালি কৰিলেও শিক্ষকৰ ওচৰত আছিল বিনয়ী আৰু বেছি ভাগৰেই জনাৰ আগ্ৰহটো আছিল প্ৰবল। এই গুণৰ কাৰণেই তেনে উচ্ছৃংখল চৰিত্ৰৰ ছাত্ৰয়ো বৰ্ত্তমান সমাজৰ আগশাৰীত স্থান পোৱাৰ যোগ্যতা লাভ কৰিছে।

বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ মাজৰ উচ্ছৃংখলতা বৃদ্ধি পাইছে; কাকো নমনা হৈছে। পৰীক্ষা পাছ কৰাৰ আগ্ৰহ আছে যদিও, জনাৰ আগ্ৰহ বহুতৰে নাই। অৱশ্যে এতিয়াও বিনয়ী, জ্ঞান পিপাসু ছাত্ৰ-ছাত্ৰী একেবাৰে নোহোৱা হৈ যোৱা নাই; বহুতো আছে।

৩। প্ৰশ্নটোত যুৱমানসিকতাৰ 'বিশৃংখলতা' বুলি কোৱাতকৈ 'উচ্ছৃংখলতা' বুলি কলেহে বেছি প্ৰযোজ্য হ'ল-হেঁতেন। বৰ্ত্তমান যুৱক-যুৱতীসকলৰ মাজত যে উচ্ছৃংখলতা বৃদ্ধি পাইছে তাত সন্দেহ নাই। বাতৰি কাকতত দৈনিক প্ৰকাশিত বাতৰি সমূহে তাৰ সাক্ষ্য স্পষ্টভাৱে দিছে। যুৱক-যুৱতীসকল উচ্ছৃংখল হোৱাৰ কাৰণ বিচাৰি নোপোৱাত নাই; কম বেছি পৰিমাণে আমাৰ সকলোৰে এইবোৰ জ্ঞাত। যুৱক-যুৱতীসকল সাধাৰণতে উন্মুখী আৰু পোহৰ সন্ধানী। তেওঁলোকৰ এই আগুৱাই যোৱা উজ্জ্বল পথটো যদি ৰুদ্ধ হয় বা অন্ধকাৰাচ্ছন্ন হয় তেতিয়াই তেওঁলোক উচ্ছৃংখল হৈ পৰে। তেওঁলোকৰ আগুৱাই যোৱা পথটোত হেঙাৰ পোতা সকলৰ ভিতৰত পৰিয়াল, সমাজ, দেশৰ নেতা, শাসন ব্যৱস্থা, শিক্ষক, অভিভাৱক আমি সকলোৱে আছোঁ।

৪। বৰ্তমান শিক্ষা ব্যৱস্থা শিক্ষা প্ৰসাৰৰ নামত কৰা এক ডেকো ভাওনা বুলি ক'লেও, সম্ভৱ ভুল কোৱা নহয়। কুইজত জয়ী হবলৈ আহৰণ কৰা জ্ঞানৰ লেখিয়া কিছু জ্ঞান ই ছাত্ৰ-ছাত্ৰীসকলক দিছে যদিও, ছাত্ৰ-ছাত্ৰীৰ জীৱন আৰু গঢ়াত বিশেষ অৰিহণা যোগাব পৰা নাই। আজিৰ শিক্ষা ব্যৱস্থাই কিছুমান নিবনুৱা পঙ্গু যুৱক-যুৱতীহে সৃষ্টি কৰিছে যেন অনুমান হয়।

৫। গান্ধীজীৰ বুনিয়াদী শিক্ষা ব্যৱস্থাই আমাৰ দৰিদ্ৰ জনসাধাৰণৰ বাবে উচিত কাৰ্য্যকৰী শিক্ষা ব্যৱস্থা আছিল। ইয়াৰ দ্বাৰা আমি পুঁজিপতি হব নোৱাৰিলেও, দুবেলা দুমুঠি জোৰাই খাব পাৰিলোহেঁতেন, নিবনুৱাৰ সমস্যাও উৎকটৰূপে দেখা নিদিলেহেঁতেন। এতিয়াও আমাৰ বিশেষকৈ মাধ্যমিক আৰু স্নাতক পাঠ্যক্ৰম তাৰ আধাৰত যদি ৰচিত হয় নিবনুৱা সমস্যাৰ কিছু সকাহ হব। আমাৰ উন্নতিৰ ডাঙৰ প্ৰতিবন্ধক হৈছে এলাহ, শ্ৰম-বিমুখিতা। এনে শিক্ষা ব্যৱস্থাই আমাৰ এলাহ আঁতৰ কৰি, আমাক শ্ৰম মুখী কৰিব।

# হৰ্মন আৰু মানৱ শৰীৰ

● প্ৰণৱ কুমাৰ শৰ্মা
প্ৰবক্তা, প্ৰাণীবিজ্ঞান বিভাগ

জীৱ দেহত কেইবাবিধো দ্ৰব্য পোৱা যায়। এই দ্ৰব্য বোৰৰ ভিতৰত উদ্ভিদ আৰু প্ৰাণীদেহৰ বৃদ্ধি নিয়ন্ত্ৰণ কৰা দ্ৰব্য বিধক হৰ্মন বোলে। হৰ্মন, উৎসেচক আৰু ভিটামিনৰ মাজত প্ৰভেদ আছে। হৰ্মনে সদায় উৎপত্তি স্থানৰ পৰা আঁতৰত ক্ৰিয়া কৰে, উৎসেচকে উৎপত্তি স্থানতেই আৰু ভিটামিন উদ্ভিদ দেহত উৎপন্ন হয়। উদ্ভিদৰ পৰা ভিটামিন আমি খাদ্যৰ জৰিয়তে লাভ কৰোঁ। হৰ্মনে আমাৰ দেহত কিছুমান বিশেষ বিশেষ কোষৰ সমষ্টিক কিছুমান নিৰ্দিষ্ট উৎসেচক প্ৰস্তুত কৰিবলৈ সংকেত দিয়ে আৰু নিৰ্দিষ্ট কামৰ বাবে উদ্দীপনা সঞ্চাৰ কৰাৰ পিছত হৰ্মন নষ্ট হৈ যায়। পৰিমাণ কম বেছি হলে ৰাসায়নিক ক্ৰিয়া ব্যাহত হয়।

উৎসেচকে নিজে কোষৰ বিভিন্ন ৰাসায়নিক ক্ৰিয়া নিয়ন্ত্ৰণ কৰে। কোনো এটা ক্ৰিয়াৰ বাবে সামান্য পৰিমাণ লাগে, তাতোকৈ পৰিমাণ বেছি হ'লে ক্ৰিয়া খৰতকীয়া হয় আৰু ক্ৰিয়াৰ পাছত নিঃশেষ হৈ নাযায়। ভিটামিনে উৎসেচকক সহ উৎসেচক হিচাবে ক্ৰিয়াত সহায় কৰে, কম পৰিমাণে লাগে, বেছি অংশ দেহৰ পৰা ওলাই যায় আৰু এটা ক্ৰিয়াতেই নিঃশেষ হৈ যায়। ৰাসায়নিক গঠনৰ ফালৰ পৰাও হৰ্মন, ভিটামিন আৰু উৎসেচক বেলেগ হয়।

প্ৰাণীদেহত হৰ্মন নিঃসৰণ হোৱা বিভিন্ন এণ্ডক্ৰাইন গ্ৰন্থি সমূহ দেহৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থাকে আৰু এই গ্ৰন্থি বোৰৰ পৰা ওলোৱা হৰ্মনে ৰাসায়নিক বাৰ্ত্তা বাহক হিচাবে আৰু কিছুমান বিশেষ অংগৰ মাজত কাম কাজৰ সমন্বয় ৰক্ষা কৰি ৰাসায়নিক সমন্বয় সাধক হিচাপে মানৱ দেহত থকা তেজ বা লসিকাৰে দেহৰ নিৰ্দিষ্ট স্থানত থকা অংগ সমূহ পায়গৈ।

প্ৰাণীৰ দৰে উদ্ভিদ দেহত কোনো এণ্ডক্ৰাইন গ্ৰন্থি নাথাকে। ব্যাপন প্ৰক্ৰিয়াৰে এটা কোষৰ পৰা আনটো কোষলৈ বা পৰিবহন তন্ত্ৰৰ মাধ্যমেৰে উদ্ভিদৰ অগ্ৰস্থ ভাজক কলাত উৎপন্ন হোৱা হৰ্মন প্ৰবাহিত হয়।

প্ৰাণী দেহত প্ৰাণীৰ বৰ্দ্ধনকে ধৰি হৰ্মনে আন বহুতো জৈৱিক ক্ৰিয়া নিয়ন্ত্ৰণ কৰে। হৰ্মন প্ৰৱাহিত হবলৈ প্ৰাণীদেহত কোনো নলী নাথাকে বাবে এণ্ডক্ৰাইন গ্ৰন্থিবোৰক নলীহীন গ্ৰন্থি বুলিও জনা যায়। ৰাসায়নিক গঠনৰ ওপৰত নিৰ্ভৰ কৰি প্ৰাণীদেহত পোৱা হৰ্মনক চাৰিটা ভাগত ভাগ কৰিব পাৰি—

(ক) ষ্টেৰয়ড হৰ্মন (খ) প্ৰটিন পেপটাইড হৰ্মন (গ) এমিন এছিদ হৰ্মন (ঘ) পেপটাইট হৰ্মন।

মানৱ দেহত পোৱা হৰ্মন গ্ৰন্থি বা এণ্ডক্ৰাইন গ্ৰন্থি বোৰ হ'ল—
(১) পিটুইটেৰী গ্ৰন্থি (২) থাইৰয়দ গ্ৰন্থি, (৩) পেৰাথাইৰয়ড গ্ৰন্থি (৪) অধিবৃক্কীয় গ্ৰন্থি (৫) লেঙাৰ হেন্সৰ দ্বীপপুঞ্জ (৬) অণ্ডাশয় (৭) শুক্ৰাশয় আদি।

পিটুইটেৰী গ্ৰন্থি মানুহৰ মগজুৰ থিক তলতেই থকা এটা সৰু গ্ৰন্থি। পিটুইটেৰী গ্ৰন্থিৰ তিনিটা পৃথক অংশই বিভিন্ন ধৰণৰ হৰ্মন ক্ষৰণ কৰে। পিটুইটেৰীৰ অগ্ৰ আৰু মধ্যপিণ্ডক একেলগে এডিনহাইপফাইছিচ আৰু পশ্চপিণ্ডক নিউৰহাইপফাইছিচ বুলি কোৱা হয়। এই গ্ৰন্থিয়ে আন গ্ৰন্থিৰ ক্ষৰণ, প্ৰস্তুতি নিয়ন্ত্ৰণ কৰে বাবে এই গ্ৰন্থিক গ্ৰন্থিপতি বোলে।

এডিনহাইপ'ফাইছিছ অংশই ক্ষৰণ কৰা হৰ্মনবোৰ হ'ল—

(১) বৃদ্ধি হৰ্মন (Growth hormone বা Somatotropin hormone)

(২) থাইৰয়ড উদ্দীপক হৰ্মন (Thyroid Stimulating hormone)

(৩) অধিবৃক্কীয় কৰ্টেক্স নিয়ন্ত্ৰক হৰ্মন (Adrenal cortex stimulating hormone)

(৪) স্তনত দুগ্ধ উৎপাদনকাৰী লেক্টজেনিক হৰ্মন (Lectogenic hormone)

(৫) যৌন গ্ৰন্থি উত্তেজক হৰ্মন (Gonadotrophic hormone)

(৬) মেলানচ্ছাইট উদ্দীপক হৰ্মন (Melanocyte Stimulating hormone)

নিউৰ'হাইপফাইছিচ বা পশ্চপিণ্ড অংশই নিঃসৰণ কৰা হৰ্মন দুবিধ হ'ল—

(৭) অক্সিট'চিন (Oxytocin)

(৮) ভেচ'প্ৰেচিন (Vesopressin)

পিটুইটেৰী গ্ৰন্থিয়ে ক্ষৰণ কৰা বৃদ্ধি হৰ্মনে মানৱ দেহৰ ওজন আৰু বৰ্দ্ধনৰ ধাৰাবাহিকতা ৰক্ষা কৰে। বৃদ্ধিৰ জৰিয়তে দেহৰ মাংসপেশীৰ, হাড়, কাৰ্টিলেজ আদিৰ গঠন বাঢ়ে। বৃদ্ধি হৰ্মনে প্ৰটিন, কাৰ্বহাইড্ৰেট, চৰ্বিৰ বিপাক কাৰ্য্য নিয়ন্ত্ৰণ কৰি দেহৰ বৃদ্ধি নিয়মিত কৰে।

সৰুতে এই বৃদ্ধি হৰ্মনৰ অভাৱৰ বাবে (Hyposecretion) ল'ৰা ছোৱালী বাওনা হয়। মূৰটো দেহ অংশৰ তুলনাত ডাঙৰ হয়।

এই হৰ্মন প্ৰয়োজনতকৈ বেছি ক্ষৰণ হ'লে (Hypersecretion) যৌৱনপ্ৰাপ্তি (পিউবাৰটি), সোনকালে হয়, দেহৰ হাড়বোৰৰ বৃদ্ধি অতিমাত্ৰা হয়। দেহ প্ৰায় ৭ ৰ পৰা ৮ ফুট পৰ্য্যন্ত ওখ হয়। ভৰি দুখন তুলনামূলক ভাৱে বেছি দীঘল হয়। এই হৰ্মন অতি মাত্ৰা ক্ষৰণ হোৱা বাবে কিছুমান ল'ৰা ছোৱালীৰ হাত, ভৰি, মুখ আৰু হনুৰ হাড়বোৰ অতি ডাঙৰ হয়। লগতে নাক, ওঁঠ, চকুৰ পতা, আঙুলিৰ তলুৱা অতিমাত্ৰা ডাঙৰ হয়।

থাইৰয়ড উদ্দীপক হৰ্মনৰ কাম হ'ল থাইৰয়ড গ্ৰন্থিৰ বৃদ্ধি নিয়ন্ত্ৰণ আৰু এই গ্ৰন্থিৰ পৰা ওলোৱা থাইৰক্সিন (Thyroxin) হৰ্মনৰ উৎপাদন বঢ়োৱা। এই হৰ্মনে দেহত আয়ডিনৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে, এই হৰ্মনে কোষৰ বিপাক কাৰ্য্যৰ বৃদ্ধি ঘটায়। এই হৰ্মনৰ অভাৱত দেহৰ বৃদ্ধি নহয় আৰু শিশু মানসিক ভাৱে বাধা গ্ৰস্ত হয়।

অধিবৃক্কীয় উদ্দীপক হৰ্মনে অধিবৃক্কৰ পৰা ওলোৱা কৰ্টিজন (Cortisone) ৰ ক্ষৰণত সহায় কৰে। কাৰ্বহাইড্ৰেট, প্ৰটিন আৰু চৰ্বিৰ বিপাকত সহায় কৰে। বাতবিষ, এজমা আদিৰ চিকিৎসাৰ বাবে এই হৰ্মন ব্যৱহাৰ কৰা হয়। অতিমাত্ৰা ক্ষৰণ হ'লে ছালত দাগ পৰে, দেহত নোম অত্যাধিক হয়, মাইকী মানুহৰ দাড়ি, মোচ গজে, যৌন ক্ষমতা লোপ পোৱা আদি লক্ষণবোৰ মানৱ দেহত দেখা দিয়ে।

দুগ্ধ উৎপাদনকাৰী লেক্টজেনিক হৰ্মন পিটুইটেৰী গ্ৰন্থিৰ অগ্ৰপিণ্ডই ক্ষৰণ কৰা এবিধ প্ৰটিন জাতীয় হৰ্মন, স্তন ও দুগ্ধ উৎপাদনত নিয়ন্ত্ৰকৰ ভূমিকা পালন কৰে। এই হৰ্মনৰ আন এটা নাম প্ৰলেক্টিন হৰ্মন। স্তনৰ বিকাশ ডিম্বাশয়ে ক্ষৰণ কৰা এণ্টজেন, প্ৰগেষ্টেৰণ আৰু ৰিলেকসিন হৰ্মনৰ ওপৰত নিৰ্ভৰ কৰে। মানৱ দেহত দুগ্ধ উৎপাদনত থাইৰইড গ্ৰন্থিৰ থাইৰক্সিন হৰ্মন, অধিবৃক্কীয় হৰ্মন, প্ৰলেক্টিন হৰ্মন, আৰু পিটুইটেৰী গ্ৰন্থিৰ পশ্চপিণ্ডৰ পৰা ক্ষৰণ হোৱা অক্সিটচিন হৰ্মনৰ ওপৰত নিৰ্ভৰশীল। এই হৰ্মনে সকলো মেৰুদণ্ডী প্ৰাণীৰ মাতৃ সুলভ স্বভাৱ আৰু আন আচৰণবোৰৰ ওপৰত প্ৰভাৱ পেলায়। প্ৰজননৰ সময়ত এই হৰ্মনৰ প্ৰভাৱ বিশেষ ভাৱে লক্ষণীয়।

যৌন গ্ৰন্থি উত্তেজক হৰ্মনে মাইকী মানুহৰ ডিম্বাশয়ত ডিম্বৰ গঠন আৰু মতা মানুহৰ ক্ষেত্ৰত শুক্ৰাশয়ত শুক্ৰৰ গঠন নিয়ন্ত্ৰণ কৰে। এই হৰ্মনে স্ত্ৰীৰ ক্ষেত্ৰত এণ্ট্ৰজেন আৰু পুৰুষৰ এন্দ্ৰজেন হৰ্মন সৃষ্টিত উদ্দীপকৰ কাম কৰে।

দুগ্ধ উৎপাদনকাৰী হৰ্মন আৰু যৌন গ্ৰন্থি উত্তেজক হৰ্মন মুখ্যতঃ পিটুইটেৰী গ্ৰন্থিৰ পৰা ক্ষৰণ হয় যদিও মাইকী মানুহৰ প্লেচেণ্টা আৰু আন কিছুমান কলাৰ পৰা এই হৰ্মন অলপ পৰিমাণে ক্ষৰণ হব পাৰে।

পিটুইটেৰী গ্ৰন্থিৰ মধ্যপিণ্ডই মানুহৰ চুলি আৰু ছালৰ ৰঙত কিছু পৰিমাণে প্ৰভাৱ পেলোৱা মেলানচাইট উদ্দীপক হৰ্মন নিঃসৰণ কৰে।

পিটুইটেৰী গ্ৰন্থিৰ পশ্চপিণ্ডই অক্সিটচিন আৰু ভেচ'প্ৰেচিন নামৰ দুবিধ হৰ্মন নিঃসৰণ কৰে। অক্সিটচিন হৰ্মনে প্ৰসৱৰ সময়ত জৰায়ু সংকুচিত কৰে। দেহৰ আন কিছুমান মাংসপেশীও এই হৰ্মনে সংকোচন ঘটায়। পিটুইটেৰী গ্ৰন্থিৰ অগ্ৰপিণ্ডৰ পৰা ওলোৱা দুগ্ধ উৎপাদনকাৰী হৰ্মনক এই হৰ্মনে প্ৰভাৱিত কৰে আৰু এই হৰ্মনৰ বাবে স্তনৰ দুগ্ধ ক্ষৰণত সহজ হয়।

ভেচপ্ৰেচিন হৰ্মন মানৱ দেহৰ ৰক্তনলী সংকোচন কৰা এবিধ হৰ্মন। প্ৰসাৱৰ উৎপাদন কমায়, কোষাবৰণৰ ভেদ্যতাত প্ৰভাৱ পেলায়, কোষৰ পটাচিয়াম অনু বাহিৰলৈ উলিয়াই দি চডিয়াম অনু আৰু পানী ভিতৰলৈ যোৱাত সহায় কৰে। বৃহদান্ত্ৰৰ মাংসপেশীবো সংকোচন ঘটায়।

মতা মানুহৰ থাইৰয়ড গ্ৰন্থিতকৈ মাইকী মানুহৰ থাইৰয়ড গ্ৰন্থিৰ আকাৰ ডাঙৰ হয়। গৰ্ভধাৰণৰ সময়ত আকাৰ আৰু বাঢ়ে। এই গ্ৰন্থিয়ে ক্ষৰণ কৰা থাইৰক্সিন হৰ্মন এবিধ প্ৰটিন জাত হৰ্মন। ই দেহৰ কলা সমূহৰ শ্বসন আৰু সাধাৰণভাৱে বিপাকীয় কাৰ্য্যসমূহ নিয়ন্ত্ৰণ কৰে। এই হৰ্মনৰ বাবে দেহত অক্সিজেন গ্ৰহণৰ মাত্ৰা আৰু উত্তাপ বাঢ়ে। থাইৰক্সিন হৰ্মন কমকৈ ক্ষৰণ হ'লে ল'ৰা-ছোৱালী বাওনা হয়, সাংঘাতিক ভাৱে মানসিক ৰোগ হয়, বয়সলৈ শিশুসুলভ আচৰণ থাকি যায়। তেজত কলেচট্ৰেৰলৰ পৰিমাণ বাঢ়ে আৰু মানুহৰ তেজহীনতা ৰোগ হয়। বয়সীয়া মানুহৰ এই হৰ্মনৰ অভাৱ ঘটিলে ছাল ডাঠ হৈ কোনো অংশ ফুলি যায়। বিশেষকৈ মুখমণ্ডলত এই ৰোগ বেছিকৈ হয়।

থাইৰক্সিন হৰ্মন মাত্ৰাধিক ক্ষৰণ হলে দেহত বিপাকীয় কাৰ্য্য দুগুণলৈ বাঢ়ে, সংবেদনশীলতা বাঢ়ে, ঘাম বেছিকৈ ওলায়, উশাহ খৰ হয়। হৃদপিণ্ডতো ইয়াৰ প্ৰভাৱ পৰে। এই হৰ্মনৰ মাত্ৰা বেছি হোৱা বাবে গল ডাঙৰ হোৱা গলগণ্ড (goiter) ৰোগ হয়। খাদ্যত আয়ডিনৰ পৰিমাণ বাঢ়িলে এই ৰোগ হয়। সেয়েহে আমি দিনত প্ৰায় 0.1 mg. পৰিমাণৰ আয়ডিন গ্ৰহণ কৰিব লাগে।

থাইৰয়ড গ্ৰন্থিয়ে থাইৰকেলচিটনিন (Thyrocalcitonin) নামৰ আন এবিধ হৰ্মন ক্ষৰণ কৰে। এই হৰ্মনে তেজত থকা কেলচিয়ামৰ গাঢ়তা কমাই ৰাখে।

পেৰাথাইৰয়ড গ্ৰন্থি থাইৰয়ড গ্ৰন্থিৰ পৃষ্ঠদেহত অৱস্থিত। ইয়াত চাৰিটা পিণ্ড থাকে। এই গ্ৰন্থিয়ে পেৰাট হৰ্মন আৰু কেলচিটনিন নামৰ দুবিধ হৰ্মন ক্ষৰণ কৰে। শৰীৰত ফছফেট আৰু কেলচিয়ামৰ বিপাক নিয়ন্ত্ৰণ কৰে, হাড় গঠনত সহায় কৰে আৰু হাড়ৰ পৰা তেজলৈ ফছফেট আৰু কেলচিয়াম কঢ়িয়ায়। এই হৰ্মনে ভিটামিন 'D' ৰ লগত লগ হৈ হাড় গঠনত সহায় কৰে। এই হৰ্মনৰ অভাৱত দেহত কেলচিয়াম আয়নৰ পৰিমাণ কেতিয়াবা প্ৰতি ১০০ মি.লি.ত সাধাৰণতে থকা ১০ মি. গ্ৰাম কৈ ৭ মি.গ্ৰা. লৈ কমি যায়। তেতিয়া মানুহৰ সিয়ামৃৰি (Convulsions) হয় আৰু পেশীৰ কঁপনি হব ধৰে। লগে লগে ফছফৰাচৰ পৰিমাণ বাঢ়ি স্বাভাৱিক মাত্ৰা ১০০ মি. লি. ৫ মি: গ্ৰামতকৈ ৯ মি. গ্ৰামলৈ বাঢ়ে। এইবোৰৰ পৰা হাত সাৰিবলৈ খাদ্যৰ জৰিয়তে কেলচিয়ামৰ মাত্ৰা বঢ়াব লাগে।

এই হৰ্মনৰ অতিমাত্ৰা নিঃসৰণ হ'লে মানুহৰ হাড়বোৰ ঠুনুকা হয়, বৃক্ক, জৰায়ু আদিৰ ষ্টন (stones) হয় আৰু প্ৰসাৱ জনিত বিভিন্ন ৰোগে দেখা দিয়ে।

অধিবৃক্কীয় গ্ৰন্থিৰ বৰ্হিভাগ আৰু অন্তৰ্ভাগৰ পৰা বেলেগ বেলেগ হৰ্মন ওলায়। বহিৰ্ভাগৰ পৰা ওলোৱা হৰ্মনক কৰ্টিক ষ্টেৰয়ড হৰ্মন আৰু অন্তৰ্ভাগৰ পৰা ওলোৱা হৰ্মনক এড্ৰিনেলিন হৰ্মন বোলে। দেহত কৰ্টিকষ্টেৰয়ড হৰ্মনৰ অভাৱত বিভিন্ন বিপাক কাৰ্য্যত ইয়াৰ প্ৰভাৱ পৰে, দেহত পটাচিয়াম আৰু চডিয়ামৰ অসাম্যতাৰ বাবে স্নায়ুজনিত বিকাৰ হয়, সিয়ামৃৰি ধৰে, আনকি মানুহৰ মৃত্যুও হব পাৰে। ভয়খোৱা, ৰক্ত চাপ কমি যোৱা, তেজত ইউৰিয়াৰ পৰিমাণ বঢ়া, হজমশক্তি কমা, ছালৰ ৰঙ পাতল হোৱা আদি ৰোগ হয়।

অধিবৃক্কীয় গ্ৰন্থিৰ হৰ্মনৰ অতিমাত্ৰা ক্ষৰণৰ বাবে যকৃতত গ্লাইকজেনৰ পৰিমাণ বাঢ়ে, প্ৰটিনৰ বিপাক বাঢ়ে, পেশী দুৰ্বল হয়, ছালত বিভিন্ন ৰোগ হয়, ৰক্তচাপ বাঢ়ে, বহুমূত্ৰ ৰোগ হয়, সৰু ল'ৰা-ছোৱালীৰ কিছুমান অস্বাভাৱিক লক্ষণে দেখা দিয়ে আৰু মাইকী মানুহৰ দাড়ি-মোচ গজে।

এড্ৰিনেলিন হৰ্মনক জৰুৰী হৰ্মন (Emergency hormone) বুলিও জনা যায়। এই হৰ্মনে হৃদযন্ত্ৰৰ ক্ৰিয়া বঢ়াই, যকৃতত গ্লাইকজেন খৰতকীয়াকৈ গ্লুকজ'লৈ পৰিণত কৰে। ঠাণ্ডা লাগিলে, গৰমত, কেতিয়াবা খং উঠিলে, ভয় খালে বা জীৱনৰ যিকোনো সংকটপূৰ্ণ অৱস্থাত এই হৰ্মন অধিকভাৱে প্ৰস্তুত হয়। এই হৰ্মনৰ উপস্থিতিৰ বাবেই আমাৰ জীৱনলৈ অহা যিকোনো সংকট আঁতৰাবলৈ আমি অতিৰিক্ত শক্তি লাভ কৰোঁ।

অগ্ন্যাশয়ৰ লেঙাৰহেন্স দ্বীপপুঞ্জ হ'ল অগ্ন্যাশয়ত সিঁচৰিত হৈ থকা কিছুমান এণ্ডক্ৰাইন গ্ৰন্থি কলা। এই বোৰৰ পৰা ইনচুলিন (insulin) নামৰ এবিধ হৰ্মন নিঃসৰণ হয়। এই হৰ্মনে কাৰ্বহাইড্ৰেটৰ বিপাক নিয়ন্ত্ৰণ কৰি তেজত শৰ্কৰাৰ পৰিমাণ নিৰ্দিষ্ট কৰি ৰাখে। এই হৰ্মনৰ অভাৱত শৰ্কৰা অনু যকৃতত গ্লাইকজেন হিচাবে সঞ্চিত নহয় আৰু লগে লগে তেজত শৰ্কৰাৰ পৰিমাণ বাঢ়ে আৰু প্ৰসাৱৰ লগত শৰ্কৰা শৰীৰৰ পৰা ওলাই যায়। সঘনে প্ৰসাৱ হয়, শৰীৰ দুৰ্ব্বল হৈ যায় আৰু দেহৰ ওজন কমিবলৈ ধৰে। দেহত কটা-ছিণ্ডা হ'লে নুশুকায়। এই ৰোগক মধুমেহ

(Diabetes) বোলে। ইনচুলিন হৰ্মনে কোষাবৰণৰ মাজেৰে গ্লুকজ অণুৰ অহা যোৱা ঘটায়, প্ৰটিন সংশ্লেষণত সহায় কৰে, মানৱ দেহৰ বৃদ্ধি ঘটায়।

অগ্নাশয়ৰ পৰা নিঃসৰণ হোৱা আন এটা হৰ্মন হ'ল গ্লুকাগন (glucagen) গ্লুকাগনে দেহত প্ৰয়োজন হোৱা শক্তিৰ ধাৰাবাহিকতা ৰক্ষা কৰে, তেজত কেলচিয়ামৰ মাত্ৰা কমায়, হৃদস্পন্দন বঢ়ায়।

যৌনগ্ৰন্থি শুক্ৰাশয়ত শুক্ৰ প্ৰস্তুত হোৱাৰ উপৰিও তাৰ পৰা নিঃসৰণ হোৱা হৰ্মন টেষ্টষ্টেৰণ (testosterone) আৰু এন্দ্ৰষ্টেৰণক (Androsterone) একেলগে এন্দ্ৰজেন হৰ্মন বুলি কোৱা হয়। এই হৰ্মনে পুৰুষৰ বাহ্যিক যৌন লক্ষণবোৰৰ বিকাশ ঘটায়, মাত গলগলীয়া কৰে, দাড়ি-গোফ গজায়, কান্ধ বহল কৰে, পেশীৰ গঠন সুদৃঢ় কৰা, দেহৰ জ্ঁকাৰ গঠন সুদৃঢ় কৰা, দেহৰ ছালৰ ৰং উজ্জ্বল কৰা, ঘাম্ৰ গ্ৰন্থিৰ কাৰ্য্যকাৰিতা বৃদ্ধি কৰা, ছালত কিছুমান বিন্দু (spot) পৰা আদিবোৰ এন্দ্ৰজেন হৰ্মনৰ বাবে হয়।

ডিম্বাশয়ে ডিম্ব প্ৰস্তুত কৰাৰ উপৰিও এষ্ট্ৰজেন, প্ৰগেষ্টেৰণ আৰু ৰিলেক্সিন নামৰ হৰ্মন নিঃসৰণ কৰে। এষ্ট্ৰজেনে স্ত্ৰীৰ বাহ্যিক যৌন লক্ষণবোৰৰ বিকাশ ঘটায়। এই হৰ্মনৰ অতিমাত্ৰা ক্ষৰণে মাহেকীয়া ঋতুস্ৰাৱৰ বিলম্ব ঘটায়, কেন্সাৰ ৰোগ আদিও কৰিব পাৰে। কম ক্ষৰণ হ'লে ঋতুস্ৰাৱ বন্ধ হোৱাৰ উপৰিও নানা ধৰণৰ ৰোগে দেখা দিব পাৰে।

প্ৰগেষ্টৰণে জৰায়ুত নিষিক্ত অণ্ডকোষটো সংস্থাপিত হোৱাত সহায় কৰে। স্তনত দুগ্ধ উৎপাদন কৰাকে ধৰি গৰ্ভধাৰণৰ লগত সংলগ্ন কাম-বোৰ কৰে। এই হৰ্মনৰ প্ৰভাৱত গৰ্ভধাৰণ নহব পাৰে। ৰিলেকজ্ৰিন হৰ্মনে প্ৰসৱৰ সময়ত সহায় কৰে।

খাদ্যনলীৰ বিভিন্ন অংশই আন কিছুমান হৰ্মণ ক্ষৰণ কৰে, যিবোৰে খাদ্য হজম কৰাকে ধৰি বিভিন্ন কাৰ্য্যত দেহক সহায় কৰে।

বিভিন্ন গ্ৰন্থিৰ পৰা ওলোৱা হৰ্মনবোৰে মানৱ দেহত বিভিন্ন আচৰণ সমূহ নিয়ন্ত্ৰণ কৰে। সাধাৰণতে পিটুইটেৰী, থাইৰয়ড, অধিবৃক্ক, আৰু যৌনগ্ৰন্থিয়ে ক্ষৰণ কৰা বিভিন্ন হৰ্মনে এই আচৰণ সমূহ দেখুওৱা আৰু নিয়ন্ত্ৰণত বিভিন্ন প্ৰকাৰে সহায় কৰে। যৌন আচৰণ যৌন গ্ৰন্থিৰ পৰা ওলোৱা হৰ্মনৰ বাবে, খণ্ডাল আচৰণ, যৌন হৰ্মন, অধিবৃক্কীয় হৰ্মন আৰু পিটুইটেৰী হৰ্মনৰ বাবে হয়।

মানৱ দেহৰ পৰা ওলোৱা বিভিন্ন হৰ্মনে স্নায়ুতন্ত্ৰৰ লগত সমন্বয় ৰক্ষা কৰি শৈশৱৰ পৰা বৃদ্ধলৈ দেখুওৱা প্ৰায়ভাগ আচৰণ নিয়ন্ত্ৰণ কৰে। গতিকে এই হৰ্মনসমূহ মানৱ দেহৰ বৃদ্ধি আৰু জীৱন কালৰ বাবে অতিকৈ প্ৰয়োজনীয়।

★
★★

মানুহৰ জীৱন চিন্তা, ভাবনা আৰু উদ্বিগ্নতাৰে সৈতে আৰম্ভ হয়; সেইবোৰৰ মাজত কাল অতিবাহিত হয়, আৰু মৃত্যুত তাৰ অন্ত পৰে; সেই কাৰণে মৃত্যু এনে দুখ-তাপ জৰিত জীৱনৰ ত্ৰানকৰ্তা দেৱতা।

—বাইৰণ

যি ভালদৰে জীৱন-যাপন কৰে তাকেহে দীৰ্ঘজীৱী বোলা যায়; আৰু অনাহকত কটোৱা সময়খিনি মানুহৰ জীৱনৰ সময় বুলিব নোৱাৰি কাৰণ সি নষ্ট হয়।

—থমাছ ফুলাৰ

গল্প

# ॥ জুৰুলা নদীৰ বান ॥

হিৰেণ বৰুৱা
স্নাতক ৩য় বৰ্ষ

একমাত্ৰ থকা ঘৰৰ ভেটিটোৰে ভিকাছন পৰা মোৰ অৱস্থা। তথাপি হাড়ভঙা পৰিশ্ৰম কৰি তেনেকৈয়ে সজাই লৈছো মোৰ জীৱন। স্নাতক ডিগ্ৰী লৈ সীমিত শিক্ষা গ্ৰহণ কৰিছো যদিও সেয়া আনৰ তুলনাত একেৱেই নহয়। পোৱা আৰু নোপোৱাৰ আশাৰ দোমোজাত পৰি গুলালো মই দিছপুৰলৈ বুলি। স্থানীয় বিধায়কক অনুৰোধ কৰি সংস্থাপনেৰে বাট মুকলি কৰিম এটি সুখী জীৱনৰ। নিৰ্ব্বাচনী ৰতৰত প্ৰায় এমাহ কাল কটাইছো তেওঁৰ হকে। আশা প্ৰকট, নিশ্চয় মোক না-নকৰে। সময় হয়তো কিছু ব্যয় হ'ব পাৰে।

জনতাভৱন। প্ৰৱেশ পথত বহু-কেইজন বন্দুকধাৰী অসম পুলিচৰ জোৱান। গেটৰ ওচৰলৈ আগবাঢ়িলোঁ। নানা কাৰণ-কৰণ সুধিলে,— কাক বিচাৰিছে? ক'ৰ পৰা আহিছে ?? কি কাৰণ ???— ইত্যাদি, ইত্যাদি.... বহু প্ৰশ্ন! ইজনৰ পিছত সিজন আৰু ইটোৰ পিছত সিটোকৈ ঢল বাগৰাদি বাগৰিল। ভয় কিহৰ! শংকা কিহৰ!! —মোৰ মনত ভাব হ'ল। উবুৰি খাই পৰাদি পৰি সকলো ক'লো। তোমাৰ সেই বিধায়ক জন নাই, ক'ৰবাত মিটিঙলৈ গৈছে।'— এজনে ক'লে। সদায় দেখি থকা আমাৰ বিধায়কৰ গাড়ীখন মোৰ নিভুৰ্ল চিনাকি। গাড়ীখন মোৰ চকুৰ প্ৰচাৰতে ভিতৰলৈ সোমাইছে মাত্ৰ। ইহঁতবোৰে ফাকি আখৰা কৰিলেই নহয়। ফাকি নিদিবনো কিয় (?) চৰকাৰ গঠন হ'বৰ দিনাই শপত বাক্য পাঠ কৰা হৈ গৈছে। তেওঁ সৱৰ নামত গোপনীয়তাৰ প্ৰলেপ। তাতে ইহঁতবোৰ কমনে। পকা। কিবা এটা গুৰুত্ত্বা পাবহে লাগে সংবিধানৰ নীতি নিৰ্দ্ধাৰণবোৰ তৎমুহূৰ্ত্তেই সিহঁতৰ হাতৰ পৰশ পালে উন্নয়ণৰ সকলো দিশতে ইচ্ছানুযায়ী ফুলাব পাৰে। কিটো কৰিব লাগে কৰে আৰু। সিহঁতৰ নীতি-নিৰ্দ্ধাৰণবোৰ প্ৰত্যক্ষ কৰি এনেহেন লাগি গ'ল মনটো যেন কিহবাই আমুৱাইছে। উস: উস: উস: ৰাম! ৰাম!! ৰাম!!! সেইদিনা খনলৈ আশাৰ মোনাত শূন্য ভৰাই লৈ ধোঁৱা দৌৰ মাৰিলোঁ।

গণেশগুৰি চাৰিআলি পাই প্ৰত্যক্ষ কৰিলোঁ মানুহৰ মাজত হুৱা-দুৱা লাগিছে। এখনৰ পিছত আন এখনকৈ গাড়ীৰ লানি নিছিগা দীঘলীয়া শাৰী। ইফালৰ পৰা সিফালে পাৰ হ'বলৈ সন্ধি নাই। কোনো মতে পাৰ হৈ ঘটনাস্থলীলৈ আগবাঢ়িলোঁ। ঘটনা কি বুজিব পৰা নাই। কেৱল সুবিধা বুজি সকলোৱে নিজক বচাবলৈ চেষ্টা কৰিছে। মানুহবিলাকে সেই ঠাই এৰি পলাব লাগিছে। মোৰ অনুমান সময় দুপৰীয়া চাৰে বাৰ বাজি গৈছে হ'ব পায়। সময় সূচাংক মোৰ লগত নাই। মানুহৰ জুমা-জুমি, উদ্দেশ্য মাথো একমুখী। সামান্য গম পালোঁ। কোনোবা আততায়ীয়ে কোনো এজন উচ্চপদস্থ চৰকাৰী বিষয়াক কাৰ্য্যৰত অৱস্থাতে গুলীয়াই পত্ৰং মাৰিছে। ঘটনাস্থলীৰ চৌদিশে পুলিচ, সেনাবাহিনীৰ আবেস্তনি। অলায়ক পহৰাদাৰী পুলিচ, সেনাৰ জোৱান মখাই এতিয়াহে ভুকিবলৈ পায় নে! ঘটনা কুৰি মিনিট টিকি গ'ল। পিছত এতিয়া? আৰক্ষী অধীক্ষকৰ হুকুম

আহিল —'অলৰক আইন'। মানে কোনো কিছুৰেই লৰচৰ কৰিব নোৱাৰে। মানুহ-দুনুহ, বয়-বস্তু আদি ইকাটি-সিকাটি কৰাটোতেই বাধা আৰোপ কৰা হ'ল। বয় বস্তুকে আদি কৰি সকলোৰে ওপৰত ওপৰৰ পৰা তললৈ 'আপদ মস্তক চেকিং'। এনে অভাৱনীয় কাৰ্য্যত আমি সকলোৱেই বিস্মিত হৈ পৰিলোঁ। অন্ধৰ সেপিয়নি চলিল। আইনক নতশিৰে মানি আছো। পুলিচ, সেনাৰ আস্ফালনে আমাক মুধাচ্যুত কৰিলে। ৰাইজ যেন প্ৰত্যেকেই এনে একো-একোটা হত্যাকাণ্ডত জড়িত একো একোজন হত্যাকাৰী। খটাসুৰ পলাই গ'ল, আমি গৰালৰ মাছ হ'লো। পাৰ্য্য মানে চেষ্টা কৰি নিৰ্ভিকতাৰে ওলাই আহিলোঁ আমি বহুজন। আমাৰ যেন সাক্ষৎ গ্ৰহণ কৰা হৈ গ'ল। অ'টত উঠি জালুকবাৰী পইণ্ট পালোঁ। কোন, ক'ত যাব কাৰো কতো একো ভ্ৰূক্ষেপ নাই। ব্যস্ত। সাক্ষাৎকাৰত অৱতীৰ্ণ হৈছো, সময় বুজি আঁতৰিছো।

অপাৰ সমুদ্ৰ। ঘৰ পাবলৈ আৰু যানবাহন নাই। সময় সন্ধিয়া সাত মান বাজি গৈছে। ঘটনাৰ প্ৰবাহ দোকান-বজাৰ, কল-কাৰখানা স্বতঃ স্ফূৰ্ত্তভাৱে বন্ধ হৈ গ'ল। জালুকবাৰী চাৰি চ'কৰ চাৰিও দিশত চাৰিমুখী অপেক্ষাৰত বহুযাত্ৰী। তাতে আমিও গৈ সহযোগ কৰিলোঁ। মোৰ কাষতে দুগৰাকী গাভৰু-ছোৱালীও বাছৰ অপেক্ষাত বহু সময় ধৰি থিয় দি আছে। ক'ত যাব গম নাপাওঁ। মোৰ দিশেৰে ক'ৰবালৈ যাব। ইটো সিটো কথা কৈ হাঁহিছে। মোক দেখিয়ে নেকি দুৰ্বল উপহাস কৰিছে। মন কাঢ়ি নিব খুজিছে। এক প্ৰকাৰ যেন মোক টানি নিব ধৰিছে। সিহঁতৰ কাষ চাপিব লাগে। সঙ্গী হ'ব লাগে। মোৰ চিন্তাত মাত নাইকীয়া। বহু সময় উকলি গ'ল। ক'ত যাম, কি কৰিম এনেহেন লাগিছে! ভোকো লাগিছে। ইফালে দোকান-পোহৰ বুলিবলৈ একোৱে খুলি ৰখা নাই। বহু কথাই মোৰ গাটো জাওৰ মাৰি উঠিছে। মনৰ অতিস্থতাত সিহঁতলৈ খঙো উঠিছে। অকলশৰীয়া, ভয়ো লাগিছে। জানোছা কোনো এক উপ-চক্ৰই পায়। কথাবতৰাৰ পৰা কিছু গম পাওঁ ইউনিভাৰচিটি হোষ্টেল নতুবা কোনোবা প্ৰাইভেট্ মেচ্‌ত থাকি ইউনিভাৰচিটিত পঢ়ি থকা ছোৱালী। ওচৰৰে বান্ধৱীৰ ঘৰত থকা-খোৱাকৈ যোৱাৰ কথা। যোৱাৰ সুবিধা নিমি-লিলে ঘূৰি যাব আকৌ তালৈ। বহু কথাৰ চলাহি মাৰিছে গলাব পৰা নাই মোৰ মন। যুক্তিবাদী মোৰ মন-টোৱে বিনা প্ৰতিবাদে কোনো কথা গ্ৰহণ কৰা হোৱা নাই এতিয়ালৈ। কিবা বিপদ ভাবিনে চলচাতুৰী কৰাৰ ধান্দাৰে নে আন কিবা কাৰণত মোৰ ফালে আগবাঢ়িল। 'আপুনি ক'ৰ পৰা আহিছে? কলৈ যাব এতিয়া' ?? এজনীয়ে সুধিলে। কথা সোধাৰ চলেৰে পৰিচয় ললে আৰু মৱো একেদৰে ললোঁ। সিহঁত দুয়ো উজনীৰ আৰু মই নামনি অসমৰ। একেটা প্ৰাইভেট মেচৰ একেটা ৰুমতে থাকি অসমীয়া বিভা-গত মেজৰ লৈ বি, এ প্ৰথম ভাগত পঢ়ি থকা দুয়ো দুগৰাকী মহাবিদ্যা-লয়ৰ ছাত্ৰী। আমি তিনিও এক সম-পৰ্য্যায়ৰ প্ৰায়। ভাল টাৰ্মছত আহিল। বন্ধুত্ব গঢ়ি উঠিবলৈ বৰ বেছি সময় নালাগিল। মোৰ অৱস্থা বুজি ব্যৱস্থা কৰাৰ কথা ভাবিলে। ৰাতিটো মেচ মেনেজাৰক কৈ মেনেজাৰৰ ঘৰতে থাকিবলৈ। বহু জোৰ কৰিলে। মোৰ বাবে সুন্দৰ উপায় উদ্ভাৱন কৰিলে। মোৰ অৱস্থাক সিহঁতে যি দৰে সহায় কৰাৰ কথা ভাবিছে মই সঁচাই অতিকৈ আনন্দিত। ধন্যবাদ। সিফালে মোৰ অৱস্থা তথৈবচ্। জুমুৰি দি ধৰিলে বহু চিন্তাই। মান্তি হ'ব নোৱাৰিলোঁ।

এনেতে এখন পাঞ্জাৱ বডিৰ প্ৰকাণ্ড ট্ৰাক ট্ৰাফিক পুলিচক কৈ ৰখালোঁ। সকলো সমস্যা এই মূহূৰ্ত্তেই শেষ হ'ল যেন লাগিল। সিহঁতৰ সতে আৰু যোৱাতো নহ'ল। কেতিয়াবা অহাৰ আশ্বাস দি যন্ত্ৰবত ট্ৰাকত উঠিলো। পৰ-স্পৰে পৰস্পৰক অভিবাদন জনালোঁ। বিজুলী বাতিৰ পোহৰ এৰি অন্য এক পোহৰেৰে অমাৱস্যাৰ এন্ধাৰ ভেদি গৈ আছো আগলে। ড্ৰাইভাৰ-হেন্দিমেনৰ লগত ভঙা ভঙা হিন্দী কৈ মিলি গৈছো। ইটানগৰ আৰু পাটনাৰ লগত ধেঁহু, চাউল আদি নানাবিধ অত্যাৱশ্যকীয় সামগ্ৰী আমদানি ৰপ্তানি

কৰে। মই সোধাত ক'লে, —"মঙ্গলদই ভি জানটা হু, থানা ভি জানটা হু, লেকিন কুচ্ বাট জ্যাদা নহী জানটা হু"। সদৰ পুলিচ ষ্টেচন পাই কিছু দূৰ আগত নামি ৰ'লো। ভোকে পিয়াহে আতুৰ মই। কিবা খাম-লম বুলিবলৈও সকলো দোকান-পোহৰ বন্ধ।

ৰাতি জিলা কাৰাগাৰৰ দহ বজাৰ ঘণ্টাৰ শব্দ শুনিলোঁ। মানে নিশা দহ বাজিল। চাউল চতিয়াই আলহী-অতিথিক শুশ্ৰূষা কৰিব পৰাতো এক-প্ৰকাৰ গৃহস্থৰ ধৰ্ম। পৰম্পৰাগত ৰীতি। নহ'লে মান যায়। কাৰাগাৰত কয়দী ৰাখিব পৰাটোও কাৰাগাৰ কৰ্তৃপক্ষৰো তেনে এক প্ৰকাৰ ধৰ্ম বুলিব পাৰি।

কোনো কিছু নোহোৱা মাতৃয়ে একমাত্ৰ সন্তানকো বুকুৰ মাজতে নাৰাখে লৈ। অস্ত্ৰধাৰী পুলিচৰ ফৌজ এটা মোক হাতে হাতে ঘেৰি ধৰি নিলে। ঠিক তেনেদৰেই ঘণ্টাৰ শব্দতে একেবাৰে কাৰাগাৰৰ কন্দৰত সোমালোঁ। কাৰাগাৰৰ ধৰ্ম ৰাখিলোঁ ময়ো। দোষ কি? দণ্ড কি হ'ব!! নাজানো। কাৰণ ধূসৰ।

সেই দিনা দোকমোকালিতে ৰাজ্যখনৰ বিভিন্ন জিলাৰ বিভিন্ন বিভাগৰ উৰ্চ্চ পদস্থ বিষয়াক লৈ অপহৰণ চলিল। অপহৰণৰ আঁৰত কোনো এক অজ্ঞাত উগ্ৰপন্থী আছে হেনো। ইতিপূৰ্বে'ই ৰাজ্যখনৰ লগতে জিলা আইন কৰ্তৃপক্ষই টাডা আইন বাহাল ৰাখিছে। আইনৰ ধাৰা জানিব পৰা মতে বিনা উদ্দেশ্যে ৰাতি ন-বজালৈকে ফুৰা-চকা কৰা সকলো বন্ধ ইত্যাদি ইত্যাদি......। দোষ তেন্তে মোৰ সেইটোৱেই।

যুক্তিবাদী মোৰ মনটোৱে ঠকা-সৰকা কৰিলে। যুক্তিৰ ধৃষ্টতা মেল খোৱা দেখি অ,' চি'য়ে আন এটি কোঠাত বহি থাকিবলৈ দিলে। কোঠাটোলৈ আহি তেওঁ দাবী-হুমকি আৰম্ভ কৰিলে। মোলৈ লাঠি টোৱাই সুধিলে, —'ৰাতি দহ বজাত কি উদ্দেশ্যত, কিয় আহিছা!! আৰু কিছু বেছি হুমকি দি তেওঁ প্ৰশ্ন কৰিলে। মই সকলো স্বাভাৱিকতাৰে বিৱৰি দিলোঁ। মোৰ পৰিচয় বিচৰাত ক'লো, —ওচৰৰ মহাবিদ্যালয়খনত পঢ়ি থকা ছাত্ৰ আৰু ভলন্টিয়েৰ অৱ এন, এচ, এচ বুলি। পুলিচক বৰ বেছি সঁচা কোৱা বিপদ। কঠিন। তেনেকৈ জ্যেষ্ঠজন, গুৰুজনা, ডাক্তৰক মিছাকোৱা অশালীন। কিছু স্বাভাৱিক হৈ তেওঁ মোক ইটো-সিটো বস্তু খাবলৈ কলে, — ওহো নাখালোঁ। ভোক-পিয়াহ অনায়াসে নোহোৱা হৈ গ'ল। 'ৰাতিপুৱা ন-বজাত তোমাৰ বিচাৰ কৰা হ'ব। জামিন দিব লাগিব। জৰিমনাও ভৰিব পাৰে। নহ'লে খুউব সহজে মুক্তি বিচৰা-নিৰৰ্থক'। —অ.'চি'য়ে কৈ গুচি গ'ল। মই কেৱল নিৰৱ-নিঃশব্দ। বহি আছো।

ৰাতিপুৱা ন বাজিব আৰু কেই মিনিটমান বাকী। ন-বাজি যোৱাৰ পিছত চিপাহীয়ে আহি মোক ইন্সপেক্টৰ কে. কে, গুৱাৰীৰ ওচৰলৈ লৈ গ'ল। 'দিল্লী-দিছপুৰৰ মতে তোমাৰ দৰে শ, শ, হাজাৰ হাজাৰ জনক টাডা আইনত আটক কৰিব লাগে। আমাৰ সন্দেহৰ কিছু দূৰত থকা বুলি জানি এৰি দিব কৈছে। তথাপি চহীটো দি যোৱা। জামিন লাগে। আৱশ্যক আছে।' —ইন্সপেক্টৰে ক'লে। মই ভাবাম্বিত! কিহৰ বাবে জৱানবন্দী হৈছো? চহী কিয় লাগে?? কি প্ৰয়োজনত জামিন-জৰিমনা দিব লাগে??? জামিন-জৰিমনাই জানো দোষীক নিৰ্দোষী সজাব পাৰে? দোষী দোষীয়েই। সেইবোৰ কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। সঙ্কোচহীন, নিভীকতাৰে দহোকুৰি তৰ্কবাদ কৰিলোঁ। মই দোষী, আচামী হাজিৰ হ'ব লাগে ক'ত? আৰু হাজিৰ কৰাইছে ক'ত!! চহী দিয়া নহ'ল। জামিন-জৰিমনা একো দিয়া নহ'ল। কোনে জানে সময়ৰ গঢ়াহত পৰি আছো বুলি। দিলোঁ! যুক্তি-তৰ্কৰ-'শব্দ শৃঙ্খল' মাত্ৰ। বচ্ ইমানেই। একে উৱাহতে প্ৰস্থান কৰিলোঁ।

পুলিচী আইন শ শ নহয় হাজাৰ হাজাৰ টকাও চলিছে। অপৰাধীৰ হাজাৰ নিৰপৰাধীৰো হাজাৰ হাজাৰ। কত হত্যাকাৰীৰ গইনা লৈ কুখ্যাত দলৰ কত ষড়যন্ত্ৰৰ আইন ৰচনা হ'ল। — হত্যা, লুণ্ঠণ, ধৰ্ষণ। ইইতৰো নিষ্পত্তি শীঘ্ৰেই আছে। বিনিময় ট-কা—। ইয়েই এচাম চক্ৰান্তকাৰী পুলিচী আইনৰ মাপ কাঠি। আৰু ইয়েই হৈছে আইন, আদালত আৰু সভ্যতাৰ বাহাদুৰী।

পৰ্ব্বত-পাহাৰ বগাই অহা প্ৰৱল বানত হাজাৰ হাজাৰ মানুহ ঘৰ-বাৰী, সা-সম্পত্তি উটি-ভাঁহি গ'ল। দিল্লী-দিছপুৰৰ আইনৰ ধাৰাতো জুৰুলা নদীৰ বানত তেনে কত উটি-ভাঁহি গ'ল। কত মাতৃৰ বুকু শুদা হৈ গ'ল। জনজীৱনৰ স্বাভাৱিক অৱস্থা আজিও ঘূৰি অহা নাই। বান পৰিস্থিতি অপৰিবৰ্ত্তিত, সঙ্কটপূৰ্ণ হৈয়ে আছে ছুয়োকুল উপচি বৈয়ে আছে ঢল। সসীমৰ পৰা অসীমলৈ.......।

# সমাজ

ৰঞ্জন ডেকা
স্নাতক ২য় বৰ্ষ

কথাটো গাওঁখনত বৌ-যৌৱাই যাবলৈ বেছি সময় নেলাগিল। ঢোলৰ শব্দৰ দৰে ই চৌ-দিশে বিয়পিল। এতিয়া ৰাইজে কি কৰ; কি সিদ্ধান্ত লব। হৰিধন মহাজনৰ সিদ্ধান্তই সৰ্বশেষ সিদ্ধান্ত। ৰাইজে তাকে হয়, বুলি — মানিব।

কুঁৱৰী পথাৰ গাঁৱৰ কুৱৰী চুবা নামে এটি চুবাত প্ৰায় পয়ত্ৰিশ ঘৰ মানুহে এটা খেল-জাতি হৈ আছে। আঘোনী বাই এই পয়ত্ৰিশ ঘৰৰে এঘৰ। তাই বিধৱা হবৰ প্ৰায় দুব-ছৰেই হ'ল। ঘৰত এতিয়া প্ৰাণী বুলিবলৈ মাত্ৰ দুটা-আঘোনী বাই আৰু দ্বীপু। দ্বীপুৰ বয়স কুৰি বছৰৰ পাৰ হৈছে।

আঘোনী বাই বহুদিনৰ পৰা অসুখত ভোগী আছে, উঠি-বহি ফুৰিব পৰা হৈ আছিল। আজি দুদিন হ'ল-একেবাৰেই উঠিব নোৱাৰে। বিছনাতেই শুই কটাইছে। পানী এটুপি দিবলৈও কোনো নাই। তাই যে আত্মঘাতি হব, সেইটোত ভাবিব নোৱাৰে। ভাবিব কেনেকৈ—ডিঙিত জৰী লগাবৰৈওটো উঠিব লাগিব। নাইবা এটোপা বিষ গিলিবলৈ হলেও সেই-টোপা বিচাৰি উলিয়াব লাগিব। কি যন্ত্ৰনা, হায়। হে ঈশ্বৰ তুমি যদি সঁচাই বিশ্ব নিয়ন্তা হোৱা দয়াৰ সাগৰ হোৱা তেনেহলে আঘোণী বাইৰ হৈ ময়ে কাকুতি কৰিছো, তাইক মাৰি নিয়া।

আঘোণী বায়ে এগিলাচ পানীৰ কথা বৰকৈ ভাবিছে। পিয়াহত যেন অ'ঠ ক'ঠ শুকাই গৈছে। কিন্তু পানীগিলাচ দিবলৈও কোনো নাই। দ্বীপুও নাই। থাকিলে নিশ্চয় সিয়ে দিলেহেঁতেন। সময় যোৱাৰ লগে লগে আঘোণী বাইৰ পানী-গিলাচৰ প্ৰয়োজন অধিক হৈ আহিছে। এনেতে ঘনশ্যাম হঁতৰ মাৰল ঘৰত কাৰোবাৰ খচ্-মচনি শুনিবলৈ পালে। তাই ইমান দিনে ঘনহঁতৰ পৰিয়ালক মতা নাই। আজি কিন্তু তাই ৰব নোৱাৰিলে। তাই থোকা-থুকি মাতেৰে ক'বলৈ ধৰিলে—"কোণঅ' এইটো ঘনহঁতৰ মাৰল ঘৰত। কোন আছ, এইফালে এবাৰ আহা। পিয়াহত মই ছাতি-ফুতি কৰিছো। এগিলাছ পানী মোৰ মুখত দি যোৱাহি। মই আৰু বেছি সময় নাথাকিম।"

ঘনশ্যাম পানীৰ পাত্ৰ এটি আনিবৰ বাবে মাৰল ঘৰত সোমাইছিল। এনেতে কাৰোবাৰ ক'ঠত সি মাত শুনিবলৈ পালে। ভালকৈ কাতপাতি কথাটো শুনিলে। মনৰ কথাটো বুজিবলৈ বাকী নাথাকিল যে আঘোণী বায়ে সিহঁতৰ কোনেবো এজনক মাতিছে এগিলাচ পানীৰ বাবে। তাই ইমান সৰুকৈ আৰু থোকা-থুকি মাতেৰে কোৱা সত্বেও ঘনই বুজি নাপাবই বা কিয়। আঘোণী বাই শুই থকা কোঠাটো আৰু ঘনহঁতৰ মাৰল ঘৰটো লগালগি—মাত্ৰ দুখন বেৰ ইফাল সিফাল।

হাজাৰ হওক ঘন মানুহ আৰু তাৰ এখন মানুহৰ হৃদয় আছে। সমাজৰ বাধা আছে, সেয়েহে নিজৰ খুৰীয়েক হোৱাৰ হেতুকেও নোযো–ৱাকৈ থাকিবলগীয়া হ'ল। আঘোনী বাই হয়তো আৰু কিছু সময়ৰ পিছ-তেই পৃথিৱী এৰি গুছি যাব। এতিয়া সি কৰে কি। তৃষ্ণাতুৰ হৈ থকা আঘোণী বাইক এগিলাচ পানী দি আহিব নে আঘোণীৰ কোনো কথাই নুশুনাৰ ভাওত থাকিব। দিব লাগিলেও সি সমাজচ্যুত, নিদিলেও মহা-পাপ। ঘন উপায়হীন, ঘন অস্থিৰ। হে ঈশ্বৰ ঘনক এটি উপায় দিয়া।

ঘন গ'ল। সি চোৰৰ দৰে আঘোনীৰ ঘৰত সোমাই এগিলাচ পানী ধালি তাইৰ মুখত দিলে। তায়ো পানীগিলাছ বৰ তৃপ্তিৰে খালে। বহু দিনৰ মূৰত তাই ঘনক ইমান ওচৰত পাইছে। এক বুজাব নোৱাৰা অৱস্থাত; আনন্দতেই নে বিষাদতে তাইৰ দুই চকুৰ পৰা লোটক বৈ আহি গৰুত পৰিলহি। পানী গিলাচ খাই উঠি তাই ঘনক কঁপা কঁপা মাতেৰে কলে—

"ঘন, মই আৰু বেছি সময় নাথাকিম। এতিয়া মাত্ৰ মৃত্যুৰ সময় গনিছো। মই মৰিলে মোৰ মৰাশ এই- গাঁৱৰ মানুহে নুচুব। কিন্তু ইয়াতেই যদি মোৰ শ পৰি থাকে তেনেহলে তোমালোকে ইয়াত থাকিব নোৱাৰিবা। এই টোপোলাটোতে (চকুৰে তাইৰ ওচৰতে থকা টোপোলাতোলৈ দেখুৱাই) এশটা টকা থৈ দিছিলো "কেতিয়াবা কামত আহিব"

বুলি। এই টকাখিনি তুমি এতিয়া নিয়া। তাৰে হৰিজন দুজনক মাতি আনি মোৰ মৰাশটো শ্মশানত পেলাবলৈ কবা। তুমি যোৱা ঘন। ইয়াত আৰু বেছি সময় থাকি তুমিও সমাজচ্যুত নহবা॥''

ঘন এজন বোবা ল'ৰাৰ দৰে আঘোণী বাইৰ ওচৰত ঠিয় হৈ থাকিল। চকুৰে ধাৰাসাৰে পানী ওলাবলৈ ধৰিলে। শোকে খুন্দা মাৰি ধৰিলে। সি তাইক একো কব নোৱাৰিলে। কি কব, নিজৰ খুড়ীয়েক, কিন্তু তাইৰ বাবে একো কৰিব নোৱাৰিলে। আনকি বিচনাত পৰি থকা অৱস্থাতো তাইৰ খোৱা লোৱাৰ বিচাৰ নকৰিলে। আৰু কিছু সময়ৰ পিছতেই খুৰীয়েকে এই সংসাৰ ত্যাগ কৰিব। হায়:........। ঘনই আৰু একো ভাবিব নোৱাৰিলে। সাউৎ কৰে কেতিয়া সি আঘোণী বাইৰ ঘৰৰ পৰা নিজৰ ঘৰ পালেগৈ কব নোৱাৰিলে। সি তাৰ বিচনা খনত পৰি গাৰুত মুখখন গুজি থাকিল। তাৰ মন গৈছিল যেন চুবাটোৰ সকলোৰে শুনাকৈ চিঞৰি চিঞৰি কান্দিব।

ঘনই আগৰ কথাবোৰ ভাবিলে। আঘোণী বাই সমাজচ্যুত হ'ল কথাটো সি ভালকৈয়ে জানে—

আঘোণী বাই এদিন বিধবা হ'ল। দ্বীপুৰ থান ঠিত নাই। আঘোণীয়ে প্ৰায়ে দিন ৰাতি অকলে কটাবলগীয়া হয়। গাঁৱৰ দুই চাৰিজন যায় যদিও প্ৰত্যেক সময়তে নাযায়। হৰিধন মহাজনে তাইৰ ওচৰত এদিন প্ৰস্তাৱ কৰিলে। প্ৰস্তাৱটো এই—তেওঁ আঘোণী বাইৰ বাবে এদিন আলহী হব। অইন নহয়, কেৱল ৰাতি এগৰমান একেলগে থাকিব। মহাজনৰ প্ৰস্তাৱ শুনি আঘোণী বাই জাওৰ খাই উঠিল। তাই তেনে বিধৰ মানুহ নহয়। প্ৰস্তাৱটো লগে লগে প্ৰত্যাখান কৰাই নহয়, ভৱিষ্যতে এনে কথা কলে বাঢ়নিৰে দুচাত দিয়াৰ কথাও সঁকিয়াই দিলে। হৰিধন মহাজন তীব্ৰ ক্ষোভ আৰু ঘৃণাত জৰ্জৰিত হ'ল। আজিলৈকে তেওঁৰ প্ৰস্তাৱ কোনেও প্ৰত্যাখান কৰিব পৰা নাই মানে কৰিবলৈ সাহস কৰা নাই। হৰিধন মহাজনে প্ৰতিশোধৰ বাবে সুযোগ চাই থাকিল। এদিন সুবিধা আহিল। সুবিধাটো দ্বীপুৱে দিলে।

এদিন ৰাতিপুৱা দ্বীপু থকা ঘৰটোৰ দুৱাৰখন খুলি দেখিলে দ্বীপুৰ লগত এজনী ছোৱালী। তাইক চিনি পালে—বনিয়া চুবাৰ মইনা। আঘোণী বাইৰ বুজিবলৈ বাকী নাথাকিল। কিন্তু তাই একো নকলে আৰু নকৰিলেও। ছোৱালীজনী অজাতৰ—দ্বীপু কোঁচ আৰু মইনা বনিয়া। ঘটনাটো জনাজনি হৈ পৰিল। হৰিধন মহাজনেও জানিলে। লগে লগে হৰিধন মহাজনে ৰায় বান্ধিলে—"আঘোণী আমাৰ খেলৰ পৰা বাহিৰ। তাইৰ হাতেপাতে খোৱা নিষেধ। সিহঁতৰ ঘৰত অজাতৰ ছোৱালী সোমাইছে''।

ৰায়টো অকল হৰিধন মহাজনৰেই নহয়। ই হৈ পৰিল কুঁৰৰী চুবাৰ চৌত্ৰিশ ঘৰ মানুহৰ ৰায়। ঘনশ্যামে কথাটো ভালকৈয়ে জানিলে। কিন্তু একো কৰিব নোৱাৰিলে। তাৰ কেইদিনমানৰ পিছতেই দ্বীপুও মইনাৰ সৈতে ঘৰৰ পৰা বাহিৰ হ'ল। সিহঁতৰ কোনো খবৰেই নাই।

আঘোণী বাই অকলশৰীয়া হ'ল। তাইৰ ঘৰলৈ কোনেও নাযায়। তায়ো কাৰো সৈতে কথা কব নোৱাৰে। এতিয়া বেমাৰে তাইক উঠিব নোৱাৰা কৰিছে। তাইৰ খবৰ লবলৈ কোনেও নগ'ল। তাই এতিয়া এন্ধাৰৰ মাজতেই আছে।

ঘনশ্যাম গৈছিল সেইদিনা আঘোণী বাইৰ মুখত পানী দিবলৈ। বহুদিনৰ মূৰত তাই ঘনক ইমান কাষৰ পৰা দেখিছে। ঘন যে আঘোণী বাইৰ ঘৰলৈ গৈছে—কথাটো গোটেই গাওঁখনতেই বৌ যোৱাৰ দি গ'ল।

—:o:—

# এটি নতুন পোহৰৰ বেঙনি

**জিতেন ৰাজবংশী**
স্নাতক ৩য় বৰ্ষ চূড়ান্ত

মীৰা বাইদেৱে কেতিয়াও ভাবি পোৱা নাছিল এনে এটি জঘন্য ঘটনাৰ সন্মুখীন হব বুলি। আজিৰ এই ঘটনাটোৱে যেন বাইদেউৰ চিন্তা শক্তিও লোপ কৰিলে। তেওঁ কলেজ-খনৰ গৰা আহিয়েই বিচনাখনত ঢাচকৈ বহি পৰিল। সন্ধিয়া লাগি আহিছে অথচ বাইদেউ বহু সময় ধৰি একধ্যানে বিচনাখনত বহিয়েই আছে। তেওঁ যেন আজি কান্দিব খুজিও কান্দিব পৰা নাই।

আজিৰ লৰা-ছোৱালীবোৰৰ ইমান অধঃ পতন, যুৱসমাজৰ উচ্ছৃংখলতাৰ কথা মীৰা বাইদেউয়ে নাজানা নহয়। উদণ্ড ভেকাই কলেজ কেম্পাছত মাৰুতি ঘূৰাই মাৰপিট কৰাৰ পৰা আৰম্ভ কৰি সামান্য কথাতে প্ৰিন্সিপালক সতৰ্কবাণী শুনোৱাৰ পৰা ছোৱালী জোকোৱালৈ এই সকলোবোৰ মীৰা বাইদেৱে জানে। মীৰা বাই-দেউ ওৰফে মীৰা চহৰীয়া এই কলেজ-খনত সোমোৱা মাত্ৰ দুটা বছৰ হৈছে আৰু এই দুটা বছৰতেই কিমানজন ল'ৰাই ভালদৰে পঢ়ি পৰীক্ষা দি যায় আৰু কিমান জন ল'ৰাই নকল কৰি পৰীক্ষা পাছ কৰে তাৰ বহুতো প্ৰামান বাইদেৱে ইতিমধ্যে পাইছে।

মীৰা বাইদেউ যেতিয়া স্কুল-কলেজত পঢ়ি আছিল তেতিয়াও তেওঁ নকল কৰা বহুতো ছাত্ৰ-ছাত্ৰীক লগ পাইছিল। কোনোবাই গোটেই বছৰ ধৰি কিতাপত মূৰ গুজি পঢ়ি পৰীক্ষাত যি ফল লাভ কৰে, তাতোকৈ গোটেইবছৰ ধিতিঙালি কৰি ঘূৰি ফুৰা কিতাপৰ লগত সম্পৰ্ক নথকা এজন নাইই নকল কৰি পৰীক্ষা দি যেতিয়া ভাল ৰিজাল্ট কৰে তেতিয়া মীৰা বাইদেউ হতাশ হোৱাৰ বাহিৰে একো কৰিব নোৱাৰে। বাইদেৱে জানো ইয়াৰ বিৰুদ্ধে অকলে থিয় দি যুঁজ দিব পাৰিব। সেয়ে প্ৰথম কলেজত সোমোৱাৰ দিনৰ পৰা বাইদেৱে চেষ্টা কৰিছিল যাতে কোনেও নকল কৰিব নোৱাৰে। এই বছৰতেই মীৰা বাই-দেউ নকল কৰা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে হৈ পৰিছিল যম সদৃশ। কিন্তু আজি (সমাজৰ ভৱিষ্যত, নেতাস্বৰূপ) এই উচ্ছৃংখলিত এই ছাত্ৰজনে বাই-দেউৰ চেষ্টাত যতি পেলালে। এই ঘটনাটোৱে তেওঁৰ শিক্ষকতা জীৱনৰ ওপৰতেই বিতৃষ্ণা জগাই তুলিলে। এনেকুৱা ছাত্ৰ-ছাত্ৰীক শিক্ষা দিবলৈহে জানো তেওঁ শিক্ষকতাৰ দৰে মহৎ কামক জীৱনৰ লক্ষ্য হিচাপে বাছি লৈছিল।

কলেজত স্নাতক মহলাৰ ফাই-নেল পৰীক্ষাৰ ১ম খণ্ড চলি আছে। আজি পিছবেলা ইংৰাজী দ্বিতীয় কাকতত মীৰা বাইদেউৰ ডিউটি আছিল। ছাত্ৰ জনৰ নাম ৰাকেশ। ৰুমটোত কেইবাজনেও নকল কৰি আছিল কিন্তু সিহঁতক একোবাৰ সাবধান কৰি দিয়াৰ পাছত পুনৰ নকল কৰিবলৈ সাহ পোৱা নাছিল। কিন্তু ৰাকেশ বোলা লৰাজনে সেই সাৱধান বাণীৰ প্ৰতি কোনো ভ্ৰক্ষেপেই কৰা নাছিল। ইতিমধ্যে বাই-দেৱে তাৰ পৰা দুবাৰ নকলৰ টুকুৰা নি লাষ্ট ওৱাৰ্নিং দিছে। কিন্তু পৰীক্ষা শেষ হবলৈ তেতিয়াও আধাঘণ্টামান বাকী আছিল। মীৰা বাইদেৱে দেখিলে যে, ৰাকেশে পুনৰ নকল কৰিছে। বাইদেৱে বহীখনৰ তলৰ পৰা নকলৰ টুকুৰাটো আনিব খোজোঁতেই ৰাকেশে কলে—বাইদেউ আজি মোৰ লাষ্ট পৰীক্ষা। এইটোৱেই লাষ্ট। ডিস্তাৰ্ব নকৰিব। তৎক্ষণাত মীৰা বাইদেউৰ খঙে চুলিৰ আগ পালেগৈ। লগে লগে বাইদেৱে বহী-খন আৰু নকলৰ টুকুৰাটো কাঢ়ি লওঁতেই ৰাকেশে পুনৰ খঙেৰে গৰজি কলে—"মোক ডিস্তাৰ্ব কৰিলে আপোনাৰ কথা বেয়া হব কিন্তু। বহীখন মোক দিয়ক আৰু আপুনি চুপচাপ দিউটি দি থাককগৈ। ওস্তাদি নকৰিবা।"

এইবাৰ মীৰাবাইদেউ আৰু ধৈৰ্য ধৰি থাকিব নোৱাৰিলে তেওঁ বহী আৰু নকলৰ টুকুৰাটো লৈ চিঞৰি কলে— "ব'লা, প্ৰিন্সিপালৰ ৰুমলৈ ব'লা। ৰাকেশে মীৰা বাইদেউৰ হাতৰ পৰা বহীখন টান মাৰি আনিব

খোজোতেই বহীখন মাজতে ফালি গ'ল।

বহীখন ফালি যোৱাত ৰাকেশে খংত উদভ্ৰান্ত হৈ বহুতো অশ্লীল মাত মাতিব ধৰিলে। লগে লগে ৰুমটোত এটা হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হ'ল। ৰাকেশৰ এনে অশোভনীয় কাৰ্য্যত কেইজনমান ছাত্ৰই তাক বাধা প্ৰদান কৰিলে। কেইজনীমান ছাত্ৰীয়ে মীৰা বাইদেউক কমন ৰুমলৈ লৈ গ'ল। লগে লগে কেইজন মান প্ৰফেছাৰ সহ প্ৰিন্সিপাল আৰু সহকাৰী পুলিছ অৰ্ছিজন ঘটনা-স্থলীলৈ দৌৰি আহিছিল। প্ৰিন্সিপালে ৰাকেশ বোলা লৰাজনক সহকাৰী পুলিচ অছিজনক গটাই দিলে। ৰাকেশে শালিনতা হানি কৰিব খোজোতেই বাইদেউৰ মৃত্যু হোৱা বুলি ধৰি লৈছিল। ৰাকেশক বাধা দিয়া লৰাকেইজন বাইদেউ মেচ্ কৰি থকা চুবুৰীটোবেই। সিহঁতেও ভাড়াঘৰত থাকি পঢ়ি আছে। সিহঁ-তেই পৰীক্ষাৰ শেষত বিক্সা এখন ধৰি বাইদেউক লৈ গ'ল।

বিচনাখনত বহি থাকোঁতে বাই-দেৱে এক্ষাৰ হোৱা গমেই পোৱা নাছিল। কিবা ভাবি তেওঁ উঠি আহিল আৰু দিয়াচলাইটো বিচাৰি লেম্পটো জ্বলাই ললে আৰু সিদ্ধান্ত কৰিলে যে, জীৱনৰ ব্ৰত হিচাপে লোৱা শিক্ষকতা বৃত্তি তেওঁ আৰু কোনো দিনে নকৰে। চিৰদিনৰ বাবে তেওঁ শিক্ষকতা বৃত্তি বিসজন দিব। সেই চিন্তাটো অহাৰ লগে লগে বাইদেৱে কাগজ-কলম উলিয়াই ৰিজা-ইন দিয়া পত্ৰখন লিখিয়েই পেলালে। বাহিৰত তেতিয়া কেইবাখনো চাইকেলৰ বেলৰ শব্দ শুনা গ'ল। আইনা খুওৱা খিড়িকিখনৰ পৰ্দাখন গুছাই বাহিৰলৈ চাওঁতেই দেখিলে যে ৰাকেশ আৰু কেইজনমান ল'ৰাই তেওঁকে উদ্দেশ্য কৰি কিছুমান গালি পাৰিছে। বন্ধখিড়িকি বাবে কি গালি গালাজ কৰিছে একো ধৰিব নোৱাৰি, কিন্তু গালিৰ অংগী–ভংগীৰ পৰা সেই-বোৰ যে অশ্লীল বাক্য আৰু সেই অশ্লীল বাক্যবানবোৰ যে, তেওঁলৈকে নিক্ষেপ কৰিছে সেইটো সহজে ধৰিব পাৰি। মীৰা বাইদেউৰ ভয় লাগি একে দৌৰে গৈ দুৱাৰখন বন্ধ কৰি দিলে। দুৱাৰখিড়িকি বন্ধ কৰি বিছনাখনতে ভয়ত নিশ্চুপ হৈ বহি থাকিল। দুৱাৰ-খিড়িকি বন্ধ সত্বেও বাইদেৱে বাহিৰত এটা হুলস্থূলীয় শব্দ শুনিবলৈ পালে। তেওঁ খিড়িকিৰ পৰ্দাখন গুছাই লাহেকৈ জুমি চাই দেখে যে, কলেজত ৰাকেশক মাৰা লৰাকেইজন আৰু চুবুৰীটোৰেই ডালে কেইজন লৰাই হাতে হাতে লাঠি–টাঙোন লৈ আহি ৰাকেশহঁতক আগুৰি ধৰিছে আৰু উধাই-মুধাই কোবাব ধৰিছে। চুবুৰীটোৰ ইমানজাক লৰাৰ আগত চাৰি–পাছজনীয়া ৰাকেশহঁতৰ দলটোই তিষ্টিবই নোৱাৰিলে। কাৰো-বাব হাত ভাঙিল কাৰোবাৰ মূৰ ফালিল। কোনোমতে সিহঁতে চাই-কেল লৈ পলাই সাৰিল।

"বাইদেউ দুৱাৰখন খোলকচোন।" লৰাকেইজনৰ এজনে মাতিলেহি। মীৰা বাইদেৱে ভয়ে ভয়ে দুৱাৰখন খুলি দিলেহি। হয়। ৰাকেশ হঁতক মৰা লৰা কেইজনেই। তেওঁ বহি-বলৈ দিলে সিহঁতক।

লৰাকেইজনৰ এজনে কলে—"বাইদেউ ঘটনাটো সকলোতে প্ৰচাৰ হৈ গৈছে। আৰু সেই বদমাচ্হঁতে আপোনাক অপমান কৰিব অহা বুলি গম পায়েই অলপো পলম নকৰি য'তে যি পাই হাতত লৈ ওলাই আহিছো।

বাইদেউ আপুনি কোনো চিন্তা নকৰিব। আপোনাক কোনেও অনিষ্ট কৰিব নোৱাৰে। ৰাকেশহঁতৰ নিচিনা লৰাক কলেজত স্থানেই দিয়া নহব।

মীৰা বাইদেৱে তলমূৰ কৰি কথাবোৰ শুনি আছিল। তাৰ পিছত তেওঁ মূৰটো তুলি কলে—মই আৰু ইয়াত নাথাকো। পদত্যাগ পত্ৰখন দি মই কালিয়েই গুছি যাম। লৰা-কেইজনৰ আটায়ে চিঞৰি উঠিল "বাইদেউ আপুনি যাব নোৱাৰে। আপোনাক আমি যাবলৈ নিদিওঁ। আপুনি আমাৰ বাবেই থাকিব লাগিব। আপুনি মাথো আমাক নেতৃত্ব দিয়ক। আমি ইহঁতৰ উস্তাণ্ডালিৰ বিৰুদ্ধে যুঁজি যাম।

লৰাকেইজনৰ প্ৰত্যেককে বাইদেৱে একোবাৰ তীক্ষ্ণনিৰীক্ষণ কৰিলে। লেম্পটোৰ পোহৰত লৰাকেইজনৰ স্পষ্ট হৈ উঠা মুখকেইখন এখন এখনকৈ চালে। সিহঁতৰ মুখত ফুটি উঠিছে এটি নতুন পোহৰৰ বেঙনি পাইও হেৰুৱাব খোজাৰ বেদনা। সিহঁতে অপেক্ষকৃত কোনোবা এজনক নেতৃত্বস্বৰূপে পোৱাৰ আশাত।

মীৰা বাইদেৱে বহাৰপৰা উঠি টেবুলখনৰ ওচৰলৈ গ'ল। অলপ আগতে লিখি থোৱা ৰিজাইন দিবলৈ পত্ৰখন এবাৰ পঢ়ি চালে আৰু লৰাকেইজনৰ ফালে চাই কলে— মই পদত্যাগ পত্ৰখন লিখিয়েই থৈছিলো। এতিয়া এইখন ফালি পেলালো বুলি কৈ টুকুৰা টুকুৰ কৰি ফালি পেলালে।

মীৰা বাইদেৱে খিড়িকীখন খুলি দিলে। লগে লগে এজাক শীতল বতাহ খোলা খিড়িকীৰে ৰুমটোলৈ সোমাই আহিল। এটি জোনাকী পৰুৱা ধিমিক ধামাককৈ জ্বলি প্ৰৱল বতাহৰ কোবত বব নোৱাৰি খোলাখিড়িকীৰে ৰুমটোৰ ভিতৰলৈ সোমাই আহিছে। গভীৰ নিৰপত্তাৰ আশাত। ★

# স্বাধীনতা

গৌৰৱ বৰা
স্নাতক ২য় বৰ্ষ (কলা)

ৰবীন, মাক-দেউতাকৰ অজ্ঞাতেই সংগঠন এটাত সোমাইছে যিটো সংগঠনে নেকি মাতৃভূমিৰ স্বাৰ্থৰ হকে কাম কৰিব; যিটো সংগঠনে প্ৰত্যেকজন নাগৰিককে স্বাধীনভাৱে ফুৰিব থাবলৈ দিব পাৰিব। ৰবীনেও দেশ মাতৃৰ চৰণত শপত খাইছে, দেশৰ মংগল কৰিব। সংগঠনটোত সোমোৱা তাৰ তিনি-চাৰি বছৰ হ'ল। সেয়েহে আজিকালি তাক চিনিব নোৱাৰা হৈছে, ডাড়ি-চুলিবোৰো আন মডেলত ৰাখিছে আনকি তাৰ নাম-টোও ওৰফে কিবা থৈছে। আনহাতে তাৰ সকলো সময়ৰে বৰ্তমান সঙ্গী প্ৰবিধ মাৰণাস্ত্ৰ যিয়ে নেকি কেৱল ধ্বংস মাতি আনে।

ৰবীনৰ ঘৰত এজনী ভনীও আছে। ৰবীনক সক্কৰে পৰা ঘৰৰ সকলোৰে বৰ মৰম কৰিছিল। এজনেই ল'ৰা, তাৰ পঢ়া-শুনাৰ লগতে আন আন সকলো বিষয়তো বৰ সতৰ্ক আছিল মাক-দেউতাক। সি ইতিমধ্যে সু-খ্যাতিৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক মহলাত নাম ভৰ্ত্তি কৰিছে। মাক-দেউতাকৰ আশা— উচ্চ শিক্ষা বেছিকৈ দিব নোৱাৰিলেও তাক নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ শিকাব। ভৱিষ্যত এখন সুখৰ সংসাৰৰ পোষক মাক-দেউতাক। কিন্তু কাল-ধুমুহা এজাক আহি সকলোবোৰ চূৰমাৰ কৰি পেলালে।

এদিনাখন ৰবীনে পিতৃ-মাতৃৰ অজানিতেই ঘৰৰ পৰা গুচি গ'ল। ক'লৈ গ'ল বাৰু? ওঁহো, কোনেও নাজানে। যিজন ল'ৰাক লৈ মাক-দেউতাকে সপোন ৰচিছিল তাৰ প্ৰতি সি অকণো শ্ৰদ্ধা নজনালে। এদিন-দুদিনকৈ দিন বাগৰি যাব ধৰিলে। কিন্তু তাৰ শুংসূত্ৰ এতিয়ালৈ পোৱা নাই। আৰক্ষী বিভাগকো জনাইছে। নাই, ক্লু এটা উলিয়াব পৰা নাই। দিনৰ পিছত মাহ গ'ল, মাহৰ পিছত বছৰ। দেউতাকৰো মন ভাঙিছে। গোটেইখন চলাথ কৰিলে; লাভৰ মূৰত শূন্য। কিমান বিচাৰিব? এবছৰৰ পিছত দুবছৰ হ'ল। দেউতাকে লাহে লাহে ল'ৰাৰ মোহ এৰি দিছে। মাকজনীও শুকাই খীনাই গৈছে। কিবা যেন অচিন ৰোগত ভুগিছে। ভায়েকলৈ ভনীয়েকৰ মৰম কিমান, থকা বিলাকেহে বুজিব। তাই বেছেৰীৰ চকুত টোপনি নহা হৈছে। ইতিমধ্যে গৈ ৰবীন ঘৰত নোহোৱা তিনিবছৰ সম্পূৰ্ণ হ'ল।

পূৰ্ণিমাৰ ৰাতি এদিনাখন এঘাৰ মান বজাত দৰ্জাত (ৰবীনহঁতৰ) কোনোবাই টুকুৰিয়াইছে। মহেশ্বৰ আৰু হৰেশ্বৰী ইতিমধ্যে বিচনালৈ গৈছে। ছোৱালীজনীও শোৱা কমত সোমাইছে। দুৱাৰৰ খটু খট শব্দ শুনি তিনিও সচকিত হৈ উঠিল। "কোন আহিল বাৰু???" "যি নহওক চোৱা যাওক।" লাহে লাহে তিনিও দুৱাৰৰ ফালে আগবাঢ়িল। দীপাকেই দুৱাৰখন খুলিবলৈ দেউতাকে ইঙ্গিত দিলে। ভয়-সংকোচ মনেৰে দীপাই দৰ্জাখন খুলিলে আৰু তাইৰ মুখৰ পৰা হঠাৎ বিকট চিঞৰ এটা ওলাই আহিল লগত আৰু এটা শব্দ দাদা......। মাক হৰেশ্বৰীয়ে জীয়েকৰ সেই বিকট চিঞৰ আৰু সম্বোধনত আচৰিত হৈ উঠিল। এখোজ আগবাই গৈ মাত লগালে— ৰবীন বোপা তই ...। মাক-জীয়েকৰ কাণ্ড দেখি দেউতাক মহেশ্বৰে চকুৰে জলক-থলক দেখা পালে। লগে লগে এটা শোকাকুল পৰিবেশৰ সৃষ্টি হ'ল। ৰবীনৰো একেবাৰে বেয়া নলগাকৈ থকা নাই। মাক-ভনীয়েকে ৰবীনক আনন্দৰ চকুলোৰে ভিতৰলৈ লৈ গ'ল আৰু মুখ-হাত ধুব দি ডাইনিং ৰুমত বহুৱালে। এনেতে দেউতাকে মাত লগালে —

"ৰবীন? তই ক'ত আছিলি? তোক বিচাৰিবলৈ ঠাই আৰু নাই। কিন্তু হঠাৎ আজি.......।"

মহেশ্বৰৰ প্ৰশ্নৰ উত্তৰ শুনিবলৈ ৰবীনৰ মাক আৰু ভনীয়েক কাষতে বৰ আগ্ৰহ আৰু কৌতুহলেৰে বৈ আছে।

"দেউতা! তাৰ মানে মই এটা সংগঠনত সোমালো। সেইবাবেই

অত দিনে বিচাৰি পোৱা নাই।'' ৰবীনে কঁপা কঁপা মাতেৰে ক'লে।

ৰবীনৰ উত্তৰত দেউতাক মহেশ্বৰে আশ্চাৰ্য্য বোধ কৰিলে— "সংগঠন! কি সংগঠনত সোমাইছা!! কোনে ক'লে সংগঠনত সোমাবলৈ? তই এবাৰ হ'লেও আমাক সুধি চোৱাটো প্ৰয়োজন নাছিল?"

"দেউতা! অৱশ্যে সুধি চাবাটো প্ৰয়োজন আছিল কিন্তু .. ।" খোকা-খুকি মাতেৰে ৰবীনে ক'লে।

দেউতাকে এটা অস্বাভাৱিক হাঁহি মাৰি সুধিলে—"সংগঠনত সোমাইছা ভাল হৈছে। অ' তুমি কোৱা নাই নহয়, কি সংগঠনত সোমাইছা, উদ্দেশ্য কি?" কিজানিবা তোমাৰ লগতে মোৰ নামটো যুগ-যুগান্তৰলৈ বৈয়ে যায়।"

"দেউতা! মই এনেকুৱা এটা সংগঠনত সোমাইছো যাৰ দ্বাৰা এই শোষণ-নীতি উৎখাত কৰি এখন স্বাধীন দেশ গঢ়ি তুলিব পাৰি আৰু ইয়াৰ দ্বাৰা দেশৰ সকলো নাগৰিকৰে স্বাৰ্থ ৰক্ষা কৰিব পাৰিম। .... আৰু দেউতাই বাধা দিয়া বুলিয়েই এদিনা-খন কোনেও নজনাকৈ ওলাই গৈছিলো।" ৰবীনে কিছু দৃঢ় ভাৱে কথাখিনি ক'লে।

"মনত ৰাখিবি—তই যি পথ লৈছ এই পথৰে কেতিয়াও স্বাধীনতা সম্ভৱ নহয় বৰং শোষণ, উৎপীড়ন, ব্যভিচাৰ আৰু দুগুণ চলিবহে। সেই-বাবে মই আগতে জানিলে তোক কেতিয়াও যাব নিদিলোহেঁতেন।" দেউতাকে পুনৰ ক'লে:

"এখন দেশ স্বাধীন হ'লেই উন্নতি হ'ব নোৱাৰে আনহাতে সকলো নাগ-ৰিকৰ স্বাৰ্থত সুৰক্ষা কৰিব নোৱাৰি যদিহে সেই দেশৰ নাগৰিক সকল সু-নাগৰিকৰ এটাও গুণ নাথাকে। দেশ এখন স্বাধীন হোৱাৰ আগতে নাগৰিকসকলক শিক্ষিত কৰি কৰ্মঠ, আত্মসচেতন ভাৱে আৰু স্বাৱলম্বীতা জগাই তুলিব লাগিব। সু-নাগৰিকৰ গুণসমূহ আনিব পাৰিলে এখন দেশ বিনা ত্যাগেই স্বাধীনতা অৱশ্যম্ভাৱী। গতিকে নাগৰিক সকলক সচেতন কৰি তোলাই প্ৰথম আৰু প্ৰধান কাম।"

দেউতাকৰ কথা শুনি ৰবীনে একো নেমাতিলে। মেলা খিড়িকী-খনেৰে সি বাহিৰলৈ চাই পঠিয়ালে। ঘন ক'লা অন্ধকাৰৰ মাজে মাজে এটি জোনাকী পৰুৱা উৰি ফুৰিছে। দূৰত কৰবাত এটা অচিনাকী পখীয়ে করুণ বিননি ফুৰিছে। অন্ধকাৰ, জোনাকী পৰুৱা আৰু পখীৰ হিয়া ভগা বিননিয়ে এক চিন্তনীৰ সৃষ্টি কৰিছে।

★★★

# লুইতৰ পাৰে পাৰে


জয়া কলিতা

স্নাতক ১ম বাৰ্ষিক (কলা)


তেতিয়া এন্ধাৰ আঁতৰি পোহৰ হ'বলৈ আৰম্ভ কৰিছে। কুলি চৰাই-বোৰে গছৰ ডালত পৰি কু-কু কৈ মাতিব আৰম্ভ কৰিছে। বসন্তকালৰ ৰাতিপুৱাবোৰ সচাঁই, কিযে মনো-মোহা। চাৰিওফালে চৰাই চিৰিকতিৰ মাতে গোটেই জগতখন মুখৰিত কৰি তুলিছে। গছবোৰে ৰিব্‌ৰিব্ শব্দৰে ফুলৰ মধুৰ সুগন্ধ কঢ়িয়াই আনিছে। এই গোটেইবোৰে লগ হৈ পুৱতিৰ সেইসময়কন কিযে সুন্দৰ আৰু মনোমোহা কৰি তুলিছে তাক বৰ্ণাব নোৱাৰি। সচাঁকৈয়ে মই সেই সময়খিনিত বৰ আনন্দ উপভোগ কৰিছিলো। সদায় ৪ বজাত উঠি প্ৰায় আধা ঘণ্টা সময় মই লুইতৰ পাৰলৈ যাওঁ। সদায় যোৱাৰ বাবেই হয়তো লুইতৰ পাৰটোৱে মোক বৰকৈ আকৰ্ষণ কৰিছিল। সেইবাবেই এদিন নগলেই মোৰ মনটো বৰ অস্থিৰ হৈ পৰিছিল।

আনদিনাখনৰ দৰে সেইদিনাখনো ৰাতিপুৱা চাৰি বজাত উঠি মই লুই-তৰ পাৰলৈ বুলি ঢাপলি মেলিছিলো। কিন্তু আচৰিত কথা, লুইতৰ পাৰৰ যি জোপা গছৰ তলত মই সদায় বহোঁ, তাত সেইদিনাখন আন এজন ল'ৰা বহি আছিল। প্ৰথমে মই বৰ ভয় খাইছিলো। কিন্তু পিছত অলপ সাহস গোটাই ল'ৰাজনৰ ওচৰলৈ আগবাঢ়ি গ'লো। গছৰ তল পাই মই ল'ৰাজনৰ ফালে চালো। ল'ৰা-

জন মোৰ একেবাৰে অচিনাকী- কেতিয়াও ক'তো দেখা মোৰ মনত নপৰে। মোৰ ঠাইত বহাৰ কাৰণে ল'ৰাজনৰ ওপৰত প্ৰথমে মোৰ খং উঠিছিল। মই সেইদিনা তাত নবহি ঘৰলৈ উভতি অহাটোকে থিক কৰি দুখোজমান দিছিলোহে মাত্ৰ থিক সেই সময়তে পিছফালৰ পৰা ল'ৰাজনে মোক মাত লগাইছিল। প্ৰথমবাৰ মই নুশুনা ভাও ধৰি আহি আছিলো। দ্বিতীয়বাৰ ল'ৰাজনে আকৌ মোক মাত লগাইছিল ভন্টি'''। হঠাৎ কি হ'ল জানো ল'ৰাজনৰ মাতটো শুনি মোৰ শৰীৰটো কঁপি উঠিল আৰু মই ক'ব নোৱাৰাকৈয়ে ৰৈ গৈছিলো। লাহে লাহে ল'ৰাজন মোৰ নামটো সুধিছিল। মই লাজ লাজ ভাবেৰে উত্তৰ দিছিলো মোৰ নাম ৰুমা। তাৰ পিছত মই আৰু একো ক'ব পৰা নাছিলো আৰু লগে লগে ঘৰলৈ খোজ লৈছিলো। সেইদিনাখন আছিল বহাগ মাহৰ এটা দিন।

সেইদিনাখন গধূলি মই মোৰ বান্ধৱী কেইজনীৰ লগত ফুৰিব গৈছিলো আৰু সেই ল'ৰাজনক দেখিছিলো। তেতিয়াও তেওঁক মতাৰ মোৰ সাহস হোৱা নাছিল কিন্তু হাঁহিৰে তেওঁক মই সম্ভাষণ জনাইছিলো। তেওঁ মুখৰ ফালে যেতিয়া মই মনোযোগেৰে চাইছিলো তেতিয়া মই আচৰিত হৈ উঠিছিলো। তেওঁৰ চকু কেইটা, মুখখন, আৰু তেওঁৰ মুখত লাগি থকা সেই ধুনীয়া হাঁহিটিয়ে মোৰ যেন মন মুহি পেলাইছিল। সেইদিনাখন ঘৰলৈ অহাৰ পিছত ল'ৰাজন কোন, তেওঁৰ নাম কি, মোৰ জানিবলৈ খুব মন গৈছিল। মই ভগৱানক সোণকালে ৰাতিটো পুৱাই দিবলৈ প্ৰাৰ্থনা কৰিছিলো কাৰণ ৰাতিপুৱা হয়তো সেই ল'ৰাজনো লুইতৰ পাৰলৈ আহিব।

পিছদিনাখন আনদিনাখনতকৈ অলপ সোনকালেই হয়তো লুইতৰ পাৰ পাইছিলো গৈ। গৈ পায়েই সেই মোৰ চিনাকী গছ ডালৰ তলত ল'ৰাজনক বহি থকা দেখিছিলো। মই লাহে লাহে গৈ গছডালৰ তল পাইছিলো। মোক দেখিয়েই ল'ৰাজনে খুব আনন্দৰ হাঁহি এটি মাৰি মোক তেওঁৰ ওচৰত বহিবলৈ অনুৰোধ কৰিছিল। মই তেওঁৰ ওচৰত বহিয়েই প্ৰথমে তেওঁৰ নামটো সুধিছিলো। তেওঁ খুব মৰম লগা মাতেৰে কৈছিল, মোৰ নাম "প্ৰিণ্টু"। মই নোসোধাকৈয়ে তেওঁ কৈছিল, "মই এইবাৰ ডিগ্ৰীত এডমিশ্বন লৈছো আৰু তুমি Higher secondary পঢ়ি আছা নহয়? মই কিয়জানো তেওঁৰ ওচৰত গ'লেই কথা ক'ব নোৱাৰা হৈ যাওঁ। তেওঁৰ প্ৰশ্নটোৰ উত্তৰ হিচাবে হয় বুলি কৈছিলো। তাৰ পিছত মই আৰু একো কথাই কোৱা নাছিলো। আমাৰ দুয়োৰে মাজৰ পৰিচয় সিমানেই আছিল। মই তেওঁৰ বিষয়ে তাতকৈ আৰু বেছি জনা নাছিলো। সেইদিনাখন তেওঁৰ লগত বহি থাকোতে আনদিনাখন-কৈ ঘৰলৈ অহাত অলপ দেৰী হৈছিল। কিন্তু মা-দেউতাই অৱশ্যে মোক একো কোৱা নাছিল। কিয় জানো মোৰ বাবে লুইতৰ পাৰটো আগতকৈ আৰু প্ৰিয় হৈ পৰিল। মোৰ দৰে "প্ৰিণ্টুৰো" হয়তো একেই অৱস্থাই হৈছিল। কাৰণ তেওঁৰ কথা বতৰা পৰা মই এইটো ভালদৰেই জানিব পাৰিছিলো। এনেদৰে আমি দুয়োৰে ক'ব নোৱাৰাকৈ কিবা এটা বান্ধোনৰ মাজত যেন সোমায় পৰিছিলো।

এদিন দুয়ো বহি কথা পাতি থাকোঁতে প্ৰিণ্টুৱে হঠাৎ কৈ পেলালে, "ৰুমা মোৰ কিয় জানো তোমাৰ ওচৰৰ পৰা যাব মন নাযায়। তোমাৰ ওচৰৰ পৰা যোৱাৰ পিছত মোৰ মনটো কেনেকুৱা লাগে মই তোমাক বুজাব নোৱাৰো। সচাঁকৈয়ে "মই তোমাক ভালপাওঁ ৰুমা। তুমি বাৰু মোক ভাল পোৱানে?" প্ৰিণ্টুৰ প্ৰশ্নৰ উত্তৰ মই হাঁহিৰেই দিছিলো। কিন্তু একো ক'ব পৰা নাছিলো। তাৰ পিছত আনদিনাখনৰ দৰে সেইদিনাখনো ঘৰলৈ উভতি আহিছিলো। সেইদিনা ঘৰত মোৰ নিজকে বৰ অকলশৰীয়া অনুভৱ হৈছিল। আমি দুয়োকে দুয়োৰে ইমান ভালপাই পেলাইছিলো যে এদিন ইজনে সিজনক নেদেখিলে থাকিব নোৱাৰিছিলো।

কিন্তু ভগৱানে হয়তো আমাৰ এই সুন্দৰ মিলনক অনুমোদন দিব পৰা নাছিল। এদিনাখন দুয়ো লুইতৰ পাৰত বহি মনৰ কথা পাতি থাকোতেই হঠাৎ কেতিয়া জানো এজাক ধুমুহা আহিল ক'বই নোৱাৰিলো। বৰ জোৰেৰে ধুমুহা আৰম্ভ হৈছিল। আমি উপায়হীন হৈ ক'লৈ যাম, কি কৰিম ভাবি নাপালোঁ। যাবলৈও ওচৰত তেনেকুৱা ক'তো নিৰাপদ ঠাই নাছিল। মৰণকে শৰণ কৰি দুয়ো গছজোপাৰ তলতে থিয় দিলো। সেইদিনাখনেই আমাৰ জীৱনলৈয়ো ধুমুহা নামি আহিল। হঠাৎ গছৰ ডাঙৰ ডাল এটা ভাঙি আমাৰ গাত পৰিল। প্ৰিণ্টুৱে মোক বচাবৰ কাৰণে মোৰ গাত ডালটো নপৰাকৈ মোক সাৱতি ধৰিছিল। ডালটো পৰি মোৰ বেছি আঘাত হোৱা নাছিল যদিও প্ৰিণ্টুৰ আঘাত নোহোৱাকৈ থকা নাছিল। প্ৰিণ্টুৰ গোটেই শৰীৰ

আঘাত প্ৰাপ্ত হৈ পৰিছিল। প্ৰিন্টু লগে লগে মাটিত ঢলি পৰিছিল। মই কি কৰো একো উপায় বিচাৰি নাপায় হিয়া ঢাকুৰি কান্দিছিলো। তাৰ পিছত মই অলপ আঁতৰত বৈ থকা অটো এখন দেখি তালৈ দৌৰ দিছিলো আৰু অটোখন ভাড়া কৰি প্ৰিন্টুক চিকিৎসালয়লৈ লৈ গৈছিলো। প্ৰিন্টুৰ চিকিৎসাৰ বাবে তেতিয়া মোৰ হাতত এটাও পইচা নাছিল। মই প্ৰিন্টুক চিকিৎসালয়ত থৈ পইচা নিবৰ বাবে ঘৰ পাইছিলোহি। ইমান সময়ে মোৰযে ঘৰত মা-দেউতা আছে সেই কথা মই পাহৰিয়েই আছিলো। ঘৰত মোৰ জমা থকা পইচাখিনি লৈ মই আকৌ প্ৰিন্টুৰ ওচৰলৈ যাবলৈ খোজ লওঁতেই পিছ-ফালৰ পৰা মাই মাত লগাইছিল। মাৰ মাত শুনি মই ৰৈ গৈছিলো আৰু মাৰ আগত মই প্ৰিন্টু বুলি কোৱাৰ লগে লগে মাই সোধপোচ নোহোৱাকৈ মোৰ গালত এটা চৰ সোধাইছিল। তথাপিও মাৰ বাধা আওকাণ কৰি মই যাবলৈ ওলোৱাত মাই মোক টানি নি ঘৰৰ ভিতৰত সুমুৱাই থ'লে। ঘৰৰ ভিতৰত মই প্ৰিন্টুৰ কথা ভাবি ভাবি কান্দিব ধৰিলো। প্ৰিন্টুৱে ছাগে বিষৰ জালত চটফ্‌টাই আছিল। মোৰ যোৱাত দেৰি হোৱাৰ বাবে প্ৰিন্টুৰ মোৰ ওপৰত খুব খং উঠিছিল ছাগে। প্ৰিন্টুৱে মোক কিজানি বিশ্বাসঘাতক বুলি অভিহিত কৰিছিল। এইবোৰ ভাবি কান্দি কান্দি মই অচেতন হৈ পৰিছিলো।

কিছুসময় পিছত যেতিয়া মই চেতনা পাইছিলো তেতিয়া মই প্ৰিন্টু বুলি চিঞৰিবলৈ ধৰিলো। তেতিয়া হয়তো মায়ে আমাৰ প্ৰেমক বুজিছিল আৰু মোক তেতিয়া প্ৰিন্টুৰ ওচৰলৈ যাব দিছিল আৰু মা'য়ো মোৰ লগত গৈছিল। মই গৈ চিকিৎসালয় পায়েই প্ৰিন্টুৰ ওচৰলৈ দৌৰ দিব খুজিছিলো কিন্তু আঁতৰৰ পৰাই মই প্ৰিন্টু থকা ঠাইখিনিত যি দেখিছিলো মই লগে লগে উন্মাদৰ দৰে হৈ পৰিছিলো। তাত মই কি দেখিছিলো প্ৰিন্টুৰ দেহটো এখন বগা কাপোৰেৰে ঢকা আছিল। মোৰ আৰু বুজি-বলৈ বাকী নাছিল। মোৰ অস্থিৰ মনক মই তেতিয়া বান্ধি ৰাখিব নোৱাৰিলো। মই চিঞৰি চিঞৰি কান্দিব ধৰিলো। মায়ো চকুলো টুকিছিল। প্ৰিন্টুৱে মনৰ লগৰী, সেই সেইজীয়া গছেৰে ভৰা লুইতৰ পাৰ, সকলো এৰি এইখন পৃথিৱীৰ পৰা ক'ৰবালৈ গুচি গ'ল।

আৰু সেইবাবেই প্ৰিন্টুৰ সেই স্মৃতিত মই সদায় লুইতৰ পাৰলৈ যাওঁ আৰু প্ৰতিদিনে প্ৰিন্টুৰ প্ৰতি থকা মোৰ ভালপোৱা, মৰম, লুইতৰ বুকুত যাঁচোগৈ।

★☆

প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে। তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য আবিষ্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু।

—জগদীশ চন্দ্ৰ বসু

যি কিতাপ পঢ়িবলৈ ভাল পায়, সি কেতিয়াও বিশ্বাসী বন্ধু, সৎ উপদেশ দিওঁতা, প্ৰফুল্লমনা সঙ্গী আৰু হৃদয় গ্ৰাহী প্ৰবোধ দিওঁতাৰ অভাৱত নপৰে।

—আইজাকবেৰ

আটাইতকৈ সহজ আনক সমালোচনা কৰা, সকলোতকৈ টান নিজক সংশোধন কৰা।

—হেম বৰুৱা

# জীৱন সংগ্ৰামৰ শ্ৰেষ্ঠা নায়িকা


দীপ্তি দেৱী

স্নাতক ১ম বাৰ্ষিক (কলা)


দিপু দিপু···· ··· । হঠাৎ চিনাকি মাত এষাৰ শুনি থমকি ৰৈ চাবিওফালে চালো আৰু গুন' বাইদেউক দেখি হয় নহয় ভাবত ওচৰলৈ গৈ দেখো সেয়া সচাঁই গুন' বাইদেউ। মই বাইদেউক সাৱতি ধৰিলো। অস্ফুত মাতেৰে বাইদেৱে কলে, মোক ঘৰলৈ লৈ বলা। ওচৰৰ পৰা ৰিক্সা এখন মাতি আনি বাইদেউক লৈ আমাৰ ঘৰলৈ আহিলো। সেই সময়ত অকল মাহে ঘৰত আছিল। গুণ' বাইদেউক দেখি মা অতিকে আচৰিত হ'ল। মাই একে উশাহে বহু প্ৰশ্ন কৰিলে। গুন' বাইদেউৰ অৱস্থা বুজি মই আগতে বাইদেউৰ কাৰণে খোৱা বস্তু আনিবলৈ মাক কলো আৰু মেয়ো কাপোৰ সলাই লৈ বাইদেউৰ ওচৰত বহিলোহি। খাই-বই উঠি বাইদেউ অলপ সুস্থ হ'ল। ইফালে মোৰ মনত বহু প্ৰশ্নই তোলপাৰ লগাই আছে। গুন' বাইদেউৰ মৃত্যুৰ বাতৰি তেন্তে মিছা? যদিহে মিছা তেনেহলে ইমান দিন ক'ত আছিল। ভাবি ভাবি বাইদেউৰ ওচৰত বহিলোগৈ।

গুন' বাইদেউ মোৰ পেহীৰ ছোৱালী। মাক সিহঁতে কিছু সমীহ কৰি চলে। তাই তাইৰ জীৱনৰ বাকীছোৱা কাহিনী আমাক কলে— তোমালোক সকলোৱে হঠাতে মোক দেখি আচৰিত হৈছা। আচৰিত হবৰে কথা! কিন্তু সচাঁই মোৰ জীৱনটোক লৈ এতিয়া মেয়ো আচৰিত হৈছো, কি যে নিয়তিৰ বিধান। তোমালোকৰ পৰা বিদায় লৈ মই দীনহতঁৰ ঘৰলৈ ন-বোৱাৰী হৈ যোৱাৰ দিনৰে পৰা মোৰ ওপৰত শাহু-শহুৰ, ননদ দেৱৰ আৰু জা জনীৰ অত্যাচাৰ আৰম্ভ হ'ল। প্ৰথমতে সেয়া প্ৰত্যক্ষ নাছিল। দুখীয়া মানুহৰ ছোৱালী, যৌতুক হিচাপে তোমালোকৰ পৰা যি দিছিলা সেয়াই। সেইবাবে প্ৰত্যেক কথাতেই মোক তেওঁলোকে অসহ্যকৰ কথা কিছুমান শুনাইছিল। লাহে লাহে সেইবোৰলৈ সিমান মন-কাণ নিদিয়া হলো। এনেকৈ এবছৰ পাৰ হোৱাৰ পিছত দীন আৰু মোৰ জীৱনেও কবুল আহিল। তাৰ মুখ চাইয়েই আমি দুখ-কষ্ট পাহৰি জীৱন কটাবলৈ ললো। কিন্তু হায়! আমাৰ এই সুখকনো ভগবানৰ সহ্য নহ'ল। হঠাৎ দীনৰ এদিন তেজ গ্ৰহণী আৰম্ভ হ'ল। দিনে ৰাতিয়ে শুশ্ৰূষা কৰিলো। ঔষধ-পাতি কিনিবলৈ মোৰ হাতত এটি পইচাও নাছিল। সেয়ে যি দুই-এপদ গহণা আছিল তাকে বিক্ৰী কৰি ঔষধ আনিলো। দীনৰ অসুখ ক্ৰমে বাঢ়ি আহিল আৰু ·· আৰু কবুলৰ সৈতে অথাই সাগৰত মোক পেলাই থৈ দীন চিৰ দিনৰ বাবে গুচি গ'ল।

তাৰ পিছত বাইদেৱে হক্-হুকাই কান্দি দিলে। বাইদেউক মই কলো— তুমি ইমান দিন ক'ত যন্ত্ৰণা সহ্য কৰিও জীয়াই আছা, সেয়া আমাৰ আগত প্ৰকাশ কৰি তুমি কিয় কান্দিছা? কৈ যোৱা বাইদেউ তোমাৰ দুখৰ বোজা অকলে লৈ থাকিলে তুমি যে বলীয়া হৈ যাবা। যদি কাৰোবাৰ মানবতাৰে ভৰা হৃদয় এখন আছে তেন্তে এই জীৱনী শুনি হয়তো তোমাক আন নিদিলেও শান্তনাৰ বাণী এষাৰি শুনাব। মোৰ কথা শুনি বাইদেৱে কলে—অ দীপু, তুমি ঠিকেই কৈছা মই মোৰ মৃত্যুৰ আগতে এটি প্ৰাণী অদৃষ্টৰ খেলনা কেনেদৰে হয় তাৰ প্ৰমাণ দি যাম। শুনা—

ইয়াৰ পিছত ঘৰৰ সকলো পৰিয়ালৰে অত্যাচাৰ মোৰ ওপৰত প্ৰত্যক্ষ হ'ল। স্বামীৰ ঘৰ এৰি পিতৃ-মাতৃৰ ঘৰলৈ গুচি আহিব ওলালো। কিন্তু তাতো যে অভাৱ-অনাটনে কুলাই পাচীয়ে নধৰা অৱস্থা। তাকে ভাবি নহাটোৱেই থিক কৰিলো। তেওঁলোকে মোক বেলেগ কৰি ঘৰ এটা দিলে। স্বামীৰ পৈতিক সম্পত্তি একো নাপালো। পেটৰ জ্বালা আৰু কবুলৰ বাবে মই আনৰ ঘৰত কাম কৰিব লগীয়া হয়। তথাপি তাতো সুখ নাই। ভাই-শহুৰটোৱে অলপ দয়াৰ চকুৰে চায়। তাতো ঘৈণীয়েকে আনধৰণে ভাবি শাহু-শহুৰক লগাই মাৰ খুৱাই, বদনাম ৰটে। জীয়াই থকাৰ হেঁপাহকণ

নোহোৱা হৈ যায়, কিন্তু কি কৰিম ক্ষুবুলৰ বাবেতো জীয়াই থাকিব লাগিব। এনেকৈ তিনিবছৰমানৰ পিছত এদিন ক্ষুবুলৰ অতিপাত জ্বৰ উঠিল। চিকিৎসা কৰাৰ বাবে সুবিধাই নাপালো। সিও মোক নিঠৰুৱা কৰি এৰি গুচি গ'ল।

মোৰ হৃদয় এতিয়া শিলেৰে বন্ধোৱা হ'ল। স্বামীৰ শেষ চিনকণো হেৰুৱাই অত্যাচাৰ সহিব নোৱাৰি গুচি আহিলো মাৰ ঘৰলৈ। ঘৰতো অৱস্থা একেবাৰে বেয়া। দেউতাই কোনোমতে হাজিৰা কৰি পৰিয়ালটিৰ ভৰণ পোষণ দি আছিল। মোৰ এনে দশাই দেউতাক জুৰুলা-জুপুৰা কৰিলে।

সেইসময়ত আমাৰ গাৱঁত বান পানী। আমাৰ গাৱঁৰে এজনী তিৰোতাই মোক কলে যে কৰবাত হেনো নতুনকৈ ইন্ডাষ্ট্ৰি এটা খুলিছে। তাত কাৰোবাক কৈ মোক কিবা কামত সুমুৱাই দিব। মইও এনে এটা পথ দেখি যোৱাটোকে ঠিক কৰিলো। কাৰণ তেনেকৈ কিবা কৰিব পাৰিলে ভাতমুঠি খোৱাত অন্ততঃ সুখ হব। ঘৰৰ পৰা যাব দিয়ে বুলি— ক'ৰবালৈ ফুৰিব যাওঁ বুলি মই তিৰোতাজনীৰ লগত গুছি গলো।

তাতো যে মোৰ ওপৰত অদৃষ্টৰ একেই খেল চলিল। তিৰোতা-গৰাকীয়ে মোক এজন ৰিক্সাৱালাৰ তাত বেছিলে আৰু মোক কলে যে, সেই মানুহজনেই কিবা এটা লাইন কৰি দিব। এইবুলি কৈ দোকান এখনৰ পৰা আহো বুলি মোক তাতে থৈ গুচি আহিল। ৰাতি হ'ল মই চিন্তাত পাৰাপাৰ পোৱা নাই। মানুহজনে মোক এটা কোঠাত থাকিবলৈ দি তেওঁ কলে যে আজিৰ পৰা তেৱেঁই মোৰ স্বামী হব। কাৰণ তিৰোতা গৰাকীয়ে মোক এক হাজাৰ টকাত তেওঁৰ তাত বিক্ৰী কৰিছে। কথাখিনি শুনি মোৰ মূৰটো খুব আচন্দ্ৰাই কৰিবলৈ ধৰিলে। মই মজিয়াত বাগৰি পৰিলো। পিছত যেতিয়া সাৰ পাও তেতিয়া দেখো যে মই এখন বিচনাত ৰিক্সাৱালাৰ সৈতে শুই আছো।

জীৱনটোৰ প্ৰতি মোৰ ধিক্কাৰ উপজিল। কিন্তু কি কৰিম প্ৰত্যেক-সময়তে ৰিক্সাৱালাৰ চকু মোৰ ওপৰত থাকেই। দিনবোৰ যোৱাৰ পিছত লাহে লাহে মোৰ ওপৰত ৰিক্সাৱালাৰ বিশ্বাস আহিল মোক ঘৰত থাকিবলৈ কৈ সি ফুৰিবলৈ ওলাই গ'ল। ৰিক্সাৱালাৰ অনুপস্থিতিত হাতত কিছু টকা লৈ মই ঘৰলৈ বুলি পলাই আহিলো আৰু আহি থাকোতে আদ বাটতেই গাড়ীখনে গছএজোপাত খুন্দিয়াই জংঘলৰ ফালে বাগৰি পৰিল। সেই ভয়াবহ দুৰ্ঘটনাতো মোৰ মৃত্যু নহল। কাৰোবাৰ কিবা হ'ল নে নাই মই নাজানিলো। ৰিক্সাৱালাই পুণৰ পোৱাৰ ভয়ত তাৰ পৰা উঠি আহি বাছ এখনত উঠিলো আৰু ইয়াত নমাৰ লগে লগে তোমাক দেখা পাই চিঞৰি মাতিলো। তাৰ পিছৰছোৱা তুমি দেখিছাই এয়েই মোৰ দুৰ্ভগীয়া জীৱন।

গুন' বাইদেউৰে এইবাৰ এটা তপত হুমুনিয়াহ কাঢ়িলে। বাইদেউক শান্ত্বনা দিয়াৰ উপায় বিচাৰি নাপালো। তথাপি ক'লো—ভাগ্যৰ লিখন কোনে খণ্ডাব পাৰিব বাইদেউ, ইমান সংগ্ৰামৰ মাজেৰে জীৱন কটাই এতিয়াও তুমি বাচি আছা তুমিহে প্ৰকৃত জীৱনজয়ী। বাৰু শুনা—তুমি বানপানীৰ সময়ত যি হেতু নিৰুদ্দেশ হৈছিলা সেয়ে সকলোৱে ভাবিলে তুমি বানপানীত উটি যোৱা বুলি। তোমাৰ আত্মাৰ সদ্গতিৰ বাবে পেহা-পেহীয়ে খুজি-মাগি হলেও শ্ৰাদ্ধভাগ কৰিছিল। আৰু কি জানা? কেইজন মান মুখীয়ালৰ পৰামৰ্শ মতে চৰকাৰৰ ওচৰত দৰখাস্ত কৰি কিছু সাহায্যও পেহা-পেহীয়ে লাভ কৰিছিল। ভগবানক ধন্যবাদ যে তুমি এতিয়াও জীয়াই আছা।

গুন' বাইদেউ তোমাৰ জীৱনৰ এই জীৱন্ত কাহিনী স-হৃদয়লোকৰ আগত দাঙি ধৰিলো। আনৰ বাবে এইয়া গল্প হলেও মই জানো এইয়া সত্য বাস্তৱ কাহিনী আৰু তুমি এজনী জীৱন সংগ্ৰামৰ শ্ৰেষ্ঠা নায়িকা····।

:০০০:

# প্ৰেম

জয়ন্ত ভট্ট
স্নাতক ২য় বৰ্ষ

কেতিয়া গৈ সেই নিৰ্জন ঠাই-খিনি পালোগৈ ধৰিবই নোৱাৰিলো। পশ্চিম আকাশত সূৰ্য্য ডুব যাবলৈ তেতিয়াও বহু সময় বাকী। পেণ্টৰ পকেটটো আকৌ এবাৰ খেপিয়াই চালো। এৰা চ'ব ঠিকেই আছে। বটলটো এবাৰ বাহিৰলৈ উলিয়াই আনি ভালদৰে পুনৰ এবাৰ চাই ল'লো। সূৰ্য্যৰ হেঙুলী আভাৰ লগত বটলটোত লিখা থকা পইজন শব্দ টোৱে যেন চিক্‌মিকনি তুলি কিবা কথাহে পাতিলে।

নোপোৱাতকৈও পাই হেৰুৱাৰ কি মৰ্ম্মান্তিক বেদনা সেই কথা হয়তো ভুক্তভোগীৰ বাহিৰে আনক বুজাই কব পৰা কথা নহয়। আজি মোৰ জীৱনটো সেই পাই হেৰুৱাৰ অনন্ত চট্‌ফটনিৰ অন্তিম পৰিণাম স্বাতত পইজন। সংসাৰৰ প্ৰতি মায়া মোহ আৰু মোৰ এতিয়া নাই। মোৰ হৃদয় এতিয়া মৰুভূমিৰ শুকান বালি।

পইজন খিনি পান কৰিব খোজোঁতেই অতীতৰ অসংখ্য ৰোমাণ্টিক স্মৃতিয়ে চকুৰ আগত নাচিব ধৰিলে। সৌ তাহানিৰ কলেজ-ক-বি-তা-আৰু অনামিকাৰ অসংখ্য ছবিয়ে মানস পটত লুকা ভাকু খেলিব ধৰিলে।

তেতিয়া মই উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ২য় বাৰ্ষিকৰ ছাত্ৰ। নতুন ছাত্ৰ-ছাত্ৰীৰ আগমনৰ শুভক্ষণত এদিন হঠাতে— "দাদা"

"কাক মাতিছা"?

"হয়, আপোনাক"

"কিবা প্ৰয়োজন" ??

"৪৩ নং ৰুমটো দেখুৱাই দিব নেকি?

নবাগতা ছোৱালীজনীৰ ভয় আৰু সংকোচ মিহলি অপূৰ্ব মাত্‌মাৰিত কি যে সৌন্দৰ্য্য আছিল আজিও তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিলো। এটা সময়ত সৌজন্যৰ খাতিৰত কোঠাতো তাইক দেখুৱাই আহিলোঁগৈ।

সিদিনাখন পান দোকানীজনৰ হাতৰ পৰা এশ বত্ৰিশ পান খন খাওঁ বুলি হাতত লওঁতেই—

"দাদা, পানখন এতিয়া নাখাব। আগতে চাহ একাপ খাওঁ আহক।"

উত্তৰ চাই দেখিবলৈ পালো— সেই ভিয়াল্লিছ নং ৰুম বিচৰা কবিতা-কবিতা যেন লগা ছোৱালীজনী। কলেজীয়া জীৱনত কোনোবা ছোৱালী এজনী লগত লৈ পাৰ্কত ফুৰিবলৈ যোৱা, চিনেমা চোৱা অথবা হোটেলত টকাৰ শ্ৰাদ্ধ পতা কিমান ক্ৰেডিটৰ কথা তাক হয়তো বহলাই নকলেও হব। মোৰো সুবিধাবাদী মনটোৱে যেন উচ্‌পিচাব ধৰিলে। কিন্তু সেই বুলি এজনী অচিনাকি ছোৱালীৰ সতে.......। আনহাতে সখিহঁতে যদি মোৰ এই ৰোমাণ্টিক মুহূৰ্তটো টৌ টৌকে ৰৌটো কৰি গাঁৱত সদৰি কৰে? গতিকে............।

'আহা না দাদা। মোৰ আৰু' ক্লাছ আছে।' ছিঃ এইবোৰ মই কি ভাবিছো। ছোৱালীজনীয়ে মোক বাৰু একদম বেল বুলি ভবা নাইতো?

এটা সময়ত হোটেলৰ চাহ মিঠাইৰ পৰ্বৰ মাজতে দুয়োৰে চা-চিনাকিৰ পৰ্বটিও সম্পূৰ্ণ হ'ল। লাজ সংকোচ অথচ দৃঢ় মনেৰে অনামিকাই সিদিনা বহুতো কথাই কৈছিল।

অনামিকা আৰু মই লাহে লাহে কলেজৰ পাৰ্ক, হোটেলৰ চুক আৰু চিনেমা হলত মিলিত হবলৈ ধৰিলো। লাহে লাহে বুকুৰ এচুকত তাইৰ নাম উচ্চাৰণ কৰিলেই শিহৰণ অনুভৱ কৰিব ধৰিলো। এদিন তাইক নেদেখিলেই এমাহ নেদেখা যেন লাগে। এসপ্তাহ নেদেখিলেই এবছৰ নেদেখা যেন অনুভৱ হয়। আৰম্ভনিতে নতুন নতুন যেন লগা কবিতাৰে ভাৱৰ বিনিময় চলিল। কবিতাৰ নতুন নতুন ছন্দই আমাৰ দুয়োকে নতুন নতুন সাজত সজাব ধৰিলে। এটা সময়ত অনামিকাই নিজেই আৱিষ্কাৰ কৰিলে। আমি পৰস্পৰে পৰস্পৰৰ বাবে বুকুত অনুভৱ কৰা বিষৰ একমাত্ৰ কাৰণ "প্ৰেম"। অনামিকা প্ৰেয়সী অনামিকালৈ ৰূপান্তৰিত হ'ল। কিন্তু মই সেইদিনা অনুভৱ কৰিব পৰা নাছিলো যে, সেই অনামিকা এদিন কাল সৰ্পিনীলৈ ৰূপান্তৰিত হ'ব।

সাধাৰণ প্ৰেমিক প্ৰেমিকাৰ দৰে আমাৰ দুয়োৰো মাজত অসংখ্য ৰোমাণ্টিক মুহূৰ্ত পাৰ হৈ যাব

ধৰিলে। মাজে মাজে সৰু সুৰা মান অভিমানে আমাৰ প্ৰেম আৰু অধিক উজ্জ্বল কৰি তুলিব ধৰিলে।

পৰস্পৰে পৰস্পৰক ত্যাগ নকৰো বুলি কিহক সাক্ষী কৰি কিমান শপত খাইছিলো তাক ব্যাখ্যা কৰিলে মহা-ভাৰত এখনেই সৃষ্টি হৈ যাব।

ফাইনেল পৰীক্ষা দি ঘৰত আহি এমাহ মান জিৰণি লৈছোঁ। মনটো সিমান এটা ভাল নহয়। অনামিকাৰ পৰা চিঠি পত্ৰও একো পোৱা নাই। কিন্তু হঠাতে সিদিনা····।

"ক্লিং ক্লিং ক্লিং; চিঠি এখন আছে। পিয়ন জনৰ পৰা চিঠিখন হাতত লৈয়েই চিনাকি আখৰ কেইটা দেখা পাই আনন্দত আত্মহাৰা হৈ পৰিলো। খৰধৰকৈ চিঠিখন খুলিলো। কিন্তু ই—কি? অনামিকাই ভ্ৰম বকা নাইতো? নাই, নাই, মোৰ বিশ্বাস নহয়। ডাঃ অসীম বৰুৱাৰ লগত অনামিকাৰ কেনেকৈ বিয়া হব পাৰে? কেনেকৈ???

অৱশেষত বন্ধু বৰ্গৰ নেৰা নেপেৰা চেষ্টাৰ অন্তত অনামিকাৰ বিয়া ভঙাৰ সিদ্ধান্তটো বাতিল কৰিলো। কিন্তু অনামিকা বিহীন মোৰ জীৱন জানো সম্ভৱ। আৰু সেই বাবেই পাই হেৰুৱাৰ অনন্ত চটফটনিৰ অৱ-সান ঘটোৱাৰ মহৌষধ এয়া-পইজন।

"ঐ, তই পাগল হৈছ নেকি? তোক বিচাৰি বিচাৰি মই হাবি জংঘল চলাথ কৰিলো। ইয়াত তই কৰিছ কি? তাতে আকৌ অকলে অকলে। জয়ন্ত কেতিয়া আহি সেইখিনি পালেহি ধৰিবই নোৱাৰিলো। কিন্তু পইজনৰ বটলটো বাৰু ক'ত? জয়ন্তই যদি সেইটো দেখে? ঘাঁহনিলৈ চাই দেখা পালো কেইটামান পৰুৱাই উদৰ ভৰাই তৃপ্তিৰে বিষখিনি খাব লাগিছে। হয়তো ক্ষন্তেক পিছতে সিহঁতৰ····। কেতিয়া বাৰু সেইটো মোৰ হাতৰ পৰা সুলকি পৰিল?? জয়ন্তই দেখে বুলি পইজনৰ বটলটো ভৰিৰে পছকি ধৰিলো। ছিঃ ছোৱালী এজনীৰ বাবে····। লাজ আৰু ঘৃনাই লাহে লাহে মোক আৱৰি ধৰিলে।

●●

সেই সেই মানুহেই শত্ৰুৰ বিৰুদ্ধে উঠিব পাৰে, কিন্তু বন্ধুৰ বিৰুদ্ধে থিয় দিব পৰা মানুহ আছেনে মোক দেখুৱাই দিয়াছোন?

—গ্লেডষ্টোন

যি মানুহে আগ্ৰহেৰে সদায় কাম কৰে তাৰ আশাই কেতিয়াও এৰি নিদিয়ে; কিন্তু সোৰোপা মানুহে চিৰকাল নিৰাশাৰ হা-হুতাশত কাল কটাব লাগে।

—কাৰ্লাইল

# হৰকান্তৰ বেদনা

যজ্ঞমণি চহৰীয়া
স্নাতক দ্বিতীয় বৰ্ষ

হৰকান্তই নঙলা মুখত বহি উচুপিব ধৰিলে। এটা ৰাতিৰ ভিতৰত গাওঁখনৰ অৱস্থা কি হ'ল? কি দোষ কৰিছিল বাৰু গাওঁখনৰ মানুহে .... সিহঁতে আহি ঘৰ দুৱাৰ ভাঙি তহলিং কৰি থৈ গ'ল। হৰকান্তই ৰাতিপুৱা বেলি ওলোৱাৰ পিছতে গাওঁখন পাইছিলহি আৰু গাওঁখনৰ ইমূৰৰ পৰা সিমূৰলৈ লক্ষ্য কৰি দেখা পালে যে সকলোৰে অৱস্থা একেই। সকলোৰে ঘৰ-দুৱাৰ আদি ভাঙি থৈ গৈছে। হৰকান্তই আহি আহি নিজৰ ঘৰৰ নঙলাত বহি লৈ উচুপিব ধৰিলে, উচুপি উচুপি কিমান সময় নঙলা মুখত বৈ আছিল কব নোৱাৰে।

হৰকান্তই এনেকৈ নঙলা মুখত বহি লৈ উচুপি থকা দেখি একে অৱস্থাৰে কেইজনমান মানুহ আহি তাৰ লগত সমভাগী হৈ চকুপানী মচিব ধৰিলে। লাহে লাহে মানুহবোৰ আঁতৰি গ'ল কিন্তু হৰকান্তই ক'বকে নোৱাৰিলে। বেলি ভৰ হৈ আহিবলৈ ধৰিলে, মূৰৰ ওপৰত যেতিয়া সূৰ্য্যৰ তীব্ৰ তাপ লাগিল তেতিয়াহে তাৰ চেতনা আহিল। সি লাহে লাহে তাৰ ভাঙি থৈ যোৱা ঘৰটোৰ ফালে আগুৱাই গৈ চাৰিওফালে চালে আৰু আকৌ বহি লৈ ঘটি যোৱা ঘটনাবোৰৰ কথা চিন্তা কৰিব ধৰিলে।

হৰকান্ত আছিল স্বাধীনতা সংগ্ৰামৰ এগৰাকী আগৰনুৱা সংগ্ৰামী। এতিয়াৰ নিচিনা সময় হোৱা হলে হৰকান্তই ৰাজনীতি কৰি এজন প্ৰাকৈত ৰাজনীতিবিদ হৈ নিৰ্বাচন খেলি এম, এল, এ নাইবা কোনোবা পাৰ্টিৰ সভাপতি হৈ থাকিব পাৰিলে হয়। কিন্তু হৰকান্তৰ মনে নধৰা কাৰণে সিমানখিনিলৈ আগবঢ়া নাছিল। হৰকান্তৰ মনত এটা বিশ্বাস আছিল যে দেশ স্বাধীন হ'ল যেতিয়া এতিয়া আৰু ভয়, সংকোচ আদিৰ কোনো কাৰণ নাই। হৰকান্তই স্বাধীনতা সংগ্ৰামত কেইবাবাৰো কাৰাবৰণ খাটিবলগীয়া হৈছিল, কিন্তু সেই কষ্টকে কষ্ট নুবুলি স্বাধীনতা সংগ্ৰামৰ কামত লাগি গৈছিল। এবাৰ মাজতে হৰকান্তই স্বাধীনতা সংগ্ৰামৰ মুক্তি যুজাৰু পেঞ্চন পাব বুলিও চৰকাৰে জনাইছিল। কিন্তু জনোৱা কথা জনোৱাতে থাকি গ'ল তাৰ কাৰণে হৰকান্তৰ কোনো আপত্তি নাই। এইবোৰ কথা চব ফুটুকাৰ ফেন হৈ গ'ল।

হৰকান্তৰ পৰিয়ালৰ সদস্য আছিল মুঠ ছয় জন। তাৰে ডাঙৰ পুতেক হৰিয়ে B. A পাছ কৰি গুৱাহাটীত ব্যৱসায় কৰিবলৈ আৰম্ভ কৰিছিল আৰু এতিয়া তাতেই নিগাজীকৈ ব্যৱসায় চলাই গৈছিল। মাজু পুতেক ৰবি, সিও B. A পাছ কৰি গাঁৱৰ স্কুল এখনত শিক্ষকতা কৰে আৰু তাৰ জৰিয়তেই ঘৰখন এতিয়া সুকলমে চলি আছে। সৰু পুতেক মণি, সি উচ্চতৰ মাধ্যমিক পৰীক্ষা দি উঠিয়েই ঘৰৰ পৰা বাহিৰ ওলাইছে। আজিলৈ ঘৰলৈ উভতি অহা নাই। বৰ্তমান সি জীয়াই আছে নে মৰিছে তাৰ কোনো শুংসূত্ৰ নাই। হৰকান্তৰ এটাই ধাৰণা হৈছে যে আজি পাছবছৰ হৈ গ'ল মনি ওলাই যোৱা, যদি সঁচাকে সি জীয়াই থাকিল হয় তেতিয়াহলে হয়তো এদিন হলেও ঘৰলৈ উভতি আহিল হয়। এতিয়া তাক মৃত বুলিয়েই ধৰি লৈছে। হৰকান্তৰ একমাত্ৰ জীয়েক মনীষা, বৰ্ত্তমান তাই স্থানীয় কলেজ এখনত স্নাতকৰ কলা শাখাত দ্বিতীয় বৰ্ষত পঢ়ি আছে আৰু পৰিয়ালৰ আন এজনী সদস্যা হ'ল হৰকান্তৰ ঘৈনীয়েক মাকনি। এয়াই পৰিয়াল হৰকান্তৰ।

সিদিনা আছিল ৰবিবাৰ। ৰাতিপুৱা আঠমান বজাতেই এখন গাড়ীত থানাৰ চাব ইঞ্চপেক্টৰৰ অধীনত আহিল প্ৰায় চৈধ্যজন মান মুখত কলা কাপোৰ পৰিহিত অস্ত্ৰ ধাৰী যুৱক। সিহঁতে আহিয়েই হৰকান্তক সুধিছিল যে মনি আহিছিল নেকি? যদি সি আহিছে ক'ত লুকুৱাই ৰাখিছে উলিয়াই দিব লাগে। হৰকান্তই পুলিচ বাহিনীৰ নেতা চাব ইঞ্চপেক্টৰক সকলোবোৰ কথা বুজাই বুৰাই কলে আৰু লগতে গাঁৱৰ দুই চাৰিজনে কৈছিল যে সি আজি পাঁচ বছৰ আগতে ঘৰৰ পৰা বাহিৰ ওলাইছিল আজিলৈ তাৰ মুখ দেখা নাই। মাকে সি আহিব আহিব বুলি সদায় ভাতৰ কাঁহি সজায় থৈ দিয়ে ৰাতি কেতিয়াবা আহিব পাৰে বুলি চাকি জ্বলাই বৈ থাকে। কিন্তু আজিলৈ তাৰ দেখা দেখি নাই। গতিকে তাক ক'ত লুকুৱাই ৰাখিব। এনেকৈ মাজে মাজে মনিক বিচাৰি পুলিচ

আহি থকাটো এটা অভ্যাসত পৰিণত হৈছে। এনেকৈ কেইমাহমান গ'ল।

এদিন হঠাতে আকৌ পুলিচ বাহিনীয়ে হৰকান্তৰ চোতাল ভৰি পৰিল। সিদিনা আছিল বুধবাৰ, আগৰ কেইবাৰ অহাৰ দৰে অহা নাছিল, আহিছিল থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত প্ৰায় চল্লিচ, পঞ্চাচজন মান সেনা-পুলিচ, আৰু চি, আৰ পিৰ জোৱান। থানাৰ বিষয়াই হৰকান্তৰ ঘৰ ঘেৰাও কৰি লবলৈ আদেশ দিলে আৰু হৰকান্তক কৈছিল যে তেওঁৰ ডাঙৰ ল'ৰা ৰবিয়ে গুৱাহাটীৰ এজন বিধায়কৰ দেহৰক্ষীৰ হাতত থকা A. K 47 ৰাইফল এটা কাঢ়ি লৈ পলায়ন কৰিছে। গতিকে ৰবি নিশ্চয় ঘৰলৈ বুলি আহিছে সেয়ে এই তালাচী অভিযান। হৰকান্তই ভাৰপ্ৰাপ্ত বিষয়াক বুজাই-ছিল যে তেওঁৰ ল'ৰাই তেনে কাম নকৰে আৰু এইটোও কৈছিল ৰবি বৰ্তমান ঘৰলৈ অহা নাই। তথাপি ভাৰপ্ৰাপ্ত বিষয়াই কথাটো মানিবলৈ টান পালে আৰু কনিষ্টবল কেই-জনক ঘৰৰ ভিতৰত তালাচী চলাবলৈ আদেশ দিলে। আদেশ মতেই কাম কৰিলে, ভিতৰত সন্দেহ জনক একো নাপালে যদিও ৰবিৰ ঘৰত পিন্ধা কেইযোৰ মান কাপোৰ আৰু এযোৰ চেণ্ডেল পালে। সেই কাপোৰ আৰু চেণ্ডেল যোৰ ৰবিয়ে ঘৰলৈ বুলি আহিলে পিন্ধিৰ পৰাকৈ আনি থৈছে। সেয়ে পুলিচৰ চকুত সেইখিনি পৰিল। গতিকে পুলিচৰ সন্দেহ বাঢ়িল, ৰবি নিশ্চয় আহি আত্মগোপন কৰিছে। নাইবা ইহঁতে পলুৱাই ৰাখিছে, যদিহে ৰবিক আজিৰ ভিতৰত উলিয়াই দিব নোৱাৰে তেতিয়াহলে পৰিয়ালৰ এজন সদস্যও বাচি থাকিব নোৱাৰিব বুলি শেষবাৰৰ কাৰণে সকিয়নি দি থৈ গৈছিল আৰু আবেলি ৰবিক থানাত হাজিৰ হবলৈ কৈ গৈছিল।

নিশা বাৰ মান বজাত হৰকান্তৰ ঘৰৰ নঙলা মুখত গাড়ী আহি ৰোৱা শুনি হৰকান্তই থৰ্ মক্‌কৈ ওলাই আহি বাহিৰত দেখে যে চৰকাৰী বাহিনী। চোতালত আহি সিহঁতে কিবা কিবিবোৰ কৈ আছে হৰকান্তই একো বুজি পোৱা নাছিল। তাৰ পাছৰ পৰাই আৰম্ভ হৈছিল হৰকান্ত হঁতৰ ওপৰত এক নাৰকীয় অত্যাচাৰ। এজনে আগুৱাই আহি হৰকান্তক সুধিছিল ৰবি ক'ত আছে আৰু হৰকান্তই নাজানো বুলি কৈছিল। হৰকান্তৰ উত্তৰ পোৱাৰ পাছৰ পৰাই অত্যাচাৰ আৰম্ভ হৈছিল। হৰকান্তক এজনে টানি আনি ৰবিৰ কথা সুধি সুধি ৰাইফলৰ খুণ্ডাৰে মাৰি মাৰি বাহিৰত হাত ভৰি বান্ধি পেলাই লৈ গছকিব ধৰিছিল। মাজু পুতেক হৰিক মাৰি মাৰি নি গাড়ীত উঠাই লৈছিল আৰু তাৰ পাছত নিৰ্যাতন চলিল হৰি, ৰবি, মনিৰ একমাত্ৰ ভনীয়েক মনীষাৰ ওপৰত। চৰকাৰী বাহি-নীৰ জোৱানসকলে এজনৰ পিছত এজনকৈ মনীষাৰ ওপৰত চলাইছিল এক পাশৱিক অত্যাচাৰ আৰু মনী-ষাৰ মুখৰ মাত নোহোৱা হৈ গৈছিল আৰু তাৰ পাছত আৰম্ভ হৈছিল হৰকান্তৰ ঘৈনীয়েকৰ ওপৰতো পাশ-ৱিক অত্যাচাৰ। সিহঁতে হৰকান্তৰ ঘৰ দুৱাৰ ভাঙি বস্ত্ৰ-বস্তু লুট কৰি লৈ গুছি গৈছিল আৰু গাঁৱৰো প্ৰত্যে-কৰে অৱস্থা একেই কৰি থৈ গৈছিল। পিছদিনা হৰকান্তই ৰাতিপুৱা কেকাই কেকাই গৈ গাৱঁৰে ৰিক্সা এখন ধৰি আনি ঘৈনীয়েক আৰু জীয়েক মনী-ষাক তুলি নি হস্পিতেলত ভৰ্ত্তি কৰালে আৰু হস্পিতেলৰ পৰা বাহিৰে বাহিৰে শহুৰেকৰ ঘৰত থৈ আহিছিল। গাঁৱৰ প্ৰত্যেক মানুহেই ঘৰ দুৱাৰ এৰি কৰবালৈ গুছি গৈছে। কাৰণ হৰ-কান্তহঁতৰ গাওঁখনতহে যেন গোটেই-বোৰ উগ্ৰপন্থীয়েই হওক নাইবা আণ্ডাৰ গ্ৰাউণ্ডৰ মানুহ জমা হৈ আছে। লাহে লাহে সেনা পুলিচ আহাৰ আশা এৰিলে। গাঁৱৰ মানুহবোৰে এজন, দুজনকৈ ঘৰলৈ বুলি আহি দিনটো থাকি আবেলি কৰবালৈ গুছি যায়।

লাহে লাহে সূৰ্য্যটো ডুব গ'ল। হৰকান্তই সূৰ্য্যটোলৈ চালে, গাওঁখন আৰু ঘৰখনলৈ বুলি চাই নমস্কাৰ এটি দি তাৰ পৰা খোঁজ ললে। হৰকান্তৰ যাওঁতে হৃদয়খন চূৰ্ণ বিচূৰ্ণ হৈ গৈছে। কিয়নো নিজৰ গুৱনি গাঁওখন এৰি আন কৰবালৈ যাব লগা হৈছে। মাত্ৰ হৰকান্তৰ বুকুত থাকিল গভীৰ বেদনা, ক্ষোভ ...... ।

★★

# প্ৰতীক্ষাৰ অন্তত

ৰমেন নাথ
স্নাতক ২য় বাৰ্ষিক (কলা)

এটা ভিতৰুৱা অঞ্চলত নতুনকৈ কেম্পটো বহুৱাইছে সপোনহঁতে। শত্ৰুৰ আক্ৰমণৰ পৰা কথমপি প্ৰাণ লৈ পলাই আহিছে সিহঁত। কিন্তু সিহঁতে হেৰুৱাব লগা হৈছে দুজন অভিজ্ঞ সহসৈনিক পল আৰু অজয়ক। লগতে অনুপ হৈ পৰিছিল পংগু। তাৰ আঠুত গুলী লাগিছিল। সপোনে একপ্ৰকাৰ তাক দাঙিয়েই লৈ আনিছিল। তিনিদিন আগৰ ঘটনাটো মনত পেলাবলৈ চেষ্টা কৰিলে সপোনে। একনম্বৰ কেম্পৰ দায়িত্ব অনুপক দি সি আধা ফাৰ্লং দূৰত থকা দুই নম্বৰ কেম্পলৈ আহি আছিল। এনেতে তাৰ কাণত বাজি উঠিল বন্দুকৰ গুৰুম্ গুৰুম্ শব্দ। তাৰ পিছত সি আৰু অপেক্ষা কৰিব লগা নহ'ল। প্ৰায় দহ মিনিট জুৰি দুয়ো পক্ষৰ মাজত হোৱা গুলীয়া গুলীৰ শব্দ শুনাৰ বাহিৰে তাৰ আন একো উপায় নাছিল। মাত্ৰ সি তাৰ ককালত থকা আত্মৰক্ষাৰ একমাত্ৰ সম্বল ৰিভলভাৰটো উলিয়াই লৈছিল। কি কৰিব কি নকৰিব একো উৱাদিহ নাপাই সেই ঠাইতেই সি বহুসময় থৰ হৈ ৰ'ল। তাৰ পিচত এক নম্বৰ শিবিৰলৈ ঘূৰি যাবলৈ মনস্থ কৰি এখোজ পেলাইছিলহে মাত্ৰ এনেতে বিপৰীত দিশত গছৰ পাতৰ শব্দ শুনি সি উচপ খাই উঠিল আৰু লগতে গৰজি উঠিবলৈ সাজু হ'ল তাৰ ৰিভলভাৰটোৱেও। কিন্তু তাৰ ধাৰণা ভুল বুলি প্ৰমাণিত কৰি কোনোমতে খোজকাঢ়ি ওচৰ চাপি আহিছিল অনুপ। অনুপে সকলো বিৱৰি কলে যে পল আৰু অজয়ক বাদ দি সকলো নিৰাপদ। সিহঁতৰ মৃত্যুৰ বাতৰি পাই সি শোকত প্ৰিয়মান হ'ল। কিন্তু যেতিয়া দেখা পালে অনুপৰ অৱস্থাও বৰ ভাল নহয় তেতিয়া ততালিকে সি দুই নম্বৰ কেম্পলৈ তাক দাঙি লৈ আহিল আৰু চিকিৎসাৰ ব্যৱস্থা কৰিলে। তাৰ পাচত সিহঁত সকলোৱে মিলি মৃত পল আৰু অজয়ক সিহঁতৰ সংগঠনৰ মৰ্য্যাদাৰে সৎকাৰ কৰিলে। তাৰ পিছতই সিহঁত দুই নম্বৰ কেম্পটোও বিপদশংকুল বুলি ভাবি নতুন ঠাই এটুকুৰালৈ বুলি পৰিৱৰ্তন কৰিলে।

এই ঘটনাটো পাহৰিবলৈ সপোনে তাৰ গিটাৰখন হাতত তুলি ললে আৰু এটা শুৱলা সঙ্গীতৰ ধ্বনিৰে পৰিৱেশটো মধুময় কৰি তুলিলে। লগে লগে তাৰ মনত পৰিল স্বপ্নাক দি অহা প্ৰতিশ্ৰুতিবোৰ। স্বপ্নাই ভাল গান গাইছিল। তাইৰ কথা ভবাৰ লগে লগে তাৰ মাকলৈও মনত পৰিল। এবাৰ ঘৰলৈ যাবৰ বাবে তাৰ মনটো বৰ ব্যাকুল হৈ উঠিল। কিন্তু অনুপৰ কথা চিন্তা কৰি সি দুদিনমান অপেক্ষা কৰিব লাগিব। কাৰণ সি কেম্পৰ দায়িত্ব অনুপক দিহে কেম্প এৰিব পাৰিব। 'এৰিয়া কামাণ্ডাৰ' সপোন বৰুৱা ওৰফে সপোন ফুকনৰ আজি সাত বছৰ হ'ল সংগঠনটোত যোগ দিবলৈ। সাধাৰণ সদস্য হিচাপে আত্মপ্ৰকাশ কৰা সপোন আজি সংগঠনটোৰ জ্যেষ্ঠ সদস্য। তাৰ নেতৃত্বতেই বহুতো সফল অভিযানো সমাপ্ত কৰিছিল সংগঠনটোৱে। বহুবাৰ সি মৃত্যুৰ লগত যুঁজিছে। কিন্তু সি হাৰি যোৱা নাই। সি ঘৰ এৰিবৰ সময়ত মাকক কোৱা মনত আছে "মা দেশমাতৃৰ পূজাৰ বাবে ওলালো। মোৰ জীৱনটো দেশ মাতৃক দান কৰিব পাৰিলেই মোৰ সপোন পূৰ্ণ হব।" সেইদিনা তাৰ মাকৰ নয়নজুৰিৰে ধাৰাসাৰে চকুলো নিগৰিছিল আৰু সেই অশ্ৰুবোৰ সপোনে আশীৰ্বাদ বুলি গ্ৰহণ কৰিছিল। কেইদিনমান পিছতেই সপোনে তাৰ সহকাৰী অনুপক ঘৰলৈ যোৱাৰ ইচ্ছাৰ বিষয়ে জনালে। অনুপ আচৰিত হৈছিল, কাৰণ সপোনে সংগঠনটোত যোগ দিবৰ দিনাৰে পৰা তাৰ ঘৰৰ বিষয়ে এটা শব্দও উচ্চাৰণ নকৰিছিল। আনহাতে যোৱাৰ পথো কণ্টকময়। কাৰণ চাৰিওফালে শত্ৰুসেনা।

ৰাতিৰ বাছত সপোন বৰুৱাই যাত্ৰা কৰিলে নিজৰ ঘৰলৈ বুলি। এটা নিৰ্দিষ্ট সময়ত সি সিহঁতৰ ষ্টেছনটো পালেগৈ। ঘৰলৈ বুলি সি লাহে লাহে খোজ ললে। যাওঁতে বিপদৰ কথা ভাবি সি এবাৰ তাৰ ককালত থকা সাৰথিটোলৈ চুই চালে। তাৰ মনত পৰিল গাওঁখনৰ কথা। শোষিত, নিষ্পেষিত দৰিদ্ৰবোৰৰ কথা। লগতে তাৰ মনত পৰিল তাৰ প্ৰাণতকৈও আপোন স্বপ্নাজনীৰ কথা। "স্বপ্না

কিজানি এতিয়া বৰ এজনী হ'ল" সি ভাবিলে। তাই যে কৈছিল "মই তোমাৰ বাবে অপেক্ষা কৰিম। তুমি মোৰ পৰা দূৰলৈ আঁতৰি যাব বিচাৰিছা। তুমি মোৰ প্ৰেমক বিশ্বাস-ঘাতকতা কৰি " আৰু তেতিয়া সি তাইক বুজাইছিল যে স্বপ্নাক সি তাৰ প্ৰাণতকৈও ভাল পায়। কিন্তু দেশৰ এই অৱস্থাৰ অৱসান ঘটাবলৈও সি আজি প্ৰতিশ্ৰুতিবদ্ধ। শেষত স্বপ্নাই তাৰ বুজনি মানিছিল। আজি সাতবছৰে সি তাইক দেখা নাই। স্বপ্নাই তাক দেখি আঁচৰিত হব আৰু অভিমান কৰি কান্দি দেখুৱাব বুলি সি কল্পনা কৰি গৈ থাকিল। সিহঁতৰ ঘৰ পোৱাৰ আগতেই স্বপ্নাহঁতৰ ঘৰ। তেতিয়া ৰাতিৰ অন্ধকাৰে মেলানি মাগিছে। দুই এটা চৰাইয়ে গছৰ ডালত পৰি সিহঁতৰ বিবহৰ গীত গাইছে। তাক দেখি আজি চৰাইবোৰে যেন বেছিকৈ চিঞৰিছে। তাৰ তেতিয়া মনত পৰিল স্বপ্নাৰ পাৰযোৰৰ কথা। পাৰযোৰ তাইৰ বৰ মৰমৰ আছিল। যেতিয়াই সিহঁত হালক তাই মাতিছিল তেতিয়াই সিহঁত আহি তাইৰ হাতত পৰিছিল। সি ভাবিলে পাৰযোৰ বাৰু এতিয়াও আছেনে আৰু স্বপ্নাজনীও আগৰ স্বপ্না-জনীয়ে হৈ আছেনে? তাৰ ওচৰতে সি এনেকুৱা এটা ভয়লগা শব্দ শুনিলে যে সি ভয় খাই গ'ল। সপোনে নাভাবিম বুলিও ভাবিবলৈ বাধ্য হ'ল। তাৰ কল্পনাবোৰ জানো কল্পনা হৈ থকাৰেই ই এটা আগজাননী নহয়। এখোজ দুখোজকৈ গৈ গৈ সি স্বপ্নাহঁতৰ পদূলিমুখ পালেগৈ। জপনা খুলি সি ভিতৰলৈ সোমাই গ'ল। ইমান দেৰিলৈকে বাৰু স্বপ্নাজনী কিয় শুই উঠা নাই? আগতেটো তাই এনেকুৱা নাছিল, সপোনে মনতে কবলৈ ধৰিলে। তাৰ পিছত স্বপ্না স্বপ্নাকৈ কেইবাবাৰো মাতিলে। কিছু সময় অন্তত তাৰ সম্পূৰ্ণ অচিনাকি এজনী তিৰোতা মানুহ ওলাই আহিল। সি জানিব পাৰিলে সেয়া স্বপ্নাৰ নবৌয়েক। সি মানুহ জনীৰপৰা আদ্যোপান্ত শুনি মূচকচ যাবৰ উপক্ৰম হ'ল। সি ককালৰ বিভলভাৰটো উলিয়াই চিঞৰি চিঞৰি কবলৈ ধৰিলে "মই তহঁতক শুদাই নেৰো। স্বপ্নাৰ হত্যাকাৰী-হঁতক এটা এটাকৈ চিনাক্ত কৰি মই তিল তিলকৈ নৃশংস ভাৱে হত্যা কৰিম।" সেই চিঞৰত স্বপ্নাৰ ককায়েকো উঠি আহিল। তাৰ পিচত সপোনে স্বপ্নাৰ ককায়েকক সাৱটি ধৰি:ল আৰু 'বৰমা' অৰ্থাৎ স্বপ্নাৰ মাকৰ বিষয়ে শুধিলে। স্বপ্নাৰ মাকৰ মৃত্যুৰ কথা জানিব পাৰি সি আৰু মৰ্মাহত হ'ল আৰু স্বপ্নাৰ ধৰ্ষণকাৰী-সকলৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবে সি দৃঢ় প্ৰতিজ্ঞ হ'ল। স্বপ্নাৰ বৌয়েকে কান্দি কান্দি কোৱা কথা কেইষাৰলৈ তাৰ মনত পৰিল। তোমাৰ কথা মোক তাই সদায়েই কৈ আছিল। সদায় ৰাতিপুৱা আৰু গধূলি তাই পদূলিমুৰত তোমাৰ বাবে অপেক্ষা কৰিছিল। আজি দুবছৰ আগত এদিন গধূলি তাই যেতিয়া পদূলি মুৰত বৈ আছিল, সেই সময়তে এদল সেনাৰ জোৱান আমাৰ ঘৰলৈ আহিছিল। সিহঁতে তাইক তোমাৰ বিষয়ে সুধিছিল। স্বপ্নাই একো কব নোৱাৰাৰ বাবে সিহঁতে তাইক গাড়ীত উঠাই লৈ গৈছিল। বহুত কাকুতি মিনতি কৰিও তাইক আমি সিহঁতৰ হাতৰ পৰা আনিব নোৱাৰিলো। বৰঞ্চ সিহঁতে আমাক বন্দুকৰ নলীৰে কোবাই আৰু ভৰিৰে গুৰিয়াই খেদি পঠাইছিল। ৰাতিটো কান্দি কাটি কটাই পিছদিনা ৰাতিপুৱাতেই আমি সিহঁতৰ ওচৰলৈ বুলি ৰাওনা হলো। তাত গৈ গম পালো সিহঁতে এই বিষয়ে একো নাজানে। আমি বৰ ভয় খালো আৰু তেতিয়াই কোনো-বাই আমাক খবৰ দিলে যে তাই নদীৰ পাৰত মুমূৰ্ষু অৱস্থাত পৰি আছে। আমি দৌৰি গৈ নদীৰ পাৰত তাইৰ দেহটো উদ্ধাৰ কৰিলো। তেতিয়া তাই মোক কলে যে ৰাতি সেনাৰ জোৱানে তাইৰ দেহৰ পবি-ত্ৰতা কাঢ়ি নিছে। তাই সেইটো দেহ তোমাক দেখুৱাব নোৱাৰে। তাই তোমাৰ লক্ষ্যত যাতে তুমি উপনীত হব পৰা তাৰ কামনা কৰিছে আৰু তোমাৰ নাম লৈয়েই তাই শেষ নিশ্বাস ত্যাগ কৰিলে। তাৰপিছত সি আৰু মনত পেলাব নোৱাৰিলে। সি হুক্ হুক্‌কৈ কান্দি উঠিল। তাৰ পিছত সি মৌন হৈ ৰ'ল আৰু কবলৈ ধৰিলে "মোৰপৰা এজনী স্বপ্না কাঢ়ি লৈ গৈ তহঁতে কি পাবি। দেশমাতৃৰ হাজাৰ গৰাকী স্বপ্নাক আমি সুৰক্ষা দিম। তাৰ বাবে আমি জীৱন দিম।" তাৰপিছত সি নিজৰ ঘৰলৈ বুলি খোজ পেলালে .... ॥

★★

# লালকিল্লাত এদিন

(ব্যঙ্গাত্মক ৰচনা)

● জয়ন্ত শৰ্মা
স্নাতক ৩য় বৰ্ষ

প্ৰধান মন্ত্ৰীৰ ঘোষণাটো শুনি গোটেই দেশত হুলস্থুল লাগিল। নতুন প্ৰধান মন্ত্ৰী হিচাবে শপত গ্ৰহণ কৰিয়েই অনাতাৰ আৰু দূৰদৰ্শন যোগে দেশবাসীৰ উদ্দেশ্যে এনে এটা ভাষণ দিব বুলি কোনেও কল্পনা কৰা নাছিল।

ইতিমধ্যে বিৰোধী দলৰ দল-পতিয়ে বিৰোধী জোঁটৰ সভা এখন আহ্বান কৰি সমগ্ৰ দেশজুৰি সৰ্বাত্মক ধৰ্মঘটৰ আহ্বান দিলে। আমি প্ৰতিবাদ কৰিবই লাগিব। নিৰ্বাচনৰ সময়তো ব্যাপক ৰিগিং। এতিয়া আকৌ দেশ ধ্বংসৰ প্ৰয়াস। সদনৰ বাহিৰে ভিতৰে হুহস্থুল লগাম। চৰকাৰৰ বিৰুদ্ধে অনাস্থা আনিম। দৰ্কাৰ হ'লে লোক সভাৰ সদস্য পদো ত্যাগ কৰিম। প্ৰয়োজন সাপেক্ষে ন্যায়ালয়ৰ ওচৰ চাপিম।

ইতিমধ্যে প্ৰধান মন্ত্ৰীৰ ঘোষণা অনুসৰি ৰাষ্ট্ৰ পতিয়ে বিশেষ এক অধ্যাদেশৰ জৰিয়তে দুৰ্নীতিক মৌলিক অধিকাৰৰ অন্তভূৰ্ক্ত কৰা হ'ল। চৰকাৰী কৰ্মচাৰীকে ধৰি প্ৰত্যেকজন সুনাগৰিকৰ ক্ষেত্ৰত দুৰ্নীতিক 'মৌলিক কৰ্তব্য'ৰ ভিতৰত ধৰিবলৈ সংশ্লিষ্ট মন্ত্ৰী দপ্তৰলৈ প্ৰধান মন্ত্ৰীয়ে নীতি নিৰ্দ্দেশনাও পঠিয়ালে।

প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিলে যে দুনীতি নিবাৰণ সম্পৰ্কত আয়োগে দাখিল কৰা প্ৰতিবেদনখন নতুন চৰকাৰে গ্ৰহণ কৰিছে। অৱশ্যে এই ক্ষেত্ৰত আয়োগৰ বিতং প্ৰতিবেদনৰ ব্যাখ্যা আগবঢ়াবলৈ প্ৰধান মন্ত্ৰীয়ে অস্বীকাৰ কৰিলে। প্ৰধান মন্ত্ৰীয়ে পুনৰ জোৰ দি ক'লে যে, যিহেতু গণতন্ত্ৰত সংখ্যাধিক্যৰ মতৰ প্ৰাৱল্য চলে। আনহাতে যিহেতু গোটেই দেশখনৰ বিষয়া কৰ্মচাৰীৰ বেছি ভাগেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে দুৰ্নীতিত লিপ্ত। গতিকে তেওঁ সংখ্যা গুৰুৰ মত আৰু আদৰ্শৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি দুৰ্নীতিক ৰাষ্ট্ৰীয় কৰণ কৰিবলৈ প্ৰচেষ্টা চলাইছে।

দুৰ্নীতিত লিপ্ত কৰ্মচাৰীৰ প্ৰতি সাহসিকতা "চুপাৰ হিৰ" এৱাৰ্ড প্ৰত্যেক বছৰে স্বাধীনতা দিবসৰ দিনা প্ৰদান কৰাৰ কথা প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰিলে ৰাজ্যিক পুলিচ বিভাগ বোৰত কিন্তু এই লৈ বিৰাট অসন্তুষ্টিৰ সৃষ্টি হ'ল। সুচতুৰ ৰাজনীতিজ্ঞ প্ৰধানমন্ত্ৰীয়ে ২য় খন চিপাহী বিদ্ৰোহৰ হাত সৰাব বাবে সামৰিক বাহিনীক সষ্টম হৈ থাকিবলৈ নিৰ্দেশ দিলে। প্ৰধানমন্ত্ৰীৰ মতে এতিয়া আৰু অপৰাধীক ধৰিবলৈ পুলিচৰ প্ৰয়োজন নাই। অৱশ্যে মন্ত্ৰী, এম-এল-এ-ৰ আগে পিছে গাড়ী দৌৰাবলৈ কিছু সংখ্যক দেহৰক্ষীৰ প্ৰয়োজন হ'ব। প্ৰধান মন্ত্ৰীৰ ঘোষণাৰ প্ৰতি ব্যাপক ভাৱে জন সমৰ্থন আহিব ধৰিলে। দিল্লী, বোম্বাই কলিকতা, মাদ্ৰাজ, গুৱাহাটী আদি দেশৰ প্ৰধান নগৰ আৰু বাণিজ্যিক কেন্দ্ৰ সমূহত প্ৰধান মন্ত্ৰীক জিন্দাবাদ দি কৰ্মচাৰী আৰু ব্যৱসায়ী সকলে শোভাযাত্ৰা বাহিৰ কৰিব ধৰিলে।

দেশৰ আন আন ঠাইৰ দৰে গুৱাহাটীৰ ফাঁচী বজাৰতো ব্যৱসায়ী "সমৃদ্ধি দিৱস" উলহ মালহেৰে পালন কৰা হ'ল। প্ৰধান মন্ত্ৰীৰ আশ্বাসত ব্যৱসায়ী মহলে স্বস্তিৰ নিশ্বাস পেলালে।

"দুৰ্নীতি-পঞ্জীয়ন" অফিচ সমূহত মানুহৰ দীঘলীয়া শাৰী দেখা গ'ল। অহা পোন্ধৰ আগষ্টত প্ৰধান মন্ত্ৰীয়ে পুৰস্কাৰ সমূহ ঘোষণা কৰাৰ কথা।

দিল্লী-বোম্বাইৰ পঞ্জীয়ন অফিচৰ বৰ্ফছ বৰটোপৰ পৰা শ্বেয়াৰ বজাৰ কেলেংকাৰীকে ধৰি বোম্বাইৰ বোমা বিস্ফাৰণৰ নিজ নিজ কৃতিত্ব লৈ বিভিন্ন মন্ত্ৰী, মহামন্ত্ৰী, পালিমন্ত্ৰী, বিষয়া কৰ্মচাৰী হাজিৰ হ'ল। সকলোৰে হাতত দীঘলীয়া কৰ্মশ্ৰীৰ খতিয়ান।

গুৱাহাটীৰ পঞ্জীয়ন অফিচত এল-ও-চি কেলেংকাৰীকে ধৰি বান সাহায্য কেলেংকাৰী আৰু অসমৰ বিভিন্ন আন্দোলন দমন কৰা কেলেংকাৰীৰ বিতং তথ্যৰে অসংখ্য মানুহ হাজিৰ হ'ল। আনকি গুৱাহাটীৰ ফুটপাথে ফুটপাথে ঘূৰি ফুৰা, বাছ আস্থান বোৰত ভিক্ষা খুজি ফুৰা

কনা কুঁজা ভিক্ষাৰী বোৰেও প্ৰমাণ সহকাৰে দেখুৱালে যে, কেনেকৈ সিহঁতে কণা কুজাঁৰ একটিং কৰি চান্স পালে যাত্ৰীৰ ধনৰ বেগ সৰকায়। গাৱে ভূক্ৰে, নগৰে চহৰে নেপথ্যত গুন-গুননি চলিব ধৰিলে।

: তিনিবাৰকৈ বি-এ ফেল কৰা শিখা চৌধুৰী। হাতত জন্মলগ্নৰ সোঁৱৰণী। "কুৰিতহে বুঢ়ী, এতিয়াও আঠমাহ বাকী। ডাক্তৰ-ইঞ্জিনীয়াৰ নাপালেও প্ৰফেচাৰতো পাম।"

: অটোৰ মিটাৰ বকচ্‌লৈ চাই গাঁৱৰ দুখীৰামে স্বীকাৰ কৰিলে। আমাৰ ভূমিধৰ মহাজনৰ মুখৰ বাণী আৰু অটো চালকৰ মুখৰ বাণীৰ পাৰ্থক্য দেখোন নাই।

: হাতত কাঠৰ চেম্পোল লৈ আগবাঢ়িল প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ বীৰেন অধিকাৰী। এটা বছৰতে একেখন দলংতেই চাৰিবাৰেইচোন হ'ল। মদাৰৰ খুটাহে— শালৰটো নহয়?

: বৰকেৰানী ধ্ৰুৱ মেধি। R.C.C. ঘৰটোৰ ওপৰ মহলাত ৰাজধানীৰ যাত্ৰীবোৰৰ অলেখ লেখ চোৱাত ব্যস্ত। পদুলিত দুখনকৈ আধুনিক মডেলৰ গাড়ী। তেজপুৰ, মঙ্গলদৈ, ডিব্ৰুগড়ত এৰে কাখনকৈ স্বৰ্গপুৰী। অথচ মাহেকত দৰমহা দুহেজাৰহে।

ইতিমধ্যে সমগ্ৰ দেশৰ দুৰ্নীতি পঞ্জীয়ন অফিচবোৰৰ ৰেকৰ্ড অনুসৰি দেশৰ ৯০ শতাংশতকৈও অধিক লোক দুৰ্নীতিত লিপ্ত থকাৰ প্ৰমাণ পোৱা গ'ল। অৱশ্যে কিছু সংখ্যক কৃষক, শ্ৰমিক, সৰু ধৰণৰ চাকৰিয়ালক প্ৰয়োজনীয় প্ৰমাণ পত্ৰৰ অভাৱত পঞ্জীয়ন অফিচত নাম ভৰ্তি কৰাব পৰা নগ'ল। এনে যোগ্যহীনতাৰ বাবে অৱশ্যে তেওঁলোকৰ পাৰিবাৰিক অশান্তি হোৱাৰ দুই এটা সৰু-সুৰা খবৰ বাতৰি কাকতৰ জৰিয়তে পোহৰলৈ নহাও নহয়।

আজি পোন্ধৰ আগষ্ট। খন্তেক পিছতে লালকিল্লাৰ চূড়াত ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰি প্ৰধান মন্ত্ৰীয়ে দেশবাসীৰ উদ্দেশ্যে ভাষণ দিব আৰু ভাষণৰ লগতে "চুপাৰ হিৰ' এৱাৰ্ড" লাভ কৰা ব্যক্তি সকলৰ নাম ঘোষণা কৰাৰ কথা।

ৰেডিঅ' আৰু টি-ভি-ৰ ওচৰত মানুহৰ বিৰাট ভিৰ। পোন্ধৰ আগষ্টৰ বৰ্ণনা শুনা বা দিল্লীৰ কুচ্‌কাৱাজ চোৱাৰ ইচ্ছা কাৰোৰেই নাই। সকলোৰে চকু কোটি টকীয়া পুৰস্কাৰ সমূহৰ ওপৰত।

প্ৰধাতমন্ত্ৰীৰ কণ্ঠস্বৰ ভাঁহি আহিল "ভাইয়ো বহনো— দেছকে আজাদী কে লিয়ে ......।" চাৰিওফালে কাঁহ পৰি জীণ যোৱা অৱস্থা। সকলোৰে চকু নিঠৰ হৈ ৰ'ল। প্ৰধানমন্ত্ৰীয়ে হেনো দুৰ্নীতিবান সকলক চিনাক্ত কৰিছে। যিটো আজি স্বাধীনতাৰ দুকুৰি আঠ বছৰৰ পিছতো সম্ভৱ হোৱা নাছিল। প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিলে— দুৰ্নীতি পৰায়ণ কৰ্মচাৰৰীৰ ওপৰত এতিয়া কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। প্ৰধান মন্ত্ৰীৰ মতে পুৰস্কাৰৰ আটাইখিনিৰ ধন তেওঁহে পাবৰ যোগ্য। কাৰণ ভুৱা পুৰস্কাৰৰ প্ৰলোভনেৰে তেওঁ বাৰু কমখন দুৰ্নীতি নকৰিলেনে? প্ৰতিশ্ৰুতি ভঙ্গৰ দুৰ্নীতি!

লালকিল্লাৰ পৰম্পৰা সিদিনা ভঙ্গ হ'ল। নিস্তব্ধ হৈ পৰিল সমগ্ৰ দেশবাসী। শিল পৰা কুঁপৌৰ দৰে জঠৰ হৈ ৰ'ল অভ্যাগত ৰাষ্ট্ৰপ্ৰধান সকল। বৰটোপ বোৰো তেতিয়া স্তব্ধ হৈ আছিল। প্ৰতিধ্বনিত নহ'ল হাত চাপৰি। কিন্তু আচৰিত কথা ত্ৰিৰঙ্গ পতাকাখন তেতিয়াও কঁপি কঁপি নাচিয়েই আছিল।

★★

চৰিত্ৰবান লোকে নৈতিক সাহৰ বলত সদায় সৰ্চা কব পাৰে; অপ্ৰিয় সত্য পিচ ভৰি নহয়।

—স্মাইলচ

প্ৰকৃত ধৰ্মই মানুহক ঘৃণা কৰিবলৈ বা আনক হিংসা কৰিবলৈ নিশিকায়।

—মহাত্মা গান্ধী

(অসম নাট্য সন্মিলনৰ সৌজন্যত সদৌ অসম ভিত্তিত পতা "একাংকিকা নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতা"ত তৃতীয় সন্মান প্ৰাপ্ত…)

# নতুন সূৰুযৰ সন্ধানত

[একাংকিকা]

**প্ৰণতি দেৱী**

স্নাতক প্ৰথম বৰ্ষ

নাটকৰ

| চৰিত্ৰসমূহ | বয়স |
|---|---|
| ১। ৰুমী বাইদেউ | (৩৫ বছৰ) |
| ২। মিতালী | (২০ বছৰ) |
| ৩। মণিতা | (২০ বছৰ) |
| ৪। প্ৰণামি | (২০ বছৰ) |
| ৫। প্ৰাজ্ঞিতা | (২৫ বছৰ) |

## মঞ্চ সজ্জা

[এটা সৰু ভাড়া ঘৰৰ কোঠালী। এখন পঢ়া টেবুল। তাত কেইখনমান কিতাপ, এখন বেগ, পেন এনেদৰে থাকিব। দুখন চকী আৰু এখন বিচনা পৰা থাকিব। আৰু থাকিব বেৰত কেইখনমান কেলেণ্ডাৰ]

(আৰ কাপোৰ টনাৰ লগে লগে মিতালীয়ে অস্থিৰ ভাৱে কোঠাটোত ইফাল সিফাল কৰি থাকিব। মাজে মাজে ঘড়ী চাব আৰু আগুৱাই গৈ বাহিৰলৈ চাই পুনৰ ঘূৰি আহে আৰু লগে লগে কৈ আহে )

মিতালী—ছে:, দুইঘণ্টাৰ কাম এটাতে তিনিঘণ্টা লগাইছে। এনেদৰে কিবা কাম কৰিব পাৰি নেকি? আৰম্ভ ণিতেই এনেকুৱা হলে আমিচোন একো এটাই কৰিব নোৱাৰিম। (কৈ কৈ বিৰক্তিৰে বহি আগৰেপৰা থৈ দিয়া কিতাপ এখন হাতত তুলি লয়। এনেতে প্ৰাজ্ঞিতা, মণিতা আৰু প্ৰণামি সোমায় আহে।)

মিতালী—(কৃত্ৰিম খঙেৰে) আৰু অলপ দেৰী নকৰিলি কিয়? তহঁতে বাৰু কামটোত বেছি গুৰুত্ব দিয়া নাই নেকি? সময়ৰ মূল্য নুবুজ তহঁতে? ইফালে ৰুমী বাইদেউ তিনি বজাত আহি পোৱাৰ কথা। তহঁতক মই দেখোন কালিয়েই কৈছো বাইদেউ অহাৰ কথাটো।

(সকলোৱে তলমূৰ কৰি মনে মনে বহি থাকিব)

মিতালী—এই কি হৈছে তহঁতৰ? ইমান গহীন হৈ বহি আছ কিয়?

প্ৰাজ্ঞিতা—নাই, নাই, বিশেষ কথা একো নাই। মানে ....

মিতালী—ওঁহো, কিবা এটা হৈছে। ক'ব লাগিব। ক'না ভাই।

প্ৰণামি—মানে মৃণাল বৰুৱাৰ ওচৰলৈ গ'লো, কিন্তু কামটো নহ'ল।

মিতালী—নহ'লে কেনেকৈ হ'বহে? আমি যিটো কৰিবলৈ ওলাইছো, সেইটোতো একো বেয়া কাম নহয়।

মণিতা—ওঁহো, মূঠেই নহয়। কিন্তু তেওঁ আমাৰ কথাটো সমৰ্থন নকৰে।

প্ৰাজ্ঞিতা—আৰু তেওঁ কৈছে বোলে আমিও হেনো মহাজনৰ বিপৰীতে গ'লে কথা বেয়া হ'ব। আৰে ভাই, তেওঁ আমাৰ কথা মানিলে মানিব, নামানিলে নাই। কিন্তু আমাক বাধা দিব কিয়?

প্ৰণামি—(তাচ্ছিল্যৰ সুৰত) ভদ্ৰলোকৰ মুখাখন খুলি যায় বুলি।

মিতালী—অ' নহ'ব। সেইটো নহ'ব। ইহঁতে ঠেকি ঠেকি শিকিব লাগিব।

মণিতা—মই হ'লে কথাটো ভাল দেখা নাই।

মিতালী—কিয়? কি হ'ল আকৌ তোৰ?

মণিতা—অপৰাধীক শাস্তি দিবলৈ আইন আছে। দোষীক পুলিচে ধৰিবই গতিকে....।

প্ৰাজ্ঞিতা—ওঁ, গতিকে আমি পুলিচক ধিয়াই হাত সাৱটি বহি থাকো। ৰুমী বাইদেৱে আগতেই....

মণিতা—থ, থ, তোৰ ৰুমী বাইদেউৰ কথা। নিজে তেওঁ কিমান ভাল? জানো নহয়, কোন কেনেকুৱা।

প্ৰণামি—ঐ তই যে তেনেকৈ কৈছ, তোৰ লাজ লগা নাই। বাইদেৱে আমাতকৈ যথেষ্ট জানে।

মণিতা—জানে, জানে। আনৰ সমালোচনা কৰিবলৈ, নিজৰ প্ৰকৃত পৰিচয় লুকুৱাই ৰাখি, বিধৱা হৈয়ো ৰঙীন কাপোৰ পিন্ধিবলৈ তেওঁ জানে।

মিতালী—মণিতা, তোৰ মুখৰ গণ্ডগোল হোৱা নাইতো?

প্ৰাজ্ঞিতা—তই কি প্ৰকৃত পৰিচয়ৰ কথা কৈছ মণিতা?

মণিতা—অ', তেওঁৰ আচল নাম ৰুমী নহয়, ঘৰো ইয়াত নহয়। কোনোবা অচিন গাঁৱৰ এজনী ভ্ৰষ্টা তিৰোতা। গিৰিয়েকৰ মৃত খাই আজি বাৰ বছৰ আগতেই তেওঁ ইয়াতে অধ্যাপিকা হিচাপে কাম কৰিবলৈ আহে।

প্ৰণামি—তোৰ কথাবোৰ বিশ্বাস কৰিবলৈ টান পাইছো মণিতা।

মণিতা—যোৱা কালি মই মৃণাল খুড়াৰ ঘৰলৈ যাওঁতে খুৰাই মোক সকলো কৈছে। আৰু তই তে নিজেই নাচাৱ কিয়? যদি তেওঁ ভালেই, তেন্তে বাৰ বছৰ আগতে যুৱতী হৈ থাকোতেই কিহৰ কাৰণে তেওঁ ইয়ালৈ গুছি আহিছিল? কেনেকৈ তেওঁ এনেকুৱা এখন চহৰত অকলে অকলে এটা ঘৰত থাকিবলৈ সাহস কৰিছিল? এই Main Town ৰ মাজৰ এটা ঘৰত অকলে অকলে তিৰোতা মানুহ এজনী থকাতো কম কথা নহয়।

প্ৰাঞ্জিতা—অ' কথাটো মন কৰিবলগীয়া।

মিতালী—ইচ্ বাইদেউ যে এনেকুৱা নীচ চৰিত্ৰৰ মানুহ, মই জনাই নাছিলো।

প্ৰনামি—আমাৰ হতুৱাই কৰিব খোজা বিদ্ৰোহৰ আঁৰতো তেওঁৰ কিবা ষড়যন্ত্ৰ থাকিব পাৰে।

প্ৰাঞ্জিতা—আজি আমি বাইদেউক কৈ দিম যে আমি আৰু আন্দোলন নকৰো।

মণিতা—কিন্তু, হিতে যদি বিপৰীত হয়, তেতিয়া কি কৰিবি?

প্ৰণামি—যিয়েই নহওক কিয়, বাইদেউক আমি নকৰো বুলি ক'বই লাগিব।

(এনেতে বাইদেউ সোমায় আহে। হাতত এটা ফাইল আৰু এটা বেগ।)

বাইদেউ—অ' তোমালোক আহিছাই। মোৰহে অলপ পলম হ'ল। তোমালোকে আমনি পাইছা নেকি?

মিতালী—বহক বাইদেউ।

(বাইদেউ বিচনাখনত বহে। বেগ আৰু ফাইলটো থয়। বেগৰপৰা ৰুমালখন উলিয়াই মুখ, ডিঙি আদি মচি লয়। তাৰপিছত গোটেই কেইজনক উদ্দেশ্যি.... )

বাইদেউ—পিছে, তোমালোক কিমান আগবাঢ়িব পাৰিছা?

প্ৰাঞ্জিতা—বাইদেউ, মানে বাইদেউ, আমি আৰু আন্দোলন নকৰো।

বাইদেউ—কিয়? কি হ'ল আকৌ তোমালোকৰ? কথা নাই বতৰা নাই····

মণিতা—আমাৰ মন নাই আমি নকৰো।

বাইদেউ—আৰে, তোমালোক ইমান সোনকালে ভাঙি পৰিলে কেনেকৈ হ'ব? মোলৈ নোচোৱা কিয়? তোমালোকতকৈ ডাঙৰ হৈয়ো মই তোমালোকৰ লগত সহযোগ কৰিবলৈ আগবাঢ়ি আহিছো। অথচ···

মিতালী—জানো, জানোবাইদেউ, আপোনাৰ এই সহযোগৰ অন্তৰালত কি ষড়যন্ত্ৰ লুকাই আছে, কি হ'লাহ'ল বিহ লুকাই আছে তাক আমি নাজানো বুলি ভাবিছে।

বাইদেউ—তোমালোকে কি ক'ব বিচাৰিছা।

প্ৰাঞ্জিতা—পাপ... কেতিয়াও লুকাই নাথাকে বাইদেউ। সি এদিন নহয় এদিন প্ৰকাশ হ'বই। কি বুলি ভাবিছিল আমাক। মিছা কথাকৈ আমাক ভুলাবলৈ আহিছিল। পিছে ভাগ্য ভাল আমি আগতেঈ গম পালো।

বাইদেউ—(আচৰিত হৈ থোকা-থুকি মাতেৰে) কি বলকিছা এইবোৰ? কি ক'বলৈ বিচাৰিছা খোলোচাকৈ নোকোৱা কিয়? মই··· মই···

মণিতা—অ' আপুনি. আপুনি এজনী ব্যাভিচাৰিণী, ভ্ৰষ্টা তিৰুতা। নিজে ধ্বংস হৈছে হৈছেই। এতিয়া আমাকো ধ্বংস কৰিবলৈ আহিছে। আপুনি···

বাইদেউ--মনে মনে থাকা, প্লিজ মনে মনে থাকা, মনে মনে থাকা।

(কৈ কৈ কান্দোনত ভাগি পৰে)

প্ৰণামি—মিছা চকুপানীৰ ইয়াত দাম নাই বাইদেউ। নিজৰ প্ৰকৃত পৰিচয় লুকুৱাই ৰাখি আমাক ভুৱা দিবলৈ আহিছিল? প্ৰৱঞ্চনা কৰিবলৈ আহিছিল?

বাইদেউ-(কান্দি কান্দি) অ' অ' মই তোমালোকক ভুৱা দিবলৈ আহিছিলো, প্ৰৱঞ্চনা কৰিবলৈ আহিছিলো। ঠিক আছে, মই মোৰ আচল পৰিচয় তোমালোকক দিম। মোৰ অভিশপ্ত অতীতৰ এখিলা এখিলা পাত মই তোমালোকৰ ওচৰত পাঠ কৰিম। মই··

মিতালী—আপোনাৰ কলংকিত অতীতৰ কথা আমি শুনিবলৈ নিবিচাৰোঁ বাইদেউ।

বাইদেউ—(উত্তেজিত হৈ) কিয়? কিয় শুনিব নিবিচাৰা? মোক যেতিয়া আনে ভ্ৰষ্টা বুলি কৈছিল, কলংকিতা বুলি কৈছিল, তেতিয়া কেনেকৈ শুনিছিলা? আনৰ কথা শুনি তোমালোকে মোক ভুল বুজিলা। মই তোমালোকৰ আগত ভ্ৰষ্টা হ'লো, ব্যাভিচাৰিণী হ'লো। কিন্তু কিয়?

কিয় হ'ব লগা হ'ল মই ব্যাভিচাৰিণী? কিহৰ কাৰণে মই ভ্ৰষ্টা হ'লো, কলংকিতা হ'লো! (শেষৰ ফালে মাততো থোকা-থোকি হৈ যায়)
প্ৰণামি— মানে, বাইদেউ, আমি মানে বাইদেউ····
বাইদেউ—তোমালোকে মোক ভুল বুজিলা। ঠিক আছে, তোমালোকক মই ক'ম। সকলোবোৰ কম। কিন্তু তাৰ আগতে তোমালোকে মোক ক'ব লাগিব, কাৰ কথা শুনি তোমালোকে মোক সন্দেহ কৰিলা? কোৱা, কাৰ কথা শুনি?
মিতালী—মৃণাল বৰুৱাৰ কথা শুনি।
বাইদেউ—(আচৰিত হৈ) মৃণাল বৰুৱা? ঠিকাদাৰ মৃণাল বৰুৱা নেকি?
মিতালী—হয় বাইদেউ।
বাইদেউ—(খঙেৰে) কিয় গৈছিলা? কোনে যাবলৈ কৈছিল তোমালোকক? (কিছু শান্ত হৈ) অ' নহয়, তোমালোকে একো ভুল কৰা নাই। তোমালোকে ঠিকেই কৰিছা! মৃণাল বৰুৱাইতো তোমালোকৰ পানী খোৱা পুখুৰীত বিহ ধলা নাই। কিন্তু···· কিন্তু মোৰ····
প্ৰণামি—বাইদেউ। আপোনাৰ কথাবিলাক আমি ঠিক ভালদৰে বুজিব পৰা নাই। অনুগ্ৰহ কৰি ভালদৰে বুজাই ক'বনে?
বাইদেউ—ক'ম, ক'ম প্ৰণামি। এদিনটো তোমালোকক ক'বই লাগিলহেতেঁন। কিন্তু মোৰ ভয়াবহ অতীতৰ কথা তোমালোকে সচাঁকৈয়ে শুনিবানে?
প্ৰাপ্তিতা শুনিম বাইদেউ।
বাইদেউ—শুনিবা • শুনা তেনেহ'লে, মোৰ আচল নাম কৰ্মী বৰা নহয়, মোৰ প্ৰকৃত নাম বাসন্তী চৌধুৰী।
(সকলো আচৰিত হয়)
মণিতা—তাৰমাণে এইবোৰ কথা সচাঁ?
বাইদেউ—ওঁ সচা। কিন্তু এয়া আৰম্ভণীহে। আৰু আছে শুনি যোৱা।
— তেতিয়া আছিল ১৯৫৭ চন। ড' প্ৰশান্ত চৌধুৰীৰ ঘৰত কোনো এক শুভ মুহূৰ্ত্তত মোৰ জন্ম হৈছিল। কিন্তু জন্মৰ ২ মাহ পিছতেই প্ৰসূতি ৰোগত ভুগি মোৰ মা, মোৰ মাই মোক এৰি থৈ গুছি গ'ল। (কান্দে)
মিতালী– বাইদেউ—
বাইদেউ—তাৰ পিছত আৰু এটা দুখবৰ নুশুনা জানো? মাৰ মৃত্যুৰ পিছত দেউতা একেবাৰেই সলনি হৈ গ'ল। দিনে-ৰাতি ঘৰৰ ভিতৰত সোমায় কিবা চিন্তা কৰি থাকে। এনেকৈ থাকি থাকি এদিন দেউতায়ো মোক এৰি থৈ গুছি গ'ল। (কান্দে) জানা মিতালী মা-দেউতাৰ মৰম কেনেকুৱা মই ভালদৰে গমেই নাপালো। (কান্দি কান্দি কয়)
প্ৰাপ্তিতা— তেনেহ'লে আপোনাক কোনে ডাঙৰ-দীঘল কৰিলে?
বাইদেউ—মোৰ খুড়া বিমল চৌধুৰীয়ে মোক তুলি তালি ডাঙৰ-দীঘল কৰিছিল। খুড়াই মোক ইমান মৰম কৰিছিল যে মোৰ মা-দেউতা নোহোৱা কথাষাৰ মোৰ মনলৈ নাহিছিলেই। মই হাইস্কুলৰ দেওনা পাৰ হৈ কলেজত ভৰি দিলো। তাৰপিছত ।
প্ৰণামি— তাৰ পিছত কি হ'ল বাইদেউ?
বাইদেউ—তাৰপিছত, ছি.বি.আই. ৰ ইন্সপেক্টৰ বিপুল চৌধুৰীৰ লগত মোৰ বিয়া হ'ল।
সকলোৱে—(আচৰিত হৈ) বিয়া?
বাইদেউ—বিয়া অ' বিয়া। মোক বিদায় দিয়াৰ সময়ত খুড়াই খুউব কান্দিছিল। আৰু ময়ো তেওঁৰ বুকুৰ মাজত সোমায় পাৰোমানে কান্দিছিলো। (অলপ ৰৈ)—বিয়াৰ প্ৰথম দুমাহ বেছ ভালদৰেই পাৰ হৈ গ'ল। কিন্তু····
মণিতা—কিন্তু কি?
বাইদেউ বিপুলৰ এজন বন্ধুৱে মোক প্ৰায়ে অসৎ ইঙ্গিত দিছিল। মই কিন্তু প্ৰশ্ৰয় দিয়া নাছিলো।
মিতালী—কি নাম আছিল তেওঁৰ!
বাইদেউ (সকলোৰে ফালে চাই গম্ভীৰ সুৰত) মৃণাল বৰুৱা।
মণিতা—(প্ৰায় চিঞৰি) মৃণাল বৰুৱা।
বাইদেউ– (শান্তভাৱে) অ' মৃণাল বৰুৱা। এদিন বিপুল অফিচলৈ যোৱাৰ পিছত মই দৰ্জাখন বন্ধ নকৰাকৈ আহি মোৰ বেডৰুমত শুই আছিলো। মৃণালে হাতত সাৰে ভৰিত সাৰে মনে মনে মোৰ ৰুমত প্ৰবেশ কৰিলে। মই তেওঁক দেখি যিমান আচৰিত হৈছিলো, সিমানেই ভয়ো খাইছিলো। তেওঁ তেওঁৰ অসৎ অভিপ্ৰায়ৰ কথা মোক জনোৱাত মই

তেওঁক নানা ধৰণে তিৰস্কাৰ কৰি খেদি পঠিয়াওঁ। তেওঁ মোক "চাই লম" বুলি কৈ ওলাই গৈছিল।

মিতালী—আপুনি এই কথা বিপুল-দাক কোৱা নাছিল নেকি!

বাইদেউ—নাই কোৱা। কাৰণ মই জানিছিলো বিপুলে এই কথা গম পালে মৃণালক সুদাই নেৰিব। কিন্তু মোৰ ভয় হৈছিল, কাৰণ মৃণাল যিমানে চৰিত্ৰহীন আছিল, সিমানে আছিল এজন মাৰ-পিট্ কৰি ফুৰা গুণ্ডা। গতিকে বিপুলৰ কিবা অনিষ্ট হোৱাৰ ভয়ত মই এই কথা গুপুতে ৰাখিছিলো। তাৰপিছত···· (হঠাৎ কিবা এটা চিন্তাত বিভোল হৈ যায়)

প্ৰাঞ্জিতা-তাৰপিছত কি হ'ল বাইদেউ!

বাইদেউ—(চক্ খাই) হু তাৰ পিছত! তাৰপিছত আহিল সেই ৰাক্ষসী নিশাটো। সিদিনাখন আছিল কাতি বিহুৰ দোমাহী। বাতিপুৱাৰে পৰা কিন্-কিন্ কৈ বৰষুণ দি আছিল। বতৰ বেয়া কাৰণে বিপুলো অফিচলৈ নগ'ল। আবেলি বিপুল এনেয়ে এবাৰ চাৰি আলিলৈ ওলাই গ'ল। বিপুল যোৱাৰ কিছু সময় পিছতেই মৃণাল আৰু তাৰ বন্ধু কেইজনমানে আহি বিপুলক বিচাৰে। মই নাই বুলি কৈ ভিতৰ সোমাব খোজাৰ লগে লগে সিহঁত গোটেই জাক কোঠাটোলৈ সোমায় আহিল। আৰু··· আৰু···· (হঠাৎ কান্দে)

মণিতা—বাইদেউ···

বাইদেউ—(কান্দি কান্দি) তাৰ পিছত সিহঁতে মোৰ সতীত্ব ধ্বংস কৰাৰ চেষ্টা চলালে। মই, মই চিঞৰত গগণ ফালিলো। কিন্তু নাই সেই সময়ত মোক সহায় কৰিবলৈ তাত কোনো নাছিল। মই পাৰ্য্যমানে বাধা দিছিলো যদিও কোনো ফল ধৰা নাছিল। হঠাৎ তাত বিপুল আহি পায়। মই বিপুলৰ ওচৰলৈ দৌৰি গ'লো। কিন্তু হায়। মই গৈ পোৱাৰ আগতেই মৃণালৰ পিষ্টলৰ গুলিত থকা-সৰকা হৈ বিপুল বাগৰি পৰিল। (কান্দে) মোৰ মূৰ ঘূৰাই গ'ল। মই একো ক'ব নোৱাৰা হৈ বাগৰি পৰিলো। (কান্দে)

মিতালী—তাৰ মানে, এই মৃণাল বৰুৱাই বিপুল দাক হত্যা কৰিলে!

বাইদেউ—(কান্দি কান্দি) অ' মিতালী, মোৰ বিপুলক সিহঁতে মোৰ ওচৰৰ পৰা কাঢ়ি লৈ গ'ল। তাৰ পিছত মই যেতিয়া জ্ঞান পাওঁ, মই দেখিলো, মোৰ গোটেই দেহটোত তেজ। গাঁঠিয়ে গাঁঠিয়ে বিষ। হঠাৎ মোৰ বিপুললৈ চকু গ'ল। তেজেৰে লুতুৰি পুতুৰি হৈ বিপুল পৰি আছিল। (কান্দে) মই পাগলীৰ দৰে দৌৰি বাহিৰলৈ ওলাই আহিলো। বাহিৰত তেতিয়া বিজুলী-ঢেৰেকণীৰে ডবা-পিতা বৰষুণ। মই উদ্‌ভ্ৰান্তৰ দৰে বৰষুণৰ মাজে মাজে দৌৰি দৌৰি গৈ থাকিলো। তেতিয়া দোভাগ ৰাতি। তাৰ পিছত মই আৰু একো ক'ব নোৱাৰো। তিনি দিনৰ পিছত মই যেতিয়া জ্ঞান ঘূৰাই পাওঁ, মই দেখিলো, মই খুড়া-হঁতৰ এখন বিচনাত শুই আছো। খুড়াই মোৰ মূৰত হাত বুলাই আছিল। মই খুড়াৰ বুকুৰ মাজত সোমায় হিয়া ভুকুৱাই কান্দিছিলো। (কান্দে) ভাৱিছিলো নিয়তিয়েনো মোৰ কপালত এয়াহে লিখিছিল নে! (টেবুলত মূৰ থৈ কান্দে)

মণিতা—বাইদেউ, আমাক ক্ষমা কৰিব। আমাৰ ভুল হৈছিল।

প্ৰাঞ্জিতা—আমি নাজানিহে আপোনাক সন্দেহ কৰিছিলো।

মিতালী—বাইদেউ, আমি আমাৰ ভুলৰ কাৰণে অনুতপ্ত বাইদেউ।

বাইদেউ—নাই নাই মিতালী, এইটো তোমালোকৰ ভুল নহয়। ভুল হৈছে ভুল হৈছে আজিৰ এই সমাজ খনৰ। কিন্তু মোৰ ক'ব লগা আৰু অলপ আছে। খুড়াই মোক পুনৰ কলেজত নাম লগাই দিয়ে। ইংৰাজীত মেজৰ লৈ মই কলেজৰ দেওনা পাৰ হ'লো। B. A. পাছ কৰাৰ পিছত খুড়াৰ অনুগ্ৰহতে মই এই চাকৰিটো পাওঁ। তেতিয়াৰ পৰাই মই এইখন চহৰত আছো।

মিতালী—আপোনাৰ খুড়াহঁতে আপোনাৰ খবৰ ল'বলৈ নাহে কিয়!

বাইদেউ—খুড়াহঁতক আহিবলৈ ময়েই মানা কৰিছিলো। কিন্তু তোমালোক মোক নাভাবি নিচিন্তি সন্দেহ কৰিলা। বাৰু যাওঁক সেইবোৰ। যোৱা সপ্তাহত হৈ যোৱা সেই ধৰ্ষণ কাৰ্য্যটোৰ পৰাই মোৰ মনত পুৰণা স্মৃতিবোৰ সজীৱ হৈ উঠে। আৰু মোৰ অন্তৰত

প্ৰতিশোধৰ জুই জ্বলি উঠে। মই জানিছিলো যে এই মহাজনৰ লগত এই মৃণাল বৰুৱাও ধৰ্ষণ কাৰ্য্যত লিপ্ত আছিল।

মণিতা-- বাইদেউ, বিপুলদাক হত্যা কৰাৰ অপৰাধত মৃণাল বৰুৱাক পুলিচে এৰেষ্ট নকৰিলে কিয়!

বাইদেউ -- কাৰণ মৃণালৰ দেউতাক আছিল এজন হাতদীঘল ব্যক্তি। টকাৰে তেওঁ সকলোকে বশ কৰি লৈছিল। গতিকে মৃণাল সাৰি গ'ল। কিন্তু আমি যদি সকলো একমত হওঁ, সকলোকে যদি মৃণালহঁতৰ দৰে বিভিষীকাবোৰৰ বিৰুদ্ধে এক হওঁ তেনেহ'লে ইহঁত কেতিয়াও তিষ্ঠি থাকিব নোৱাৰিব।

প্ৰাপ্তিতা — বাইদেউ আমি আন্দোলন কৰিম। আমি অন্যায়ৰ প্ৰতিবাদ কৰিম।

বাইদেউ --তা আমি প্ৰতিবাদ কৰিব লাগিব। আমি সমাজৰ এই কাল-সৰ্পবোৰক কাটি-মাৰি নিঃশেষ কৰি দিব লাগিব। নহ'লে অনীতা, বঞ্চিতাহঁতৰ আত্মাই শান্তি নাপাব। কাৰণ সিহঁতে একো ভুল কৰা নাছিল। মই, বঞ্চিতা, অনীতাহঁত আজি কিয় কলংকিতা হ'ব লগা হ'লো? কিহৰ কাৰণে ধৰ্ষিতা হ'ব লগা হ'ল! কিয় আজি আমি ভ্ৰষ্টা হ'লো! তোমালোকে ক'ব পাৰিবা! নোৱাৰা। কাৰণ ইয়াৰ উত্তৰ তোমা-লোকৰ হাতত নাই। ইয়াৰ বাবে দায়ী সমাজৰ বিভিষীকাবোৰহে আমি নহয়।

মিতালী — এই বিভিষীকাবোৰ পুলিয়ে পোখাই উভালি পেলাব লাগিব। তেতিয়াহে আমাৰ সমাজখন নিকা হ'ব। এই নৰপশুহঁতক শেষ কৰি সমাজত এখন শান্তিৰ নৈ বোৱাব লাগিব।

বাইদেউ—তাৰবাবে প্ৰয়োজন হ'ব একতাৰ। কিন্তু আমি যদি ইজনে সিজনক সন্দেহ কৰি থাকোঁ, আমাৰ মাজত একতা থাকিব ক'ব পৰা! কেনেকৈ আমি আজিৰ এই কলুষিত সমাজখন নিকা কৰিব পাৰিম!

প্ৰাপ্তিতা—আমি এক মতেৰে পৰি-চালিত হ'ম বাইদেউ। আমাৰ উদ্দেশ্য, আমাৰ লক্ষ্য হ'ব এটা।

বাইদেউ—তেনেহ'লে আমি জীৱন মৰণ পণ কৰিব লাগিব। মৃণাল মহাজন হঁতৰ দৰে পিশাচহঁতক চিৰ-দিনৰ বাবে নিঃশেষ কৰিব লাগিব। তেতিয়া গোটেই সমাজখনতে শান্তিৰ গীত ভাঁহি থাকিব।

মণিতা — আমি বিদ্ৰোহ কৰিম।

প্ৰণামি—আমি আন্দোলন কৰিম।

বাইদেউ--আমি এই কলুষিত সমাজ-খন ধুই নিকা কৰিম। হঠাৎ উত্তে-জিত হৈ মিতালী, মণিতা, প্ৰাঞ্জল, প্ৰণামী শুনা সেয়া আই মাতৃয়ে কাতৰ কণ্ঠে চিঞৰি চিঞৰি আমাক আহ্বান জনাইছে। তেওঁ যেন তেওঁৰ বাই-ভনীৰ ওপৰত কৰা এই অত্যাচাৰ সহ্য কৰিব পৰা নাই। সৌৱা, চোৱা আই মাতৃয়ে কেনেদৰে নিৰৱে চকুলো টুকিছে। ব'লা, ব'লা আমি আগ-বাঢ়ি যাওঁ। আই মাতৃৰ মুখত হাঁহি বিৰিঙাওঁ।

(সকলোৱে এখুজি দুখুজিকৈ আগবাঢ়ে)

সকলোৱে—আমি এখন নতুন সমাজ গঢ়িম।

বাইদেউ—আমি অপবিত্ৰ সমাজ পবিত্ৰ কৰিম।

শ্লগান—নাৰী নিৰ্য্যাতন, বন্ধ কৰক

(তিনিবাৰ)

(শ্লগান শেষ হোৱাৰ লগে লগে সকলোবোৰ এটা বিশেষ ভংগীমাত থিয় হৈ ৰয়। লগে লগে সন্মুখলৈ আঁৰ কাপোৰ নামি আহে।

□□

# বাণী

শিক্ষা এডাল মমবাতিৰ সমান, যি নিজে গলি আনক পোহৰ দিয়ে।

—সুভাষ চন্দ্ৰ বসু

প্ৰেম আৰু নৈতিক বলৰ শাসন চিৰকলীয়া।

—কমলাকান্ত ভট্টাচাৰ্য্য

উন্নত আৰু মঙ্গল মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা।

—লক্ষ্মীনাথ বেজবৰুৱা

সকলো হেৰাই যোৱাৰ পাছত এটা বস্তু থাকে সিয়েই হ'ল ভৱিষ্যত।

—বঙ্কি

চুটি গল্প যেন এটি পাখি লাহী পখিলা, নাচি নাচি উৰি আহে এক লহমাৰ বাবে এটা ফুলৰ পাহিত বহি মৌ চোঁহে. তাৰ পাছত উপযাচি কোনোবাখন পায়গৈ।

—ড° মহেন্দ্ৰ বৰা

ভুল কৰা বাৰে বাৰে কৰা, এটা ভুল দুবাৰ নকৰিবা।

—মাও চে টুং

কিছু সময় ধৈৰ্য্য ধৰা, নিন্দা কেতিয়াও দীৰ্ঘস্থায়ী নহয়। সত্য হ'ল সময়ৰ সন্তান। তোমাৰ সত্যতা প্ৰমাণ কৰিবলৈ অচিৰে তাৰ আবিৰ্ভাব ঘটিব।

- ইমানুৱেল কাণ্ট্

# ঃ মহাবিদ্যালয়ৰ গৌৰৱ ঃ

১৯৯৫ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ---



**কুলেন শৰ্মা**
প্ৰথম শ্ৰেণী, সপ্তম স্থান
ভূগোল গু.বি.



গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতাত পদক বিজয়ী খেলুৱৈ সকল ক্ৰমে ( বাওঁফালৰপৰা ) **শ্ৰীজ্যোতি প্ৰসাদ ডেকা** (কাটাত ব্ৰঞ্জ), **শ্ৰীকুশল চহৰীয়া** (কুমিৰ্চত সোণ) আৰু **শ্ৰীমনোজ বৰুৱা** (কুমিৰ্চত ৰূপ) ।



' মহাবিদ্যালয় সপ্তাহ ' উপলক্ষে আয়োজিত প্ৰদৰ্শনীৰ একাংশ দেখা গৈছে ।
শিল্পী---
**নৰজিৎ শইকীয়া**

# EDITORIAL BOARD OF THIS ISSUE



*PRESIDENT*
**Prof. G.C. Goswami**



*In-Charge*
**Prof. I. Ali**



*ADVISOR*
**Prof. J. Ahmed.**



*EDITOR*
**P. Bhattacharyya.**



**D. Bhatta.**
*Member.*



**A. Deka.**
*(Member)*



**M. Baruah**
*(Member)*



**D. Sarmah**
*(Member)*



**D. Nath**
*(Member)*

# শঙ্খবেলা

ইদ্ৰিছ আলি
প্ৰবক্তা, অসমীয়া বিভাগ।

নিৰ্জনতাত তোমাৰ মুখছবি
কোমল ধানৰ শিহৰ দৰে
নিয়ৰত জলমল্। যেন
জোনাকত ঢৌ খেলি অহা
খৰস্ৰোতা নদী।
মোৰ বুকুৰ মাজত থাৱনি বিচাৰি
হৃদয়জুৰি ফুলে
এপাহি সূৰ্যমুখী
তাৰ উত্তাপ আৰু উন্মাদনাই
জুৰি থাকে এখন পথাৰ।
শ্যামলিমাৰে ঢাকি দিয়ে
নিদাঘৰ সকলো ৰুক্ষতা
এটা সপোন সৰকি আহে
কোঠাৰ জলঙাৰে মোৰ
এটোপাল তেজৰ ডোঙাত গা ধুবলে'
মই বিচাৰি ফুৰোঁ
সাগৰ তলিৰ শঙ্খ
হৃদয় মাজুলিৰ বালিছন্দা ....

# এটি কবিতা

ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা
উপাধ্যক্ষ

ঘোঁৰাবোৰৰ খোজত
চোতাল কঁপে
দৌৰত ভাঙে
ছাতিৰ তলৰ এক
বৃহৎ দাপোণ।
ঘোঁৰাবোৰে আৰম্ভিলে
দেওধনি নৃত্য-পৰ্ব।
ওলট-পালট
আমাৰ চোতাল
ওৰে ৰাতি।
পুৱাৰ বাবে সাজু ব্ৰেকফাষ্ট
তেজৰ পানীয়
পুষ্টিকৰ খাদ্য।




মঙলদৈয়ান

# শান্তি-সূক্ত

বনানি চক্ৰৱৰ্তী
প্ৰবক্তা, অসমীয়া বিভাগ

সুনীল আকাশ আৰু আলোকৰ পৰা
সহস্ৰ যোজন দূৰত্বৰ পৃথিৱীবাসী
প্ৰাক্তন অমৃতৰ পুত্ৰই এই মন্ত্ৰ দেখিছে ঃ

চন্দ্ৰ-সূৰ্য দীৰ্ঘকালীন অৱকাশত
আক্ৰান্ত মনুষ্যত্ব
অন্ধকাৰেদি বগুৱা বাই আহে
বুলেটৰ জোনাকী পৰুৱা এজাক
অমৃতৰ পুত্ৰ নিমিষতে হৈ যায় কণিষ্কৰ ভাস্কৰ্য।

আবাহন কৰা হওক আকাশবাসীৰ!
আবাহন হওক হৃদয়ৰ!
উভতি আহক সহৃদয় ভ্ৰাতৃত্ব!
আৰু অস্ত্ৰ-মানৱক কৰা হওক আকাশলীন!



# জৈৱ-সূত্ৰিকা

কুমুদ চন্দ্ৰ শৰ্মা
প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

চিৰ প্ৰবাহিত তুমি
সূক্ষ্ম অবয়ব তোমাৰ
প্ৰজন্মে প্ৰজন্মে
অক্ষয় তুমি
তোমাক কৰোঁ নমস্কাৰ।
প্ৰজাতিৰ পৰিচয়
তোমাৰেই দান,
শক্তি - মেধা
চিন্তা - ভাৱনা
ৰূপ - লাৱন্য
ভিন্ন চৰিত্ৰৰ ধাৰক
যুগে যুগে প্ৰবাহিত
চিৰঞ্জীৱ জৈৱ-সূত্ৰিকা তুমি
তোমাৰ মহিমা অপাৰ
তুমি অনন্যা
তোমাক কৰোঁ নমস্কাৰ।
শইচৰ ভূমিত
সিঁচিবা, কেৱল সিঁচিবা
সুন্দৰৰ সঁচ
সুপ্ৰজননৰ ফল্গুধাৰাৰে
প্লাৱিত কৰা সুন্দৰ
এতিয়া বিবেক লাগে
শান্তি তোমাৰ আচলত
জৈৱ-সূত্ৰিকা!
তুমি পাৰিবা
তুমি অনন্যা
তোমাক কৰোঁ নমস্কাৰ।



# শেষ লগ্ন

গোবিন্দ শৰ্মা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)



বৰষুণৰ টোপালবোৰ সৰিছিল
চন্দ্ৰমুখীৰ বুকুত
শৰতৰ ষষ্ঠীৰ জোনাইয়ে
ডাৱৰৰ মাজত বিৰ্দি বাট নেপাই
আঁতৰি গৈছিল;
বহল কলপাতত
আশাৰ হাঁহিবোৰে
নৃত্য কৰিছিল।
তাইৰ নগ্ন শৰীৰৰ
খলাবমাবোৰত
উত্তাপ নাছিল
শেৱালিবোৰে নিজকে হেৰুৱাৰ ভয়ত
খহতা পাতবোৰৰ মাজতে
আশ্ৰয় বিছাৰি হাহাকাৰ কৰিছিল।
শৰবিদ্ধ শয্যাত বহুতো ভীষ্মই
আশান্বিত প্ৰতীক্ষাত
তেতিয়াও পৰি আছিল..........।

# ৰোমন্থন

গিৰীশ চন্দ্ৰ শইকীয়া
স্নাতক ৩য় বৰ্ষ (কলা)

এদিন তাই গুছি গৈছিল
অন্য এক জীৱনৰ সন্ধানত।
মুক্ত হৃদয় বান্ধ খাই গৈছিল
চিৰাচৰিত সংসাৰৰ বন্ধনত।
তাইৰ সকলো দায়িত্ব এতিয়া
এক নৰমূৰ্ত্তিত অৰ্পিত।
ভাতৃৰ দায়িত্বত শিৰ পাতিলে
সেই আৰাধ্যজনে
মই ভাবোঁ তাই এতিয়া সুখী!
কিন্তু! এক মৰ্ম্মান্তিক খবৰ
তাইৰ মৃত্যু। মই যে নিঠৰ
দাৰিদ্ৰ্যৰ কৰাল গ্ৰাসত গ্ৰাসিত
এক ছায়ামূৰ্ত্তি! মই নিৰুপায়।
কিন্তু, এইয়া কি?
হত্যা নে আত্মহত্যা?
মোৰ হৃদয়ত বাজি উঠে
এক অজান আশংকা।

# হে, সময়

অঞ্জলি চহৰীয়া
স্নাতক ১ম বৰ্ষ (কলা)

কালৰ বুকুত হেৰাই যোৱা
মোৰ সেই অতীত
য'ত নাছিল কোনো জলাশয়
জোনাকত ৰূপহী হোৱা নাছিল সেউজী গছ
তলসৰা ফুলৰ দৰে অৱহেলিত
মোৰ কৈশোৰ।
অৱজ্ঞাত এন্ধাৰে য'ত
টেঁটু চেপি ধৰিছিল আৱেগ
প্ৰেম-প্ৰতিভাৰ শিতানত
বতাহে খেদি লৈ যোৱা মোৰ শৈশৱ.
খেতেলা খাইছিল শিল বৰষুণত
মোৰ প্ৰথম যৌৱনে। •

হে, সময়
জ্বলি ছাই হোৱা মোৰ দুখময় অতীত
গঢ়ি তোলা মোক সোণোৱালী শইচৰ দৰে
সৃষ্টি কৰা মোক বোৱতী নদীৰ দৰে
আপোন মনে
কুলকুল ধ্বনিৰে
গাওঁ যেন
যুগমীয়া গীত
উভতাই দিয়া মোক
মোৰ প্ৰেমময় দিন॥



## যাত্ৰাৰ মাজবাটত

হেমচন্দ্ৰ চহৰীয়া
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

চিৰ সেউজ প্ৰেমৰ মধুৰ সপোন
হেৰাই গ'ল অজানিতে
সুদূৰ দিগন্তৰ
যাত্ৰাৰ মাজবাটত
বুকুজুৰি বৈ থকা প্ৰেম-নিজৰাৰ
মৃদু তৰংগত কঁপি উঠা
পখীৰ কাকলিত বিভোৰ
জীৱন দুৰাশাৰ ৰঙীন ছবিবোৰ,
থাকি গ'ল গোপনে, স্বপ্নত জীৱন
অতৃপ্ত আত্মাৰ কৰুণ বিননি
আৰু
সোঁৱৰণীৰে ভৰা আশাবোৰ
হয়তো কোনেও গমকে নাপালে।



## শূন্যতা

কৃষ্ণকান্ত নাথ
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

মোৰ বুকুৰ
সৰ্বত্ৰ এতিয়া শূন্যতা,
নীৰৱতাৰ সাক্ষী হৈ থকা
সেউজীয়া গছজোপাৰ
ম্ৰিয়মান হাঁহিৰ ঔৰসৰ
মাথোঁ জিলিকি উঠে মৰুদ্যান
তাৰ বাহিৰে
সৰ্বত্ৰ এতিয়া মাথোঁ শূন্যতা!
মোৰ হৃদয়ত থকা
আন্তৰিকতাবোৰে
মনে মনে হাঁহি আছে
মোক উপলুঙা কৰি
যেন জ্বলি জ্বলি শেষ হৈ যাওক
মোৰ ভালপোৱা
মোৰ একান্ত মৰমৰ সংগী
মাথোঁ নিঃসগতা।



## উত্তৰণ

ডেইজী বৰুৱা
স্নাতক ৩য় বৰ্ষ (কলা)

জুহালৰ কেঁচা খৰিৰ ধোঁৱাবোৰ
ফুৰাই ফুৰাই মোক আয়ে কয়
তই লিখি যাচোন
তোৰ কল্পিত অজস্ৰ জনতাৰ
অশান্ত আৱেগৰ অমূৰ্ত্ত কান্দোনবোৰ
আজিৰ লিখনীয়েই কাইলৈ হব ইতিহাস
ক্ষোভ আৰু বিৰক্তিত মোৰ সত্বাটোৱে
প্ৰতিবাদত হুংকাৰ দিয়ে তেতিয়া
ইতিহাস কিয় লাগে
আকবৰ শ্বেবচাহৰ মানবিক সৌন্দৰ্য্যবোধৰ
যুদ্ধ বিভীষিকাৰ ছবি চাবলৈ
নে পাঠ্যপুঠিত গাখীৰৰ সৈতে পানীমিহলোৱা
অঙ্কটোৰ উত্তৰ মিলাবলৈ।
তাৰ উত্তৰত আয়ে সতৃষ্ণাৰে কয়
সৰাপাতখিলা চাই গছ চিনিব পাৰি
আকৌ হিল্লোলিত হয় মোৰ মন
খাৰ বাৰুদ বন্দুক এৰি এটম লোৱা ভাল
নে ডাৰউইনৰ তত্বৰ নেজ সোলোকাই
গছৰ বাকলিৰ ঠাইত
নাইলন পাটৰ চুৰীয়া লোৱা ভাল
আয়ে আকৌ কয়
জুইত পুৰিলে আচল সোণ ওলায়।
বুজিলো নৈতিকতাই ইতিহাসৰ ৰূঢ়তা
নেওচি প্ৰতিশ্ৰুত হয়
বুৰঞ্জী ঘুকটি কৰা অন্বেষণত
সত্য উপলব্ধি হয়
তেতিয়াই পক্ষীবাজে ঘোৰ তমাসা ফালি
লৈ যায় গুহা মানৱক
অসীমৰ সন্ধানলৈ।।

# অপমৃত্যু

মন্টু ডেকা
স্নাতক ৩য় বৰ্ষ (কলা)

সুদূৰ সন্ধিয়াৰ হেঙুলী আভাত
সি বহি আছিল
এটি নৈৰ ঘাটত,
চিন্তা তাৰ দেশ মাতৃৰ
দৃষ্টি আছিল ভৱিষ্যত
উদিত সূৰুযত
আৰু
হেৰোৱা অতীত ইতিহাস॥
নিয়তিৰ কৰাল গ্ৰাসত
তাৰ মনলৈ আহিল
নিষ্ঠুৰ টোপনি,
বিষাদ মনেৰে অতীত সুঁৱৰি
সি হেনো
পৰিল বাগৰি।
সন্ধ্যাৰ এচাতি
মলয়া বতাহে তাক
পেলালে আৱৰি,
আকাশৰ ডাৱৰে
গছৰ সৰাপাতে
তাক
ললে বুটলি।
তাৰ মৃত্যুৰ ৰহস্য
আমিবোৰে
নেজানিলো একো,
আচলতে
নিষ্ঠুৰ সমাজখনে
ঘটালে তাৰ
অপমৃত্যু।



# কম্পিত হাতেৰে

ৰূপালীম শৰ্মা
স্নাতক, ৩য় বৰ্ষ



কম্পিত হাতেৰে
দুজন মানুহৰ দুবাহুত আউজি
সি প্ৰতিদিনে
মোৰ দুৱাৰ দলিত লিখি থৈ যায়
কিবা এটা হেৰুওৱাৰ
আগলি বতৰা।
* * * * * * * * *
মোৰ শূণ্যতাত আউসী ৰাতি
আইৰ দুচকুত দুমুঠি ধূলি
লুণ্ঠিত মোৰ একমাত্ৰ সম্পত্তি।
তাক বিচাৰোঁতে
মোৰ দুচকুত নিতে
স্পৰ্শ কৰোঁ
বুকু ফাটি ওলাই অহা
তেজৰ টোপাল।
কিন্তু,
সেইটোৰে সি কৰিবই বা কি!
হয়তো খেলিব
নতুবা এটি অবুজ শিশুৰ দৰে
ন কৈ শিকিব
মুখত চিটিকাবলৈ — হাঁহিৰ ফুলজাৰি
এদিন, দুদিন, বহুদিন।
তাৰ পিছত
এই বিশাল আকাশৰ তলতেই এদিন
বিলীন হৈ যাম মই, মোৰ আই,
মোৰ সম্পত্তি, আৰু মোৰ সম্পত্তিৰ
বৰ্ত্তমানৰ মালিক।
মই আৰু নাকান্দো।
সংকল্পৰ দুৱাৰখন বন্ধ কৰি দিলোঁ
লোৰ শিকলিৰে।
এতিয়া মই সপোন ৰচোঁ
এক নতুন পৃথিৱীৰ আমাৰ বাবে।
যেতিয়া নতুন বতাহ বলিব
শান্তিৰ কপৌযুৰিয়ে
আমালৈ হয়তো কঢ়িয়াই আনিব
এক নতুন বতৰা.....
য'ত নাই—
হিংসা, কপটতা, স্বাৰ্থপৰতা।



# প্ৰত্যাহ্বান

মৃন্ময় শৰ্মা (মুন)
স্নাতক ১ম বাৰ্ষিক (কলা)



এপাহি ফুল আহিছিল
মোৰ জীৱনলৈ......
যি দৰে পূৰালী
আহে মন্দিৰলৈ......
সদ্যস্নাতা পূৰালী
মেলা চুলি......
বগা সাজ......
এৰি গুচি গ'লা তুমি
ফুলপাহ শুকাই গ'ল
যৌৱনৰ আদিম পুৱাতে।
মোৰ ক'ৰবাত যেন
ভুল হ'ল..........
মোৰ অনুভৱে অনুভৱে
মোৰ চাৰিওফালে
তোমাৰেই গুণ গুণ শব্দ।
তোমাৰে ভালপোৱা
তোমাৰ স্মৃতি
তোমাৰ ছৱি
সকলো মোৰ
উশাহত সনা.........
জানো তুমি নাই
তথাপি অবুজ মন
কালি পূৱালী আহিছিল
মন্দিৰলৈ...........
সদ্যস্নাতা পূৱালী
মেলা চুলি.........
বগা সাজ.........
আৰু......
শিৰত এটি ৰঙা সূৰ্য...........।



# আইতাৰ সাধু

কুমুদ চন্দ্ৰ নাথ
স্নাতক ২য় বৰ্ষ (কলা)

সময়ৰ দৰে বৈ যায়
জীৱনৰ দৰে বৈ যায়
সময় হৈ জীৱন হৈ
মাথোঁ বৈ যায়.......
এৰা, সুঁতি হৈ বৰনদী হৈ,
কুলশী নৈনে কপিলী হৈ,
আঁকে একা-বেকা গতি পথ,
ফেনে ফোটোকাৰে, দুকুল ভাঙি
জাঁজী হৈ যায়,
ইতিহাসৰ পাত লুটিয়াই,
অতীতৰো আত্মাই ৰিঙিয়াই
বৰ্তমানে ভৱিষ্যতৰ ফেঁহুজালি খেদি যায়,
নদী হৈ যায় জীৱন
এৰা, জীৱন হৈ যায় এখনি নদী
নদীৰ দৰে বোৱতী জীৱন
জীৱনৰ দৰে গতিশীলা নদী।
পাৰে পাৰে কথা গীত বুৰঞ্জীৰ কতনা আঁচোৰ
কতনা সাঁথৰ উত্তৰ বিহীন
যেন জীৱনেই নদী নদীয়েই জীৱন
যুগমীয়া অন্তহীন আইতাৰ সাধু..........।।

# মৰম বিচাৰি

পুনেন্দ্ৰ শইকীয়া
স্নাতক ৩য় বৰ্ষ (কলা)

মৰম বিচাৰি
বাৰে বাৰে উজুতি খাওঁ
অন্তহীন আশাৰ যাত্ৰাত
ক্ষুধা তৃষ্ণাৰ উত্তাল ঢৌ বোৱে
বাৰে বাৰে খুন্দিয়াই থাকে
দুখৰ পৱিধিত
অবিশ্ৰান্ত মৰম
পাথৰ হ'ল
বোকাত পোত যোৱা পথাৰ
ৰঙীন নহ'ল
বিধ্বস্ত হৃদয়
অন্তহীন দুখ
মৰুময় হ'ল
সি নদীও নহ'ল।

# অস্তাচলত একাঁজলি সময়

মহাদেৱন বৰুৱা
স্নাতক ৩য় বৰ্ষ

ৰাজআলিৰ দাঁতিত মানুহজাকে সদায় চিঞৰে
সিহঁতৰ স্তব্ধ বুকুৰেদি তপ্ত সীহ বাগৰে;
ধাৰাল তেজত কড়াল বান্ধি
সিহঁতৰ সংগ্ৰাম
অনাগত শ্ৰেণীহীন সমাজ গঢ়াৰ
বক্তব্যই সিহঁতৰ হাতৰ সজুঁলি
অস্তাচলত ৰঙাবেলি ধলি পৰে গলি গলি।
তেজলগা দুহাতত মাথোঁ একাঁজলি সময়
সিহঁতৰ বিক্ষোভত ৰাজআলি চমকি উঠে
সাৰ পায় কামানৰ খাৰ-বাৰুদে
অসাৰ হয় সিহঁতৰ কংকালসাৰ দেহ
শান্তিৰ পাৰ হালিয়ে আকৌ এবাৰ গুজৰে
হৃদয়ৰ কৰবিজোপাত কপৌ হালিয়ে ৰুণ দিয়ে।
ৰাইফলধাৰীয়ে পাহৰি যায়
চাবুকৰ আঘাততো যে জন্ম হয় 'নতুন গানৰ'
কেঁচা তেজতেই গজালি মেলে বিদ্ৰোহৰ বীজে।
সিহঁত অজেয়
অমৰ
মৃত্যুঞ্জয়ী
মৰণে সিহঁতক ঠেলি দিছে জীৱনৰ কড়াল গ্ৰাসলৈ
ৰাজআলিৰ দাঁতিত মানুহজাকে সদায় চিঞৰে
জন্মস্বত্বৰ অধিকাৰত।



# মই অপেক্ষাৰত



কৰবী শৰ্মা
স্নাতক ২য় বৰ্ষ

সুখৰ বাট কেনি?
এতিয়া বিয়পি পৰিছে
চৌপাশে দুখ।
ব্যস্ত সময়ে উত্তৰ দিলে
যি ঠাইৰ পৰা আহিছিল
সেই ঠাইলৈ উভতি গ'ল সুখ
মই সুধিলোঁ— পুনৰ ফুলিবনে ফুল
উৰিবনে সুবাস চৌদিশে?
কলা দাগ বহুৱাই যোৱা মনত, দেহত
বিয়পাব পাৰিবনে সুগন্ধ??
উজাগৰী নিশালৈ নমাবনে নিদ্ৰা???
ব্যস্ততাৰে ভৰা সময়ে উত্তৰ দিলে
অপেক্ষা কৰা, আশা কৰা
কাললৈ সুদূৰ ভৱিষ্যতলৈ,
অনাগত সূৰ্যোদয়লৈ।

# অক্টোপাছ

অৰুণ শৰ্মা
স্নাতক ৩য় বৰ্ষ (কলা)

গভীৰ নিদ্ৰাৰ মোহজাল ভাঙি
সাৰ পালোঁ মাজ নিশা
থমকিলোঁ ক্ষন্তেকৰ বাবে,
বুট জোতাৰ কোৰাচ শুনি।
বুজিলোঁ সেই পথে অগ্ৰগামী
এজাক বেজ। সাপ হৈ খুঁটি বেজ হৈ জৰা।
ক্ষন্তেক পিছতেই শুনিলোঁ
বীভৎস আৰ্ত-চিৎকাৰ কোনো যুৱকৰ
আৰু উচুপি উচুপি কন্দা
কোনোবা নিঃসহায় নাৰী কণ্ঠস্বৰ।
এইখনেই হেনো লাচিতৰ দেশ
ঐক্যবদ্ধ, প্ৰতিজ্ঞাবদ্ধ সকলো
পিন্ধিছে কৱচ, ধৰিছে বীৰ বেশ
ৰক্ষা কৰিব হেনো স্বজাতি আৰু স্বদেশ।
তথাপি
পুত্ৰহাৰা হ'ল শত মাতৃ
পঙ্গু হ'ল আদৰৰ ভাতৃ
দগ্ধ পিতৃ হৃদয় পুত্ৰৰ শোকত,
ভগ্নী আজি লাঞ্চিতা, ধৰ্ষিতা
দুচকুত নিগৰিছে মাথোঁ তপ্ত লোতক।
উৰুৱালোঁ হেঁপাহেৰে এজাক কপৌ
শুকুলা কৰিবলৈ লুইতৰ দুটি কুল।
কপৌজাক জানো কেনিবা লুকাল
সিঁচিলে মাত্ৰ এজাক কলীয়া ডাৱৰ।

# স্বাধীনতাৰ সন্ধানত

জিতেন কুমাৰ কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

যোৱা নিশা সপোনত দেখিলোঁ
এজাক জনতাৰ বিক্ষোভ
আৰু কোলাহ'ল.....
লাগে সিহঁতক মুক্তি আৰু স্বাধীনতা
য'ত সিহঁতে মূৰ তুলি
কথা কব পাৰে।
লাগে সিহঁতক এখন বিশাল পৃথিৱী
য'ত সিহঁতে
মনৰ কথা কব পাৰে।
লাগে সিহঁতক এখন মুক্ত আকাশ
আৰু এখন নিকা সমাজ
য'ত সিহঁতে মানুহৰ দৰে
জীয়াই থাকিব পাৰে।
পুৱা উঠি দেখিলো
সজাত বন্দী কৰি থোৱা
মোৰ চৰাইজনীয়ে
মামৰে ধৰা লোৰ সজাটো ভাঙি
আকাশলৈ উৰি গ'ল—
মাথোঁ মোৰ পিনে এবাৰ
উভতি চাই যেন কৈ গ'ল—
আৰু কিমান দিন?
আৰু কিমান দিন তোমালোকে
আমাৰ হাত ভৰি শৃংখলিত কৰিবা?





# আৱদ্ধ

জিন্টুমনি কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

শ্মশানৰ মাজমজিয়াত
মই আৰু মোৰ
তেজৰ চেকুৰা.....।
শগুণ জাকৰ চিঞৰত
তেজবোৰ গোট মাৰিচে।
সিহঁতৰ দৃষ্টি, ৰঙা
ঠেঁটবোৰ,
মোৰ দেহটোৰ ওপৰত।
অট্টহাস্য কৰি
সিহঁতে হাঁহিছে
এতিয়াই যেন
(মোক) শেষ কৰি দিব।
সিহঁত অপেক্ষাৰত
ৰজাজনৰ আদেশলৈ...।
নিশ্চুপ হৈ আছো মই
মই যে নিৰুপায়
সিহঁতৰ আদিম
পিঞ্জৰাত.....।

# চিৰন্তন

অনিল কুমাৰ চহৰীয়া
স্নাতক ২য় বৰ্ষ (কলা)

প্ৰতি দিনে মই, হত্যা কৰিছোঁ·
এটি ৰঙীন সপোন।
প্ৰতি দিন, প্ৰতি সপ্তাহ, প্ৰতি মাহ,
প্ৰতি ঋতু, প্ৰতি বছৰে বছৰে,
পুনৰ উভতিছোঁ যোৱা পথে।
ৰঙীন মনৰ সুন্দৰতা
নিতে হেৰাই যায় শূন্যতাত।
কৃষ্ণচূড়া আকৌ ৰাঙলী হ'ল,
আকৌ এজাক ৰঙা নীলাই—
সুশোভিত কৰিব সেউজ কোমলতা
পাহোৱাল ডেকাৰ বুকুৰ উম।
হৃদয়ৰ পৰা হৃদয় এতিয়া.....
বহুদুৰ বহু যোজন.........
মোৰ আশা, মোৰ স্বপ্ন এতিয়া..........
দুবৈৰ কলঘৰত চিমনীৰে উৰিযোৱা......
নীৰৱ নিমাখিত ধোঁৱা।
ঋতু আহে, ঋতু যায়,
থৈ যায় মাথোঁ
অলিখিত অজান কাহিনী।



# ১৯৯৫ - ৯৬ বৰ্ষৰ ছাত্ৰ একতা সভা

প্ৰফুল্ল দেৱশৰ্মা
উপ সভাপতি



সীমান্ত ডেকা
সাধাৰণ সম্পাদক



প্ৰনৱ ভট্টাচাৰ্য্য
সম্পাদক,
মণ্ডলদৈয়ান



কৃষ্ণ শইকীয়া
সম্পাদক,
চাৰুকলা বিভাগ



**ভাস্কৰজ্যোতি বৰুৱা**
**সম্পাদক,**
**সমাজসেৱা বিভাগ**



কুশল চহৰীয়া
সম্পাদক,
ব্যায়ামশালা বিভাগ



অনিল ডেকা
সম্পাদক,
সঙ্গীত আৰু সাংস্কৃতিক বিভাগ



**ধৰণী কলিতা**
**সম্পাদক,**
**ছাত্ৰ জিৰণি কোঠা**



প্ৰাঞ্জল শৰ্মা
সহঃ সম্পাদক,
সঙ্গীত আৰু সাংস্কৃতিক বিভাগ



বিশ্বজ্যোতি শৰ্মা
সম্পাদক,
তৰ্ক আৰু বক্তৃতা বিভাগ



মঞ্জু দেৱী
সম্পাদিকা,
ছাত্ৰী জিৰণি কোঠা



জয়ন্ত কাকতী
সম্পাদক,
সাহিত্য বিভাগ



নিত্য কুমাৰ বড়ো
সম্পাদক,
খেলবিভাগ



দোলন নাথ
সহঃ সাঃ সম্পাদক

# মহাবিদ্যালয় সপ্তাহৰ ৰেঙনি — (১৯৯৫ - ৯৬ বৰ্ষ)



**ঈশ্বৰ চন্দ্ৰ নাথ**
*শ্ৰেষ্ঠ মাৰাথান দৌৰবীৰ, লৰাশাখাত যুটীয়াভাবে শ্ৰেষ্ঠ এথলেটিকছ্, ১৯৯৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত সদৌ অসম মাৰাথান দৌৰ প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ মাৰাথান বীৰ।*



**ৰাজেন্দ্ৰ নাৰায়ন দেৱ**
*লৰা শাখাত যুটীয়াভাবে শ্ৰেষ্ঠ খেলুৱৈ*



**প্ৰাঞ্জল শৰ্মা**
*শ্ৰেষ্ঠ গায়ক*



**জিতেন ৰাজবংশী**
*ঠিতাতে লিখা কবিতা প্ৰতিযোগিতাত শ্ৰেষ্ঠ কবি*



**জিতেন হাজৰিকা**
*শ্ৰেষ্ঠ ভলীবল খেলুৱৈ*



**চণ্ডীৰাম ডেকা**
*শ্ৰেষ্ঠ সমাজকৰ্মী*



**হেমন্ত কুমাৰ শইকীয়া**
*শ্ৰেষ্ঠ তাৰ্কিক*



**ম. বডিউজ জামান**
*শ্ৰেষ্ঠ পাঞ্জাবীৰ*

# মহাবিদ্যালয় সপ্তাহৰ ৰেঙনি — (১৯৯৫ - ৯৬ বৰ্ষ)



নৱজিৎ শইকীয়া
শ্ৰেষ্ঠ সুকুমাৰ শিল্পী



ৰিজুমা বৰদলৈ
যুটীয়া শ্ৰেষ্ঠা বহিঃদ্বাৰ
( ছোৱালী শাখা )



জ্যোতিপ্ৰসাদ ডেকা
শ্ৰেষ্ঠ ব্যায়ামবীৰ আৰু কাৰাটেকা



মৃণাল কুমাৰ ৰাজবংশী
শ্ৰেষ্ঠ মুকাভিনেতা



মৃদুস্মিতা বড়ো
যুটীয়া শ্ৰেষ্ঠা বহিঃদ্বাৰ
(ছোৱালী শাখা)



বিশ্বজ্যোতি শৰ্মা
শ্ৰেষ্ঠ অভিনেতা



বৈজন্তী কলিতা
শ্ৰেষ্ঠা অভিনেত্ৰী







শিল্পী শ্ৰীকৃষ্ণ শইকীয়াৰ হাতৰ পৰশত জিলিকি আছে কাঠেৰে নিৰ্মিত ভাস্কৰ্য্য কেইতবোৰ !



ফাটেহা-ঈ-দোৱাজ-দাহম উপলক্ষে অনুষ্ঠিত মুকলি সভাৰ একাংশ ।

# My visionary bird of paradise

**Modhu Nath**
T.D.C. 2nd yr. (Arts)

Aha !
    What a bright my childhood was !!
Today ............... in my senescence of thought
    (I) think, myself,
    paddled, my that passed yellow events.
I thought . .... .......... calmly .................. !!
    A sight of dream,
    A lyric that made of life-long.
Aha !
    What a bright my childhood was !!
    In the thorax of thought
    I flyed myself ... .....
        like a bird of paradise
        only to bring the immense mirth.
    When I played, when I schooled
        What a sort of mirth
            That I had had !
But ... ... ... ... .... ... ... ... ... ... ?
    What a virulency deed of Nature !
    In the time of paradox
        all my yellow dreams
        has been withered.
But .... .... .... .... ... .... .... ... .... ....
    Now ........ ... ... .. ... ... ... ... ...
        "I am the one
        Who must think about
        The real sign of life,
        But not the sign of Destiny."

000

## Youthful

**Dhrubajyoti Sahariah**
T.D.C. 2nd year (Arts)

Many meditations, feelings, obstacles
In the age of adolescence
Suddently, what happened
Among them established.
In the garden's .................. ;
Beautifying flowers adouring,
Satisfyingly selected ; Rose
Among them.
Mine love is forever
Yet; that coyness demurs
Why she ? far ahead of me,
Truly ; tried to misunderstand.
OH ! Later maturity ................. ;
But ; beauty, adolescence, worthless haughty,
Merciless of time : going to be destroyed ;
... . ... . ... Symbol of memory.

## Blooming Flower

**Prasanna kr. Nath**
T.D.C. 1st year (Science)

Oh ! my dear blooming flower !
What your action,
Store at me ;
With great smiles,
Aha ! my blooming flower.
Always I feel—
How the creator makes thee
Like the sunshine
rises up high.
Aha ................ ;
Yes, I dare say with sense,
Nature has great deal with you
including your eternal from ;
why do you excite me ?
Please-please you !
associated with my
broken heart ?
See eye-to-eye with me,
Sweet my flower—
Live for me. 000

## My thoughts

**Balindra Saikia**
T.D.C. 2nd year (Science)

Every day in the evening
Some thoughts about love
Come to my mind.
Oh ! my dearest friend
What is love ?
Do you agree with me,
Love is a gift of God.
It is patient and Kind,
It is both wonderful and great.

Love is not jealous or proud
Love is not ill mannered
it does not keep,
A record of wrongs.

Love is not happy with evil,
It is happy with the truth
Love is not a game we play.

True love is internal,
It is not external
These are the thoughts
Which come to my mind about love.

000

## My love is only for you

**Kumar Badan Viplav Nath**
T.D.C. 3rd year

Dear, forget me not !
I have promised.
Whilst the earth will remain,
Whilst the sun will remain,
Scent may go away from flowers
But, your love will remain in my heart.
Whilst my soul will remain
Who can separate us ?
Whilst my heart will remain,
Whilst my soul will remain,
My love is only for you.
Whenever you come to my memory
Tears come out from my eyes.
But, it says me always
Whilst memory will remain,
Whilst tears will remain,
My love is only for you.
Wherever my shadow goes
Searching you anywhere,
You must come to my life
Passing thousands of hindrance,
Whilst my shadow will remain,
Whilst my life will remain,
My love is only for you.

000

# Darrang District:the people and its Ethnic Culture

**G. C. Goswami**
Lecturer, Deptt. of Geography.

India has two distinguished migratory routes since time immemorial. The inacces sible mountainous regions of the north-west formed the main highway for the people of the west, who had pushed into India— the Asiatic and the Mediterranean people and the Palestian invaders, who later became known as the Dravidians and Austries, and the Aryans—who came in the prehistoric times—in addition to the Negroids, who came from Africa through the north-western routes. During the historic period, most of the India's foreign invaders—the Babylonians, the Indo-Europeans, the Greeks, Mecedonians, Sakas, Hunas, Turks, Pathans, Persians and the Mughols- all entered India through the north-west.

The other mountainous routes along the north-east are also equally significant for the migration of people from the north-east. Different branches of the Sino-Tibetan people from the Yang-tse-kiang and the Hoang-Ho Valley, pushed south probably from 2000 B.C. onwards. Influx of Tibeto-Burmans in large number, is an event of special interest of this northeastern migration route. Bodo-kacharis belong to the Indo-Chinese group include Kacharis, Koches Rabhas, Mechas, Lalungs, Garos, Nagas, Kukis and Chutias- they are Mongoloids, poured through the Northeast after the appearance of Aryans in India. The impact of the Mongoloid thrust had to be borne by the Dravidians, who occupied the plains early. The Dravidians were pushed to the south later by the Aryans.

The present Darrang district, the then Mangaldoi sub-division, and a part of the ancient Kamrupa—formed the main Highway for the people of the north and north-east, who pushed into India from the time immemorial. It was the abode of various racial elements, the Tibeto-Burmans of the Indo-Chinese stock were predominant in early part of her history. The Aryan stock

represented by the Brahmins, Kayasthas and Kalitas with few other off-shoots of these communities, settled in this tract at different periods of history.

As a plain district of the Brahmaputra Valley, Darrang was, from the ancient days, on the path of many invaders and travellers from north, northeast and the west. From the Marigaon and Kamrup districts in the south, the district stretches upto the foot hills of the Bhutan-Himalayas in the north. Tezpur Rock Epigraph of Harjjara prove that from 6th. century A.D., Darrang laid within Kamarupa and was ruled by three important dynasties— the Barmans, the Salastambhas and the Palas. Bhaskar Barman (594-650 A.D.) was the greatest monarch of Barmana dynasty, during whose reign the Chinese Pilgrim Hiuen-Tsang visited Kamrupa and wrote a detailed note of it appreciating the administration and the people of Kamrupa. Thereafter, different kings of Salastambha and Pala dynasties ruled over Kamrupa upto the 12th. century A.D. King Joyapala excavated many big tanks on the western part of Darrang district, including Joyapala pukhuri, west of Mangaldai, probably for drinking water and for minor-irrigation.

Darkness prevailed in the history of Kamarupa including Darrang, after the downfall of the Pala dynasty ending in Joyapala (1120-1138 A.D.). Towards the early 13th century, Darrang was administered by kings of Gouda dynasty. In 1498, Hassan Shah, the Nawab of Gauda, attacked Kamarupa and after his departure, Koch kings carved out a principality and king Nara-Narayan brought Darrang district under his control upto the Dikorai river in 1546, through his brother general Chilarai. The Gohain Komal Ali, parts of which still exist in Darrang district was constructed by him and named so, after his brother Gohain-Komal. During 1613-14, Darrang was annaxed by the Mughols. But in 1616, Balinarayan was installed as Darrang-Roja with the help of the Ahom Pratap Singha under the surname of Dharma-narayan. Thereafter, sometimes with fame and glory and sometimes with distress and sorrow, the Koch kings administered Darrang district till the end of 18th. century. But the darkest period of the district, as well as Assam, was from 1818 to 1824, when the Burmese invaded Assam and perpetrated a a reign of terror all throughout the region.

Ultimately in 1826, under the treaty of Yandabu, Assam, including Darrang district came under the British rule. But the people of Darrang could not easily accept the British rule and on the pretext of protesting to pay the enhanced land revenue, the openly revolted against the British Government through a 'Raij-mel' in 1894 at Patharughat, where 140 people of different castes and communities shot dead and over

150 injured seriously, by the British Military police. It was for this reason that Darrang was utterly neglected by the British Government during the subsequent period, which contributed much towards the backwardness of the district.

After independence, Darrang district (then Mangaldai sub-division) became one of the north bank subdivisions of the old Darrang district and on 1st. July, 1983, it was upgraded to a full-fledged district in the form of present Darrang district, with a population of 834, 574 (1971).

Darrang district is an area of fusion of races and synthesis of cultures leading to the evolution of a composite people and a composite culture. To have a linguistic and cultural picture of the district, as well as Assam, the observations of Grierson's "Linguistic Survey of India" and S. K. Chettarjee's "Kirata Jana-kirti" must be taken into consideration. In their views, the sino-Tibetan people have two groups—(a) Tibeto-Burman and (b) Siamese-chinese.

The Tibeto-Burman families are divided into six sub-groups like—(a) the Himalayan, viz. Monpa, (b) the North-Assam group, viz. Adi, Mishing, etc., (c) the Bodo-group, viz. Bodo-Kacharis. Rabha Garo, etc., (d) the Naga-group, viz. Nagas, (e) the Kuki-Chin group, viz. Lushai, Kuki, etc., and the (f) Kachin group, viz. Singpho.

The Siamese-Chinese group includes the Ahoms, Khamtis, Khariyans, Phakials, Aitonias, etc.

While the other groups remained confined to the hilly terrains, the Bodos spread over the whole of the valleys of Assam, Tripura plains, Garo-Hills and North Bengal. The main unified bond of the Bodo group of languages is Assamese and is used by the tribal people as a regional lingua-franca.

The population of Darrang district, consists of the indigenous Indo-Aryan and Indo-Mongolian groups supplemented by the Aryo-Dravidian immigrants of East Bengal and Indo-Mangolian immigrants from Nepal. Thus, Darrang district is an anthropological museum with various socio-cultural groups of people and the history of peopling of the region has been closely linked with India on the one hand and the South-East Asia and the Pacific countries on the other. Assamese culture is the sum-total of the primitive and the advanced, contributed both by the Aryan and the non-Aryan elements. Although Mongolian elements are significant in the population, the so-called Aryan people speaking Indo-European languages, share many physical features with them. As such, there is no doubt that there has been an intermingling of the different ethnic groups in this region of Assam.

Located mainly as a north bank district, Darrang district, with Mangaldoi and

Udalguri sub-divisions, cover on area of 3465·5 km,[2] with a total population of 12,98,860 as per 1991 census.

The ethnic-culture of the peolpe of Darrang district has very clearly been visualised through the religious life of the inhabitants, who have been moulded mainly by three principal groups—the Hindus, the Muslims and the Christians. Other religious groups like the Buddhists, the Jains, the Sikhs, etc. comparatively form the insignificant social groups.

**The Hiddus :**

Hinduism, being professed by more than 60 per cent of the total population, has different sects in it as stated below and as such their cultural identities also differ slightly from one another.

(a) **Saktism** : They are the followers of Sakti or worshipers of the reproductive power as monifested in the female God Kali or Durga. Addicted to liqueur and meat, a good majority of them comprise the labour-class people of the tea-gardens. The descendant of Darrang-Rajas are also follwers of Saktisism and celebrate Durgapuja. The two menifestations of Sakti are Durga and Kali. Durgapuja gains a widespread popularity now a days with animal sacrifices and ignoring caste and creed almost all people enjoy it.

Goddess kali is worshipped on the night of Shyamapuja by the devout Saktas of the district. Maroi-puja, another menifestation of Sakti, is observed on some special accasions associating with Ojapali, who use Khutital as the only musical instrument, sometimes associating with Dhulias. Deodhani dance and regular animal sacrifies. It is prevalent in Mangaldai sub-division, specially in Sipajhar, Vyaspara, Pathorighat, etc.

(b) **Vaisnavism** : Devotion to the worship of Lord Vishnu was prevalent in Assam from early times. Its decay and degeneration in the religious field led to a revival of Vaisnavite faith in the 15 th Century by Shri Sankardeva and Shri Madhavdeva. Vaisnavism did away with the worship of images, the elaborate rituals and sacrifices and esoteric rites practised by the Saktas. Worship of Vishnu through recitation of his names in hymns and prayers is the main moto of the Eka-Saran-Nam-Dharma, which is often called the Bhagawati Dharma. Satras are the social institutions for propagating religious sentiments in Vaisnavism. The head of the Satra is called the Satradhikar. Khatara-satra, Debananda-satra, etc. are most noteworthy in this district. Ankiya Bhaona, introduced by Sankardeva, is still performed in the satras with pomp and gaiety. Janmastomy is observed on the birthday of Lord Krishna in the satras and the village Namghars.

(c) **Saivism** : Saivisism is the counterpart of Saktism, which is the menifestation of

male-God Lord Siva. It is quite widespread in the district as envisaged by numerous Siva-temples. Installations of Siva-lingam is the main identity of these temples, but with no animal sacrifice. Celebration of Siva-ratri with much iclat in the Siva temples is the special significance.

Apart from these religeous cults, Hindu people have different communities, caste, classes and tribes. In fact, Darrang district is the melting pot of different tribes and races. Waves of people belonging to various ethnic groups pouring into the region from time immemorial have effected the isolation of racial groups, thereby contributing to social acculturation. Moreover, the new social trend with modern amenities during the last few decades have reduced the rigidity of caste distinction, which was supposed to be the root cause of caste system based on functional classification. Even then, some separate identities have been maintained by people of different castes, chief among them are as shown below :

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ গুণত আজিৰ 'শিক্ষা' কেৱল 'শিক্ষা' হৈ থকা নাই, ই মানৱ জীৱনৰ অপৰিহাৰ্য অংগ হৈ পৰিছে। শিক্ষা মাধ্যমে বিশ্বধৰ্মীক একাকাৰ কৰি তুলিছে। শিক্ষাৰ দ্বাৰাই 'সন্মান' অৰ্জন আৰু মানৱীয় প্ৰমূল্যবোধ গঢ়ি তোলাৰ কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। শিক্ষাৰ ইমানবোৰ স্থায়িত্ব থকা স্বত্বেও শিক্ষা কেতিয়াবা কাৰোবাৰ বাবে 'অভিশাপ' স্বৰূপ হৈ পৰে। সেয়ে বৰ্তমানৰ প্ৰচলিত শিক্ষা নীতি বা শিক্ষা ব্যৱস্থা সন্দৰ্ভত প্ৰায়ে সমালোচনা হোৱা দেখা যায় যদিও শিক্ষাৰ ভুঁইতলী বিদ্যালয়-মহাবিদ্যালয় সমূহে 'মানুহ' গঢ়াৰ যি অকৃত্ৰিম পৰিশ্ৰম কৰে তাক অস্বীকাৰ কৰিব নোৱাৰি। তেনে এখন শিক্ষাৰ হৃদপিণ্ড স্বৰূপ মহাবিদ্যালয় "মঙলদৈ মহাবিদ্যালয়" ছাত্ৰ একতা সভাৰ উপসভাপতি হিচাবে কাৰ্যকালত কোনো উচ্চাকাংক্ষা বা নীতি গৰ্হিত কামকৰাৰ বাসনা নাৰাখি শিক্ষা জগতৰ সেৱক সকলৰ মই এগৰাকী সেৱক হিচাবে মান্যতা বিচাৰিছোঁ।

## অনুভৱ :

সমূহীয়া অনুষ্ঠানৰ উন্নয়ণৰ বাবে সকলোৰে সহযোগিতা বাঞ্ছিত। আমি, মহাবিদ্যালয় খনৰ উন্নতিৰ হকে সৰ্বতোপ্ৰকাৰে চেষ্টা ৰাখিছো যাতে আবহমান সমস্যাবোৰ সমাধান হয়। মই দাবী কৰিব বিচৰা নাই যে, আমি সমস্যাবোৰ সমাধান কৰিব পাৰিছোঁ। ইয়াৰ কাৰণ দুটাঃ

(ক) প্ৰথম অৱস্থাত মহাবিদ্যালয় কৰ্তৃপক্ষৰ নগত আমাৰ সহযোগিতাৰ অভাৱ।

(খ) ছাত্ৰ একতা সভাৰ সদস্য সকলৰ কামৰ প্ৰতি থকা মনোযোগিতা আৰু মনোবলৰ অভাৱ।

যোৱা কেইটা মান বছৰত মহাবিদ্যালয়ত শৈক্ষিক পৰিবেশৰ অৱনতিয়ে দেখা দিছে। ইয়াৰ মূলত ছাত্ৰ সকলৰ কৃত কৰ্মফল কমদায়ী নহয়। আনহাতে শ্ৰেণীত পাঠদান নোহোৱা বা কমি যোৱাৰ বাবে প্ৰবক্তা প্ৰশাসনক দায় মুক্ত কৰিব বিছাৰিও কেতিয়াবা তেনে কাৰ্য্য সম্ভৱ হৈ নুঠে।

মহাবিদ্যালয় খনৰ সামগ্ৰিক উন্নয়ন আৰু শৈক্ষিক দিশৰ উন্নয়ন নোহোৱাৰ মূলত ছাত্ৰ-ছাত্ৰীৰ চেতনা হীনতা ছাত্ৰসভা আৰু কৰ্তৃপক্ষৰ প্ৰতি সাধাৰন ছাত্ৰ-ছাত্ৰীৰ কোনো গুৰুত্ব নোহোৱা বাবে বহুতে নিজৰ দায়িত্ব এৰাই চলা দেখা যায়।

অভিভাৱক সকলৰ দৃষ্টিত মহাবিদ্যালয়খন মাত্ৰ নামভৰ্ত্তিৰ সময়তহে জল-জল পত পতকৈ জাঁহি উঠে অন্য সময়ত তেওঁলোকৰ নীৰৱতা আমাৰ বাবেই দুৰ্ভাগ্য জনক।

## খতিয়ান :

ছাত্ৰ একতা সভাত সমন্বয় ৰক্ষা কৰা আৰু কেতিয়াবা প্ৰয়োজন বিশেষত দুই এটা পৰামৰ্শ দিয়াৰ বাহিৰে মোৰ দায়িত্ব তথা কৰ্ম পৰিসীমিত। অৱশ্যে বৰ্ষটোত সাধাৰণ সম্পাদকৰ সৈতে বা আন কাৰণতে হোৱা সংঘাতৰ সমাধান উলিয়াব পাৰিছো।

"শংকৰ দেৱ" অসমীয়া জাতিৰ বাটকটীয়া, তেওঁৰ স্মৃতি মন্থনৰ বাবে শংকৰদেৱ তিথিত এক সুকীয়া আহিঁৰে—ৰচনা, বৰগীত, পুথিপাঠ সত্ৰীয়া নৃত্য আদি প্ৰতিযোগিতা মূলক ভাবে উদযাপন কৰি "ভজনলাল বঁটা" প্ৰদান কৰা হয়। এই তিথিৰ নিৰ্ধাৰিত ৫০০০/টকাৰ ২০০০/ টকা জমা ৰখা হয়!

## যুৱমহোৎসৱ :

সদৌ অসম আন্তঃ মহাবিদ্যালয় কৰাটে প্ৰতিযোগিতাত

যোগদান কৰি তিনিটা পদক পোৱাৰ বিপৰীতে আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত প্ৰায় ঘোৰ বিষয়তে অংশ লৈ সফল হ'ব নোৱাৰিলো যদিও মোৰ ধাৰণা এনে প্ৰতিযোগিতাৰ পদক লাভ কৰিব হলে আমাৰ মহাবিদ্যালয়ৰ পূৰ্ব পৰিকল্পনা থাকিব লাগিব আৰু সম্পাদক তথা শিল্পী সকলে ইয়াত মনপুতি আত্ম নিয়োগ কৰিব পাৰিব লাগিব। প্ৰকৃত বা উপযুক্ত শিল্পীকহে ইয়াত স্থান দিব লাগে।

## কৰণীয় :

বৰ্ত্তমান শিক্ষা জগতত আৰ্থিক অভাৱত কক-বকাই উচ্চকাংক্ষা মনত পুহি ৰাখিও প্ৰতিভা হেৰাই যাব ধৰিছে। সেই সকল ছাত্ৰ-ছাত্ৰীক আমাৰ মহাবিদ্যালয় পুথিভঁৰাল ছাত্ৰ কল্যান পুঁজিৰ পৰা সহায় কৰিবলৈ দৃঢ় ব্যৱস্থা লোৱা প্ৰয়োজন।

অনাগত দিন বোৰত ঃ (ক) মঙলদৈ মহাবিদ্যালয়তে থিতাপি লোৱা ক্ৰম বৰ্দ্ধমান (আভ্যন্তৰীণ) ৰাজনীতিৰ পৰা মুক্ত নাৰাখিলে ইয়াৰ পৰিনাম অতি দুখজনক হব পাৰে।

(খ) ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তি আৰু প্ৰবক্তা নিযুক্তি নিয়ম মতে আৰু সময়োচিত ভাবে সীমাবদ্ধৰূপত হোৱা বাঞ্ছনীয় অন্যথা ছত্ৰ-ছাত্ৰীৰ অপূৰণীয় ক্ষতি হব।

(গ) ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় খনক মন্দিৰ ৰূপে নাভাবিলে, সম্প্ৰীতি বজাই নাৰাখিলে অতীতৰ গৌৰৱ আৰু সাসম্পত্তিবোৰ ধ্বংস হোৱাত বাধা দিব নোৱাৰিব।

(ঘ) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগত জড়িত কৰ্মচাৰী সকলৰ কাম কাজ অধিক সৰলীকৰণ কৰিব লাগে।

(ঙ) সোণালী জয়ন্তীৰ প্ৰাক্ মুহূৰ্তত মহাবিদ্যালয় পুথিভঁৰালে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় অভাব পূৰণ কৰিব পৰা নাই। পুৰণা পুথি সমূহৰো বিতৰণ সুক্ষ্ম তথা মনোগ্ৰাহী নহয়। ছাত্ৰ-ছাত্ৰীৰ চাহিদাৰ বিপৰীতে নতুন পুথিৰ যোগান নাম মাত্ৰহে। পুথিভঁৰালটো মহাবিদ্যালয় ভৱনৰ পৰা আচুতীয়াকৈ সজোৱাৰ ব্যৱস্থা কৰিব লাগে। নিৰ্দ্দিষ্ট সময়ত ছাত্ৰ-ছাত্ৰীয়ে পুথি সমূহ ঘূৰাই দিব নিবিচৰাত অন্য এচাম ছাত্ৰ-ছাত্ৰীৰে ক্ষতি হৈছে।

## স্বীকাৰ ঃ

সকলোৱে পৰিস্থিতিৰ দাস, নাজানো আমাৰ কাম কাজে সময়ত কি অৰিহনা যোগালে। কিন্তু আমাৰ কৰ্ম স্থলত বৃহস্পতি ৰূপে সদায় সহায় কৰিছে শ্ৰদ্ধাৰ গুৰুসকলে। আন কিছু সংখ্যক ছাৰক আমি সুবিধা দিব নোৱাৰা বাবেও তেওঁলোকৰ পৰা অপৰিসীম জ্ঞান, সহায় আয়ত্ত কৰিব নোৱাৰাত আমাৰ ক্ষতিহে হ'ল।

মাননীয় অধ্যক্ষ ডঃ নাথ ছাৰ আৰু তত্বাবধায়ক অধ্যাপক মাননীয় গিৰিশ গোস্বামী দেৱে আগবঢ়োৱা অন্যান্য সহায় আৰু সৎ পৰামৰ্শ মোৰ বাবে সদায় পাথেয় হৈ ৰব।

## কৃতজ্ঞতা :

ছাত্ৰ-ছাত্ৰী সহপাঠী সকলৰ সহায় অবিহেনে আজি উপ-সভাপতিৰ আসনৰ পৰা এইদৰে প্ৰতিবেদন লিখাতো সম্ভৱ নহ'লহেতেন সেইসকলৰ আশা আৰু চেষ্টাৰ প্ৰতি মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিছো।

মোৰ কাম কাজত সদায় হাতে হাত ধৰি সফল কৰা বন্ধু বান্ধৱী, অনুজ সকল, ৰাজনীতি বিজ্ঞান বিভাগ, N.S.S: ছাত্ৰ-ছাত্ৰী নিবাস দুখন আদিৰ প্ৰতি মই কেতিয়াও অকৃতজ্ঞ হব নোৱাৰো।

## শ্ৰদ্ধা ঃ

মোৰ দেশক ভাল পোৱা, দেশৰ বাবে ত্যাগী সকলক ওৰে জীৱন শ্ৰদ্ধাৰে সোঁৱৰিম।

মহাবিদ্যালয় খনক ভাল পোৱা, উন্নতি কামনা কৰা সকলক প্ৰতিবেদনৰ অপৰাহ্ন কালত শ্ৰদ্ধা নিবেদিছোঁ।

ইতি

প্ৰফুল্ল দেৱ শৰ্মা
উপ-সভাপতি
ছাত্ৰ একতা সভা
মঙলদৈ মহাবিদ্যালয়
১৯৯৫-৯৬ চন

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সম্পাদকীয় প্ৰতিবেদনৰ প্ৰবেশ মুহূৰ্ত্তত অশ্ৰু-অঞ্জলি যাচিছোঁ সেইসকল জাতীয় বীৰ শ্বহীদৰ পবিত্ৰ স্মৃতিত, যিসকলে জনগণৰ মুক্তি, স্বদেশ আৰু স্বজাতিৰ শান্তিৰ বাবে অসীম সাহস আৰু দুৰ্জ্জেয় শক্তিৰে যুঁজি হাঁহি হাঁহি মৃত্যুক আকোৱালি লৈ ত্যাগৰ আদৰ্শেৰে মহীয়ান হল। শ্ৰদ্ধাৰে সোঁৱৰিছোঁ আমাৰ মাজৰ পৰা চিৰবিদায় লোৱা ছাত্ৰ বন্ধু আৰু ছাত্ৰী বান্ধৱীসকলক। সমবেদনা জনাইছো শোকসন্তপ্ত পৰিয়াল বৰ্গক।

সময়ৰ বুকুত ঐতিহ্যৰ স্বাক্ষৰ বহন কৰি এটি দুটিকৈ দুকুৰিৰো অধিক কাল গছকি অহা দৰঙৰ ঐতিহ্যময় উচ্চ-শিক্ষাৰ অনুষ্ঠান হল মঙলদৈ মহাবিদ্যালয়। অসমৰ ছাত্ৰ সমাজৰ অভিন্ন অংগ হল এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। আমাৰ মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে আশা সুধীয়া প্ৰচেষ্টা আৰু বিপুল সমৰ্থনেৰে মোক সাধাৰণ সম্পাদকৰ পদটি অলংকৃত কৰি ছাত্ৰ-সমাজক নেতৃত্ব দিয়াৰ যিকণ সুবিধা দিলে তেওঁসকলক আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আজি ঘোপমৰা আউসীৰ তিথিৰ তমসাৰে আবৃত অসমৰ আৰ্থসামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিক পৰিমণ্ডল। লুইতৰ দুয়োপাৰৰ কহুৱা বননিত শান্তিৰ কপৌৰ পৰিবৰ্ত্তে উৰিছে বন্দুক বাৰুদৰ ধোঁৱা। আজি অসমবাসী এক জটিল সন্ধিক্ষণত উপনীত হৈছে। অকল অসমেই নহয় সমগ্ৰ উত্তৰ পুৰ্ব্বাঞ্চলৰ নিপীড়িত জনগণেই হয়তো বুজি উঠিছে। এনে দুৰ্য্যোগ পুৰ্ণ সময়ত আজি অসমৰ জনগণে নিজেই নিজৰ নেতৃত্ব লৈ গঢ়িব লাগিব প্ৰতিৰোধৰ সংগ্ৰাম।

হেজাৰ সমস্যাৰ আলিকেকুঁৰিত বৰ্ত্তমান আমাৰ শিক্ষা ব্যৱস্থা। সাম্প্ৰতিক পৰিস্থিতি অতি জটিল আৰু ভয়াবহ। ছাত্ৰ সমাজৰ লগতে শিক্ষক অভিভাৱক সকলো সচেতন হবৰ হ'ল।

সমাজ এখনৰ সকলো শ্ৰেণীৰ উন্নতিৰ মুলতে হল 'ছাত্ৰ সমাজ'। কিন্তু সাম্প্ৰতিক জাতীয় অৱক্ষয়ৰ সন্ধিক্ষণত ছাত্ৰ সমাজৰ কৰণীয় কি সেইটো উপলব্ধি কৰাটোহে বৰ প্ৰয়োজনীয় হৈ পৰিছে। সম্প্ৰতি শিক্ষাক্ষেত্ৰত দেখা দিয়া শিক্ষক ছাত্ৰৰ সম্বন্ধহীনতা আৰু অভিভাৱক সকলৰ নিৰ্লিপ্ততাই শৈক্ষিক দিশত বহুখিনি পিচুৱাই দিয়া দেখা গৈছে। বিদ্যালয়-মহাবিদ্যালয় সমূহত ৰাজনৈতিক মুনাফা আদায়ৰ এক চক্ৰবেহু ৰচনা কৰিছে এচাম অশুভ ৰাজনৈতিক শক্তিয়ে। যাৰ বলি হৈছে দেশৰ ধৰণী ছাত্ৰ-ছাত্ৰীসকল। শিক্ষানুষ্ঠান সমূহৰ পবিত্ৰতা যাতে বিনষ্ট কৰিব নোৱাৰে তাৰ দায়িত্ব অভিভাৱক সকলৰ আৰু সচেতন নাগৰিক সকলৰ, যত নিহিত হৈ আছে এটি জাতিৰ ভবিষ্যত।

ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে প্ৰতিযোগিতামূলক পৰিবেশৰ নিতান্তই প্ৰয়োজন। এনে প্ৰতিযোগিতাই ভাতৃত্ব তথা বন্ধুত্ব সুলভ দৃষ্টি ভংগীক সুদূৰ প্ৰসাৰী কৰি তোলে। অপৰাধ প্ৰৱণতাৰ জগতখনত আজি বিচৰণ কৰিছে এচাম উচ্ছৃংখল চিন্তা আৰু মানসিকতাৰ ছাত্ৰ-ছাত্ৰীয়ে। বেগিঙৰ চূড়ান্তৰূপে অনুজসকলক, অভিভাৱকসকলক চিন্তিত কৰাই নহয়, ছাত্ৰ সমাজৰ বাবে ই এক কলংকিত আখ্যানও। ই অতি দুখজনক, লজ্জাজনক আৰু পৰিতাপৰ কথা। এই গৰাখহনীয়াৰ পৰা যাতে ছাত্ৰ-ছাত্ৰীসকলক ৰক্ষা কৰিব পাৰি তাৰ দায়িত্বও আমাৰ সচেতন ছাত্ৰ সমাজৰেই।

## কাৰ্য্যকালৰ চমু বিৱৰণ :-

সাধাৰণ সম্পাদক পদত জয়ী হৈ পুৰণা ছাত্ৰ একতা সভাৰ পৰা ১৮ জানুৱাৰী '৯৬ত কাৰ্য্যভাৰ গ্ৰহণ কৰি ৭ জানুৱাৰী '৯৭ত নৱ নিৰ্ব্বাচিত ছাত্ৰ একতা সভাক কাৰ্য্যভাৰ অৰ্পণ কৰোঁ।

৯ ফেব্ৰূৱাৰীৰ পৰা ১৪ ফেব্ৰূৱাৰী '৯৬ লৈ ছয়দিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰোঁ। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা অধিক

যদিও প্ৰতিযোগীৰ সংখ্যা আশানুৰূপ নাছিল। এয়া আমাৰেই অক্ষমতা নে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগী প্ৰতিভাৰে দৈন্য নাজানো। মহাবিদ্যালয় সপ্তাহৰ অন্তিম দিনৰ মুকলি সভা আৰু বঁটা বিতৰণী সভাখন পৰিচালনা কৰে অধ্যক্ষ মাননীয় শ্ৰীশিৱ কান্ত শৰ্মাদেৱে। সভাত অসমৰ প্ৰথিতযশা সাংবাদিক 'নতুন দৈনিক' কাকতৰ সম্পাদক শ্ৰীযতীন্দ্ৰনাথ বৰগোহাঞি, মাননীয় শ্ৰীভৱানন্দ ৰাজখোৱাদেৱ আৰু মহাবিদ্যালয়ৰ অধ্যাপক ইদ্ৰিছ আলি দেৱৰ সাৰুৱা বক্তব্যই ছাত্ৰ সমাজক যথেষ্ট উদগনি যোগায়। বিগত বছৰৰ দৰে আমাৰ কাৰ্য্যকালত বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত উলহ মালহেৰে সৰস্বতী পূজা, ফাতেহাই দোৱাজ দাহম আৰু শঙ্কৰ দেৱৰ তিথি উদ্‌যাপন কৰা হয়। উচ্চ শিক্ষাৰ হেজাৰ সপোনৰ বোজা কঢ়িয়াই আমাৰ মহাবিদ্যালয়ত পদাৰ্পন কৰা 'ন' সতীৰ্থ সকলক আনুষ্ঠানিক ভাবে ৭ চেপ্তেম্বৰত আদৰণি জনাওঁ। বিগত বছৰৰ তুলনাত এই বছৰৰ আদৰণি সভাখনৰ কিছু পৰিবৰ্তন অনা হৈছিল ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ মুকলি সভাৰ যোগেদি। দুখৰ বিষয় অভিভাৱকৰ উপস্থিতি সীমিত আছিল। আশা ৰাখিছোঁ ভৱিষ্যতে এনেকুৱা সভাত সচেতন অভিভাৱকৰ সংখ্যা বাঢ়িব।

আমাৰ কাৰ্য্যকালতেই মহাবিদ্যালয়ৰ পৰা কৰ্মজীৱনৰ সামৰণি মৰা মাননীয় অধ্যক্ষ শ্ৰীশিৱকান্ত শৰ্মা, উপাধ্যক্ষ ডঃ দীপ্তি প্ৰসাদ বৰুৱা, অধ্যাপক শ্ৰীজীৱন চন্দ্ৰ শৰ্মা, শ্ৰীদেবেশ নন্দী, শ্ৰীকুমুদ চন্দ্ৰ সন্দিকৈ চাৰক আমি আনুষ্ঠানিক ভাবে বিদায় সম্ভাষণ জনাওঁ। আদৰণি জনাওঁ শ্ৰদ্ধাৰ অধ্যক্ষ ডঃ লোকেশ্বৰ নাথ; উপাধ্যক্ষা শ্ৰীউষা বড়া প্ৰমুখ্যে অন্যান্য বিভাগত কৰ্মজীৱন আৰম্ভ কৰা অধ্যাপক অধ্যাপিকা সকলক। সম্বৰ্দ্ধনা জনাইছো আমাৰ মহাবিদ্যালয়ৰ গৌৰব কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰী সকলক।

## মোৰ কবলগীয়া :—

সমস্যাই বাট ভেটি ধৰা মহাবিদ্যালয়খনৰ অলেখ সমস্যাৰ সমাধানৰ বাটত পোহৰ পৰিব কেতিয়া তাক ভাবিলে সন্ত্ৰাসিত হওঁ। এনে এবুৰি সমস্যাৰে ভৰি থকা মহাবিদ্যালয়খনৰ এটা সমস্যা সমাধান কৰিব পৰাটোও সৌভাগ্যৰ কথা। সমস্যা সমূহ সমাধানৰ বাবে আমি অধ্যক্ষ মহোদয় প্ৰমুখ্যে পৰিচালনা সমিতি, উপায়ুক্ত, জিলা গ্ৰামোন্নয়ন সংস্থা (D.R.D.A.) আদিক দাবী জনাই আহিছিলোঁ। সমস্যা সমাধানৰ ক্ষেত্ৰত আমি কিছু পৰিমানে কৃতকাৰ্য্য হৈছিলোঁ আৰু ক'ৰবাত হয়তো কৃতকাৰ্য্য হোৱাৰ পথত উপনীত হৈছিলোঁ। কিন্তু যত্নৰ ত্ৰুটি কৰা নাছিলোঁ। আশা ৰাখিছোঁ ভৱিষ্যতৰ ছাত্ৰ একতা সভা, অধ্যক্ষ-উপাধ্যক্ষ প্ৰমুখে পৰিচালনা সমিতিয়ে অপূৰ্ণ সমস্যাসমূহ পূৰ্ণ সমাধানৰ ক্ষেত্ৰত আগভাগ লব।

মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ, ছাত্ৰ বন্ধু, ছাত্ৰী বন্ধৱী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিগোটৰ কৰ্মীবৃন্দক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মহাবিদ্যালয়ৰ বৃহত্তৰ পৰিয়ালটিৰ লগতে মহাবিদ্যালয়খনৰ উজ্বল ভৱিষ্যত কামনা কৰি সম্পাদকীয় প্ৰতিবেদনৰ কলম দাঙিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

ধন্যবাদেৰে—

**শ্ৰীসীমান্ত ডেকা**

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা

১৯৯৫-৯৬ বৰ্ষ

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে মোক মণ্ডলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ দৰে এটি গধূৰ দায়িত্ব দি যি সকল বন্ধু-বান্ধৱী আৰু শিক্ষা গুৰুৱে এই বহল সমাজখনৰ সতে চিনাকি হোৱাৰ সুযোগ দিলে, তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জনাইছো।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য আৰু দায়িত্বই সমাজৰ দিক্-নিৰ্ণয়ত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰাচীন বৈদিক শিক্ষা ব্যৱস্থাত অধ্যয়নেই ছাত্ৰৰ মূল কৰ্তব্য জ্ঞান কৰা হৈছিল। কিন্তু বৰ্তমানৰ পংকিল সমাজ ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থাই ছাত্ৰ সমাজক মূল কৰ্তব্যৰ পৰা আঁতৰাই আনিছে। সেয়েহে এই প্ৰতিবেদনৰ জৰিয়তে ছাত্ৰ সমাজক মূল কৰ্তব্যৰ পৰা আঁতৰি নাহিবলৈ অনুৰোধ জনাইছোঁ।

মণ্ডলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন অভাৱ অভিযোগৰ মাজেৰেও মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

দৰং জিলাৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মণ্ডলদৈ মহা-বিদ্যালয়ৰ অভাৱ-অভিযোগৰ কথা কৈ শেষ কৰিব নোৱাৰি। পৰৱৰ্তী দিন সমূহত মহাবিদ্যালয় কৰ্তৃপক্ষই অভাৱ অভি-যোগ সমাধান কৰাত গুৰুত্ব দিব বুলি আশা ৰাখিছোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্য্যকালত সকলো সময়তে মোৰ ওচৰত থাকি দিহা পৰামৰ্শৰে সহায় সহযোগ কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু শিক্ষা গুৰু বৃন্দলৈ কৃতজ্ঞতা জনাইছো। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়াকে ধৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী যি সকলে মোৰ কাৰ্য্যকালত অশেষ কষ্ট স্বীকাৰ কৰি সহায় সহযোগিতা আগবঢ়ালে সেই সকলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। শেষত কাৰ্য্যকালত কৰা ভুল ত্ৰুটিৰ বাবে সংশ্লিষ্ট সকলোলৈ ক্ষমা প্ৰাৰ্থনাৰে এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। ধন্যবাদেৰে—

জয়তু মণ্ডলদৈ মহাবিদ্যালয়

**শ্ৰীদোলন কুমাৰ নাথ**
সহঃ সাধাৰণ সম্পাদক
মণ্ডলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
তাং—১।১।৯৭

★
★★

# খেল সম্পাদকৰ প্ৰতিবেদন

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক বিপুল ভোটত জয়ী কৰি খেল সম্পাদকৰ পদত অধিষ্ঠিত কৰা বাবে লগতে মহাবিদ্যালয়ৰ সেৱাকণ কৰিবলৈ সুবিধা দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণৰ পিছৰ পৰাই মোৰ কৰ্ত্তব্যৰ অকণো কৃপনালি কৰা নাছিলোঁ। জটিল বাস্তৱতাৰ মাজতো মই মঙলদৈ মহাবিদ্যালয়ত খেলৰ সুন্দৰ পৰিবেশ গঢ়িবলৈ মধুৰ সপোন দেখিছিলোঁ। সেই উদ্দেশ্য আগত লৈ মই সুন্দৰ পদক্ষেপেৰে আগবাঢ়ি যাবলৈ সমৰ্থ হৈছিলোঁ। আৰু উপসভাপতি আৰু সাধাৰণ সম্পাদক তথা সমূহ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মই বছৰৰ "শ্ৰেষ্ঠ খেল সম্পাদক" হিচাবে অলংকৃত হবলৈ সমৰ্থ হওঁ। তথাপি খেল সম্পাদক হিচাবে মোৰ বিগত কাৰ্য্যকালত মই কিমান সফল হলোঁ সেইটো বিচাৰ কৰা মোৰ বাবে অসম্ভৱ।

মহাবিদ্যালয় সপ্তাহত খেল বিভাগৰ প্ৰতিটো প্ৰতিযোগিতা অকণো ক্ৰুতিপূৰ্ণ নোহোৱাকৈ সুন্দৰ ভাবে পৰিচালনা কৰিবলৈ সক্ষম হওঁ। অতি গৌৰৱৰ বিষয় যে মোৰ কাৰ্য্যকালত বৃহৎ সংখ্যক প্ৰতিযোগীয়ে প্ৰতিযোগিতা সমূহত যোগদান কৰি খেলুৱৈ সুলভ মনোভাৱেৰে নিজস্ব প্ৰতিভাৰ পৰিচয় দিয়ে। পৰম্পৰা ৰক্ষা কৰি খেল পথাৰ মুকলি তথা উদ্বোধন কৰে খেল বিভাগৰ ভাৰ প্ৰাপ্ত অধ্যাপক মহোদয়ে মাননীয় শ্ৰীযুত বুদ্ধিন চন্দ্ৰ হাজৰিকা চাৰ দেৱে। ক্ৰীড়াণ্ডনিৰ সূচনা কৰাৰ নিমিৰ্ত্তে প্ৰাক্তন খেল সম্পাদক মুকুট হাজৰিকা তথা মহাবিদ্যালয়ৰ প্ৰতিভাৱান খেলুৱৈদ্বয় শ্ৰীৰবিন বসুমতাৰী আৰু কুমাৰ ৰাজেন্দ্ৰ নাৰায়ন দেৱে অলিম্পিক শিখা প্ৰজ্জ্বলন কৰে।

তীব্ৰ প্ৰতিদ্বন্দিতা আৰু উত্তেজনাপূৰ্ণ, তুমুল হৰ্ষোল্লাসৰ মাজেৰে সম্পন্ন হৈছিল প্ৰতিযোগিতাৰ খেল সমূহ। আমাৰ দৃষ্টি কিন্তু প্ৰতিটো মুহূৰ্ত্ততে প্ৰতিভাসম্পন্ন খেলুৱৈ ছাত্ৰ-ছাত্ৰীৰ সন্ধানত ব্যস্ত আছিল। নতুন নতুন খেলৰ দ্বাৰা পৰিপুষ্ট মহাবিদ্যালয় সপ্তাহত প্ৰতিযোগীসকলে নিজৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰি শ্ৰেষ্ঠ বিবেচিত হবলৈ সমৰ্থ হৈছিল। বিভিন্ন প্ৰতিযোগিতা সমূহত এওঁলোক শ্ৰেষ্ঠ খেলুৱৈ হিচাবে পৰিগনিত হৈছিল। যথাক্ৰমে এথলেটিকছত ল'ৰাশাখাত যুটিয়া ভাৱে কুমাৰ ৰাজেন্দ্ৰ নাৰায়ন দেৱ আৰু ঈশ্বৰ চন্দ্ৰ নাথে শ্ৰেষ্ঠ হয়। ছোৱালীৰ শাখাত যুটীয়া ভাৱে শ্ৰীমৃদুস্মিতা বড়ো আৰু শ্ৰীৰিজুমা বৰদলৈয়ে শ্ৰেষ্টা প্ৰতিযোগীৰ সন্মান লাভ কৰে। কাবাডী প্ৰতিযোগিতাত ল'ৰা শাখাত শ্ৰীজয়ন্ত শইকীয়া আৰু ছোৱালী শাখাত শ্ৰীমনিকা ডেকা শ্ৰেষ্ঠ আৰু শ্ৰেষ্ঠা প্ৰতিযোগী হয়। ভলীবল প্ৰতিযোগিতাত শ্ৰীজীতেন হাজৰিকাই আৰু মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত মাৰাথান দৌৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ মাৰাথানদৌৰ বিদ হয় শ্ৰীঈশ্বৰ চন্দ্ৰ নাথে। মাৰাথানদৌৰ প্ৰতিযোগীতা ছিপাঝাৰ মহাবিদ্যালয়ৰ পৰা আৰম্ভ হৈ মঙলদৈ মহাবিদ্যালয় খেল পথাৰত সমাপ্ত হয়।

**প্ৰতিশ্ৰুতি**—মানুহে বহু সময়ত বহু ধৰণৰ প্ৰতিশ্ৰুতি দিয়ে কিন্তু তাক কাৰ্য্যকৰী কৰাটোহে টান।ময়ো মোৰ কাৰ্য্যকালত বহু ধৰণৰ বহুত প্ৰতিশ্ৰুতি দিছিলোঁ কিন্তু প্ৰতিশ্ৰুতি পালন কৰাত মই কিমান দূৰ সফল হলোঁ এয়া আপোনাসৱৰ বিচৰাধীন। মহাবিদ্যালয় সপ্তাহত নতুন খেল হিচাবে লৰা-ছোৱালী উভয়ৰে ছাইকেল চালনা আৰু খোজকঢ়া প্ৰতিযোগিতা পৰিচালনা কৰি সফল হৈছিলো। কিন্তু তাৰ মাজতেই অনিবাৰ্য্য কাৰণ বশতঃ ক্ৰিকেট খেলৰ সামগ্ৰী ক্ৰয় কৰিবলৈ শকত পৰিমাণৰ ধনৰ অভাৱৰ বাবে উক্ত খেল অনুষ্ঠিত কৰিব পৰা নগল। বিভিন্ন অসুবিধা আৰু বহু সময়ত মহাবিদ্যালয় বন্ধ হৈ থকা কাৰণতো ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰিও অৱশেষত সময়ৰ অভাৱত আধাতে সামৰিব লগা হল। ইয়াৰ বাবে সম্পাদক পদৰ পৰা সকলোৰে ওচৰত ক্ষমা মাগিছো।

**কৃতজ্ঞতা**—মোৰ এবছৰীয়া কাৰ্য্যকালত প্ৰতিটো

মুহূৰ্ততে দিহা পৰামৰ্শ তথা সহায় সহযোগ কৰি প্ৰেৰণা যোগোৱা খেলবিভাগৰ ভাবপ্ৰাপ্ত অধ্যাপক মহোদয় মাননীয় শ্ৰীযুত বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱলৈ আন্তৰিক শ্ৰদ্ধা আৰু সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু/বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰ্ব্বশেষত কৰ্ত্তব্যৰ খাতিৰতেই বা অজানিতেই মোৰ কাৰ্য্যকালত নিয়ম শৃংখলাৰ বৃহত্তৰ স্বাৰ্থত কাৰোবাৰ প্ৰতি যদি অজ্ঞাতকাৰণত ভুল কৰিছিলোঁ তাৰ বাবে ক্ষমা মাগিছোঁ সকলোলৈকে আৰু ধন্যবাদ তথা শলাগৰ শৰাই আগবঢ়াই মঙলদৈ মহাবিদ্যালয়ৰ সকলো দিশতে উন্নতি কামনাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

ধন্যবাদেৰে

ছাত্ৰ ঐক্য জিন্দাবাদ

**শ্ৰীনিত্য কুমাৰ বড়ো**

সম্পাদক খেল বিভাগ

মঙলদৈ মহাবিদ্যালয়

ছাত্ৰ একতা সভা।

তাং—৩১।১২।৯৬

# প্ৰতিবেদন, সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ

সাম্প্ৰতিক পৰিস্থিতিত প্ৰতিটো ক্ষণতে সকলো কথাৰ যুক্তিবাদী চিন্তা-চৰ্চাৰে বিশ্লেষণ কৰি তাৰ প্ৰকৃত ৰূপ মানৱ সমাজৰ মাজত দাঙি ধৰাটো প্ৰকৃত নাগৰীকৰ কৰ্ত্তব্য। এই যুক্তিবাদী চিন্তা-চৰ্চা আৰু বিশ্লেষণাত্মক মনোভাব বিভিন্ন তৰ্কপ্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা আদিৰ যোগেদি মানুহৰ মাজত সুমুৱাই দিব পাৰি। সেয়েহে আজিৰ এনে পৰিস্থিতিত তৰ্ক, বক্তৃতা আদিৰ বাৰুকৈয়ে প্ৰয়োজনীয় বোধ হৈ পৰিছে। আৰু ইয়াৰ প্ৰতি চকু ৰাখিয়েই আমাৰ মহাবিদ্যালয়ত ইয়াৰ বাবে এটা সুকীয়া বিভাগ ৰখা হৈছে। এই বিভাগটোৰ জৰিয়তে মোক ১৯৯৫–৯৬ বৰ্ষৰ "তৰ্ক আৰু বক্তৃতা" বিভাগৰ সম্পাদক হিচাপে বিপুল উৎসাহেৰে জয়যুক্ত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ আগবঢ়াই দিয়াৰ বাবে, এই মহাবিদ্যালয়ৰ সমূহ বিদ্যাৰ্থীক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ কাৰ্য্যকালৰ সময়চোৱাৰ চমু বিৱৰণী দাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ।

আমাৰ একতা সভাৰ আন সম্পাদকৰ লগতে ময়ো এইখন মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতিৰ প্ৰতি চকু ৰাখিম বুলি এদিন ঈশ্বৰৰ নামত শপত ললোঁ। মহাবিদ্যালয়ৰ সপ্তাহৰ লগত সংগতি ৰাখি তৰ্ক বিভাগৰ পৰা বিগত বছৰবোৰৰ দৰে তৰ্ক, বক্তৃতা, আকস্মিক বক্তৃতা, কুইজ, আদি প্ৰতিযোগিতা লগতে আমাৰ মহাবিদ্যালয়ত ইংৰাজী মাধ্যমৰ প্ৰচলনৰ প্ৰতি লক্ষ্যৰাখি পোন প্ৰথমবাৰৰ বাবে ইংৰাজী মাধ্যমত তৰ্ক আৰু বক্তৃতা প্ৰতিযোগিতা পাতিবলৈ মনস্থ কৰোঁ। কিন্তু দুৰ্ভাগ্যবশতঃ ইংৰাজী মাধ্যমৰ তৰ্ক প্ৰতিযোগিতাখন প্ৰতিযোগীৰ সংখ্যা তাকৰ বাবে বাতিল কৰিবলৈ বাধ্য হলো। কিন্তু বাকীবোৰ প্ৰতিযোগিতা অতি আনন্দদায়ক ভাৱে চলিযোৱাৰ বাবে সঁচাকৈয়ে ভাল লাগিল। এই বিভাগৰ প্ৰতি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহৰ বাবে সঁচাকৈয়ে তবধ মানিবলৈ বাধ্য হলো।

মোৰ এই কালচোৱাৰ ভিতৰত বোকাখাট আঞ্চলিক ছাত্ৰসন্থাৰ দ্বাৰা আয়োজিত, খৈৰাবাৰী বিষ্ণুৰাভা উৎযাপন সমিতিৰ দ্বাৰা আয়োজিত, দক্ষিণ কামৰূপ কলেজৰ দ্বাৰা আয়োজিত, তেজপুৰ দৰং কলেজত অনুষ্ঠিত আৰু গুৱাহাটী আইন মহাবিদ্যালয়ৰ দ্বাৰা আয়োজিত তৰ্ক প্ৰতিযোগিতাৰ লগতে মৰিগাওঁত অনুষ্ঠিত হোৱা বক্তৃতা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰো আৰু বোকাখাটৰ পৰা ২য় শ্ৰেষ্ঠ তাৰ্কিক আৰু ২য় শ্ৰেষ্ঠ দলৰ সন্মান আৰু খৈৰাবাৰীৰ পৰা ৩য় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান অৰ্জন কৰিবলৈ আমাৰ মহাবিদ্যালয়ে সমৰ্থবান হয়।

৫ অক্টোবৰৰ দিনটো আমাৰ মহাবিদ্যালয়ৰ বাবে এটা উল্লেখনীয় দিন। কিয়নো এই দিনটোতেই অসমৰ

বিভিন্ন প্ৰান্তৰ পৰা অহা বহুকেইখন মহাবিদ্যালয়ৰ সহযোগত "সদৌ অসম স্বহীদ্ সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা" এখনি আমাৰ মহাবিদ্যালয়ত অতি আনন্দৰে অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাৰ বিষয় আছিল সদনৰ মতে, "বৃত্তিমুখী শিক্ষাই নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে।" সঁচাকৈয়ে বহু দৰ্শকৰ উপস্থিতিত বিভিন্নজন তাৰ্কিকে নিজ নিজ যুক্তি অৱতাৰণা কৰি এক যুক্তিবাদী বাতাবৰণৰ সৃষ্টি কৰিছিল। উক্ত প্ৰতিযোগিতাখনৰ শুভাৰম্ভ কৰিছিল মহকুমা দণ্ডাধীশ মাননীয় মঃ লিয়াকত আলি দেৱে। আৰু সন্মানীয় অধ্যক্ষৰ আসন গ্ৰহণ কৰিছিল আমাৰ মহাবিদ্যালয়ৰে চাৰ মাননীয় ডঃ নগেন শৰ্মা দেৱে। আৰু বিচাৰকৰ আসনত আছিল ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যাপক মাননীয় শ্ৰীদ্বিজেন তালুকদাৰ ছাৰ দেৱ, আমাৰ মহাবিদ্যালয়ৰ ছাৰ ডঃ শ্ৰীহৰিশ চন্দ্ৰ ডেকাদেৱ আৰু অধিবক্তা শৈলেন শৰ্মা বৰুৱা দেৱ। আৰু এই প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি "মংগলধ্বনি" নামে এখন স্মৰনিকা প্ৰকাশ কৰা হয়। প্ৰতিযোগিতাৰ অন্তত বঁটাবিতৰণী সভা অনুষ্ঠিত হয়। আৰু বঁটা লাভ কৰে কটন মহাবিদ্যালয় ১ম, গুৱাহাটী আইন মহাবিদ্যালয় ২য়, বজালী মহাবিদ্যালয় ৩য় আৰু আৰু শ্ৰেষ্ঠদলৰ সন্মান লাভ কৰে গুৱাহাটী আইন মহাবিদ্যালয়ৰ দলে।

সদৌ শেষত, মোক প্ৰতিটো ক্ষণতে সহায় সহযোগিতা কৰাৰ উপৰিও উপদেশ আগ বঢ়োৱা তত্বাবধায়িকা মাননীয়া শ্ৰীমতী বন্দনা গোস্বামী বাইদেউৰ লগতে যিসকল চাৰবাইদেউৱে আৰু বন্ধু-বান্ধৱীয়ে মোক উৎসাহ উদ্দীপনা তথা সহায় সহযোগিতা আগবঢ়ালে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ চিৰউন্নতি কামনা কৰি ইয়াঁতেই কলম দাঙিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

**শ্ৰীবিশ্বজ্যোতি শৰ্মা**
সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ।
মঃ মঃ বিঃ ছাঃ এঃ সঃ

# প্ৰতিবেদন ঃ সংগীত আৰু সাংস্কৃতিক বিভাগ

সংস্কৃতি হ'ল জাতিৰ দাপোন স্বৰূপ। এটি জাতিৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয় নিজ সংস্কৃতিৰ দাপোনত। সেয়ে সংস্কৃতিহীন জাতি মেৰুদণ্ডহীন প্ৰানীৰ তুল্য। আমাৰ অসমখন বাৰেৰবৰণীয়া সংস্কৃতিৰে ভৰ পুৰ এখন মিশ্ৰিত সংস্কৃতিবান দেশ আৰু তাৰ স্বাক্ষ্যবহন কৰিছে আমাৰ এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনেও। সমগ্ৰ দৰং জিলাৰ ভিতৰতে বৃহৎ তথা সাংস্কৃতিৰ দিশত এক সোণালী ঐতিহ্য সম্পন্ন মহান শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়। গতিকে এই সংস্কৃতিৰ এনাজৰীৰে বান্ধ খায় থকা মহাবিদ্যালয়খনৰ সাংস্কৃতিক দিশত কিছু চিন্তা কৰিবলৈ যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী, দাদা বাইদেউ, আৰু শিক্ষাগুৰুৱে মোক ছাত্ৰ একতা সভাৰ সংগীত আৰু সাংস্কৃতিক সম্পাদক নিৰ্বাচিত কৰিলে সেই সকলক এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু মোৰ কাৰ্য্যক্ৰমণিকাৰ থূল মূল খতিয়ান দাঙি ধৰিলোঁ।

সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহন কৰিয়েই মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হওঁ। এই মহাবিদ্যালয় সপ্তাহত সংগীত আৰু সাংস্কৃতিক দিশত বিভিন্ন প্ৰতিযোগিতা পৰিচলিনাৰ দায়িত্ব আহি পৰে। গতিকে এই প্ৰতিযোগিতা সমূহ নিম্ন লিখিত ভাবে শাখাত বিভক্ত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত সুবিধা কৰা হয়।

**সংগীত ভাগ**—আধুনিক সংগীত, লোক সংগীত শাস্ত্ৰীয় সংগীন-এই তিনিটা শাখাত বিভক্ত কৰি প্ৰতি বিধৰে প্ৰায় ছয়—সাতটা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

**নৃত্য, বাদ্য, ভাগ**—সত্ৰীয়া নৃত্য, বিহুনৃত্য, আধুনিক নৃত্য আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ঢোল বাদন, তবলা বাদন আৰু মেণ্ডোলিন বাদন অনুষ্ঠিত কৰা হয়।

**নাট্য ভাগ**—একক অভিনয়, মুকাভিনয়, ব্যঙ্গাত্মক নাট আৰু একাংকীয়া নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

বিভিন্ন প্ৰতিযোগিতা সমূহৰ ভিতৰত শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতাৰ প্ৰতিযোগীৰ সংখ্যা কম আছিল যদিও আধুনিক সংগীত লোক সংগীত ভাগ আৰু নাট প্ৰতিযোগিতাৰ প্ৰতিযোগীৰ সংখ্যা আশানুৰূপ আছিল। শেহতীয়া ভাবে আমাৰ মহাবিদ্যালয়ৰ পৰা আন্ত মহাবিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি প্ৰতিযোগী সকলে নিজস্ব প্ৰতিভা বিকাশত সুবিধা পায়।

আমাৰ মহাবিদ্যালয়খনে অৰ্ধশতিকাৰ বেৰ চুবলৈ আৰু বেছি দিন নাই। দৰং জিলাৰ ভিতৰতে সৰ্ববৃহৎ তথা অসমৰ ভিতৰতে এখন নাম থকা মহাবিদ্যালয় এই মঙলদৈ মহাবিদ্যালয়। কিন্তু সাংস্কৃতিক দিশটো ইমান স্থবিৰ যে বাদ্য যন্ত্ৰ বা নাট্য মঞ্চৰ কোনো সামগ্ৰীয়েই নাই। সেয়ে প্ৰত্যেকবছৰে এই সামগ্ৰী সমূহ ভাড়ালৈ আনিব লগা হয় ফলত মহাবিদ্যালয়ৰ বহুতো ধন অপচয় হোৱা দেখা যায়। গতিকে মহাবিদ্যালয়ৰ পৰৱৰ্তী সম্পাদক আৰু কৰ্তৃপক্ষৰ ওচৰত এটি অনুৰোধ যে এই সামগ্ৰী সমূহ পূৰণৰ বাবে তেওঁলোকে নজৰ ৰাখিব। শেষত পুনৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকলক আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জ্ঞাপন কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদেৰে

**শ্ৰীঅনিল ডেকা**

সম্পাদক সংগীত আৰু সাংস্কৃতিক বিভাগ
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
ইং ১৯৯৫-৯৬

# সংগীত আৰু সাংস্কৃতিক বিভাগৰ সহঃ সম্পাদকৰ প্ৰতিবেদন

১৯৯৫-৯৬ চনৰ ছাত্ৰ একতা সভালৈ নিৰ্বাচিত হৈ প্ৰথম কাৰ্য্যসূচী "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। সম্পাদক অনিল ডেকাৰ সতে সংগীত আৰু সাংস্কৃতিক বিভাগৰ যি গুৰু দায়িত্ব তাক উল্লাহ-মালহেৰে কৰা হয়। লগতে সহযোগ কৰে আমাৰ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী বন্ধুগণে। মহাবিদ্যালয়ত আয়োজিত কৰা সকলো উৎসৱৰ আৰম্ভণী গীত গোৱাত দায়িত্ব আহি পৰে আমাৰ ওপৰতে। এই দায়িত্ব পালনত অকণো এলাহ নাছিলোঁ। গীত গোৱাত সহায় কৰা বিন্তী, গীতিমা, বাজুদালৈ এই খিনিতে মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। শ্ৰদ্ধা জনালোঁ মাননীয় ইদ্ৰিছ আলি চাৰক। চাৰে ব্যস্ততাৰ মাজতো আমাক কোৰাছ শিকাই দিছিল।

আন বছৰৰ দৰে এইবাৰো গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা আয়োজিত "যুৱ মহোৎসৱত" অংশ গ্ৰহণ কৰোঁ। নাটক, ব্যঙ্গনাট, মুকাভিনয় আৰু সংগীত বিভাগৰ সকলো প্ৰতিযোগিতাতে আমি ভাগ লও। শ্ৰদ্ধাৰ চাৰৰ দ্বাৰা লিখিত পৰিচালিত সমবেত সংগীতটোৱে মহোৎসৱৰ শ্ৰোতাৰ মন জয় কৰিছিল। মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ নিৰ্বাচিত কৰা সকলো মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱীৰ ভাষাহীন কৃতজ্ঞতা জনালোঁ। শেষত শ্ৰদ্ধা নিবেদিলোঁ তত্বৱধায়ক অধ্যাপক ড° হৰিশ চন্দ্ৰ চাৰ দেৱলৈ। সকলোৰে ওচৰত অজানিত ভুলৰ ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

ইতি

জয়তু মঙলদৈ মহাবিদ্যালয়

**শ্ৰীপ্ৰাঞ্জল শৰ্মা**

সহঃ সম্পাদক সংগীত আৰু সাংস্কৃতিক বিভাগ

# প্ৰতিবেদন, সমাজ সেৱা বিভাগ

দৰং জিলাৰ এই আগশাৰীৰ মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে সমূহ মঙলদৈয়ান বন্ধু বান্ধৱীলৈ জয় জয়তে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

উমৈহতীয়া কিছুমান স্বাৰ্থৰ দোলেৰে সাঙোৰ খাই থকা কিছুমান ব্যক্তিৰ সমষ্টিকে সমাজ আখ্যা দিব পাৰি। নিষ্পেষিত জনগণৰ মুক্তিৰ হকে চলোৱা পবিত্ৰ সংগ্ৰামে হৈছে সমাজসেৱা। ই হৈছে জাতিৰ, দেশৰ মেৰুদণ্ড স্বৰূপ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই গতানুগতিকভাৱে আহে মহাবিদ্যালয় সপ্তাহ। এই উপলক্ষে 'সমাজসেৱা' বিভাগৰ দ্বাৰা মহাবিদ্যালয়ৰ চৌহদ পৰিস্কাৰ আৰু গছ-গছনিত চূণ দিয়া হয়। লগতে মহাবিদ্যালয় সপ্তাহৰ লগত সঙ্গতি ৰাখি সমাজ সেৱা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। শ্ৰেষ্ঠ 'সমাজ কৰ্মীৰ' বঁটা লাভ কৰে শ্ৰীচণ্ডীৰাম ডেকাই। প্ৰতিযোগিতাত এইবাৰ নতুনকৈ দ্বিতীয় শ্ৰেষ্ঠ, তৃতীয় শ্ৰেষ্ঠ সমাজকৰ্মী আৰু দলীয় ভাৱে প্ৰথম শ্ৰেষ্ঠদল আৰু দ্বিতীয় শ্ৰেষ্ঠ দল বা পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰা হয়। এই সুযোগতে সমাজসেৱা প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ অভিনন্দন জ্ঞাপন কৰিছোঁ। সমাজসেৱা বিভাগে ইয়াৰ উপৰিও মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহায়ত ৯।৭।৯৬ তাৰিখে বৃক্ষৰোপণ কাৰ্য্যসূচী আৰু ১।৯।৯৬ তাৰিখে এটা অৰ্ধদিনীয়া 'সমাজ সেৱা' শিবিৰ অনুষ্ঠিত কৰা হয়।

মহাবিদ্যালয়ৰ সমস্যাসমূহ—বিশেষকৈ আভ্যন্তৰীণ পথ-কেইটা, কলেজ চৌহদৰ বাহিৰে ভিতৰে থকা অনাগতীয়াল হাবি-জংঘল, পেচাবঘৰৰ গোন্ধ, খোৱাপানীৰ সমস্যা সকলোৰে জ্ঞাত। অধ্যক্ষ মহোদয়লৈ মোৰ এয়ে প্ৰাৰ্থনা যে উক্ত সমস্যাসমূহৰ সমাধান কৰিবলৈ তেওঁ যেন গুৰুত্ব সহকাৰে ব্যৱস্থা গ্ৰহণ কৰে।

মোৰ কাৰ্য্যকালত বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰা ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় জামালুদ্দিন আহমেদ ছাৰ, ছাত্ৰ একতা সভাৰ তত্বাবধায়ক মাননীয় গিৰীশ গোস্বামী ছাৰ, ছাত্ৰ একতা সভাৰ উপসভাপতি প্ৰফুল্লদেৱ শৰ্ম্মা দেৱৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যলৈ মোৰ কৃতজ্ঞতা জনাইছো। লগতে যি সকলে মোৰ কাৰ্য্যকালত অশেষ কষ্ট স্বীকাৰ কৰি সহায়ৰ হাত আগবঢ়ালে তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

মাৰ্জনা বিচাৰিছো হৈ যোৱা অনিশ্চাকৃত ভুল ক্ৰুটিৰ বাবে। শেষত মঙলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়।

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

জয় আই অসম।

ইতি

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা**
সম্পাদক, সমাজ সেৱা বিভাগ

# চাৰু-কলা বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ইং ১৯৯৫-৯৬ চন

প্ৰতিবেদনৰ পাতনিতে বিগত ইং ৯৫-৯৬ বছৰটোৰ বাবে মোক 'সুকুমাৰ কলা' বিভাগৰ সম্পাদনাৰ গুৰু দায়িত্ব অৰ্পন কৰি যি মৰম-স্নেহ, নিষ্ঠা-সততা ও মহানুভৱতা প্ৰদৰ্শন কৰিলে, তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা শিক্ষাগুৰু সকললৈ মই মোৰ হৃদয়ভৰা কৃতজ্ঞতা আৰু অভিনন্দন জনাইছোঁ।

শিল্প কি ? দৰাচলতে শিল্পৰ ওপৰত তেনে কোনো সু-নিৰ্দ্দিষ্ট সংজ্ঞা মই এতিয়ালৈ পোৱা নাই যদিও, অভিজ্ঞতাৰ ফালৰ পৰা ক'ব পাৰো যে জন্ম আৰু মৃত্যুৰ মাজৰ পথচোৰাত অজ্ঞাতেই মুখা-মুখী হোৱা উজ্‌টি-বিজ্‌টি পূৰ্ণ মানৱ জীৱনৰ সু-বিশাল শুন্যতাৰ শিখৰত, সু-দূৰত, গভীৰত আৰু নিভৃত স্থানত অকৃত্ৰিম সাধনাৰে আবিস্কৃত বিদ্যা গুণেই হ'ল 'কলা'। অন্যাৰ্থত জীৱন মানেই 'কলা'। সত্যৰ থাপনাত সুন্দৰৰ আৰাধনাতেই জীৱনৰ ইতিৰেখা আঁকি যাব বিচৰা চিৰন্তন বাস্তৱৰ অবাস্তৱ দিশ নিৰ্ণায়ক এই 'কলা' বিদ্যাক উপলব্ধিহে কৰিব পৰা হয়, কিন্তু ভাষাৰে প্ৰকাশ কৰাটো তেনেই এক জটিল বিষয়। জীৱনৰ প্ৰকৃত সুন্দৰ সন্ধানী এই কলাগুণে পাৰ্থিব অপাৰ্থিব সকলো বস্তুৰ মাজত নিহিত থকা সুপ্ত স্পন্দনক অনন্য ৰূপত সজাই পৰাই যুগ-সভ্যতাৰ ইতিহাস খোদিত কৰিব জোজা অদম্য স্পৃহা বাসনাৰ গৰাকী জনকেই আমি কলাকাৰ বুলি কব পাৰো। সিজনাৰ সূক্ষ্মদৃষ্টি সম্পন্ন সেই সুনিৰ্দ্দিষ্ট গতিক সাধাৰণ দৃষ্টিভংগীৰে তুলনা কৰা সহজ সাধ্য নহয়। এক কথাত কবলৈ হলে সাহিত্য-সংস্কৃতি যদি মানৱজাতিৰ মেৰুদণ্ড হয়, তেন্তে কলাবিদ্যা সেই মেৰুদণ্ডৰ মজ্জা বুলি কলেহে যুক্তিযুক্ত হব হয়তো। যিহেতু ৰহস্যঘন প্ৰতিটো নতুনৰ নৱতম সৃষ্টি শিল্পকলাৰ যুগজয়ী আদৰ্শ ও নিদৰ্শন।

সক্কৰেপৰা শিল্পৰ প্ৰতি থকা অনুৰাগ তথা অনুভূতিৰ প্ৰকাশ ঘটোৱাৰ সুবৰ্ণ সুযোগ মোৰ এই সম্পাদনাৰ কাৰ্য্যকালত কিমানদুৰ সফলতা অৰ্জন কৰিব পাৰিলো নেজানো, তথাপি ক্ৰমাগতভাৱে মৃত্যুৰ মুখলৈ গতি কৰা 'সু-কুমাৰ কলা' বিভাগটোক সামান্যতম ভাবে হলেও ৰূপ-ৰস আৰু ৰঙ বোলোৱাত মই কৃপনালি অৱশ্যে কৰা নাই। বিগত বছৰটোত দায়িত্বৰ বোজা কঢ়িয়াই ফুৰোতে বিভিন্ন স্থানত ভিন্ন ৰূপত অভিন্ন পৰিকল্পনাৰে কিবা কিবি গুপুত আঁচনি যুগুতাই থকা অনেকজন লাজুক শিল্পী প্ৰাণক মই আৱিস্কাৰ কৰিছোঁ আৰু তেখেত সকলৰ সকলো সংশয় দুৰ কৰি মানুহৰ মাজলৈ দিন দুপৰতে উলিয়াই অনাৰ চেষ্টা মই কৰিছোঁ। অজানিত হাতৰ পৰশত প্ৰাণ পায় উঠা ছাত্ৰ-ছাত্ৰী সকলৰো বহুবোৰ কিবা কিছুক মই সাহসেৰে প্ৰদৰ্শনীত উপস্থাপন কৰোৱাইছোঁ। এইক্ষেত্ৰত তেওঁলোকো যথেষ্ট আগ্ৰহী। যাহক, আশা কৰা ধৰণেই মোৰ কাৰ্য্যকালত অনুষ্ঠিত হৈ যোৱা প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাখনিক সকলোৰে সহায় সহাৰিয়ে সাফল্যমণ্ডিত কৰি তোলাৰ গৌৰৱত মই সচাঁকৈয়ে গৌৰৱান্বিত। ভাব হয়, স্বদেশ ভূমি মোৰ অসমৰ মাটিত ওপজা প্ৰত্যেকজন মানুহেই যেন শিল্পীসত্ত্বাৰ অধিকাৰী একো একোজন এন্ধাৰ কোঠৰ সুদক্ষ খনিকৰ সুন্দৰৰ স্ৰষ্টাও।

উক্ত বিভাগটো অনাদৰণীয় হৈ ৰোৱাৰ সমষ্টিগত কাৰণ কিছুমানো নথকা নহয়। উদাহৰণ স্বৰূপে কব পাৰো যে যোৱা ইং ১৯৯৪-৯৫ চনৰ 'চাৰুকলা' বিভাগীয় সম্পাদকে আয়োজিত প্ৰদৰ্শণীমূলক প্ৰতিযোগিতাত ভাস্কৰ্য্য শিল্পৰ মই প্ৰথম স্থান অধিকাৰ কৰা এজন প্ৰতিযোগি আছিলোঁ। কিন্তু পৰিতাপৰ বিষয় যে, ঘোষিত ফলা-ফল অনুযায়ী বঁটা আৰু প্ৰমান-পত্ৰ মই আজি পৰ্যান্ত নেপালো। কোনে জানে, হয়তো বহুতেই এনেহেন কাৰ্য্যকলাপৰ বাবেই শিল্প কলাৰ প্ৰতি আৰ্কণীয়া মনোভাৱকে দেখুৱাবলৈ সংকোচবোধ নকৰা হৈ পৰিছে। এইক্ষেত্ৰত স্বীকৃতি বৰ ডাঙৰ কথা নহয় যদিও প্ৰেৰণাকণক শিল্পী প্ৰাণে অৱশ্যেই বিচাৰে। এই খিনিতে উল্লেখ যোগ্য যে,

পূর্ব্বৰ বাৰটা বিভাগৰ প্ৰতিযোগিতাৰ মান উন্নত কৰি মই ওঠৰটা বিভাগত প্ৰতিযোগিতা অনুষ্ঠিত কৰিছোঁহক। এই বিভাগকেইটা হ'ল ক্লে মডেলিং, পোষ্টাৰ মেকিং, কাটুনিং উয়া কম্পিটিচন, ক্ৰুচ ষ্টিচ আৰু মাটিৰ মূৰ্ত্তি প্ৰদৰ্শন। মই বিশেষ ভাবে গৌৰবান্বিত এই কাৰণে যে, মোৰ কাৰ্য্যকালত কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত নোহোৱাকৈয়ে আয়োজিত প্ৰদৰ্শনীৰ শুভ সামৰণি ঘোষণা কৰিবলৈ মই সমৰ্থ হৈছোহঁক।

পৰিশেষত মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ, সহায়-সহযোগিতাৰে আগবঢ়াই নিয়া শ্ৰদ্ধাস্পদ শিক্ষাগুৰু শ্ৰীযুত মতিৰাম মেধি, অৰ্থনীতি বিভাগৰ অধ্যাপক শ্ৰীযুত পৰেশ শৰ্মা, শুভাকাংখী শিক্ষাগুৰু শ্ৰীযুত ৰঞ্জিত শৰ্মা, প্ৰাক্তন ছাত্ৰ তথা মৰম পিয়াসী দীন-দুখী চিত্ৰশিল্পী অভিনেতা ন-লেখাৰু মোৰ অগ্ৰজ কুমাৰ কুমুদ হালৈ আৰু সমূহ বন্ধু-বান্ধৱী সকললৈ অকৃত্ৰিম শ্ৰদ্ধা ও কৃতজ্ঞতা যাচিলোঁ।

বিচাৰকৰ আসন শুৱনি কৰি সহায় আগবঢ়োৱা মাননীয়া অধ্যাপিকা শ্ৰীযুতা বিদ্যুৎ প্ৰভা দাস, শ্ৰীযুতা দিপালী চহৰীয়া আৰু স্থানীয় চিত্ৰশিল্পী শ্ৰীযুত দাদুল চলিহালৈ মোৰ শলাগৰ শৰাই আগবঢ়ালো। মোৰ কাৰ্য্যকালত অজানিতে বৈ বৈ যোৱা সৰু সুৰা ভুল ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থনা জনাই চমু প্ৰমিবেদৰ ইমানতে সামৰনি মাৰিলোঁ। ধন্যবাদ—

জয় আই অসমী

জয়তু মঙ্গলদৈ মহাবিদ্যালয় জয়তু চাৰু-কলা বিভাগ

**শ্ৰীকৃষ্ণ শইকীয়া**
সম্পাদক, চাৰু-কলা বিভাগ
বৰ্ষ ইং ১৯৯৫-৯৬ চন

# প্ৰতিবেদন, সম্পাদক, ব্যায়াম শাখা বিভাগ

সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ, যিসকল ছাত্ৰ-ছাত্ৰীৰ সদায় সহযোগীতাই মোক এই ঐতিহ্যমণ্ডিত মঙ্গলদৈ মহাবিদ্যালয়ৰ "ব্যায়াম শাখা বিভাগৰ সম্পাদক পদত অধিষ্ঠিত কৰাই এই বৃহৎ অনুষ্ঠানৰ অকণমান সেৱা কৰাৰ সবিধা দিলে।

প্ৰচলিত যে 'দেহা থাকিলেহে বেহা' অৰ্থাৎ সুস্থ জীৱনৰ বাবে সু-স্বাস্থ্য অপৰিহাৰ্য্য। শৰীৰ চৰ্চা সু-স্বাস্থ্যৰ অন্যতম চৰ্ত। শৰীৰেই হ'ল সাধনাৰ ভিত্তি ভূমি। শাৰিৰীক ব্যায়াম, আসন, মুদ্ৰা, প্ৰালয়ান আদি যৌগিক ক্ৰিয়া সমূহৰ সহায়ত শৰীৰৰ দূষিত পদাৰ্থ সমূহক শুদ্ধ কৰি ৰস ৰক্ত আৰু গ্ৰন্থি পেশী আদিৰ মাজত ভাৰসাম্য বঢ়োৱা আৰু এই বোৰক মজবুত কৰা হয়। এই বোৰৰ ফলত মানুহ শুভ বুদ্ধি সম্পন্ন, সুস্থদেহী আৰু শান্ত মনৰ অধিকাৰী হৈ উঠিব পাৰে। শাৰিৰীক ব্যায়াম নৈমিত্তিক অভ্যাসৰ মাজেৰে দুৰ্বল বা বুদ্ধিহীন ছাত্ৰ-সকলে অতি অনায়াসে সুস্থ বুদ্ধি আৰু উন্নত মন লাভ কৰিব পাৰে। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ মনত সাধনাৰ মনোভাৱ, দৃঢ়তা, ধৈৰ্য্য আদিও এইবোৰৰ মাজেৰে বিকশিত হয়। আনকি সুস্থ মানৱ চৰিত্ৰ গঠনৰ ক্ষেত্ৰতো যোগৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ।

বিগত সময়ছোৱাত ব্যায়াম শাখা বিভাগৰ সম্পাদক হিচাবে মোৰ কাৰ্য্যক্ৰমনিকাৰ চমু বেঙণি এনে ধৰণৰ—

ছাত্ৰ একতা সভাই কাৰ্য্য ভাৰ গ্ৰহণ কৰিয়েই ......... তাৰিখৰ পৰা .........তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ পৰিচালনা কৰাৰ দায়িত্বভাৰ গ্ৰহন কৰিব লগা হয়। এই বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতা সমূহ সুকলমেই অনুষ্ঠিত হয়। কিন্তু প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হতাশজনক আছিল। কাৰণ হিছাবে কবলৈ গ'লে, যিহেতু সেই সময়ছোৱাত কলেজ শিক্ষক সন্থাৰ অনিদিষ্ট কাললৈ ধৰ্মঘট

কাৰ্য্যসূচী চলি আছিল সেয়েহে মহাবিদ্যালয়ত পাঠদান কাৰ্য্যসূচী বন্ধ থকাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সেৰেঙা আছিল।

অতি গৌৰৱৰ বিষয় এয়ে যে মোৰ কাৰ্যকালত গুৱাহাটী বিশ্ব বিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় "কাৰাটে" প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে প্ৰথম বাৰৰ বাবে যোগদান কৰি সুখ্যাতিৰে তিনিটা পদক অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। পদক লাভ কৰা সকল ক্ৰমে শ্ৰীজ্যোতি প্ৰসাদ ডেকা (কাটাত, ব্ৰঞ্জ) শ্ৰীমনোজ বৰুৱা (কুমিটত, ৰূপ) আৰু শ্ৰীকুশল চহৰীয়া (কুমিটত, সোণ)।

আমাৰ মহাবিদ্যালয়ৰ সিমিত পৰিসীমাৰ ভিতৰত শৰীৰ চৰ্চা জগতখনৰ বিদ্যাৰ্থীসকলৰ মাজত নতুন কিবা এটা উদ্যম জগাই তোলাৰ আন্তৰিক ইচ্ছা থকা স্বত্বেও তাক আশানুৰূপ ৰূপ দিয়াত মই সম্পূৰ্ণ সফল হব নোৱাৰিলো। এই ক্ষেত্ৰত আৰ্থিক আৰু আনুষঙ্গিক অসুবিধাবোৰ প্ৰধান অন্তৰাই আছিল।

প্ৰতিবেদনৰ সামৰনিত মোৰ কাৰ্য্যকালত সকলো সময়তে মোক দিহা পৰামৰ্শৰে সহায় কৰা তত্বাৱধায়ক মাননীয় শ্ৰীভূপেন হালৈ, শ্ৰীবুধিন হাজৰিকা শ্ৰীপৰেশ শৰ্মা চাৰ, মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় শ্ৰীগিৰিশ গোস্বামী চাৰ, উপসভাপতি শ্ৰীপ্ৰফুল্ল দেৱ শৰ্মা, শ্ৰীমুকুট কোঁচ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়াকে ধৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকলে মোৰ কাৰ্য্যকালত অশেষ কষ্ট স্বীকাৰ কৰি মোক সহায়ৰ হাত আগবঢ়োৱাৰ বাবে সেই সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুতিৰ সংশ্লিষ্ট সকলোলৈ ক্ষমা প্ৰাৰ্থনাৰে প্ৰতিবেদনৰ সামৰনি মাৰিছোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়'

ধন্যবাদেৰে—

শ্ৰীকুশল চহৰীয়া
সম্পাদক, ব্যায়াম শাখা বিভাগ
মঙ্গলদৈ মহাবিদ্যালয়

# প্ৰতিবেদন, ছাত্ৰ জিৰণি কোঠা বিভাগ

১৯৯৫-৯৬ বৰ্ষৰ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মোক জয়ী কৰি ঐতিহ্যমণ্ডিত মংগলদৈ মহাবিদ্যালয়ৰ কিঞ্চিত সেৱা আগবঢ়াবৰ বাবে দিয়া সুযোগ কণৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক অভিনন্দন জনাইছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পৰাই মোৰ কৰ্তব্যৰ তকণো অৱহেলা নকৰি সাধ্যানুসাৰে দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিছিলো। বিশেষকৈ নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি মৰ্মে আগৰ বন্ধ হৈ থকা জিৰণি কোঠাটো খোলাৰ বাবে যৎপৰোনাস্তিচেষ্টা কৰা হয় আৰু অৱশেষত কোঠাটো খোলাৰ ব্যৱস্থা কৰি তাত জিৰণিৰ উপযোগীকৈ ডেক্স বেঞ্চৰ ব্যৱস্থা কৰা হয়। অৱশ্যে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে মোৰ বিগত কাৰ্য্যকাল কিমান উপযোগী হ'ল সেইটো বিচাৰ কৰা মোৰ বাবে অসম্ভৱ।

**মহাবিদ্যালয়ৰ সপ্তাহ**ঃ—কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইটামান দিনৰ পাছতেই মহাবিদ্যালয় সপ্তাহ পালন কৰিব লগা হয়। জিৰণি কোঠাৰ অন্তৰ্গত বিভিন্ন খেলসমূহ মহাবিদ্যালয়ৰ সপ্তাহৰ ৭ দিন আগৰ পৰাই অনুষ্ঠিতকৰা হয়। খেল সমূহৰ শুভাৰম্ভনী কৰা হয় জিৰণি কোঠাৰ ভাৰ প্ৰাপ্ত অধ্যাপক শ্ৰীযুত কৃষ্ণকান্ত শইকীয়া

চাৰ দেৱে। এইবাৰ মহাবিদ্যালয় সপ্তাহত বেডমিণ্টন কেৰম, ডবা, এই তিনিটা খেল অনুষ্ঠিত কৰা হয়। তলত খেল সমূহৰকেনে ধৰণে অনুষ্ঠিত কৰা হ'ল তাৰ এটা চমু আভাষ দিয়া হ'ল।

**বেডমিণ্টন ::** বেডমিণ্টন খেলখন একক, যুটীয়া, আৰু ল'ৰা-ছোৱালীৰ যুটীয়া এই তিনিটা বিভাগত অনুষ্ঠিত কৰা হয়। প্ৰতিটো বিভাগতে ১০০ জনতকৈ অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। তিনিটা বিভাগতে খেল সমূহ তীব্ৰ প্ৰতিদ্বন্দিতামূলক আৰু উত্তেজনা পূৰ্ণ হৈছিল। একক শাখাত মুৰচ্ছনা আলীয়ে সুন্দৰ খেল প্ৰদৰ্শন কৰি দিচান্ত ডেকাক পৰাজিত কৰি খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। সেইদৰে যুটীয়া শাখাত ধ্ৰুৱজ্যোতি কাশ্যপ আৰু কিশোৰ নাথ ল'ৰা-ছোৱালীৰ যুটীয়া শাখাত ভাস্কৰজ্যোতি বৰুৱা আৰু ৰাণীকোঁৱৰে খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়।

এইখিনিতে খেলখন সুচাৰুৰূপে পৰিচালনা কৰি দিয়াৰ বাবে ৰমেনদাস দাৰ লগতে দিচান্ত, ধ্ৰুৱ, কিশোৰ আৰু ভাস্কৰ জ্যোতি বৰুৱাক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**কেৰম প্ৰতিযোগীতা :** কেৰম প্ৰতিযোগীতা খনিও তিনিটা বিভাগত অনুষ্ঠিত কৰা হয়। প্ৰতিটো বিভাগতে ভালে সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিটো বিভাগতে তীব্ৰ উত্তেজনা পূৰ্ণখেল প্ৰদৰ্শিত হৈছিল। একক শাখাত ভাস্কৰ পাঠকে সুন্দৰ খেল প্ৰদৰ্শন কৰি মনোজ হাজৰিকাক পৰাজিত কৰি খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। সেইদৰে যুটীয়া শাখাত ফিৰদোজ আলম ইছলাম আৰু আলটাফ হুচেইন। ল'ৰা-ছোৱালীৰ যুটীয়া শাখাত মঞ্জুদেৱী আৰু আটাউৰ ৰহমান খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। প্ৰতিযোগীতা খনি সুন্দৰ ভাবে পৰিচালনা কৰি দিয়াৰ বাবে ভুবেশ কুমাৰ ডেকাৰ লগতে, ভৈৰবদাক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**ডবা প্ৰতিযোগিতা :** ডবা প্ৰতিযোগিতাখনিত ৫০ জনতকৈ অধিক প্ৰতিযোগিয়ে অংশ গ্ৰহণ কৰিছিল। তাৰ ভিতৰত শ্ৰীপ্ৰিয়ম কুমাৰ দাসে ফাইনেলত ধৰ্মকান্ত ভাগৱতীক ৮ ঘণ্টা ২০ মিনিট সময়লৈ পৰাস্ত কৰি খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়।

এইখিনিতে খেলখন পৰিচালনা কৰি সহায়ৰ হাত আগবঢ়োৱাৰ বাবে বন্ধুবৰ শ্ৰীজয়ন্ত চহৰীয়া, ধৰ্মকান্ত ভাগৱতী আৰু সোনটিলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

**কৃতজ্ঞতা স্বীকাৰ :** মোৰ এই কাৰ্য্যকালছোৱাত বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় কৰা শ্ৰদ্ধেয় শিক্ষাগুৰু তথা ছাত্ৰ জিৰণি কোঠাৰ তত্বৱধায়ক অধ্যাপক শ্ৰীযুত কৃষ্ণকান্ত শইকীয়া চাৰদেৱলৈ কৃতজ্ঞতা স্বীকাৰ কৰিছো। লগতে বিভিন্ন দিহা পৰামৰ্শ দি সহায় কৰা উপ-সভাপতি প্ৰফুল্ল দেৱ শৰ্মা, মকুটদা তথা মহাবিদ্যালয়ৰ যি সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোৰ হুকে অশেষ কষ্ট স্বীকাৰ কৰিছে সেই সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

**সামৰণি :** মোৰ কাৰ্য্যকালচোৱাত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা ভিক্ষা মাগিলো।

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ এজন বিষয়ববীয়া হিচাপে মহাবিদ্যালয় খনৰ লগতে জিৰণি কোঠাটোৰ সৰ্বাংগীন উন্নতি সাধন কামনা কৰি মোৰ এই ভাষাহীন প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে—

**শ্ৰীধৰণীধৰ কলিতা**
সম্পাদক ছাত্ৰ জিৰণি কোঠা

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

যি সকল ছাত্ৰ-ছাত্ৰী বন্ধুবান্ধৱীয়ে মোক মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত কৰি আপোনাসবৰ সেৱা কৰাৰ সুযোগ দিলে সেই সকলৰ বাবে মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

সাহিত্য বিভাগৰ সম্পাদক হিচাবে বিগত বছৰটিত কি কৰিব পাৰিছো নোৱাৰিছো সেইটো আপোনাসবৰ বিচাৰ্য্য বিষয়। সম্পাদক হিচাবে কৰণীয় খিনি কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই।

আমাৰ ছাত্ৰ একতা সভা খনে পলমকৈ দায়িত্ব ভাৰ পোৱাৰ বাবে সময় মতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিব পৰা নাছিলো, ফলত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগিতা সমূহত যোগদান সেৰেঙা আছিল। সাহিত্য বিভাগৰ প্ৰতিযোগিতা সমূহত তুলনা মূলক ভাৱে প্ৰতিযোগীৰ সংখ্যা সন্তোষ জনক আছিল। এই বেলি সাহিত্য বিভাগৰ অধীনত অন্যান্য প্ৰতিযোগিতাৰ লগতে সংবাদ লিখা প্ৰতিযোগিতা খন পোন প্ৰথম বাৰৰ বাবে অনুষ্ঠিত কৰা হৈছিল। উক্ত প্ৰতিযোগিতাত ছাত্ৰ ছাত্ৰীসকলৰ পৰা আশানুৰূপ সহাৰি পোৱাৰ পৰিলক্ষিত হৈছিল। মহাবিদ্যালয় সপ্তাহ উপলক্ষে তৃতীয় কাৰ্য্যসূচী হিচাবে সাহিত্য বিভাগৰ তৰফৰ পৰা প্ৰাচীৰ প্ৰত্ৰিকা উন্মোচন কৰা হয়। উন্মোচন কৰে ভাৰপ্ৰাপ্ত অধ্যাপক পৰেশ কুমাৰ শৰ্মা দেৱে।

নৱাগত আদৰণী সভা উপলক্ষে সাহিত্য বিভাগৰ তৰফৰ পৰা 'প্ৰেৰণা' নামৰ কবিতা সংকলন এখন প্ৰকাশ কৰা হয়। উক্ত পুথিখন উন্মোচন কৰে খৰিকাজাই কবি মাননীয় শ্ৰীভবানন্দ ৰাজখোৱাদেৱে। "প্ৰেৰণা"ৰ জৰিয়তে অধ্যাপক ইদ্ৰিছ আলি দেৱে কবি, কবিতা আৰু সম্ভাবনা' শীৰ্ষক প্ৰেৰণাত প্ৰকাশ পোৱা কবিতা সমূহৰ ওপৰত এক গঠন মূলক সমালোচনা কৰি ভুল ত্ৰুটি সমূহ ছাত্ৰ-ছাত্ৰী সকলক আঙুলিয়াই দিয়ে। এনে পদ্ধতিৰে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ ভুল ভ্ৰান্তি সমূহৰ বিষয়ে অৱগত হৈ ভবিষ্যতে এই দিশত উন্নতি সাধন কৰিব পাৰে।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত দিহা পৰামৰ্শ দি বিশেষ ভাৱে উপকৃত কৰা শ্ৰদ্ধাৰ। ভাৰপ্ৰাপ্ত অধ্যাপক পৰেশ কুমাৰ শৰ্মা দেৱ, ইদ্ৰিছ আলি, ডিম্বেশ্বৰ বৰুৱা, জামালুদ্দিন আহমেদ দেৱলৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ, লগতে মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা বাবে সাহিত্য বিভাগৰ সম্পাদনা সমিতিৰ লগতে সকলো বন্ধু-বান্ধৱী লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অজানিতে কৰি অহা ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি, মঙলদৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি এই প্ৰতিবেদনৰ সামৰণী মাৰিছোঁ।

'জয়তু মঙলদৈ মহাবিদ্যালয়।

ধন্যবাদেৰে

**জয়ন্ত কাকতি**
সম্পাদক সাহিত্য বিভাগ
ছাত্ৰ একতা সভা
১৯৯৫-৯৬ বৰ্ষ

# প্ৰতিবেদন: ছাত্ৰী জিৰণি কোঠা

অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক প্ৰেক্ষাপটত ছাত্ৰ-ছাত্ৰী সকলৰ এটি গৌৰৱময় ইতিহাস আছে।

দৰং জিলাৰ ভিতৰত উচ্চশিক্ষাৰ এখন প্ৰধান স্থান মঙলদৈ মহাবিদ্যালয়খন ছাত্ৰ ছাত্ৰী সকলৰ আশা-আকাংক্ষাৰ কেন্দ্ৰ স্থল। এই মহাবিদ্যালয় খন ১৯৫১ চনত স্থাপন কৰা হৈছিল যদিও যি দৰে সা-সুবিধা হব লাগিছিল সেইবোৰ এতিয়াও নোহোৱা পৰিলক্ষিত হৈছে।

এই মহাবিদ্যালয় খনৰ অভাৱ-অভিযোগ থাকিলেও শৈক্ষিক দিশ আৰু খেলা-ধূলাৰ বিষয়ত সুনাম অৰ্জন কৰি আহি আছে।

সম্পাদিকা হিচাপে ১৯৯৬ চনত কি কৰিব পাৰিলো আৰু কিমান কৰিলো সেইবোৰ বিচাৰ সকলোৰে হাতত। অৱশ্যে মই স্বীকাৰ কৰিব লাগিব যে এটা প্ৰধান অনুষ্ঠান মহাবিদ্যালয়ৰ সপ্তাহত আপোনালোকৰ সহযোগেই আছিল মোৰ এক মাত্ৰ সহায়।

মোৰ কাৰ্য্যকালৰ আৰম্ভনিৰ পৰা শেষলৈ অকনো অসুবিধা সৃষ্টি নোহোৱাকৈ চোৱা-চিতা কৰি আহিছিল মোৰ শ্ৰদ্ধাৰ মাননীয় অধ্যক্ষ মহোদয় আৰু লগতে ভাৰপ্ৰাপ্ত অধ্যাপিকা মাননীয়া ৰবিতা শৰ্মা লগতে ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক/অধ্যাপিকা সকলে। সেই সকলোলৈ মোৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ চাৰ বাইদেউ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগিতাৰ বাবে ধন্যবাদ জনাইছোঁ।

এই খিনিতে মই বিগত কাৰ্য্যকালত এটি খতিয়ান এই প্ৰতিবেদনৰ জৰিয়তে দাঙি ধৰিবলৈ যত্ন কৰিছোঁ। দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছতেই মই ছাত্ৰী জিৰণি কোঠাৰ বহুতো অভাৱৰ সন্মুখীন হৈছিলো। মোৰ বিভাগৰ পৰা কেৰম, বেড্‌মিণ্টন, লুডু, ডবা খেলবোৰ অনুষ্ঠিত হয় কিন্তু দুঃখৰ বিষয় এই ডাঙৰ মহাবিদ্যালয় 'সপ্তাহ'ত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অতি সীমিত আছিল।

ছাত্ৰী জিৰণি কোঠাৰ অভাৱ অভিযোগবোৰ আজিও দৃষ্টিগোচৰ হৈয়েই থাকিল। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত জয়ী হোৱাৰ পিছত ড° হৰিশ চন্দ্ৰ ডেকা আচিফ আলি, বৈশালী মেধী, ৰাহুল মজুমদাৰ লগতে ঋতুপৰ্ণা বৰ্ণালী চক্ৰৱৰ্তী, চাৰ, বাইদেউ হঁতে যি উৎসাহ দিলে তাত মই নথৈ আনন্দিত।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হৈ কাৰ্য্যকাল চলাই নিয়াৰ সময়ত বহুতো ভুল ভ্ৰান্তি হব পাৰে। অজ্ঞানিতে ভুল হোৱাৰ বাবে প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিছাৰিছোঁ।

সামৰণিত মই পুনৰ বাৰ বিশেষকৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ভাৰ প্ৰাপ্ত অধ্যাপক মাননীয় গিৰিশ গোস্বামী চাৰলৈ আৰু মাননীয়া উষা বড়া বাইদেউলৈ শ্ৰদ্ধা আৰু ধন্যবাদ জনাইছোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়,
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম।

সম্পাদিকা
শ্ৰীমঞ্জু দেৱী
ছাত্ৰী জিৰণি কোঠা